ISSN-0971-8400

যোজনা

আলোচনী গোষ্ঠীৰ মাহেকীয়া

# পয়োভৰা

ষষ্ঠ চত্বাৰিংশ বৰ্ষ | চতুৰ্থ সংখ্যা | জুন ২০১৫ | মূল্য ১০.০০ টকা

## বিকল্প চিকিৎসা ঃ সুস্বাস্থ্যৰ বাবে প্ৰাকৃতিক পদ্ধতি

যোগ ঃ সুস্বাস্থ্য আৰু সুস্থতাৰ বাবে সঠিক পথ
ঈশ্বৰ বাসৱাৰেড্ডী

আয়ুৰ্বেদৰ উৎপত্তি আৰু বিকাশ
ডি চি কটোচ

হোমিওপেথি ঃ মৃদু ঔষধ
আৰ, কে মানচন্দা







International Day of Yoga
21 June
Yoga for Harmony & Peace

সংস্কাৰ ঃ
বিনিয়োগ, নিয়োগ আৰু বিকাশলৈ পথ
প্ৰভাকৰ চাহু, অভিৰূপ ভূঞিয়া

শক্তি খণ্ড ঃ
নতুন উচ্চতালৈ আৰোপ
কে আৰ সুধামন

শ্ৰমিক সংস্কাৰ ঃ
ব্যৱসায় সহজ কৰিবলৈ উদ্যোগ
দীপক ৰাজদান

ভাৰতৰ দীঘল খোজ

## জন সুৰক্ষা আঁচনি - সামাজিক সুৰক্ষাৰ নিশ্চিতিকৰণ

কেন্দ্ৰীয় চৰকাৰে যোৱা ৯ মে' তাৰিখে বীমা আৰু পেন্সন খণ্ড সামৰি তিনিখন সামাজিক সুৰক্ষা আচঁনি প্ৰৱৰ্তন কৰিছে। আচঁনিকেইখনৰ উদ্দেশ্য হ'ল অত্যাৱশ্যকীয় সামাজিক নিৰাপত্তা ৰক্ষণাবেক্ষণ প্ৰক্ৰিয়াত বৰঙণিদাতাজনৰ বেংক একাউন্টৰ পৰা 'অট' ডেবিট' সুবিধালৈ সংযোগেৰে বহনযোগ্য সাৰ্বজনীন প্ৰৱেশৰ সুবিধা আগবঢ়োৱা।

যোৱামাহত প্ৰৱৰ্তন কৰা দুখন বীমা আচঁনি-প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা (পি এম এছ বি ৱাই) আৰু প্ৰধান মন্ত্ৰী জীৱনজ্যোতি বীমা যোজনাই (পি এম জে জে বি ৱাই) যি কোনো কাৰণত হোৱা মৃত্যু বা দুৰ্ঘটনাৰ ফলত হোৱা অক্ষমতাৰ ক্ষেত্ৰত বীমাৰে সামৰি ল'ব। অটল পেন্সন যোজনাই (এ পি ৱাই) বৃদ্ধ বয়সৰ উপাৰ্জন সুৰক্ষা প্ৰয়োজনীয়তা আগবঢ়াব। এই আচঁনিসমূহৰ সুচল বিতৰণ ব্যৱস্থাই ভাৰতত জীৱন দুৰ্ঘটনা বীমাই কমকৈ সামৰি লোৱা সকলক আৰু বৃদ্ধ বয়সত উপাৰ্জনৰ নিৰাপত্তাৰ ক্ষেত্ৰত কাম কৰিব বুলি আশা কৰা হৈছে।

## প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনা (পি এম এছ বি ৱাই)

প্ৰধান মন্ত্ৰী সুৰক্ষা বীমা যোজনাই ছেভিংছ বেংক একাউন্ট থকা ১৮ বছৰৰ পৰা ৭০ বছৰ বয়সৰ লোকসকললৈ দুৰ্ঘটনাজনিত মৃত্যু বা অক্ষমতাৰ কাৰণে ২ লাখ টকাৰ (আংশিক স্থায়ী অক্ষমতাৰ ক্ষেত্ৰত ১ লাখ টকা) বীমা সুবিধা বছৰি মাত্ৰ ১২ টকা প্ৰিমিয়ামৰ বিনিময়ত আগবঢ়াইছে। এই আচঁনিখন অনুৰূপ চৰ্তত উৎপাদন আগবঢ়াবলৈ আগ্ৰহী ৰাজহুৱা খণ্ডৰ সাধাৰণ বীমা কোম্পানী বা আন সাধাৰণ বীমা কোম্পানীৰ জৰিয়তে আগবঢ়োৱা হ'ব।

এটা বা আন বেংকত একাধিক বেংক একাউন্ট থকা ব্যক্তি মাত্ৰ এটা ছেভিংছ বেংক একাউন্ট জৰিয়তে এই আচঁনিত যোগদানৰ বাবে যোগ্য হ'ব। পঞ্জীয়নৰ ক্ষেত্ৰত দিয়া বিকল্প অনুযায়ী ব্যক্তিজনৰ একাউন্টৰ পৰা '' অট' ডেবিট' সুবিধাৰ জৰিয়তে প্ৰিমিয়াম এটা কিস্তিত লোৱা হ'ব। প্ৰথম বছৰত এজন যোগ্য ব্যক্তি যোগদান কৰাত ব্যৰ্থ হ'লে পাছৰ বছৰবোৰত প্ৰিমিয়াম পৰিশোধ কৰি আচঁনিখনৰ অংশীদাৰ হ'ব পাৰে। এই আচঁনিখনৰ পৰা ওলাই অহাৰ পাচতো নিয়ম অনুযায়ী বছৰেকীয়া প্ৰিমিয়াম পৰিশোধ কৰি পুনৰ যোগদান কৰিব পাৰে।

## প্ৰধান মন্ত্ৰী জীৱনজ্যোতি বীমা যোজনা (পি এম জে জে বি ৱাই)

এই আচঁনিখনেও বেংক একাউন্ট থকা ১৮ বছৰৰ পৰা ৫০ বছৰ বয়সৰ লোকলৈ যি কোনো মৃত্যুৰ ক্ষেত্ৰত পুনৰ ২ লাখ টকাৰ নবীকৰণযোগ্য এবছৰীয়া জীৱন বীমাৰ সুবিধা আগবঢ়াইছে। ইয়াৰ বাবে প্ৰতিবছৰত ৩৩০ টকাৰ প্ৰিমিয়াম পৰিশোধ কৰিব লাগিব। এই আঁচনিখন অনুৰূপ চৰ্তাৱলীৰ ভিত্তিত প্ৰয়োজনীয় অনুমোদনৰ সৈতে উৎপাদন আগবঢ়াবলৈ ইচ্ছুক জীৱন বীমা নিগম বা আন জীৱন বীমা কোম্পানীবোৰৰ জৰিয়তে অংশগ্ৰহণকাৰী বেংকসমূহৰ সহযোগিতাত পৰিচালনা কৰা হ'ব। প্ৰথম বছৰত এই আচঁনিত যোগদান কৰাত ব্যৰ্থ হোৱা ব্যক্তিয়ে নিজৰ সুস্বাস্থ্যৰ প্ৰমাণ -পত্ৰ নিজেই দি যোগদান কৰিব পাৰে। এই বৰঙণিদাতাজনৰ ইতিমধ্যে থকা আন বীমাৰ ওপৰঞ্চি আচঁনি হ'ব।

## অটল পেন্সন যোজনা (এ পি ৱাই)

এই আচঁনিখনে অসংগঠিত খণ্ডৰ শ্ৰমিসকলক সামৰি ল'ব আৰু ষাঠি বছৰত পদাৰ্পণ কৰা বৰঙণিদাতাক ১০০০, ২০০০, ৩০০০, ৪০০০ বা ৫০০০ টকাৰ এটা মাহেকীয়া নিৰ্দ্ধাৰিত পেন্সনৰ সুবিধা আগবঢ়াব। এই বয়সত লাভ কৰা মাহিলী পেন্সনটোৰ পৰিমাণ ব্যক্তিজনে আগবঢ়োৱা বৰঙণি বিকল্পৰ ওপৰত নিৰ্ভৰ কৰিব। এই পেন্সন আচঁনিখনৰ জৰিয়তে বৃদ্ধকালত ন্যুনতম বিনিয়োগৰ জৰিয়তে উচ্চতম সুবিধা আগবঢ়োৱাৰ বাবে চৰকাৰে লক্ষ্য নিৰ্দ্ধাৰণ কৰিছে। অটল পেন্সন যোজনাৰ সুবিধা বিচৰা সকলৰ বয়স সীমা হ'ল ১৮ বছৰৰ পৰা ৪০ বছৰ। এই সুবিধা ল'ব বিচৰাসকলে আচঁনিখনৰ অধীনত ২০ বছৰ বা তাতোকৈ অধিক কালৰ বাবে 'অট' ডেবিট' সুবিধাৰ জৰিয়তে বৰঙণি আগবঢ়াব লাগিব। আনকি অটল পেন্সন যোজনাৰ এটা একাউন্ট খুলিবলৈ আধাৰ নম্বৰটো বাধ্যতামূলক নহয় যদিও, পঞ্জীয়নৰ কাৰণে আধাৰ নম্বৰটো হিতাধিকাৰী জনক চিনাক্তকৰণ, তেওঁৰ পত্নী বা সন্তান আৰু মনোনিত উত্তৰাধিকাৰীয়ে ভৱিষ্যতে পেন্সন অধিকাৰ সম্পৰ্কীয় বিবাদ এৰাই চলিবৰ কাৰণে কে ৱাই চি ( know your customer) প্ৰাথমিক তথ্য হ'ব পাৰে। মনোনীত উত্তৰাধিকাৰীৰ তথ্য বিতংভাৱে দিয়াটো বাধ্যতামূলক। একে সময়তে এজন বৰঙণিদাতাই এটাহে অটল পেন্সন যোজনা একাউন্ট খুলিব পাৰে আৰু এইটো একক। লেনদেনৰ বিতং তথ্য জানিবলৈ নিয়মিত সময়ৰ একাউন্টৰ বিবৃত্তি আগবঢ়োৱা হ'ব।

## এই সংখ্যাত

# পয়োভৰা

**উন্নয়নমূলক বিষয়-বস্তুৰে সমৃদ্ধ অসমীয়া ভাষাৰ একমাত্ৰ মাহেকীয়া আলোচনী**


সঞ্চালক আৰু
মুখ্য সম্পাদক ঃ **দীপিকা কচ্ছল**
জ্যেষ্ঠ সম্পাদক ঃ **অনুপমা দাস**

**PAYOBHARA**
**VOL. - 46 No.4**
**ষষ্ঠ চত্বাৰিংশ বৰ্ষ ঃ চতুৰ্থ সংখ্যা**
**জুন ঃ ২০১৫**


শিক্ষক, ছাত্ৰ-ছাত্ৰী, শিক্ষা প্ৰতিষ্ঠান আৰু পুথি ভঁৰালৰ বাবে ১০ শতাংশ ৰেহাই

বেটুপাতৰ শিল্পী ঃ
**গজানন পি ধোপে**

পয়োভৰাত প্ৰকাশিত প্ৰবন্ধ-পাতিৰ মতামত লেখকৰ নিজস্ব


| | | পৃষ্ঠা |
|---|---|---|
| সুস্বাস্থ্য আৰু সুস্থতাৰ বাবে যোগ | ড° ঈশ্বৰ ভি বাসবাৰেড্ডী | - ৩ |
| আয়ুৰ্বেদৰ উৎপত্তি আৰু বিকাশৰ প্ৰতিচ্ছবি | ড° ডি চি কটোচ | - ৮ |
| হোমিওপেথি ঔষধৰ গুৰুত্ব আৰু উপকাৰিতা | ড° আৰ কে মানচন্দা, ড° হাৰলীন কৌৰ | -১৪ |
| বিনিয়োগ আৰু নিয়োগ বাবে সংস্কাৰ সাধনৰ প্ৰতি গুৰুত্ব | প্ৰভাকৰ চাহু, অভিৰূপ ভূণিয়া | -২০ |
| অন্য এটা স্তৰলৈ শক্তি খণ্ডৰ উত্তৰণ | কে, আৰ সুধামন | -২৬ |
| সহজ কাৰবাৰৰ জৰিয়তে পাব পৰা নিয়োগ বৃদ্ধিৰ সা-সুবিধা | দীপক ৰাজদান | -৩২ |
| ইউনানী ঃ স্বাস্থ্য আৰু নিৰাময়ৰ বিজ্ঞান | অধ্যাপক ৰইজউৰ ৰহমান | -৩৭ |
| স্বাস্থ্য ৰক্ষাৰ সমস্যা সমাধানৰ বাবে প্ৰাকৃতিক চিকিৎসা এটা বিকল্প চিকিৎসা পদ্ধতি ঃ ভাৰতৰ স্বাস্থ্য আন্তঃগাঁথনি | আৰ এম নায়াৰ | -৪২ |
| সিদ্ধ চিকিৎসা পদ্ধতি | কৃষ্ণমাচাৰী | -৪৬ |
| মানৱ জীৱনত যোগৰ ভূমিকা | ডা° দণ্ড প্ৰতাপ শৰ্মা | -৫০ |
| বিকল্প চিকিৎসাঃ সংশয় আৰু আৱশ্যকতা | ড° গৌৰাঙ্গ কুমাৰ শৰ্মা | -৫২ |
| অসমৰ অৰ্থনৈতিক উন্নয়নত বনৌষধি উদ্যোগ | পাঞ্চালী বৈশ্য | -৫৪ |
| আপুনি জানেনে? | | -৫৬ |



পয়োভৰাৰ বছৰেকীয়া গ্ৰাহক মূল্য ঃ ১০০.০০ টকা
দুবছৰৰ গ্ৰাহক মূল্য ঃ ১৮০.০০ টকা
তিনি বছৰৰ গ্ৰাহক মূল্য ঃ ২৫০.০০ টকা
সম্পাদকীয় কাৰ্য্যালয় কে কে বি পথ নিউ কলনি গৃহ নং ৭,চেনিকুঠি
গুৱাহাটী-৭৮১০০৩ ফোন ঃ ২৬৬৫০৯০, ই-মেইলঃ ypeguw@dataone.in
yojanaasomia@yahoo.co.in

**প্ৰকাশক ঃ** অতিৰিক্ত সঞ্চালক প্ৰধান (ভাৰপ্ৰাপ্ত), প্ৰকাশন বিভাগ, সূচনা ভৱন, চি জি অ' কমপ্লেক্স, নতুন দিল্লী ঃ ১১০০০৩
**মুদ্ৰক ঃ** আশী পাব্লিশিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিচ, বিবিধা কমপ্লেক্স, এম আৰ ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১

## এই সংখ্যাৰ প্ৰসংগত

# নিৰাময় যাত্ৰা

প
য়ো
ভ
ৰা

বহুদিনৰ আগতে চাৰ্লছ ডাৰউইনে দিয়া বিৱৰ্ত্তনৰ সূত্ৰ মতে এইটো কথা প্ৰতীয়মান  যে জীৱজগত বা উদ্ভিদ জগতৰ স্থায়িত্ব ব্যৱহাৰিক উপযোগিতাৰ ওপৰত নিৰ্ভৰ কৰে। জীৱন সংগ্ৰামৰ প্ৰতিযোগিতাত মানৱ সভ্যতা সদায় নতুন আৱিষ্কাৰৰ দিশে ধাবমান। আজিৰ মানুহে নতুনত্ববিহীন, বিৰক্তিকৰ জীৱনযাত্ৰা সমৰ্থন নকৰে। চিকিৎসাৰ ক্ষেত্ৰত নতুন নতুন ঔষধৰ আৱিষ্কাৰ আৰু যোগাযোগ ব্যৱস্থাৰ অগ্ৰগতিয়ে আজিৰ মানুহলৈ আশাৰ বতৰা আনিছে। ৰোগ চিনাক্তকৰণৰ সা-সুবিধা আৰু উন্নত চিকিৎসা পদ্ধতিৰ উদ্ভাৱনাই মানুহৰ জীৱনীশক্তিক নতুন মাত্ৰা প্ৰদান কৰিছে। আনহাতে একে সময়তে আকৌ মানুহৰ প্ৰকৃতি বিৰোধী কাম-কাজ আৰু অস্বাস্থ্যকৰ জীৱননিৰ্বাহ অভ্যাসে চিকিৎসা কৰিব নোৱাৰা ৰোগৰো সৃষ্টি কৰিছে।

যদিওবা আধুনিক চিকিৎসা ব্যৱস্থাই এই ৰোগসমূহ নিৰাময়ৰ ক্ষেত্ৰত সক্ৰিয় ভূমিকা  গ্ৰহণ কৰিছে তথাপিও ই সম্পূৰ্ণভাৱে আশাপ্ৰদ ফল লাভ কৰিব পৰা নাই। মানুহে অতীজৰ প্ৰাকৃতিক চিকিৎসা পদ্ধতিৰ মাজত লুকাই থকা গুণগত মান বিকল্প চিকিৎসাৰ সৈতে বিজাই চাই আশ্বস্ত হৈছে। মানুহৰ শৰীৰ প্ৰকৃতিৰ নিয়মৰদ্বাৰা সততে প্ৰতিপালিত। ভাৰতৰ পৰম্পৰাগত চিকিৎসা ব্যৱস্থাই শৰীৰক নিৰোগী কৰি ৰখাতহে গুৰুত্ব দি আহিছে, ৰোগ চিকিৎসা কৰি নহয়। আয়ুৰ্বেদিক হোমিঅ'পেথিক, প্ৰাকৃতিক, যোগ,ইউনানি, সিদ্ধ এই সকলো বিকল্প চিকিৎসা পদ্ধতিয়ে আমাৰ শৰীৰ, মন সুস্থ সবল কৰি ৰখাত সহায় কৰে।

আজিৰ পৰা প্ৰায় ৫০০০ বছৰৰ আগেয়ে আয়ুৰ্বেদ আৰু যোগ চিকিৎসাই ভাৰতীয় চিকিৎসা বিজ্ঞানৰ এটা পদক্ষেপ হিচাপে অগ্ৰগতি লাভ কৰিছিল আৰু দক্ষিণ ভাৰতত সিদ্ধ চিকিৎসা পদ্ধতিয়ে আস্থাৰ বাট মুকলি কৰিছিল। ইউনানি নামৰ এই  পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ উৎপত্তি স্থল প্ৰাচীন গ্ৰীচ ৰাজ্য। ১৮ শতিকাৰ আগভাগৰ জাৰ্মান চিকিৎসক চেমুৱেল হেনিমেন হ'ল হোমিঅ'পেথি চিকিৎসাৰ পথপ্ৰদৰ্শক। সেইদিনধৰি এই চিকিৎসা পদ্ধতি সমূহে মানুহৰ সমাদৰ লাভ কৰি আহিছে। আজিও এই বিকল্প চিকিৎসা পদ্ধতি সমূহৰ প্ৰতি মানুহৰ আস্থা অটুট আছে। ইয়াৰ ঘাই কাৰণ হ'ল এই বিকল্প চিকিৎসা পদ্ধতি সমূহ ফলপ্ৰসু, কমখৰচী আৰু বিৰূপ প্ৰতিক্ৰিয়াহীন। লগতে এই চিকিৎসা পদ্ধতিয়ে দীৰ্ঘদিন অসুখীয়া মানুহৰ ৰোগ প্ৰতিৰোধ আৰু সংকটাপন্ন ৰোগীৰো জীৱন ঘূৰাই আনিব পাৰে। এনেধৰণৰ পৰিস্থিতিত আধুনিক পথ্যই বহুক্ষেত্ৰত বিফলতাৰ ভূমিকাহে লয়। এইধৰণৰ বিকল্প চিকিৎসা পদ্ধতিসমূহৰ বহুল গৱেষণাৰ বাবে বিশ্বজোৰা এটা পদক্ষেপ গ্ৰহণ কৰা উচিত। এই ব্যৱস্থাই বিশ্বমানৱৰ সমূহীয়া হিত সাধন কৰিব। ভাৰতবৰ্ষত আয়ুৰ্বেদ, যোগ, প্ৰাকৃতিক, ইউনানি, সিদ্ধ, হোমিঅ'পেথিক চিকিৎসা অধ্যয়ন আৰু গৱেষণাৰ বাবে এটা সুকীয়া মন্ত্ৰালয় গঠন কৰা হৈছে। এই মন্ত্ৰালয়ে AYUSH শিক্ষাপদ্ধতিৰ উৎকৰ্ষসাধনত গুৰুত্ব দি ঔষধৰ মান, গৱেষণা আৰু উন্নয়ন, জনসচেতনতা আদি পদক্ষেপ গ্ৰহণ কৰি ইয়াক বিশ্ব দৰবাৰত প্ৰতিষ্ঠা কৰিবলৈ সচেষ্ট হৈছে।

সন্মিলিত ৰাষ্ট্ৰসংঘই যোগাভ্যাসক শৰীৰ-মনৰ চালিকা শক্তি হিচাপে গণ্য কৰি ২০১৪ চনৰ ডিচেম্বৰ মাহৰ সাধাৰণ অভিবৰ্ত্তনত ২১ জুন তাৰিখটো আন্তৰ্জাতিক যোগ দিৱস হিচাপে পালন কৰিবলৈ সিদ্ধান্ত লয়। এই সিদ্ধান্ত অনুসৰি ২০১৫ চনৰ ২১ জুন তাৰিখে প্ৰথমবাৰৰ বাবে আন্তৰ্জাতিক যোগ দিৱস পালন কৰা হ'ব। সাম্প্ৰতিক চৰকাৰৰ এবছৰ পূৰ্ণ হোৱাৰ উপলক্ষে 'যোজনা'য়ো বিকল্প চিকিৎসাৰ সুফলৰ বিষয়ে জনমানসত এটা নতুন দিশ দৰ্শনৰ প্ৰয়াস কৰি এই বিষয়ৰ তথ্য সম্বলিত লেখাৰে এই সংখ্যাটিৰ পৰিকল্পনা কৰিছে।

বিকল্প চিকিৎসা আচলতে অৰ্থগতভাৱে বিকল্প নহয়। ই হ'ল স্বাস্থ্য সচেতনতা সম্পৰ্কে জীৱনৰ এটা অবিৰত যাত্ৰা , যি দেশৰ প্ৰতিজন নাগৰিকক নিৰাপত্তা আৰু সুস্বাস্থ্যৰ অধিকাৰী কৰিব।

# সুস্বাস্থ্য আৰু সুস্থতাৰ বাবে যোগ

**ড° ঈশ্বৰ ভি. বাসবাৰেড্ডী**

**পাতনিঃ**

যোগ হৈছে শৰীৰ আৰু মনৰ মাজত সমন্বয় সাধন কৰিব পৰা সূক্ষ্ম বিজ্ঞান ভিত্তিক এক আধ্যাত্মিক সাধনা। যোগৰ হিতকাৰী গুণৰ কথা সৰ্বজনবিদিত। ই জীৱনৰ সকলো স্তৰতে স্বাচ্ছন্দ্য প্ৰদান কৰিব পাৰে, আৰু সেয়ে ইয়াক ৰোগ প্ৰতিৰোধক, সুস্বাস্থ্যৰ বাহক আৰু জীৱনশৈলী ভিত্তিক বিভিন্ন বিসংগতিৰ সু-প্ৰবন্ধক বুলি স্বীকাৰ কৰা হয়। 'যোগ' শব্দৰ উৎপত্তি হৈছে সংস্কৃত মূল 'যুজ' শব্দৰ পৰা। ইয়াৰ অৰ্থ হ'ল— 'সংযুক্ত হোৱা' যোগৰ অনুশীলনে ব্যক্তিৰ চেতনাক সাৰ্বজনীন চেতনাৰে সংযুক্ত কৰিব পাৰে। এই কথাই মন আৰু শৰীৰৰ, মানুহ আৰু প্ৰকৃতিৰ সুন্দৰ সমন্বয় সাধনৰো ইংগিত বহন কৰে। যোগৰ লক্ষ্য হৈছে 'আত্মানুসন্ধান'ৰ জৰিয়তে সকলো যন্ত্ৰণাৰ পৰা মুক্তি লভি 'মোক্ষ' অথবা 'কৈবল্য' আহৰণ কৰা। যোগ অনুশীলনৰ প্ৰধান উদ্দেশ্য হৈছে — মুক্তিৰ পৰমানন্দ উপভোগ কৰি জীৱন অতিবাহিত কৰা, সুস্বাস্থ্য আৰু স্বাচ্ছন্দ্য আহৰণ কৰা। প্ৰাচীন সভ্যতাৰ পাতনি কালতে যোগ চৰ্চাৰো শুভাৰম্ভ হৈছিল বুলি ধাৰণা কৰা হয়। যোগক খ্ৰীষ্ট পূৰ্ব ২৭০০ বছৰ পূৰ্বে সিন্ধু সাৰস্বত উপত্যকাত বিকশিত হোৱা সভ্যতাৰ 'অবিস্মৰণীয় সাংস্কৃতিক বৈভৱ' বুলি গণ্য কৰা হয় ; যিয়ে মানৱজাতিৰ ভৌতিক আৰু আধ্যাত্মিক উত্তৰণত অৰিহণা যোগাই নিজৰ মহত্ব প্ৰতিপন্ন কৰিছে।

**যোগৰ আৰম্ভণি আৰু বিকাশ ঃ**

প্ৰথম ধৰ্ম অথবা বিশ্বাস পদ্ধতিয়ে ঠন্ ধৰি উঠাৰ বহু হাজাৰ বছৰৰ আগতেই যোগ -বিজ্ঞানৰ সূচনা হৈছিল বুলি ধাৰণা কৰা হয়। কিংবদন্তী মতে শিৱ হ'ল 'প্ৰথম যোগী' অথবা 'আদি যোগী'। তেওঁকে 'প্ৰথম গুৰু' অথবা ' আদি গুৰু' বুলি অভিহিত কৰা হয়। বহু হাজাৰ বৰ্ষৰ আগতে হিমালয়ৰ কান্তিসৰোবৰ হ্ৰদৰ পাৰত আদিযোগীয়ে সাতজন ঋষি — 'সপ্তঋষি'ক তেওঁৰ জ্ঞান ভাণ্ডাৰ অৰ্পণ কৰিছিল। এই কেইগৰাকী ঋষিয়েই অসামান্য ক্ষমতাশালী যোগ বিজ্ঞানৰ এই জ্ঞান এচীয়া, মধ্য প্ৰাচ্য, উত্তৰ আফ্ৰিকা আৰু দক্ষিণ আমেৰিকালৈ কঢ়িয়াই লৈ গৈছিল। তাৎপৰ্যপূৰ্ণ কথাটো হ'ল আধুনিক যুগৰ বিদ্বানসকলে পৃথিৱীৰ ভিন্ন প্ৰান্তত বিকশিত প্ৰাচীন সভ্যতা সংস্কৃতিৰ অধ্যয়ন কৰিবলৈ গৈ বিভিন্ন সংস্কৃতিৰ মাজত থকা সাদৃশ্য হৃদয়ংগম কৰাৰ লগতে আশ্চৰ্যও প্ৰকাশ কৰিছে। অৱশ্যে ভাৰতবৰ্ষত যোগ সাধনাই পূৰ্ণ বিকাশ লাভ কৰা পৰিলক্ষিত হয়। সপ্তঋষিৰ অন্যতম অগস্ত্য মুনিয়ে ভাৰত উপমহাদেশ পৰিভ্ৰমি যোগ সাধনাক দৈনন্দিন জীৱনৰ অংগ কৰি গঢ়ি তুলিছিল।

সিন্ধু-সৰস্বতী নৈৰ উপত্যকা অঞ্চলত বিকশিত প্ৰাচীন সভ্যতাৰ ভগ্নাৱশেষসমূহত উপলব্ধ হোৱা সাক্ষ্য প্ৰমাণে প্ৰাচীন ভাৰতত বিস্তৃত পৰিসৰত চলা যোগ সাধনাৰ পৰিবেশটোক বাৰুকৈয়ে প্ৰতীয়মান কৰে। শিলালিপি, দেৱী মূৰ্তি সমূহত উপলব্ধ বিভিন্ন তথ্যই সেইকালত চৰ্চিত 'তন্ত্ৰ যোগ'ৰ নিদৰ্শন দাঙি ধৰিছে। ভাৰতীয় লোক পৰম্পৰা সমূহৰ উপৰি, সিন্ধু-সৰস্বতী উপত্যকাৰ সভ্যতা, বৈদিক আৰু উপনিষদীয় ঐতিহ্যৱলী, বৌদ্ধ আৰু জৈন পৰম্পৰা, দৰ্শন, ৰামায়ণ, ভাগৱত গীতা, মহাভাৰতক ধৰি মহাকাব্য সমূহ, শৈব্য, বৈষ্ণৱ আৰু তান্ত্ৰিক পৰম্পৰা আদি সকলোতে যোগৰ উপস্থিতি সদা বিদ্যমান হৈ আহিছে। প্ৰাক বৈদিক যুগৰে পৰা যোগৰ সাধনা অব্যাহত আছিল যদিও মহৰ্ষি পতঞ্জলিয়েহে পৰৱৰ্তী কালত ৰচনা কৰা 'যোগ -সূত্ৰ'ৰে পৰম্পৰাগত যোগৰ পদ্ধতি নিৰ্ণয় কৰাৰ লগতে ইয়াক বিধিবদ্ধ কৰে। পৰৱৰ্তী সময়ত বিভিন্নজন মনীষী, সাধকে কৰা নিৰলস সাধনাৰ সুবাদত যুগে যুগে যোগৰ সংৰক্ষণ আৰু বিকাশৰ ধাৰণা অব্যাহত আছে। সাম্প্ৰতিক সময়ত ৰোগ প্ৰতিৰোধ, স্বাস্থ্য ৰক্ষা তথা সু-স্বাস্থ্য আহৰণৰ উৎকৃষ্ট কলা-বিজ্ঞান হিচাপে যোগক সকলোৰে আদৰি লোৱা দেখা গৈছে। এনে প্ৰেক্ষাপটতে আজি যোগে পৃথিৱীজোৰা জনপ্ৰিয়তা অৰ্জন কৰিছে।

বিভিন্ন দৰ্শন, পৰম্পৰা, বংশলতিকা আৰু গুৰু-শিষ্য পৰম্পৰাই যোগ পৰম্পৰাৰ বিভিন্ন ভাগৰ জন্ম দিছে। সেয়া হৈছে — জ্ঞান যোগ, ভক্তি যোগ, কৰ্ম যোগ, ধ্যান যোগ, পতঞ্জলি যোগ, কুণ্ডলিনী যোগ, হঠ যোগ, মন্ত্ৰ যোগ, লয় যোগ, ৰাজ যোগ, জৈন যোগ, বৌদ্ধ যোগ ইত্যাদি। এই সকলোবোৰ ধাৰাৰে নিজা আদৰ্শশৈলী আছে যদিও সকলোৰে যোগ সাধনাৰ ইপ্সিত প্ৰাপ্তিৰ বাবেই অহোপুৰুষাৰ্থ কৰি আহিছে।

---

ড° ঈশ্বৰ ভি. বাসবাৰেড্ডী আয়ুস মন্ত্ৰালয়ৰ মোৰাৰজী দেশাই ৰাষ্ট্ৰীয় যোগ প্ৰতিষ্ঠানৰ সঞ্চালক

যোগৰ দেশ ভাৰতবৰ্ষত প্ৰচলিত বিভিন্ন ৰীতি-নীতি -প্ৰথাত প্ৰকৃতি -তন্ত্ৰৰ সমতুলতাৰ প্ৰতি প্ৰদৰ্শন কৰি অহা সপ্ৰেম দৃষ্টিভংগী, অন্যান্য চিন্তা-দৰ্শন-বিশ্বাস -পদ্ধতিৰ প্ৰতি সহিষ্ণুতা আৰু সকলো জীৱৰ প্ৰতি সহানুভূতিশীল দৃষ্টিভংগী প্ৰতিবিম্বিত হৈ আহিছে। সকলো ৰং-ৰূপৰে যোগ সাধনাৰ এটা অৰ্থবহ জীৱন আৰু পৰিক্ৰমাৰ সৰ্বঢাক মন্ত্ৰ বুলি বিবেচনা কৰা হয়। ব্যক্তি তথা সামাজিক স্বাস্থ্যৰ শ্ৰীবৃদ্ধি কৰিব পৰা অনন্য সামৰ্থ্য থকাৰ বাবেই যোগৰ সাধনা সকলো ধৰ্ম সম্প্ৰদায় তথা জাতিৰ বাবেই মংগলকাৰী বুলি বিবেচিত হৈ আহিছে। পূৰাতন কালৰ পৰা যোগ বিশেষজ্ঞসকলে কৰি অহা প্ৰয়াস -প্ৰচেষ্টাৰ সুবাদত সংৰক্ষিত আৰু বিকশিত হোৱা যোগক আজি লক্ষ লক্ষ জনে আগ্ৰহেৰে আদৰি লৈ আক্ষৰিক অৰ্থতে উপকৃত হৈছে।

**স্বাস্থ্য আৰু সুস্বাস্থ্যৰ বাবে যোগৰ অনুশীলনঃ**

বিস্তৃত ৰূপত কৰা যোগ সাধনা বা অনুশীলনসমূহত হ'ল— যম, নিয়ম, আসন, প্ৰাণায়ম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান, সমাধি, সংযম, বন্ধ আৰু মুদ্ৰা, সৎ-কৰ্ম, যুক্ত আহাৰ, যুক্ত কৰ্ম আৰু মন্ত্ৰ -জপ ইত্যাদি। 'যম' হ'ল যাক বাৰণ কৰা হয় আৰু 'নিয়ম' হ'ল যাক পালন কৰা হয়। যোগ-সাধনাৰ বাবে 'যম' আৰু 'নিয়ম' হ'ল পূৰ্ব চৰ্ত। 'আসন'ৰ জৰিয়তে শৰীৰ আৰু মনৰ সুস্থিৰতা নিশ্চিত কৰাৰ প্ৰয়াস কৰা হয়। আসনবোৰ হ'ল শৰীৰ (মনঃদৈহিক)ৰ বিভিন্ন ভংগী, এটা সময় কালৰ বাবে একোটা ভংগীত অৱস্থান কৰি তাক বৰ্তাই ৰখাৰ সামৰ্থ্য (অংগ সংস্থাপনৰ এক সুস্থিৰ সচেতনতা)। সুস্থ ভাবে জীৱন যাপনৰ বাবে যোগ-সাধনাত আসনৰ অনুশীলন বহুল ভাবেই কৰা হয়।

'প্ৰাণায়ম'ত শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়াক ইচ্ছানুসাৰে নিয়ন্ত্ৰণ কৰিব পৰাকৈ সচেতনা বিকশিত কৰাৰ অনুশীলন কৰা হয়। ইয়াৰ জৰিয়তে মনৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ সামৰ্থ্য আহৰণৰ প্ৰয়াস চলোৱা হয়। প্ৰাথমিক পৰ্যায়ত নাক, মুখ আৰু দেহৰ অন্যান্য অংগৰ ৰন্ধ্ৰৰে শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়া সম্পন্ন কৰাৰ সামৰ্থ্য আহৰণৰ প্ৰয়াস কৰা হয়। পাছৰ পৰ্যায়ত এই প্ৰক্ৰিয়াৰ সংস্কাৰ সাধন কৰি উশাহৰ সঞ্চালন, নিয়ন্ত্ৰণ আৰু নিৰীক্ষণৰ জৰিয়তে দেহৰ অভ্যন্তৰ পূৰণৰ দিহা কৰা (পূৰক) আৰু সম্পূৰ্ণ ৰূপত পূৰ্ণ অৱস্থা প্ৰাপ্ত কৰা (কুম্ভক) আৰু নিশাহৰ সঞ্চালন, নিয়ন্ত্ৰণ তথা নিৰীক্ষণ প্ৰক্ৰিয়াৰ জৰিয়তে নিষ্কাশনৰ দিহা কৰা (ৰেচক)ৰ সামৰ্থ্য আহৰণৰ প্ৰয়াস কৰা হয়।

'প্ৰত্যাহাৰ'ৰ জৰিয়তে ইন্দ্ৰিয় সচেতনতাৰ পৰা নিজকে বিচ্ছিন্ন কৰি বহিঃসংযোগ স্থাপনৰ সামৰ্থ্য অৰ্জনৰ প্ৰয়াস কৰা হয়। ইফালে 'ধাৰণা'ৰে শৰীৰ আৰু মনৰ অভ্যন্তৰ হৃদয়ংগম কৰা, 'ধ্যান'ৰে শৰীৰ আৰু মনৰ অভ্যন্তৰত মনঃসংযোগ কৰা আৰু 'সমাধি'ৰে 'একাত্ম' হোৱাৰ সামৰ্থ্য আহৰণৰ প্ৰয়াস কৰা হয়।

বন্ধ আৰু মুদ্ৰাৰ অনুশীলন সাধাৰণতে প্ৰাণায়মৰ সৈতে সংলগ্ন হৈ থাকে। এনে অনুশীলনক উচ্চ স্তৰৰ যোগ সাধনা হিচাপে গণ্য কৰা হয়। এই সাধনাত শৰীৰৰ (মনঃদৈহিক) ভংগীৰ লগতে শ্বাস-প্ৰশ্বাস নিয়ন্ত্ৰণৰ পাৰদৰ্শিতা লাভৰ প্ৰয়াস কৰা হয়; যিয়ে মন আৰু মগজুক নিয়ন্ত্ৰিত কৰি উচ্চ স্তৰৰ যোগ সামৰ্থ্য লাভৰ পথ প্ৰশস্ত কৰি তোলে। ইফালে 'সৎ-কৰ্ম' হ'ল বিষাক্ত দ্ৰব্য নিষ্কাশনৰ এটা অনন্য প্ৰক্ৰিয়া। এই প্ৰক্ৰিয়াৰ জৰিয়তে মানুহৰ শৰীৰত জমা হোৱা বিষাক্ত দ্ৰব্য প্ৰাকৃতিক পন্থাৰে নিষ্কাশনৰ দিহা কৰা হয়। 'যুক্তাহাৰ'য়ে এটা সুস্থ সবল জীৱন নিৰ্বাহৰ বাবে সু-খাদ্য আৰু খাদ্যাভ্যাসৰ প্ৰয়োজনীয়তাৰ প্ৰাসংগিকতা দোহাৰে। অৱশ্যে ধ্যানে আত্মানুসন্ধ্যানৰ কৃচ্ছ্যসাধনৰ জৰিয়েত অতি ভৌতিক পৰ্যায়লৈ উন্নত কৰাই যোগ সাধনাৰ সৌৰভ বিস্তাৰিত কৰে। যি কি নহওক নীতি সিদ্ধ ভাবে আসন, প্ৰাণায়ম আৰু ধ্যানৰ নিত্য-অনুশীলনে মানুহক সুস্থ আৰু ৰোগমুক্ত জীৱন উপভোগৰ দুৰ্লভ সুযোগ প্ৰদান কৰে।

যোগ সাধনাৰ বৌদ্ধিক দিশটোত যুগে যুগে বিস্তাৰিত ৰূপত গৱেষণা অব্যাহত থকাত যোগ-অনুশীলনকাৰী সকল বাৰুকৈয়ে উপকৃত হৈ আহিছে। এনে গৱেষণাৰ সুবাদতে আজিৰ তাৰিখত আমি যোগ-সাধনাৰ জৰিয়তে সম্ভৱ হোৱা মনঃস্তাত্বিক, ভৌতিক তথা দেহতাত্বিক জৈৱ-ৰাসায়নিক আৰু দাৰ্শনিক সংঘটন সমূহৰ তাৎপৰ্য বাৰুকৈয়ে হৃদয়ংগম কৰিবলৈ সক্ষম হৈছোঁ। সমগ্ৰ মানৱজাতিৰ বাবে এয়া সন্তোষৰ বতৰা। তদুপৰি সাম্প্ৰতিক প্ৰেক্ষাপটত ইন্টাৰনেটৰ দৰে বিস্তৃত আৰু প্ৰভাৱশালী সম্প্ৰসাৰণ মাধ্যমসমূহৰ সুবাদত যোগ-জ্ঞানৰ পৃথিৱীজোৰা প্ৰচাৰ সম্ভৱ হৈছে। সেইদৰে যোগ শিক্ষণ পদ্ধতিয়েও আধুনিক শিক্ষণ পদ্ধতিৰ পাৰদৰ্শিতা আহৰণ কৰিছে। সম্প্ৰতি পৃথিৱীৰ প্ৰান্তে প্ৰান্তে যোগ শিক্ষাৰ বিদ্যালয়ৰ পয়োভৰ ঘটিছে। এনে পৰিস্থিতিত গোলকীয় পৰিমণ্ডলত সম্পন্ন হ'বলৈ লোৱা বৈজ্ঞানিক আৰু দৰ্শন-শৈক্ষিক গৱেষণাই যোগৰ উত্তৰোত্তৰ উন্নতি সাধনৰ ক্ষেত্ৰত আশাৰ সংকেত দিছে।

**জীৱনশৈলী আৰু যোগঃ**

জীৱনশৈলী হৈছে মানুহে দৈনন্দিন অতিবাহিত কৰা জীৱনৰ পন্থা। আক্ষৰিক অৰ্থতে এই পন্থাই ব্যক্তিৰ স্বাস্থ্য তথা ৰোগ প্ৰবন্ধন স্থিতিক প্ৰভাৱিত কৰে। যিহেতু মানুহৰ জীৱনশৈলীয়ে শৈশৱতে নিৰ্দিষ্ট গঢ় লয়, সেয়ে শৈশৱৰে পৰা এটা

সুস্থ সুন্দৰ জীৱনশৈলী গঢ়ি তোলাৰ বাবে সকলোৱে প্ৰয়াস কৰা উচিত। জীৱন শৈলী গঢ়ি তোলাৰ ক্ষেত্ৰত বিভিন্ন কাৰকে ভূমিকা পালন কৰে। উদাহৰণ স্বৰূপে অৰ্থনৈতিক অৱস্থাই দৰিদ্ৰৰ ক্ষেত্ৰত অপুষ্টি কিম্বা চহকী লোকৰ ক্ষেত্ৰত অতিপুষ্টিৰ সৃষ্টি কৰে। সেইদৰে সাংস্কৃতিক প্ৰমূল্য-সম্পন্ন সামাজিক পৰিবেশত পথ্যাপথ্য সম্পৰ্কে সৰ্বসাধাৰণ লোকসকল বাৰুকৈয়ে সচেতন হোৱা দেখা যায়। কৰ্মহীন নিষ্ক্ৰিয় জীৱনে ধমনীৰ ৰোগ, ধূমপান কিম্বা সুৰাপানৰ অভ্যাসে হৃদযন্ত্ৰ তথা যকৃতৰ বিসংগতিৰ কাৰণ হৈ দেখা দিব পাৰে। সুস্থ জীৱন শৈলীৰ বাবে সুষম আহাৰ, শাৰীৰিক সক্ৰিয়তা, সদ্-অভ্যাস, জিৰণি আৰু অৱসৰ উপভোগৰ দৰে কথাবোৰ অতিকৈ প্ৰয়োজনীয়।

বিস্তৃত আৰু কল্যাণকাৰী গুণসম্পন্ন যোগ হৈছে উত্তম জীৱনশৈলীৰ প্ৰণেতা। সুস্থ জীৱন যাপনৰ বাবে আগবঢ়োৱা যোগ সূত্ৰসমূহে বিভিন্ন ধৰণৰ চাপ হেলাৰঙে চম্ভালিব পৰাকৈ শক্তি সম্পন্ন কৰি তোলাৰ উপৰি সুস্বাস্থ্য গঢ়ি তোলাৰ বাবে উপযুক্ত পথ নিৰ্দেশনা দান কৰে। বিভিন্ন ধৰণৰ যোগৰ নীতিসিদ্ধ অনুশীলনৰ জৰিয়তে মানসিক চাপৰ সম্ভৱনা প্ৰশমিত কৰি, ইয়াৰ প্ৰতিৰোধ কৰিব পৰাকৈ শক্তি বৰ্দ্ধন তথা প্ৰভাৱশালী ৰূপত চাপমুক্ত হোৱাৰ সামৰ্থ্য আহৰণ কৰি 'সুস্বাস্থ্যৰ নিশ্চয়তা' লাভ কৰিব পাৰি। আৰোগ্য প্ৰদান কৰিব পৰা দক্ষতা থকাৰ বাবেই যোগ -সাধনাই আজি পৃথিৱী জোৰা জনপ্ৰিয়তা লাভ কৰাৰ লগতে বিভিন্ন শৈলীৰ চিকিৎসা বিশেষজ্ঞসকলে ইয়াক পূৰ্ণতা প্ৰদানকাৰী চিকিৎসা সেৱা হিচাপে ব্যৱহাৰ কৰিবলৈ লৈছে।

**চিকিৎসা শৈলী হিচাপে যোগ ঃ**

ৰোগ নিৰাময়ৰ উদ্দেশ্যে যোগৰ সূত্ৰ ব্যৱহাৰ কৰা কিম্বা অনুশীলনৰ পৰামৰ্শ দান কৰা কাৰ্যকে যোগ চিকিৎসা বোলা হয়। ৰোগৰ নিৰাময়ৰ বাবে যোগৰ অনুশীলন দৰাচলতে উপৰুৱা উপকাৰিতাহে। যোগ-সাধনা সদায় মন - কেন্দ্ৰিক। উপনিষদ , গীতা, যোগ-সূত্ৰ, হঠ-যোগ সম্পৰ্কীয় শাস্ত্ৰ তথা অন্যান্য গ্ৰন্থাৱলী সূক্ষ্ম ভাৱে বিশ্লেষণ কৰিলে দেখা যায় যে মন আৰু ইয়াৰ বিভিন্ন আনুষংগিকতা সমূহৰ 'মুক্তি'য়েই যোগ সাধনাৰ পৰম লক্ষ্য। মন হৈছে বোধ বা চেতনাৰ এটা আহিলা। এই মনকে সৰ্ব্বোচ্চ স্তৰলৈ অতিক্ৰমণৰ সুযোগ দান কৰি ইয়াৰ প্ৰকৃত স্থিতি হৃদয়ংগম কৰাৰ প্ৰয়াস কৰা হয়। পতঞ্জলি যোগ সূত্ৰত প্ৰত্যক্ষভাৱে ৰোগ নিৰাময় কৰিব পৰাকৈ ব্যৱস্থা আগবঢ়োৱা নাই যদিও 'ব্যাধি' অৰ্থাৎ অসুখক অন্যতম 'অন্তৰায়' বুলি অভিহিত কৰিছে (অধ্যায়-১, সূত্ৰ -৩০)। অৱশ্যে হঠ-যোগ শাস্ত্ৰত ক্ৰিয়া, আসন, প্ৰাণায়ম,আৰু মুদ্ৰাৰ জৰিয়তে কেনেকৈ ৰোগ নিৰাময় কৰিব পাৰি, তাৰ বিস্তৃত ব্যাখ্যা আগবঢ়োৱা হৈছে। 'হঠ-যোগ প্ৰদীপিকা', 'ঘেৰন্দ সংহতি', 'যোগ যাজ্ঞবল্ক্য সংহিতা', 'যোগ ৰহস্য ' আদি শাস্ত্ৰত এই বিষয়ে বিশাদ বিৱৰণ পোৱা যায়। যুগ যুগৰ অনুশীলন, সাধনাৰ বলত যোগাচাৰ্য সকলে যোগ পদ্ধতিক চিকিৎসা সমল হিচাপে বিকশিত কৰাৰ অসাধ্য সাধন কৰিছে। এই সমলক সেইসকল যোগাচাৰ্যই তেওঁলোকৰ শিষ্য প্ৰশিষ্যলৈ হস্তান্তৰিত কৰি যুগে যুগে 'যোগ চিকিৎসাৰ পৰম্পৰা' গঢ়ি তুলিছে।

**যোগ-চিকিৎসা শাস্ত্ৰসন্মত মত তথা ধাৰণাৰ ভিত্তিত প্ৰতিস্থিত ঃ**

* পতঞ্জলি যোগ-সূত্ৰত 'চিত্ত বৃত্তিনিৰোধী', 'ক্ৰিয়াযোগ ' আৰু 'অষ্টাংগ' যোগৰ উল্লেখ আছে।
* উপনিষদত 'পঞ্চকোষ' তত্ব
* পতঞ্জলি যোগসূত্ৰ আৰু হঠযোগ শাস্ত্ৰত বিভিন্ন প্ৰকাৰৰ 'শুদ্ধি'ৰ ব্যাখ্যা আগবঢ়োৱা হৈছে।
* বায়ু মুক্তি আৰু প্ৰাণ (নাড়ীশুদ্ধি), পদ্ম আৰু চক্ৰমুক্তি, প্ৰাণায়ম, মুদ্ৰা আৰু দৃষ্টি আদিৰ ব্যাখ্যা আগবঢ়োৱা হৈছে হঠযোগ আৰু কুণ্ডলিনী যোগ শাস্ত্ৰত।
* পতঞ্জলি যোগ সূত্ৰ, মন্ত্ৰ যোগ আৰু হঠ যোগ সূত্ৰৰ আধাৰত মন বা চিত্ত নিয়ন্ত্ৰণৰ ব্যাখ্যা;
* ভগৱদগীতাৰ আধাৰত 'কৰ্ম-জ্ঞান-ভক্তি' যোগৰ সাধনা;
* কিছু সংখ্যক তন্ত্ৰ যোগৰ সৈতেও যোগৰ অনুশীলন সংযুক্ত কৰা হৈছে।

সাম্প্ৰতিক পৃথিৱীৰ বিভিন্ন প্ৰান্তত যোগ চিকিৎসাক বিকল্প স্বাস্থ্য বিধি হিচাপে প্ৰয়োগ কৰি অহা হৈছে। দিনে দিনে যোগ সাধনাৰ সংখ্যা বাঢ়িবলৈ লৈছে। যোগ সাধনাৰ বহু উপকাৰিতাৰ ভিতৰত ৰক্তচাপ নিয়ন্ত্ৰণ দক্ষতা সন্দৰ্ভত বিশেষ ভাৱে অধ্যয়ন চলোৱা হৈছে। ৰক্ত চাপ হ্ৰাস কৰাৰ উপৰি বিভিন্ন হৃদৰোগ উপশমৰ ক্ষেত্ৰত যোগ সাধনাৰ সাম্ভাব্য দক্ষতা সম্পৰ্কে বিভিন্ন সম্পৰীক্ষা চলাই অহা হৈছে যদিও যোগ চিকিৎসাৰ ৰক্তচাপ নিয়ন্ত্ৰণ দক্ষতা তথা অন্যান্য সাম্ভাব্য উপশম দক্ষতা সম্পৰ্কে এতিয়াও অস্পষ্টতা আঁতৰা নাই বুলি ক'ব পাৰি। অৱশ্যে দ্বিতীয় পৰ্যায়ৰ মধুমেহ ৰোগৰ তীব্ৰতা, গ্লুকজৰ সহনশীলতা, ইনচুলিনৰ স্পৰ্শকাতৰতা, লিপিদ প্ৰফাইল, এন্থ্ৰ'প'মেট্ৰিকৰ চাৰিত্ৰিক বৈশিষ্ট্য আৰু ৰক্তচাপৰ শংকা ৰোধৰ ক্ষেত্ৰত যোগ চিকিৎসা হিতকাৰী হিচাপে চিহ্নিত হৈ আহিছে। মধুমেহ অথবা অন্যান্য দীৰ্ঘদিনীয়া ৰোগত আক্ৰান্ত বয়সস্থসকলৰ দেহৰ অক্সিজেনৰ সংঘটনত হ'ব পৰা ক্ষতিৰ পৰিমাণ হ্ৰাস কৰা, তেজৰ গোট বন্ধন প্ৰক্ৰিয়া উন্নত কৰা,হাওঁফাওঁৰ কৰ্মদক্ষতা বৃদ্ধি কৰাৰ ক্ষেত্ৰতো ই কল্যাণকামী ভূমিকা গ্ৰহণ কৰা দেখা যায়।

সেইদৰে মধুমেহ ৰোগীৰ ক্ষেত্ৰত ঔষধৰ প্ৰয়োজনীয়তা হ্ৰাস কৰা অথবা হৃদৰোগৰ সমস্যা উপশমৰ ক্ষেত্ৰতো যোগ-সাধনা বিশেষভাবে ফলপ্ৰসূ হ'ব পাৰে। জীৱন-শৈলীজনক ৰোগ উপশমৰ ক্ষেত্ৰত যোগ চিকিৎসাৰ ফলপ্ৰসূতা সন্দৰ্ভত বহু সংখ্যক গৱেষণা পত্ৰ প্ৰকাশ কৰা হৈছে। ইফালে, সাম্প্ৰতিক সময়ত সম্পন্ন কৰা চিকিৎসা সম্পৰ্কীয় বহু গৱেষণাই লক্ষ লক্ষ যোগ সাধকৰ অভিজ্ঞতাক স্বীকৃতি প্ৰদান কৰি যোগৰ ভৌতিক আৰু মনস্তাত্বিক উপকাৰিতাৰ মূল্যায়ণ কৰিছে।

**যোগ-কৰ্ম কাৰ্যকাৰিতা ঃ**

মন আৰু শৰীৰৰ সংহত নিৰাময়ক হিচাপে যোগৰ কাৰ্যকাৰিতাৰ কেতবোৰ কৌশল তলত উল্লেখ কৰা হ'লঃ

১) শুদ্ধি ক্ৰিয়াৰদ্বাৰা শৰীৰত জমা হোৱা বিষাক্ত দ্ৰব্যৰ পৰিষ্কৰণ আৰু সক্ষম ব্যায়ামৰ জৰিয়তে শিথিলতা অনুভৱ কৰোৱা হয়। ইয়াৰদ্বাৰা সকলোবোৰ দেহৰন্ধ্ৰে বহু সংক্ৰমণ ৰোধ কৰিব পৰা যায়। ৰন্ধ্ৰবোৰত বাধা থকিলে এনে সংক্ৰমণৰ আশংকা থাকে।

২) উত্তম পুষ্টিকৰ খাদ্যগ্ৰহণেৰে যোগসিদ্ধ জীৱনশৈলী যাপনৰ অভ্যাস কৰিলে দেহত বিজাৰকৰ পৰিমাণ বৃদ্ধি হয় আৰু সেই বিজাৰকে অদ্ৰৱনীয় দ্ৰব্য প্ৰশমিত কৰাৰ ফলত দেহৰ জৈৱ ৰাসায়নিক সংঘটন প্ৰক্ৰিয়া সুকলমে সম্পন্ন কৰাৰ লগতে মেৰামতি কৰিব পৰা ক্ষতি আৰু ৰোগৰ উপশম কৰিব পৰাকৈ জীৱন শক্তিৰে ভৰপূৰ পুষ্টি ভাণ্ডাৰক উজ্জীৱিত কৰি তুলিব পাৰে।

৩) টান নপৰাকৈ দৃঢ় আৰু আৰামদায়ক ভাবে কৰা দেহ-ভংগীৰ জৰিয়তে সমগ্ৰ শৰীৰক স্থিৰতা প্ৰদান কৰাব পাৰে । দৈহিক সমতুলতা আৰু মানসিক তথা আবেগিক সমতুলতা বৃদ্ধিৰ সহজ অনুভৱ লাভ কৰোৱাৰ উপৰি সকলোধৰণৰ ভৌতিক প্ৰক্ৰিয়া সুস্থ ৰূপত সম্ভৱ কৰাব পাৰে।

৪) স্বয়ংচালিত শ্বাস-প্ৰশ্বাস প্ৰক্ৰিয়াক নিয়ন্ত্ৰণ কৰাৰ দক্ষতা বৰ্দ্ধনেৰে শক্তি উৎপন্ন কৰাৰ লগতে আৱেগিক সুস্থিৰতাও বৃদ্ধি কৰাব পাৰে। আমাৰ শ্বাসন শৈলী আৰু হাৰৰ সৈতে মন আৰু আৱেগৰ সম্পৰ্ক থাকে, সেয়ে শ্বাস-প্ৰশ্বাসৰ হাৰ নিয়ন্ত্ৰিত কৰি নিম্নগামী কৰিব পাৰিলে সিয়ে স্বয়ংক্ৰিয় প্ৰক্ৰিয়াৰ কাৰ্যকাৰিতাৰ লগতে জৈৱ-ৰাসায়নিক প্ৰক্ৰিয়া তথা ভাৱাবেগক প্ৰভাৱিত কৰে।

৫) উশাহ-নিশাহৰ সৈতে শৰীৰ সঞ্চালনক একাত্ম কৰি দেহ মনস্তাত্বিক সংযোগ সাধন কৰিব পাৰে। যোগ তত্বৰ মতে শৰীৰ 'অন্নময়কোষ'ৰ সৈতে আৰু মন 'মনোময়কোষ'ৰ সৈতে জড়িত হৈ থাকে। যিহেতু 'প্ৰাণায়ম কোষ'এ (আমাৰ শ্বসনৰ শক্তিৰে বৰ্তি থকা শাৰীৰিক অৱস্থিতি) এই দুই কোষৰ মাজত স্থিতি গ্ৰহণ কৰে সেয়ে দেহ-মনস্তাত্বিক সংযোগৰ বাবে শ্বসনে প্ৰধান ভূমিকা গ্ৰহণ কৰে।

৬) কৰ্ম সম্পাদনৰ ক্ষেত্ৰত মনঃসংযোগে শক্তিৰ প্ৰবাহ বৃদ্ধি কৰে বাবে শৰীৰৰ বিভিন্ন অংগৰ লগতে আভ্যন্তৰীণ অংগলৈয়ো ইয়াৰ সুন্দৰ সঞ্চালন সম্ভৱ হয়। সেয়ে কোৱা হয় — 'মনৰ পথেৰেই প্ৰাণে বাট বুলে।'

৭) যোগৰ ধ্যানপূৰ্বক অনুশীলনে দেহৰ অভ্যন্তৰত এটা প্ৰশান্ত পৰিবেশ সৃষ্টি কৰে আৰু এই পৰিবেশে বিষ-প্ৰশমণ প্ৰক্ৰিয়াক সক্ষম কৰি তোলে। জীৱনৰ সকলো পৰ্যায়তে সমতা স্থাপন কৰা অথবা 'সমত্বম'য়েই হৈছে যোগ। মনৰ সমতাই শৰীৰৰ সমতা নিশ্চিত কৰে অথবা শৰীৰৰ সমতাই মনৰ।

৮) যোগে শাৰীৰিক আৰু মানসিক কাৰিকৰীৰে শৰীৰ, আবেগ আৰু মনৰ জটিলতা প্ৰশমিত কৰিব পাৰে আৰু সেয়ে যোগ সাধনাই বেদনা প্ৰতিৰোধ ক্ষমতা বৃদ্ধি কৰাৰ উপৰি বহিঃ আৰু আভ্যন্তৰীণ বেদনা সহ্য কৰিব পৰা ক্ষমতাও বৰ্দ্ধন কৰে। সেইদৰে আন বহু আৰোগ্য পদ্ধতিয়ে সম্ভৱ কৰিব নোৱাৰা জীৱনৰ মান যোগে প্ৰদান কৰে ।

৯) 'যম'-'নিয়ম' তথা বিভিন্ন ধৰণৰ যোগ-সিদ্ধ মনস্তাত্বিক সূত্ৰৰ জৰিয়তে জীৱনৰ প্ৰতি শুদ্ধ দৃষ্টিভংগী গ্ৰহণৰ মানসিকতা সৃষ্টি কৰি যোগে আত্ম বিশ্বাস আৰু আভ্যন্তৰীণ ৰোগ নিৰাময় দক্ষতা বৃদ্ধি কৰিব পাৰে। আৰোগ্যকৰণ, প্ৰশমণ, উজ্জীৱিতকৰণ তথা পুনৰ সবলীকৰণৰ বাবে বিশ্বাস, আত্মবিশ্বাস আৰু আভ্যন্তৰীণ শক্তি - সামৰ্থ্য অতিকে জৰুৰী।

১০) মানৱ শৰীৰৰ সকলো ধৰণৰ পদ্ধতিগত প্ৰক্ৰিয়াৰ নিয়মীয়া ৰীতি অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত যোগে উত্তম ভূমিকা পালন কৰে। বিশেষকৈ মানসিক, স্নায়বিক ৰোগ প্ৰতিৰোধ ক্ষমতা সম্পৰ্কীয় প্ৰসংগসমূহৰ ক্ষেত্ৰত ইয়াৰ ভূমিকা প্ৰশংসনীয়। প্ৰতিৰোধ আৰু পুনৰ সংস্থাপিত কৰা ক্ষমতাৰ উপৰি যোগে সুস্বাস্থ্য গঢ়াৰ ক্ষেত্ৰতো ইতিবাচক ভূমিকা পালন কৰে, যিয়ে জীৱনৰ বাটত সন্মুখীন হ'ব লগা যিকোনো প্ৰত্যাহ্বান গ্ৰহণ কৰিব পৰাকৈ ব্যক্তিক সামৰ্থ্য প্ৰদান কৰে। যোগ-সাধনা ব্যয়বহুল নহয়, তদুপৰি ইয়াক আন চিকিৎসা পদ্ধতিৰ সৈতে সমান্তৰালকৈ চৰ্চা কৰিবলৈও অসুবিধা নাই, বৰঞ্চ আন পদ্ধতিৰে সংহত ৰূপত যোগৰ অনুশীলন কৰিলে ৰোগী উপকৃতহে হয়।

**যোগ আৰু আয়ুৰ্বেদ ঃ**

যোগ আৰু আয়ুৰ্বেদ পৃথক কৰিব নোৱাৰা দুগৰাকী বাই-ভনীৰ দৰে। বেদৰ জ্ঞান ভাণ্ডাৰৰ পৰাই এই দুই মহান পদ্ধতিৰ উৎপত্তি হৈছে। যোগ আৰু আয়ুৰ্বেদ উভয়ে

'ত্ৰিগুণ' (সত্ব, ৰজঃ আৰু ত্বম) আৰু পঞ্চভূত' (পৃথিৱী, বায়ু, অগ্নি, পানী আৰু আকাশ) সূত্ৰৰ আধাৰত প্ৰতিস্থিত। শৰীৰৰ কৰ্ম-কাণ্ড (দশা-ধাতু-মল) আৰু শৰীৰৰ ওপৰত খাদ্য তথা চিকিৎসাৰ (ৰস-বীৰ্য-বিপাক) প্ৰভাৱ সন্দৰ্ভত এই দুই পদ্ধতিয়ে বিস্তৃত ব্যাখ্যা -বিশ্লেষণ আগবঢ়ায়. । দুয়োবিধ পদ্ধতিয়েই এটা আনটোৰ সম্পূৰক আৰু দুয়োবিধেই কল্যাণকামী প্ৰকৃতিৰ। দুয়োবিধ পদ্ধতিয়েই মনৰ সুস্থতা আৰু সমতুলতাৰ ওপৰত নিৰ্ভৰশীল শৰীৰি সুস্থতাক বিশ্বাস কৰি আহিছে। দুয়োবিধ পদ্ধতিয়ে সৃষ্টি তত্ব তথা দেহ তত্ব সম্পৰ্কে বস্তুতঃ একে দৰ্শনকে গ্ৰহণ কৰে। সেয়া হৈছে মানুহৰ দেহত ৭২,০০০ ডাল নাড়ী বা প্ৰবাহিকা নলী, সাতোটা মুখ্য চক্ৰ বা শক্তি কেন্দ্ৰ, পঞ্চকোষ বা পাঁচোটা দেহপীঠ আৰু কুণ্ডলিনীশক্তি অৰ্থাৎ সৰ্পশক্তি আছে বুলি কৰা বিশ্বাস। আয়ুৰ্বেদে যোগ বিদ্যাৰ উত্তম প্ৰয়োগ সাব্যস্ত কৰাৰ উপৰি যোগসাধনাৰে ৰোগীক সৰ্বাত্মক আৰোগ্য প্ৰদানৰ প্ৰয়াস কৰা হয়। চিকিৎসাৰ ক্ষেত্ৰত আয়ুৰ্বেদে আসন, প্ৰাণায়ম আৰু ধ্যানৰ নিয়মীয়া অনুশীলনৰ লগতে বনৌষধিৰ ব্যৱহাৰ, শুদ্ধি , সুখাদ্য তথা শৰীৰ আৰু মনৰ সুস্থতাৰ বাবে মন্ত্ৰোৎচাৰণৰ পৰামৰ্শ দান কৰে। যোগ আৰু আয়ুৰ্বেদে আমাক দেহ, শ্বসন, স্বাস্থ্য, চেতনা, মন আৰু উদ্যমৰ গুপুত শক্তিৰ দৰ্শন কৰায়। ততোধিক , এই দুই পদ্ধতিয়ে, সুষম খাদ্য, বনস্পতিৰ ব্যৱহাৰ, পঞ্চকৰ্ম , যোগাসন, প্ৰাণায়ম আৰু ধ্যানৰ জৰিয়তে আমাৰ সমগ্ৰ জীৱন শৈলীকে ৰূপান্তৰৰ পথ প্ৰদৰ্শন কৰায়। শৰীৰ আৰু মনক সুস্থ কৰি ৰখাৰ বাবে জীৱনৰ চাৰিটা লক্ষ্য (ধৰ্ম, অৰ্থাৎ কৰ্তব্য, অথবা ধন, কাম বা আকাংক্ষা আৰু মোক্ষ অৰ্থাৎ মুক্তি) সম্পূৰ্ণ কৰাৰ পোষকতা কৰে দুয়োবিধ পদ্ধতিয়ে। সেয়েহে ক'ব পাৰি যে — বৈদিক চিকিৎসা (আয়ুৰ্বেদ) আৰু আধ্যাত্মিক অনুশীলনে (যোগ) একেলগে ক্ৰিয়া কৰি শৰীৰ আৰু মনৰ সুস্থতা আৰু সমন্বয় স্থাপনৰ জৰিয়তে আত্মানুসন্ধানৰ পথ প্ৰশস্ত কৰি তোলে।

**সামৰণি ঃ**

সাম্প্ৰতিক সময়ত আধুনিক চিকিৎসা পদ্ধতিয়ে পৃথিৱীৰ চিকিৎসা সেৱা ব্যৱস্থা নিয়ন্ত্ৰণ কৰি আছে। দুখীয়া আৰু মধ্যাবিত্ত সমাজে ঢুকি নোপোৱা স্তৰলৈ চিকিৎসা ব্যয়ৰ হাৰ বাঢ়িছে । ইফালে সকলোকে লাগে নিৰাপদ, প্ৰভাৱশালী, ব্যয়সাপেক্ষ তথা সকলোৱে উপলব্ধ কৰিব পৰা চিকিৎসা সেৱা। যোগৰ লগতে অন্যান্য পুৰাতনীয়া চিকিৎসা পদ্ধতিয়ে সামগ্ৰিক ৰূপান্তৰৰ বাবে প্ৰয়োজনীয় জ্ঞান, অভিজ্ঞতা আৰু সামৰ্থ্য প্ৰদানৰ দক্ষতা বহন কৰে। শেহতীয়া প্ৰেক্ষাপটত উন্নয়ন সমূহৰ লগতে ঔদ্যোগিক আৰু উন্নত অৰ্থনীতিৰ দেশ সমূহেও বিকল্প চিকিৎসাৰ প্ৰতি দেখুওৱা আগ্ৰহৰ বৰ্দ্ধিত হাৰে বিশেষ তাৎপৰ্য বহন কৰিছে বুলি ক'ব পাৰি। ইফালে যোগৰ নুবুজা ৰহস্য উদঘাটনতকৈ ইয়াৰ চিকিৎসা সামৰ্থ্য বিশ্লেষণ কৰাৰ বাবেহে গৱেষণাৰ পয়োভৰ ঘটাতো আজিৰ সময়ৰ সামাজিক প্ৰৱণতা হিচাপে চিহ্নিত হোৱা কথায়ো চিন্তাৰ খোৰাক যোগাইছে। পশ্চিমীয়া বিজ্ঞান আৰু বৈজ্ঞানিক পদ্ধতিয়ে নিয়ন্ত্ৰণ কৰা পশ্চিমীয়া দেশসমূহতো যোগৰ প্ৰতি বৃদ্ধি পোৱা ঔৎসুকতাই সামাজিকভাবে প্ৰেক্ষাপট সলনিৰে ইংগিত বহন কৰিছে বুলি ভবাৰ থল আছে। এলোপেথিক চিকিৎসা পদ্ধতিৰ আকাশলংঘী দাম বৃদ্ধি আৰু পাৰ্শ্বক্ৰিয়াৰ শংকায়ো সম্পূৰক তথা পাৰম্পৰিক চিকিৎসা পদ্ধতিক জনপ্ৰিয় কৰি তুলিছে। সেইদৰে আধুনিক চিকিৎসা পদ্ধতিৰ নিদান যন্ত্ৰ , সা-সৰঞ্জামৰ ব্যয়বহুলতায়ো মানুহক বিকল্প চিকিৎসাৰ সন্ধান কৰিবলৈ বাধ্য কৰাইছে। সেয়ে সাম্প্ৰতিক প্ৰেক্ষাপটত যোগ-সাধনাই আটাইতকৈ গ্ৰহণযোগ্য সম্পূৰক তথা পাৰম্পৰিক চিকিৎসা শৈলী হিচাপে পৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছে বুলি ন- দি ক'ব পাৰি।

# আয়ুৰ্বেদৰ উৎপত্তি আৰু বিকাশৰ প্ৰতিচ্ছবি

* ড° ডি চি কটোচ

স্বাস্থ্য ৰক্ষাৰ হিতকাৰী পদ্ধতি হিচাপে ৰূপ পৰিগ্ৰহ কৰা আয়ুৰ্বেদৰ স্ফুৰণ ঘটিছিল বৈদিক সাহিত্য তথা জ্ঞানৰ ভাণ্ডাৰৰ আভ্যন্তৰত। প্ৰায় ৫০০০ বছৰৰ পূৰ্বে প্ৰাদুৰ্ভাৱ ঘটা স্বাস্থ্য আৰু চিকিৎসা বিদ্যাৰ এই অনন্য পদ্ধতিৰ মূলাধাৰ হিচাপে অথৰ্ববেদক গণ্য কৰা হয়। আয়ুৰ্বেদক দৰাচলতে জীৱন বিজ্ঞান তথা পঞ্চম বেদৰ মৰ্যাদা প্ৰদান কৰা হৈছে। আৰম্ভণিতে আয়ুৰ্বেদৰ সূত্ৰসমূহ মৌখিক ৰূপত এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ প্ৰবাহিত হৈছিল। খ্ৰীষ্টপূৰ্ব প্ৰায় ১০০০ বছৰ মানতহে ইয়াৰ সাৰ সংগ্ৰহেৰে ‘চৰক সংহিতা ’ আৰু ‘সুশ্ৰুত সংহিতা’ৰ ৰূপত আয়ুৰ্বেদ লিপিবদ্ধ হৈছিল। ইয়াৰ বহু যুগৰ পাচত মূলতঃ চৰক সংহিতা আৰু সুশ্ৰুত সংহিতাক বুনিয়াদ কৰি লৈ সংগৃহীত আয়ুৰ্বেদৰ সাৰ গ্ৰন্থ দুখন হ’ল ‘অষ্টাংগ সংগ্ৰহ ’ আৰু ‘অষ্টাংগ হৃদয়ম’। খ্ৰীষ্টজন্মৰ পৰৱৰ্তী প্ৰথমটো সহস্ৰাব্দৰ শেষৰফালে দুটা প্ৰধান ধাৰাৰে আয়ুৰ্বেদে প্ৰতিষ্ঠা লাভ কৰে। আয়ুৰ্বেদৰ এই ধাৰা দুটা হ’ল- ‘অত্ৰেয় সম্প্ৰদায় ’ — ভেষজ চিকিৎসকৰ গোট আৰু ‘ধন্বন্তৰী সম্প্ৰদায়’— অস্ত্ৰোপচাৰেৰে ৰোগ নিৰাময় কৰা চিকিৎসকৰ গোট। আয়ুৰ্বেদত শয্যাগত ৰোগীৰ চিকিৎসা পদ্ধতিক আঠোটা বিশেষ শ্ৰেণীত শ্ৰেণীবদ্ধ কৰা হৈছে। সেয়া হৈছে — কায়া চিকিৎসা (ভেষজ), শল্য (অস্ত্ৰোপচাৰ),শালক্য (চকু , ডিঙি, কাণ, নাকৰ চিকিৎসা), কৌমাৰ ভৃত্য (নৱজাতকৰ চিকিৎসা)। অগড় তন্ত্ৰ (বিহৰ গুণাগুণ বিশ্লেষক চিকিৎসা), ভূত বিদ্যা (মনঃস্তত্ব), ৰসায়ন (গেৰেন্টোল’জী আৰু বাজীকৰণ (যৌন সক্ষমতা আৰু সুস্থ অপত্য)। এই আঠোটা শ্ৰেণীৰ চিকিৎসা বিদ্যাৰ জ্ঞান ভাণ্ডাৰকে অষ্টাংগ আয়ুৰ্বেদ বোলা হয়। ইফালে ভেষজ চিকিৎসা পদ্ধতিৰ মূল সূত্ৰ সমূহক তিনিখনকৈ গ্ৰন্থৰ দুটা সংকলনত সন্নিৱিষ্ট কৰা হৈছে। ধ্ৰুপদী গ্ৰন্থৰ এই সংকলন দুটি হৈছে - ‘বৃহৎ ত্ৰয়ী’ আৰু ‘লঘু ত্ৰয়ী’। ‘বৃহৎ ত্ৰয়ী’ত অন্তৰ্ভূক্ত গ্ৰন্থকেইখন হ’ল — চৰক সংহিতা , সুশ্ৰুত সংহিতা আৰু অষ্টাংগ সংগ্ৰহ। ইফালে লঘু ত্ৰয়ীত ‘মাধৱ নিদান’, ‘সাৰংগধৰ সংহিতা’ আৰু ‘ভৱ প্ৰকাশ’ গ্ৰন্থ অন্তৰ্ভুক্ত কৰা হৈছে। সৌভাগ্যৰ কথা যে আয়ুৰ্বেদৰ আটাইবোৰ কৰ্তৃত্ববাহী, গুৰুত্বপূৰ্ণ গ্ৰন্থ আজিৰ তাৰিখতো উপলব্ধ হোৱাৰ লগতে ১৯৪০ চনৰ ঔষধ আৰু প্ৰসাধন সামগ্ৰী আইনৰ প্ৰথম সূচীতে এই আটাবোৰ গ্ৰন্থৰ তালিকা সন্নিৱিষ্ট কৰা হৈছে।

আয়ুৰ্বেদৰ বিভিন্ন ভাগৰ সূচনা, বিৱৰ্তন বিভিন্ন যুগত হোৱাৰ লগতে নথিভুক্ত হোৱা বাবে আয়ুৰ্বেদী গ্ৰন্থ সমূহত নিৰ্দিষ্ট উদ্দেশ্য আৰু বিষয়বস্তুৰ বিৱৰণহে সন্নিৱিষ্ট হেৱা দেখা যায়। উদাহৰণ স্বৰূপে চৰক সংহিতাত জীৱন-দৰ্শন, স্বাস্থ্য বিধি, দৰৱ -জাতি আৰু বিভিন্ন ৰোগৰ নিৰাময় বিধিৰ বিশ্লেষণ বিৱৰণত বিশেষ গুৰুত্ব দিয়া হৈছে। সেইদৰে সশ্ৰুত সংহিতাত বিভিন্ন ব্যাধিৰ ক্ষেত্ৰত প্ৰযোজ্য হ’ব পৰা অস্ত্ৰোপচাৰ, ৰোগ নিৰ্ধাৰণৰ পদ্ধতিগত প্ৰয়াস, আৰু চকু, কাণ, ডিঙি, নাক তথা দাঁতৰ বিভিন্ন ৰোগৰ অস্ত্ৰোপচাৰ সম্পৰ্কীয় বিভিন্ন ব্যাখ্যা- বিৱৰণ সন্নিৱিষ্ট কৰা হৈছে। একেদৰে ‘কাশ্যপ সংহিতা’ত শিশু চিকিৎসা আৰু স্বাস্থ্য বিধি,‘মাধৱ নিদান’ত ব্যাধি তত্ব আৰু ৰোগ নিৰূপণ বিধি, ‘ভৱপ্ৰকাশ’ত ৰোগৰ চিকিৎসা বিধি, তথ্যপথ্যৰ বিৱৰণ আৰু ‘সাৰংগধৰ সংহিতা’ত ঔষধ প্ৰস্তুতকৰণ আৰু মাত্ৰা নিৰ্দ্ধাৰণ সম্পৰ্কীয় তথ্যাৱলী সন্নিৱিষ্ট কৰা দেখিবলৈ পোৱা যায়। আয়ুৰ্বেদ চিকিৎসা সূত্ৰ, বিধি-ব্যৱস্থা, কাৰ্য-বিধি আদিৰ উত্তৰণ , উন্নয়ন, সংশোধন প্ৰক্ৰিয়া নিৰন্তৰ ৰূপত যুগে যুগে সম্পাদিত হৈ আহিছে। যুগ যুগান্তৰে হোৱা ব্যাখ্যা বিশ্লেষণ সুবাদত আয়ুৰ্বেদৰ বিষয় - বস্তুসমূহৰ মূলৰূপত থকা দুৰ্বোধ্যতা আঁতৰি যোৱাৰ লগতে তত্বগত মতদ্বৈধ্যতাসমূহ আতঁৰাই ইপ্সিত সমাধান সূত্ৰ আৱিষ্কাৰৰ পথ প্ৰশস্ত হৈছে বুলি ভাবিব পাৰি। আজিৰ প্ৰেক্ষাপটত আয়ুৰ্বেদে ইয়াৰ বুনিয়াদী সূত্ৰ , ধাৰণা আৰু কৰ্মপদ্ধতি সমূহৰ ক্ষেত্ৰত অধিক স্পষ্টতা লাভ কৰিছে বুলি ন-দি ক’ব পাৰি। অৱশ্যে ইয়াৰ বিকাশ আৰু বিৱৰ্তনৰ চকৰি অহৰ্নিশে ঘূৰাই ৰাখিবলৈ হ’লে আজিৰ তাৰিখতো এনে প্ৰয়াস অব্যাহত ৰাখিব লাগিব।

আয়ুৰ্বেদৰ সূত্ৰ মতে মানুহৰ শৰীৰটো হ’ল ব্ৰহ্মাণ্ডৰ ক্ষুদ্ৰ ৰূপ। সেয়ে বিশ্ব - ব্ৰহ্মাণ্ডৰ দৰেই মানুহৰ শৰীৰটোও পঞ্চভূতৰে গঠিত। এই পঞ্চভূত হ’ল— পৃথিৱী, জল, অগ্নি, বায়ু আৰু আকাশ।

* ড° ডি চি কটোচ আয়ুস মন্ত্ৰালয়ৰ আয়ুৰ্বেদৰ পৰামৰ্শদাতা

পঞ্চভূতৰে গঠিত দেহত প্ৰাণ সঞ্চাৰ কৰে চকুৰে নেদেখা উপাদান— 'চেতনা' বা 'আত্মা'ই। সেয়ে প্ৰকৃতি -সূত্ৰৰ আধাৰত মানৱ দেহ আৰু ব্ৰহ্মাণ্ডৰ মাজত সাদৃশ্য আৰু আন্তঃসংযোগ সদা বিৰাজমান হৈ থাকে। ভৌতিক উপাদনৰ নিৰ্দিষ্ট অনুপাতিকে শৰীৰ তন্ত্ৰক সক্ৰিয়তা প্ৰদান কৰে। আয়ুৰ্বেদত এই ভৌতিক উপাদানৰ নিৰ্দিষ্ট অনুপাতক 'ত্ৰিদশা' বুলি অভিহিত কৰা হৈছে। সেয়া হৈছে 'বাত' , পিত্ত' আৰু কফ' । এই ত্ৰিদশা'ৰ সমতুল গতিময়তাই শৰীৰক সুস্থতা প্ৰদান কৰাৰ বিপৰীতে ইয়াৰ ব্যতিক্ৰমে দেহত ৰোগৰ উদ্বেক কৰে ঘটায়। 'ধাতু'ৰ সমন্বয়ত শৰীৰ অৱয়ব সম্পূৰ্ণ হয়। এই ধাতুৰ ৰূপবোৰ হ'ল — ৰস, ৰক্ত, মাংস (পেশী-কলা), মেদ, অস্থি (হাড়), মজ্জা আৰু শুক্ৰ। দেহত সংঘটিত সকলো জৈৱ আৰু জৈৱ - ৰাসায়নিক পৰিৱৰ্তনৰ দায়িত্ব বহন কৰে 'অগ্নি' আৰু 'স্ৰোত'য়ে । এই প্ৰক্ৰিয়াৰ পৰিণতিত শৌচ-প্ৰস্ৰাৱ , ঘাম আদিৰ ৰূপত বাহ্য 'মল ' উৎপাদিত হয়। সেয়ে 'দশা' , 'ধাতু' আৰু 'মল'ৰ সৈতে আত্মা , মন আৰু ইন্দ্ৰিয়ৰ সন্তুষ্টিৰ সংহত সমতুলতাই স্বাস্থ্য সুৰক্ষিত ৰাখে আৰু ইয়াৰ অবৰ্তমানত অসুস্থতাই দেখা দিয়ে। সুশ্ৰুত সংহিতাত 'স্বাস্থ্য'ৰ সংজ্ঞা বিস্তৃত ৰূপত আগবঢ়োৱা হৈছে। এই সংজ্ঞা অনুসৰি দেহৰ সকলো অংগ -প্ৰত্যংগৰ সুস্থতা, আভ্যন্তৰীণ ক্ৰিয়া-কাণ্ডৰ সক্ৰিয়তা আৰু মল নিষ্কাষণ প্ৰক্ৰিয়াৰ সমতুলতাৰে কল্যাণময় সুখী জীৱনেই হ'ল 'স্বাস্থ্য'। কৰ্মনিষ্ঠা , বৈষয়িক, সামাজিক আৰু আধ্যাত্মিক সাফল্য আহৰণ কৰি জীৱনৰ সাৰ্থকতা উপভোগৰ বাবে সুস্বাস্থ্যক আটাইতকৈ জৰুৰী বুনিয়াদী উপাদান বুলি বিবেচনা কৰা হয়। পঞ্চভূতৰ ভিন্ন উপাদান আৰু বিন্যাস গ্ৰহণ কৰা সক্ৰিয় ভূমিকাই মানুহৰ ভৌত-মানসিক চৰিত্ৰ 'প্ৰকৃতি'ত গঢ় দিয়ে। সেয়ে ৰোগৰ প্ৰাদুৰ্ভাৱৰ ক্ষেত্ৰত দেহ আৰু মনৰ সমন্বয়ৰ বিশেষ ভূমিকা থকাৰ লগতে ৰোগৰ প্ৰকৃতি নিৰ্ধাৰণ , লক্ষণ বিশ্লেষণ, জীৱন শৈলীৰ প্ৰবন্ধন তথা চিকিৎসা প্ৰদানৰ ক্ষেত্ৰতো ইয়াক গুৰুত্বপূৰ্ণ বুলি চিহ্নিত কৰা হয়। মানুহৰ স্বভাৱ-চৰিত্ৰ -প্ৰকৃতি জন্মগত বুলি স্বীকাৰ কৰি লোৱা হয় যদিও পৰৱৰ্তী সময়ত মানুহৰ শাৰীৰিক , মানসিক আৰ-ভাৱৰ ওপৰত জন্মস্থান, পৰিয়াল -পৰিজন, জাত-পাত, বয়স, ঋতু তথা ব্যক্তিগত অভ্যাসৰ দৰে কাৰকসমূহৰ প্ৰভাৱ পৰা বাৰুকৈয়ে দেখা যায়।

আয়ুৰ্বেদত ৰোগৰ বিশ্লেষণ আৰু ইয়াৰ নিদান সন্দৰ্ভত স্পষ্ট ব্যাখ্যা আগবঢ়োৱা হৈছে। আয়ুৰ্বেদী সূত্ৰ মতে ৰোগ বিশ্লেষণৰ অৰ্থ হ'ল— ব্যক্তিকেন্দ্ৰিক ৰূপত ৰোগৰ কাৰক সমূহৰ লগতে ৰোগৰ বিস্তাৰ সন্দৰ্ভত সম্পূৰ্ণ তথ্য হৃদয়ংগম কৰা। এই বিশ্লেষণৰ আধাৰতে চিকিৎসাৰ দিহা কৰি 'দশা ', ধাতু' আৰু 'মল'ৰ সমতুলতা স্থাপনৰে বাধা দি ৰোগীৰ স্বাস্থ্য পূৰ্বৰ অৱস্থালৈ ঘূৰাই অনাই হৈছে চিকিৎসাৰ মূল উদ্দেশ্য। এই চিকিৎসা পদ্ধতিত ৰোগৰ শক্তি বিশ্লেষণৰ লগতে ৰোগীৰ শক্তি বিশ্লেষণৰো ব্যৱস্থা কৰিহে চিকিৎসাৰ দিহা কৰা হয়। আয়ুৰ্বেদত ৰোগৰ প্ৰাদুৰ্ভাৱ আৰু বিস্তাৰ ঘটাব পৰা কাৰক সমূহ উৎসাহিত কৰিব পৰা কৰ্ম-কাণ্ড বাৰণ কৰি , ঔষধৰ প্ৰয়োগৰে ব্যাধি উপশমনৰ ব্যৱস্থা কৰি, খাদ্য আৰু অভ্যাসৰ পৰিৱৰ্তন সাধন কৰি, 'পঞ্চকৰ্ম'ৰে জৈৱ - শুদ্ধিকৰণৰ ব্যৱস্থা কৰি, যাৱতীয় সতৰ্কতা অৱলম্বনৰে জীৱন শৈলীৰ পুনৰীক্ষণ কৰি ৰোগৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰাৰ লগতে সুস্থতা আহৰণৰ বাবে প্ৰয়োজন হোৱা চিকিৎসাৰ ধৰণ আৰু আৰ্হি নিৰ্ধাৰণত গুৰুত্ব দিয়া হয় ।

যুক্তিসংগত ভাৱে পৰিমিত ৰূপত ব্যৱহাৰ কৰিব পাৰিলে সকলো পদাৰ্থৰে ৰোগ নিৰাময় কৰিব পৰা দক্ষতা থাকে বুলি আয়ুৰ্বেদী চিকিৎসা পদ্ধতিত বিশ্বাস কৰা হয়। এই পদ্ধতিত ব্যৱহৃত সকলো ঔষধৰে কেঁচা মাল উদ্ভিদ, জীৱ-জন্তু আৰু খনিজ দ্ৰব্যৰ পৰা আহৰণ কৰা হয়। নিৰ্দিষ্ট বিধি -নিয়মেৰে এনে দ্ৰব্যৰ সংসাধন কৰি নিৰ্দিষ্ট মাত্ৰাত প্ৰয়োগৰ বিধানেৰে আয়ুৰ্বেদী ঔষধ প্ৰস্তুত কৰা হয়। উপাদনৰ ব্যৱহাৰৰ ভিত্তিত আয়ুৰ্বেদীয় ঔষধক বনজ, খনিজ আৰু বনজ-খনিজ শ্ৰেণীত শ্ৰেণীবদ্ধ কৰিব পাৰি। খনিজ উপাদানৰে প্ৰস্তুত কৰা ঔষধক 'ৰসাযৌধী' বোলা হয়। 'শোধন' , 'মাৰণ', 'অমৃতিকৰণ' আদি প্ৰক্ৰিয়াৰে এনে ঔষধৰ প্ৰভাৱশালিতা আৰু সংৰক্ষণ নিশ্চিত কৰা হয়। আয়ুৰ্বেদৰ ধ্ৰুপদী সাহিত্যমালাত প্ৰস্তুত একক আৰু বহু উপাদান যুক্ত ঔষধি বনস্পতিৰে ঔষধৰ সূত্ৰ সন্নিৱিষ্ট হৈ আছে। এনেবোৰ ঔষধি বনস্পতিৰ ব্যৱহাৰ আনকি আজিৰ তাৰিখতো আমাৰ সমাজ জীৱনত সন্ধালনিকে কৰি থকা হৈছে। ইতিমধ্যে এনেবোৰ দ্ৰব্যক আয়ুৰ্বেদিক ঔষধ- প্ৰকৰণ সম্পৰ্কীয় ৰাষ্ট্ৰীয় সূত্ৰ ভাণ্ডাৰত অগ্ৰাধিকাৰ সহ তালিকাভুক্ত কৰাৰ লগতে মান নিৰ্দ্ধাৰণৰো ব্যৱস্থা কৰা হৈছে। আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিত 'অনুপান' ( মৌ, গাখীৰ, কুহুমীয়া পানী, ক্বথ আদিৰ দৰে ঔষধ-প্ৰবাহক) আৰু 'ভেষজ-কলা'ক (ঔষধ প্ৰবন্ধনৰ সময়) বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। কোনো ৰোগীক ঔষধ দিয়াৰ সময়ত অসুখৰ মাত্ৰা, জটিলতা, ৰোগীৰ অৱস্থা আদি প্ৰসংগসমূহ বিবেচনা কৰি ঔষধৰ পৰিমাণ, ব্যৱহাৰৰ বিধান দিয়াৰ লগতে ঔষধৰ গুণ-মান বৰ্দ্ধনৰ উপৰি ৰোগীৰ দেহত ফলপ্ৰসু ৰূপত ক্ৰিয়া কৰিব পৰাকৈ 'অনুপান' ব্যৱহাৰৰ পৰামৰ্শ প্ৰদান কৰা হয়। আয়ুৰ্বেদী গ্ৰন্থত ৰোগৰ প্ৰকৃতি , লক্ষণ, ৰোগীৰ পাচন স্থিতি আৰু ঔষধৰ মাত্ৰা আদিৰ ওপৰত নিৰ্ভৰ কৰি ঔষধ সেৱনৰ ১১ বিধ সময় নিৰ্ধাৰণ কৰা হৈছে। বিভিন্ন ধৰণৰ

ৰোগৰ নিৰাময়ৰ সন্ধান দি আহিলেও আয়ুৰ্বেদী চিকিৎসা পদ্ধতিয়ে দীৰ্ঘদিনীয়া অসুখ, স্বাস্থ্য অধোগামী কৰিব পৰা ব্যাধি উপশমৰ ক্ষেত্ৰত বিশেষ দক্ষতা প্ৰদৰ্শন কৰি আহিছে। সেইদৰে 'পঞ্চ-কৰ্ম' সাধনেৰে দেহৰ জৈৱ -ৰসায়নিক আৰু বৃদ্ধাৱস্থাৰ বিভিন্ন সমস্যাৰ সমাধান উলিওৱা , 'ক্ষাৰ সূত্ৰ'ৰ জৰিয়তে বৃহদান্ত্ৰৰ বিভিন্ন বিসংগতি আৰু 'প্ৰকৃতি' সংগত জীৱন যাপনেৰে ৰোগ নিবাৰণ আৰু স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত আয়ুৰ্বেদী চিকিৎসা পদ্ধতিয়ে বিশেষ কৃতিত্ব প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে।

আয়ুৰ্বেদে সদায়েই বিশেষ পৃষ্ঠপোষকতা লাভ কৰি আহিছে। আনকি প্ৰাক্ স্বৰাজোত্তৰ কালৰ প্ৰতিকূল পৰিবেশতো আয়ুৰ্বেদৰ শ্ৰীবৃদ্ধি ঘটিছিল উচিত ভাবেই। স্বৰাজোত্তৰ কালত আয়ুৰ্বেদ চিকিৎসা পদ্ধতিয়ে চৰকাৰী স্বীকৃতি লাভ কৰাৰ লগতে পৰ্যাপ্ত ৰূপত বিধিবদ্ধ কৰি সংগঠিত ৰূপত দেশৰ স্বাস্থ্য সেৱা কাৰ্যক্ৰমৰ অন্যতম অপৰিহাৰ্য অংগ ৰূপে প্ৰতিস্থা লাভ কৰে। 'আয়ুস' কাৰ্যক্ৰমৰ অংশ হিচাপে সসম্প্ৰতিক সময়ত আয়ুৰ্বেদেও বিকাশ আৰু উন্নয়নৰ ক্ষেত্ৰত বিশেষ সহযোগিতা লাভ কৰাৰ লগতে ১৯৮৩ চনৰ 'ৰাষ্ট্ৰীয় স্বাস্থ্য বিধি ' ২০০০ চনৰ ৰাষ্ট্ৰীয় জনসংখ্যা নীতি ৰ আধাৰত আৰু ২০০৭ চনৰ ৰাষ্ট্ৰীয় গ্ৰাম্য চিকিৎসা পদ্ধতিয়ে বিশেষ প্ৰসাৰ, প্ৰচাৰ আৰু উত্তৰণৰ মুখ দেখিবলৈ সক্ষম হৈছে। ১৯৯৫ চনত স্থাপিত ভাৰত চৰকাৰৰ 'আয়ুষ ' বিভাগৰ বিশেষ উদ্যোগত ভাৰতীয় চিকিৎসা পদ্ধতি আৰু হোমিওপেথি সম্পৰ্কীয় ২০০২ চনৰ ৰাষ্ট্ৰীয় নীতিৰ আধাৰত আয়ুৰ্বেদৰ সহস্ৰ বৰ্যজোৰা অভিজ্ঞতা আৰু কৰ্মকুশলতাক বুনিয়াদ হিচাপে গ্ৰহণ কৰি এইবিধ চিকিৎসা পদ্ধতিৰ সৰ্বাঙ্গীন বিকাশত মনোনিবেশ কৰা হৈছে। অনুকূল নীতি নিৰ্দেশনা , পৰ্যাপ্ত পুঁজি আৰু পঞ্চবাৰ্ষিক পৰিকল্পনা সমূহৰ বিভিন্ন আঁচনি ৰূপায়ণৰ সুবাদত দেশত আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিৰ আন্তঃগাঁথনি, কৰ্মকুশলতা , সেৱা আৰু সমসাময়িক প্ৰযুক্তিৰ সদ্ব্যৱহাৰৰ হাৰ অধিক উন্নত হোৱাটো পৰিলক্ষিত হৈছে। প্ৰতিষ্ঠানিক পৰিকাঠামোৰ সংখ্যাবৃদ্ধি , গুণ-মান বৰ্দ্ধনৰ ক্ষেত্ৰত হোৱা বিশেষ তৎপৰতা , সেৱা উপলব্ধকৰণৰ বাবে লোৱা সম্প্ৰসাৰণমূলক পদক্ষেপ আৰু আয়ুৰ্বেদী চিকিৎসাৰ পাৰদৰ্শিতা সন্দৰ্ভত চলোৱা বিশেষ সজাগতামূলক অভিযান সমূহে সাম্প্ৰতিক প্ৰেক্ষাপটত এই চিকিৎসা পদ্ধতিৰ সমৃদ্ধ প্ৰতিচ্ছবিখনকে প্ৰদৰ্শিত কৰে। ইফালে ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ অধীনত আয়ুষে যুগুতোৱা কৌশল , কেন্দ্ৰীয় চৰকাৰৰ আঁচনি আৰু আই ই চি কাৰ্যক্ৰমেও আয়ুৰ্বেদী চিকিৎসা সেৱাক ৰাইজৰ মাজত অধিক গ্ৰহণযোগ্য কৰি তোলাত সহায় কৰিছে। স্বাস্থ্য সম্পৰ্কীয় সমস্যাৰ সমাধান, বিশেষকৈ নোসোঁচৰা ৰোগৰ প্ৰতিৰোধ প্ৰবন্ধনৰ ক্ষেত্ৰত থকা আয়ুৰ্বেদীয় চিকিৎসাৰ প্ৰবল সম্ভাৱনীয়তা, আৰু সাৰ্বজনীন স্বাস্থ্য সুৰক্ষাৰ ক্ষেত্ৰত ই আগবঢ়াব পৰা সেৱাৰ পৰ্যাপ্ততা উপলব্ধি কৰিয়ে এই বিধ চিকিৎসা পদ্ধতিৰ গৱেষণা আৰু বিকাশত চৰকাৰে বিশেষ ভাবে মনোনিবেশ কৰাৰ লগতে এই চিকিৎসা সেৱাৰ প্ৰসাৰত বিশেষ তৎপৰতা প্ৰদৰ্শন কৰা দেখা গৈছে।

আয়ুৰ্বেদিক শিক্ষা আৰু ব্যৱহাৰিক অধ্যয়নৰ সামগ্ৰিক বিধি ব্যৱস্থা নিয়ন্ত্ৰণৰ দায়িত্ব 'কেন্দ্ৰীয় ভাৰতীয় চিকিৎসা পৰিষদ'ৰ হাতত অৰ্পণ কৰা হৈছে। ১৯৭০ চনৰ 'ভাৰতীয় চিকিৎসা সম্পৰ্কীয় কেন্দ্ৰীয় পৰিষদ আইনৰ'ৰ অধীনত এই পৰিষদ গঠন কৰা হৈছে। আয়ুৰ্বেদীয় শিক্ষাৰ মান নিৰ্দ্ধাৰণ, পাঠ্যক্ৰম যুগুত কৰা আৰু মহাবিদ্যালয় সমূহৰ আন্তঃগাঁথনি নিৰ্মাণৰ বাবে সহযোগিতা আগবঢোৱাৰ ক্ষেত্ৰত এই পৰিষদে দায়িত্ব পালন কৰে। আজিৰ তাৰিখত আয়ুৰ্বেদী শিক্ষাৰ স্নাতক আৰু স্নাতকোত্তৰ পৰ্যায়ৰ শিক্ষাব্যৱস্থা পৰ্যাপ্ত ৰূপত সুসংগঠিত বুলি ন-দি ক'ব পাৰি। সম্প্ৰতি দেশৰ স্বীকৃতি প্ৰাপ্ত মহাবিদ্যালয় সমূহৰ জৰিয়তে ৫ $\frac{1}{2}$ বছৰীয়া স্নাতক পাঠ্যক্ৰম , (বি এ এম এছ) এবছৰীয়া আন্তঃচিকিৎসালয় ব্যৱহাৰিক কাৰ্যক্ৰম সহ আৰু ২২ টা বিশেষ শাখাত ৩ বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শিক্ষাদান কৰাৰ ব্যৱস্থা আছে। তদুপৰি আয়ুৰ্বেদিক প্ৰতিস্থানসমূহত 'পি এইচ ডি ' কাৰ্যক্ৰম সম্পন্ন কৰাৰ লগতে হ্ৰস্ব আৰু মধ্যকালীন বিভিন্ন অনানুষ্ঠানিক পাঠক্ৰম অধ্যয়নৰো ব্যৱস্থা আগবঢ়োৱা হয়। ভাৰতীয় চিকিৎসাৰ কেন্দ্ৰীয় পৰিষদ আইনৰ ২০০৩ চনত কৰা সংশোধনীৰ আধাৰত দেশত আয়ুৰ্বেদিক চিকিৎসা মহাবিদ্যালয় স্থাপনৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰৰ আগতীয়া অনুমোদন বাধ্যতামূলক কৰা হৈছে। সেইদৰে ভাৰতীয় চিকিৎসাৰ কেন্দ্ৰীয় পৰিষদৰ সৈতে কৰা আলোচনাৰ আধাৰত কেন্দ্ৰীয় চৰকাৰে আয়ুৰ্বেদীয় শিক্ষাৰ অৰ্হতালৈ স্বীকৃতি প্ৰদানৰ ক্ষমতা লাভ কৰে । ইফালে শেহতীয়া প্ৰেক্ষাপটত বাঢ়ি অহা পৰিস্থিতিগত প্ৰয়োজনীয়তালৈ লক্ষ্য ৰাখি এলোপেথিক আৰু বিদেশী চিকিৎসকৰ মাজত সেঁতুবন্ধন পাঠ্যক্ৰমৰ বিকাশ আৰু ৰূপায়ণৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে । ১৯৪০চনৰ ঔষধ আৰু প্ৰসাধান সামগ্ৰী আইন আৰু ইয়াৰ আধাৰত প্ৰণীত বিধিৰ অধীনত আয়ুৰ্বেদিক ঔষধৰ প্ৰস্তুতকৰণ আৰু মান নিয়ন্ত্ৰণ প্ৰক্ৰিয়া সম্পন্ন কৰা হয়। আয়ুৰ্বেদিক ঔষধৰ প্ৰস্তুতকাৰী প্ৰতিষ্ঠানসমূহে ৰাজ্য চৰকাৰৰ কতৃত্বপ্ৰাপ্ত প্ৰাধিকাৰীৰ পৰা 'কুশলী উৎপাদন পৰম্পৰা'ৰ অনুজ্ঞাপত্ৰ আহৰণ কৰিব লাগে। নিয়ামক বিধিৰ শেহতীয়া সংশোধনী মৰ্মে আয়ুৰ্বেদিক দ্ৰব্যৰ মান নিশ্চিতকৰণৰ বাবে বিভিন্ন শ্ৰেণীৰ দৰৱৰ

অনুজ্ঞা সম্পৰ্কীয় বিধিৰ অধিসূচনা , ব্যৱহৃত বনস্পতিৰ তথ্য উল্লেখ, উপাদান আৰু ঔষধি বনস্পতিৰ বৈজ্ঞানিক নামৰ উল্লেখ,সংৰক্ষণৰ ম্যাদ আৰু ম্যাদ উকলাৰ তাৰিখ, ব্যৱহাৰ সংৰক্ষক দ্ৰব্যৰ উল্লেখ কৰাটো বাধ্যতামূলক কৰাৰ লগতে আয়ুৰ্বেদিক ঔষধৰ পৌৰণিক নামৰ অগ্ৰাংশ বা পশ্চাদাংশৰ সংযোগ নিষিদ্ধ কৰা হৈছে।

এলোপেথিক চিকিৎসা পদ্ধতিৰ লগতে আয়ুৰ্বেদিক পদ্ধতিসহ অন্যান্য ভাৰতীয় শৈলীৰ চিকিৎসা পদ্ধতি আৰু হোমিওপেথীৰ সহাৱস্থানৰে ভাৰতে বহুমাত্ৰিক স্বাস্থ্য সেৱা প্ৰণালী প্ৰৱৰ্তনৰ অনন্য দৃষ্টান্ত দাঙি ধৰিছে। স্বাস্থ্য সুৰক্ষাৰ সৰ্বোৎকৃষ্ট সাফল্য আহৰণৰ লগতে সোঁচৰা আৰু অনা সোঁচৰা ৰোগৰ প্ৰভাৱশালী প্ৰবন্ধন সম্ভৱ কৰিবলৈ যাওতে ভাৰতীয় স্বাস্থ্য সেৱা ব্যৱস্থা অধিক জটিল আৰু প্ৰত্যাহ্বানমূলক হোৱাৰ মূলতে দেশৰ প্ৰচলিত আৰ্থ-সামাজিক , মহামাৰীজনিত আৰু জনগাঁথনিগত সন্ধিক্ষণৰ লগতে জনসংখ্যা বৃদ্ধি , সীমিত পৰিমাণৰ সম্পদ তথা নাগৰিকসকলৰ জীৱনশৈলীয়েই ঘাইকৈ জগৰীয়া বুলিব লাগিব। এনে পৰিস্থিতিত স্বাস্থ্যসেৱাৰ উত্তৰণ , প্ৰাথমিক স্বাস্থ্য সুৰক্ষা আৰু প্ৰবন্ধনৰ লগতে দীৰ্ঘদিনীয়া ব্যাধি উপশমৰ ক্ষেত্ৰত আয়ুৰ্বেদে অগ্ৰণী সহযোগীৰ ভূমিকা পালন কৰিছে ।বিগত সময়ছোৱাত লোৱা আন্তঃগাঁথনি মূলক পদক্ষেপসমূহৰ সুবাদত আজিৰ তাৰিখত দেশত ৩,৯৯,০০০ গৰাকী পঞ্জীয়নভুক্ত পেছাদাৰী আয়ুৰ্বেদিক চিকিৎসক, ১৫,১৫৩ খন দাতব্য চিকিৎসালয়, ২,৮৩৮ খন ৰাজহুৱাখণ্ডৰ চিকিৎসালয়, ২৬০ খন স্নাতক পৰ্যায়ৰ মহাবিদ্যালয়ে সেৱা আগবঢ়োৱাৰ সুযোগ পাইছে। এইবোৰ মহাবিদ্যালয়ৰ বছৰি ১৩,১৫২ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে নাম ভৰ্তি কৰাৰ সুযোগ লাভ কৰাৰ উপৰি ১০০ টা স্নাতকোত্তৰ কেন্দ্ৰত বছৰি ২৫০০ গৰাকী স্নাতকে উচ্চ শিক্ষাৰ সুযোগ লাভ কৰি আহিছে। দেশত আজিৰ তাৰিখত অনুজ্ঞা লাভ কৰা ঔষধ উৎপাদনকাৰী গোট আছে ৭৮৩৫ টা। শেহতীয়া ভাৱে আয়ুস মন্ত্ৰালয়ে যুগুতোৱা কৌশলৰ আধাৰত ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযানৰ অংশ হিচাপে দেশৰ সকলোবোৰ প্ৰাথমিক আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰ, জিলা আৰু অন্যান্য সদৰ স্থানত থকা চিকিৎসালয়সমূহত আয়ুৰ্বেদিক সেৱা সংলগ্ন কৰাৰ ফলত এই চিকিৎসা পদ্ধতিৰ সুবিধা লোৱাৰ সুযোগ আগতকৈ অধিক হাৰত বৃদ্ধি পাইছে। তথ্য মতে দেশৰ ১৮,১২৮ টা স্বাস্থ্যকেন্দ্ৰই আয়ুসে আগবঢ়োৱা সুযোগ গ্ৰহণ কৰি বিভিন্ন চিকিৎসা পদ্ধতিৰ সেৱা উপলব্ধ কৰিছে। নক'লেও হ'ব যে এই সেৱা কাৰ্যক্ৰমত আয়ুৰ্বেদিক চিকিৎসা সেৱাই অগ্ৰণী ভূমিকা পালন কৰি আহিছে। ইফালে আয়ুৰ্বেদৰ বিকাশ সাধনৰ বাবে উত্তৰণৰ বৈজ্ঞানিক প্ৰয়াস চলোৱা অনুষ্ঠান প্ৰতিষ্ঠান তথা নিকায়সমূহ হ'ল— 'ফাৰ্মাকোৰিয়া কমিছন অব ইণ্ডিয়ান মেডিচিন এণ্ড হোমিঅ'পেথি, ফাৰ্মাকোৰিয়া কমিটি, নেশ্যনেল ইনষ্টিটিউটছ, আয়ুৰ্বেদিক ৰিছাৰ্চ কাউন্সিল, ফাৰ্মাকোৰিয়েল লেব'ৰেটৰী অব ইণ্ডিয়ান মেডিছিন আৰু ৰাষ্ট্ৰীয় আয়ুৰ্বেদ বিদ্যাপীঠ। আয়ুৰ্বেদিক চিকিৎসা সম্পৰ্কীয় উন্নত গৱেষণা আৰু বিকাশ সাধনৰ লগতে সাম্প্ৰতিক সময়ৰ স্বাস্থ্য সমস্যা সমাধান কৰিব পৰাকৈ আয়ুৰ্বেদিক চিকিৎসা পদ্ধতিক সক্ষম কৰি তুলিব পৰাকৈ পদক্ষেপ লোৱাৰ বাবে নতুন দিল্লীত 'অখিল ভাৰত আয়ুৰ্বেদ প্ৰতিষ্ঠান স্থাপন কৰা হয়। ৬৩৫ টা সূত্ৰৰ সংকলনৰে আয়ুৰ্বেদিক ঔষধৰ সূত্ৰমালা প্ৰকাশ কৰাৰ উপৰি একক উপাদানযুক্ত ঔষধ প্ৰায় ৬০০ টা খণ্ড আৰু একাধিক উপাদান যুক্ত ঔষধৰ ১৫২ টা খণ্ড গ্ৰন্থাকাৰে প্ৰকাশ কৰি উলিওৱাটো আয়ুৰ্বেদিক ঔষধৰ মান উন্নয়ন আৰু ব্যৱহাৰিক গুণ-মানৰ উত্তৰণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে চিহ্নিত হৈছে। আয়ুৰ্বেদৰ উত্তৰণৰ লক্ষ্যৰে ৰূপায়িত আঁচনিৰ সুবাদত স্বাস্থ্য সেৱাৰ মান উন্নতহোৱাৰ লগতে উন্নত মানৰ ঔষধ পেছাগত দক্ষতাসম্পন্ন মানৱ সম্পদৰ যোগান পৰ্যাপ্ত পৰিমাণে সম্ভৱ হোৱা দেখা গৈছে। আয়ুৰ্বেদৰ উত্তৰোত্তৰ উন্নয়ন সাধনৰ ক্ষেত্ৰত বিভিন্ন কাৰ্যপন্থা গ্ৰহণ কৰা অন্যান্য চৰকাৰী সংস্থা তথা বিভাগ সমূহ হ'ল— বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ, বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা বিভাগ , স্বাস্থ্য গৱেষণা বিভাগ , জৈৱ-প্ৰযুক্তি বিভাগ, বৈজ্ঞানিক আৰু ঔদ্যোগিক গৱেষণা পৰিষদ, ভাৰতীয় চিকিৎসা গৱেষণা পৰিষদ ইত্যাদি। এনেবোৰ প্ৰয়াসৰ সুপৰিণতিয়ে আয়ুৰ্বেদিক চিকিৎসাৰ সুৰক্ষা , কৰ্ম -কুশলতা, আৰু মান লক্ষণীয়ভাবে উন্নত কৰি তুলিছে। যদিও পৌৰাণিক কলা তথা পাৰম্পৰিক জ্ঞানৰ ক্ষেত্ৰত পেটেন্ট আহৰণ কৰাটো কঠিন তথাপি আয়ুৰ্বেদিক প্ৰযুক্তিৰ উদ্ভাৱনী বিকাশ, সা-সজুঁলি তথা চিকিৎসা সামগ্ৰিক ভাৰতীয় পেটেন্ট আইনৰদ্বাৰা সুৰক্ষা প্ৰদানৰ দিহা কৰা হৈছে।

আয়ুৰ্বেদৰ বৈজ্ঞানিক গৱেষণা আৰু বিকাশৰ সামগ্ৰিক দায়িত্ব বহন কৰা কেন্দ্ৰীয় পৰিষদৰ দেশৰ বিভিন্ন প্ৰান্তত ৩০ টা কেন্দ্ৰ আছে। এই কেন্দ্ৰ সমূহৰ জৰিয়তে পৰিষদে শয্যাগত ৰোগীৰ ৰোগ সম্পৰ্কীয় গৱেষণা , দৰৱ সংক্ৰান্তীয় গৱেষণা , ঔষধ প্ৰস্তুতকৰণ সম্পৰ্কীয়, বনস্পতিৰ সমীক্ষা আৰু তথ্যানুসন্ধান , আয়ুৰ্বেদী ঔষধ আৰু চিকিৎসাৰ সুৰক্ষা তথা কৰ্মকুশলতা সম্পৰ্কীয় গৱেষণা সম্পন্ন কৰে। এই পৰ্যন্ত পৰিষদে ১৭ বিধ ৰোগৰ বিপৰীতে ২৬ বিধ দৰৱৰ সূত্ৰৰ বৈধতা নিৰূপণ কৰাৰ উফৰি ৭০৪ বিধ জনজাতীয় লোক ঔষধ

আৰু লোক স্বাস্থ্য পৰম্পৰা তথ্যসূচী যুগুতাই উলিয়ায়। সদ্যহতে পৰিষদে ১০ বিধ ৰোগৰ বিপৰীতে ৩৫ বিধ দৰবৰ বৈধতা নিৰূপণৰ অধ্যয়ন অব্যাহত ৰখাৰ উপৰি আন ৬৪ বিধ ঔষধৰ ক্ষেত্ৰতো এনে অধ্যয়ন কৰাৰ বাবে যাৱতীয় প্ৰস্তুতি গ্ৰহণ কৰিছে। ইফালে আয়ুৰ্বেদ গৱেষণা পৰিষদ আৰু অন্যান্য গৱেষণা আৰু বিকাশ সংস্থাসমূহৰ অনুসন্ধানকাৰী সকলে বহুকেইটা উদ্ভাৱনৰ বাবে পেটেন্ট লাভ কৰিছে। পৰিষদে এই পৰ্যন্ত লাভ কৰা পেটেন্ট সংখ্যা ১৪ টা । ইফালে আন দহোটা উৎপাদনৰ বিপৰীতে পেটেন্ট বিচাৰি ১৪ খন আবেদন ইতিমধ্যে দাখিল কৰিছে বুলি জানিব পৰা গৈছে। আয়ুৰ্বেদিক চিকিৎসাত জৈৱ সা-সৰঞ্জাম ব্যৱহাৰত বিশেষ গুৰুত্ব দিয়াৰ পৰিপ্ৰেক্ষিতত এনে সা-সৰঞ্জামৰ উৎপাদনৰ প্ৰতি উদ্যোগীসকলে বিশেষ আগ্ৰহ প্ৰকট কৰা পৰিলক্ষিত হয়। আয়ুৰ্বেদিক প্ৰতিষ্ঠান সমূহে এনে সামগ্ৰীৰ বাবে দেশৰ অগ্ৰণী প্ৰযুক্তি প্ৰতিষ্ঠানৰ সৈতে যুটীয়া কাৰ্যক্ৰমৰ ব্যৱস্থা কৰি এই ক্ষেত্ৰত আগবাঢ়ে। চৰকাৰী আৰু বেচৰকাৰী উভয় খণ্ডতে চলা এনে তৎপৰতাৰ ফলত আয়ুৰ্বেদিক গৱেষণা পৰিষদে অকলেই ৩৫০০ খন গৱেষণা পত্ৰ প্ৰকাশ কৰি উলিওৱাৰ ওপৰি আয়ুষৰ গৱেষণা পৰ্টেলত ২৩,০৬৫ টা নিবন্ধও আপলোড কৰিছে। তদুপৰি এটা স্বেচ্ছাসেৱী সংস্থাই যুগুতাই উলিওৱা ‘ডিজিটেল হেল্পলাইন অব আয়ুৰ্বেদিক ৰিছাৰ্চ আৰ্টিকল্‌ছ (ধাৰা ) নামক পৰ্টেলটোতো প্ৰায় ৫৪,০০০ টা নিবন্ধ আপলোড কৰা হৈছে। ইয়াৰে ৭৩৩৬ টা নিবন্ধ সূক্ষ্মভাৱে বিশ্লেষণৰ জৰিয়তে পুনৰীক্ষণো কৰা হৈছে বুলি জানিব পৰা গৈছে।

২০০২ চনত ভাৰতীয় চিকিৎসা পদ্ধতি আৰু হোমিঅ’পেথি সম্পৰ্কীয় ৰাষ্ট্ৰীয় নীতি আনুষ্ঠানিক ভাবে ঘোষণা কৰা হৈছেল। দেশৰ স্বাস্থ্য সেৱা ব্যৱস্থাত ভাৰতীয় শৈলীৰ চিকিৎসা পদ্ধতিৰ পৰ্যায়ক্ৰমিক সংপৃক্তকৰণৰ প্ৰয়োজনীয়তাক গুৰুত্ব প্ৰদান কৰিয়েই এইনীতি যুগুতোৱা হৈছিল। তদুপৰি স্বাস্থ্য আৰু মানৱ সম্পদৰ বিকাশ সম্পৰ্কীয় সকলো পৰিকল্পনাৰ সম্পূৰ্ণ একত্ৰীকৰণৰ প্ৰয়োজনীয়তাকো ইয়াৰদ্বাৰা দোহৰা হৈছিল। ৰাষ্ট্ৰীয় আৰু আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত ৰাইজৰ স্বাস্থ্য সেৱা প্ৰয়োজনীয়তা সমূহ পূৰণ কৰিব পৰাকৈ ‘আয়ুস’ কাৰ্যক্ৰমৰ বিকাশ সাধন কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ে বাধ্যতামূলক ভাবে পদক্ষেপ ল’বৰ বাবে ৭ টা কৰ্মক্ষেত্ৰ চিনাক্ত কৰি উলিয়ায় ।এই ক্ষেত্ৰকেইটা হ’ল — আয়ুৰ্বেদী স্বাস্থ্য সেৱা, মানৱ সম্পদ উন্নয়ন, গৱেষণা , ঔষধ প্ৰশাসন , তথ্য -শিক্ষা - সংযোগ , আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু বনৌষধি । প্ৰয়োজন ভিত্তিক পৰিকল্পনা ; পঞ্চবাৰ্ষিক পৰিকল্পনাৰ আধাৰত যুগুতোৱা লক্ষ্য তথা কৌশলৰ জৰিয়তে কৰা আঁচনি ৰূপায়ণৰ দিহাই আয়ুস কাৰ্যক্ৰমৰ সম্প্ৰসাৰণ আৰু শক্তিবৰ্দ্ধনত বিশেষ ভূমিকা পালন কৰিছে। তদুপৰি শেহতীয়া ধাৰাৰ অনুকূলে আয়ুসৰ বিকাশ যাত্ৰাক আগুৱাই নিয়াৰ ক্ষেত্ৰতো ই মূল চালিকা শক্তি হিচাপে কাম কৰিছে। সদা বৰ্দ্ধিত জনসংখ্যাৰ বিপৰীতে সীমিত সম্পদে সৃষ্টি কৰা প্ৰত্যাহ্বনৰ মোকাবিলা কৰিও এটা গ্ৰহণযোগ্য মান অক্ষুণ্ণ ৰখাৰ ক্ষেত্ৰত আজিৰ প্ৰেক্ষাপটত সৰ্বজন গ্ৰহণযোগ্য , যুগসিদ্ধ ব্যয়সাপেক্ষে স্বাস্থ্যসেৱা প্ৰযুক্তি হিচাপে আয়ুৰ্বেদে নিজৰ সামৰ্থ্য প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছে বুলি ন-দি ক’ব পাৰি। এনে প্ৰেক্ষাপটতে আয়ুষ কাৰ্যক্ৰমৰ চিকিৎসা পদ্ধতি সমূহৰ কৰ্ম পদ্ধতিৰ একত্ৰীকৰণ প্ৰসংগ আক্ষৰিক অৰ্থতে যুক্তি সংগত হ’ব বুলি ভবাৰ থল আছে।

গোলকীয় প্ৰেক্ষাপটত বৃদ্ধি পোৱা চাহিদা , পৰম্পৰাগত চিকিৎসা আৰু সহযোগী তথা বিকল্প চিকিৎসাৰ ক্ষেত্ৰত স্থাপিত দ্বিপাক্ষিক , বহুপাক্ষিক মঞ্চই আয়ুৰ্বেদৰ বিকাশৰ বাবে আন্তঃৰাষ্ট্ৰীয় সহযোগিতা আৰু উত্তৰণৰ বাবে পদক্ষেপ গ্ৰহণৰ সুবৰ্ণ সুযোগ সৃষ্টি কৰিছে। এই লক্ষ্যত উপনীত হোৱাৰ বাবে ‘আয়ুষ’ মন্ত্ৰালয়ে কেন্দ্ৰীয় চৰকাৰৰ পৃষ্ঠপোষকতাৰে এখন আঁচনি ৰূপায়ণ কৰিছে। আঁচনিখনে আন্তঃৰাষ্ট্ৰীয় বিশেষজ্ঞ তথা বিষয়াবৰ্গৰ আদান-প্ৰদান সম্ভৱ কৰা, ভাৰতীয় প্ৰতিষ্ঠানত নিয়মীয়া পাঠ্যক্ৰমত অধ্যয়ন কৰিব পৰাকৈ বিদেশী ছাত্ৰৰ বাবে জলপানীৰ দিহা কৰা ; আন্তঃৰাষ্ট্ৰীয় মেলা, মহোৎসৱ , প্ৰদৰ্শনী আদিত আয়ুৰ্বেদী ঔষধ প্ৰতিষ্ঠানৰ অংশগ্ৰহণ আৰু বিদেশী নিয়ামক সংস্থাৰদ্বাৰা বিপণন কৰ্তৃত্ব প্ৰদান কৰা বজাৰত বেহা-বেপাৰ কৰিব পৰাকৈ আয়ুৰ্বেদী দ্ৰব্যৰ পঞ্জীয়নৰ পৰিৱেশ সৃষ্টি কৰিছে। আঁচনিখনৰ সুবাদত মালয়ছিয়া , ত্ৰিনিদাদ আৰু টবেগ’, মেক্সিকো, ইণ্ডোনেছিয়া, মৰিচাছ, কিউবা, ৰছিয়া , হাংগেৰী আদি দেশত থকা ভাৰতীয় মিছনত আয়ুষৰ তথ্য কেন্দ্ৰ স্থাপন কৰা হৈছে। ২০০৫ -০৬ বৰ্ষত পৰা ১১৫ গৰাকী বিদেশী ছাত্ৰই জলপানী গ্ৰহণ কৰি ভাৰত এ এছ ইউ এণ্ড এইচ ’ পাঠ্যক্ৰম অধ্যয়ন কৰিছে। তদুপৰি ৱেষ্ট ইণ্ডিজ, ত্ৰিনিদাদ এণ্ড টবেগ’, ডেব্ৰিকেন আৰু হাংগেৰীৰ বিশ্ব বিদ্যালয়ত আয়ুৰ্বেদ বিদ্যায়তনিক আসন’ প্ৰতিস্থা কৰা হৈছে। শ্লেভেনিয়া আৰু ইণ্ডোনেছিয়াত এনে আসন প্ৰতিস্থাৰ প্ৰক্ৰিয়া অব্যাহত আছে। ইফালে আয়ুৰ্বেদকে ধৰি অন্যান্য ভাৰতীয় পাৰম্পৰিক চিকিৎসা পদ্ধতিৰ প্ৰচলনৰ বাবে মালয়ছিয়া , ত্ৰিনিদাদ এণ্ড টবেগ’, হাংগেৰী , বাংলাদেশ, নেপাল আৰু মৰিচাছৰ সৈতে বুজাবুজিৰ চুক্তি স্বাক্ষৰিত

হোৱাৰ উপৰি আন কেবাখনো ৰাষ্ট্ৰৰ সৈতে এনে চুক্তি স্বাক্ষৰৰ প্ৰাৰম্ভিক প্ৰক্ৰিয়া অব্যাহত ৰখা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাই ইতিমধ্যে ২০১০ চনত আয়ুৰ্বেদৰ দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। ইফালে বিশ্ব স্বাস্থ্য সংস্থাৰ যুটীয়া পৃষ্ঠপোষকতাত গুজৰাটৰ জামনগৰত স্থাপন কৰা আয়ুৰ্বেদী শিক্ষণ আৰু গৱেষণাৰ স্নাতকোত্তৰ প্ৰতিষ্ঠান-টোৱে বস্তুত ঃ গোলকীয় প্ৰেক্ষাপটত আয়ুৰ্বেদে লাভ কৰা বিকাশ আৰু সন্মানীয় অৱস্থিতিকে প্ৰতীয়মান কৰিছে। অৱশ্যে ইমানৰ পাচতো বিশ্ব প্ৰেক্ষাপটত আয়ুৰ্বেদী চিকিৎসাৰ ব্যৱহাৰিক কৰ্মদক্ষতা , মান আৰু সুৰক্ষা প্ৰসংগত বহু দেশ এতিয়াও সহজ হ'ব পৰা নাই। পৃথিৱীৰ প্ৰায়বোৰ দেশতে এটা চিকিৎসা পদ্ধতি হিচাপে আয়ুৰ্বেদে স্বীকৃতি এতিয়াও আদায় কৰিব নোৱাৰাৰ লগতে ইয়াৰ পৰিচিতি তথা অনুশীলনে নিয়ামক বিধিৰ বাধা অতিক্ৰম কৰিব পৰা নাই। আন্তঃৰাষ্ট্ৰীয় সহযোগিতা লাভৰ ক্ষেত্ৰত এনেবোৰ সমস্যা অতিক্ৰমণৰ লগতে আয়ুৰ্বেদক বিশ্ব স্বাস্থ্য সেৱাৰ এটা দক্ষ আৰু উপযুক্ত চিকিৎসা পদ্ধতি হিচাপে প্ৰতিস্থা কৰিবলৈ চৰকাৰে পদক্ষেপ গ্ৰহণ কৰাটো হ'ব আজিৰ সময়ৰ আহ্বান।

তথাপি, বৰ্দ্ধিত জনপ্ৰিয়তাই আজি আয়ুৰ্বেদক এনে এটা পৰ্যায় উপনীত কৰাইছেহি যে ইয়াৰ পৰা কেৱল এইবিধ চিকিৎসা পদ্ধতিক আক্ষৰিক অৰ্থতে জনতাৰ চিকিৎসা সেৱা হিচাপে গঢ়ি তুলি এই শৈলীৰ চিকিৎসা সেৱা, ঔষধ -পাতি কৰ্ম -কুশলতাক আন্তঃৰাষ্ট্ৰীয় গুণ -মান সম্পন্ন কৰি তোলাৰ বাহিৰে আন বিকল্প ভবাৰ অৱকাশ নাই। তাকে কৰিবলৈ যাওতে আয়ুৰ্বেদী ঔষধৰ জৈৱ - পৰ্যাপ্ততা , ঔষধ-প্ৰকৰণৰ সামৰ্থ্য প্ৰদৰ্শনৰ লগতে অন্যান্য ঔষধ -সামগ্ৰীৰ ৰপ্তানিৰ দৰে এই ঔষধৰ ৰপ্তানি দক্ষতা প্ৰতিপন্ন কৰাৰ প্ৰয়োজন নিশ্চিত ভাবেই হ'ব। সেইদৰে লোক চিকিৎসাৰ বৈজ্ঞানিক বৈধতা নিশ্চিত কৰা , গুণ-মান সম্পন্ন চিকিৎসা পৰম্পৰা বিকশিত কৰা আৰু আয়ুৰ্বেদ সম্পৰ্কীয় পাৰম্পৰিক জ্ঞান ভাণ্ডাৰ চুৰি কিম্বা অনৈতিক ব্যৱহাৰ ৰোধ কৰাৰ দৰে গুৰুত্বপূৰ্ণ ক্ষেত্ৰসমূহত অধিক কৰণীয় নিশ্চয় থাকিব।

*** এই বিষয়ে অধিক জানিবৰ বাবে গুৰুত্বপূৰ্ণ ৱেবছাইট সমূহ হ'ল —**

১)www.indianmedicine.nic.in ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়

২)www. mohfm.nic.in স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়

৩)www. nrhw-mis.nic.in ৰাষ্ট্ৰীয় গ্ৰাম্য স্বাস্থ্য অভিযান

৪)www.nia.nic.in ৰাষ্ট্ৰীয় আয়ুৰ্বেদ প্ৰতিস্থান জয়পুৰ, ৰাজস্থান

৫)www.ravdelhi.nic.in ৰাষ্ট্ৰীয় আয়ুৰ্বেদ বিদ্যাপীঠ, নতুন দিল্লী

৬)www.ayurveduniversity.edu.in স্নাতকোত্তৰ আয়ুৰ্বেদ শিক্ষণ আৰু গৱেষণা প্ৰতিস্থান, জামনগৰ, গুজৰাট

৭)www.bhu.ac.in বাৰাণসী হিন্দু বিশ্ববিদ্যালয় , আয়ুৰ্বেদ বিভাগ, বাৰাণসী, উত্তৰ প্ৰদেশ

৮)www.ccimindia.org কেন্দ্ৰীয় ভাৰতীয় চিকিৎসা প্ৰতিষ্ঠান, নতুন দিল্লী

৯)www.ccras.nic.in কেন্দ্ৰীয় আয়ুৰ্বেদিক বিজ্ঞান গৱেষণা পৰিষদ নতুন দিল্লী

১০)www.plimism.nic.in ভাৰতীয় চিকিৎসাৰ ঔষধ পৰীক্ষাগাৰ গাজিয়াবাদ

১১)www.nmpb.nic.in ৰাষ্ট্ৰীয় বনৌষধি বোৰ্ড, নতুন দিল্লী

১২)www. ayushportal.-ap.nic.in আয়ুস গৱেষণা প'ৰ্টেল

# হোমিওপেথিক ঔষধৰ গুৰুত্ব আৰু উপকাৰিতা

**ডা° আৰ কে মানচন্দা**
**ডা° হাৰলীন কৌৰ**

**খ**ৰতকীয়া গতিত চিকিৎসা বিভাগৰ ৰূপান্তৰ ঘটিছে আৰু নতুন ভাৱধাৰাই 'আধুনিক' বিজ্ঞানক পৰম্পৰাগত পদ্ধতিলৈ ওচৰ চপাই আনিছে। উপযুক্তভাৱে নিৰাময়ৰ চিন্তাধাৰা আৰু জীৱনটোক সতেজ কৰি ৰখাৰ প্ৰতি কৰা অনুসন্ধানমূলক প্ৰয়াস কেৱল গ্ৰহণযোগ্যই হৈ উঠা নাই, তাৰ উপৰি সেয়া অনুকৰণীয় বিষয় ; কিয়নো মানৱ স্বাস্থ্যৰ প্ৰতি এই চিকিৎসা বিজ্ঞানে এটা বহল প্ৰেক্ষাপটত পুনৰ চিন্তা চৰ্চা কৰিছে। পূৰ্বতে ব্যৱহাৰ্য ঔষধৰ গুণাগুণ এই ক্ষেত্ৰত বিচাৰ্য বিষয় হৈ পৰিছে।

হোমিওপেথি হ'ল স্বাস্থ্য ৰক্ষাৰ এটা পদ্ধতি। ই এজন ব্যক্তিক ধীৰ-স্থিৰে চিকিৎসা কৰে আৰু স্থায়ী প্ৰতিকাৰৰ বাবে নিমজ্জিত হয়। ২০০ বছৰৰো অধিক কালৰ পৰা এনে চিকিৎসাই মানৱ সমাজত ঠাই পাই আহিছে। ইয়াক বিশ্বৰ ভিতৰত ব্যৱহাৰ কৰা দ্বিতীয় বৃহত্তম থেৰাপেথিক পদ্ধতি ৰূপে জনা যায়। হোমিওপেথিৰ মূল স্থিতি ওঠৰ শতিকাত কিছুমান ঔষধৰে চিকিৎসা কৰিবলৈ লোৱা একেবাৰে নিম্ন মানৰ চিকিৎসা অভ্যাসক (ক্ৰুদ প্ৰেকটিচ) ঠাই নিদিবলৈ কৰা হয়। প্ৰখ্যাত জাৰ্মান চিকিৎসক ডা° হানিমেনে দেখা পাইছিল কিছুমান নিম্ন মানৰ চিকিৎসা । তেনে চিকিৎসা আছিল — জোকে খাবলৈ দিয়া, তেজ ওলাবলৈ দিয়া আৰু অন্য ধৰণৰ বদাভ্যাস — যাৰ জৰিয়তে এজন লোকৰ কষ্টখিনি লাঘৱ কৰিবলৈ দিয়া হয়। কিন্তু এনে ধৰণৰ চিকিৎসাই ৰোগ নিৰাময় কৰাতকৈ ৰোগীক দুখ আৰু কষ্টহে দিছিল। নিজেই এগৰাকী পাকৈত চিকিৎসক হোৱা হেতুকে তেওঁ এনে ধৰণৰ অভ্যাসৰ যতি পেলায় আৰু নিজ দক্ষতাৰে তেওঁৰ উপায়সমূহক কামত লগাবলৈ আৰম্ভ কৰে। পিছে ৰোগীৰ ৰোগৰ গভীৰতা ইমান অধিক তাক নিৰাময় কৰিবৰ কাৰণে তেওঁক শান্তিৰে থাকিবলৈ নিদিলে। তেওঁ সেই বিষয়ে গভীৰ চিন্তা কৰিবলৈ ধৰিলে। তেনে চিন্তাৰেই চিনকোনা বাকলিৰ থেৰাপি সামৰ্থ্যৰ এটা অধ্যায়ৰ সূচনা হয়। মেলেৰিয়া প্ৰতিকাৰত ইয়াৰ উপযোগিতাৰ বিষয়ে এখন গ্ৰন্থত বিস্তৃত বিষয়সমূহ সন্নিৱিষ্ট কৰিলে। 'Cullen's Materiamedica ' নামৰ গ্ৰন্থখনত ৰোগ নিৰাময়ৰ যিবোৰ বিষয় ডা° হানিমেনে সন্নিৱিষ্ট কৰে সেইবোৰে চিকিৎসা বিজ্ঞানৰ ইতিহাসত এটা নতুন গতি আনি দিয়ে। ইয়াৰ ফলস্বৰূপেই হোমিওপেথিক চিকিৎসা ঔষধপাতিৰ এটা বিজ্ঞানসন্মত পদ্ধতি ৰূপে পৰিগণিত হয়। বিজ্ঞানসন্মত ভাবে পৰীক্ষা নিৰীক্ষা কৰাৰ পাছতহে উপলব্ধ কৰা ভাৱধাৰা আৰু পদ্ধতিৰ ওপৰত সম্পূৰ্ণ ৰূপে আধাৰ কৰি এই প্ৰক্ৰিয়াৰ সূত্ৰপাত ঘটে। মুঠৰ ওপৰত ক'বলৈ গলে ঐতিহাসিকভাৱে হোমিওপেথি হ'ল ভিন্ন অভিজ্ঞতাৰ সংযোজনৰ এটা উৎস আৰু সমান্তৰাল-ভাৱে পৰীক্ষা-নিৰীক্ষা কৰা গোটবিশেষৰ উপহাৰ, যাৰ নিৰাময়ৰ সম্ভাৱনীয়তা বহু বেছি। ১৯ শতিকাৰ হোমিওপেথিক থেৰাপি পোন প্ৰথমবাৰ 'Placebo' ব্যৱহাৰ কৰি কৰা পৰীক্ষা আছিল । এই 'প্লোচবো' চিকিৎসা আজিকালিও সমসাময়িক তথা "পৰিপূৰক আৰু বিকল্প ঔষধ" (Complementary & Alternative Medicine, চমুকৈ CAM) পদ্ধতি ৰূপে ব্যৱহাৰ কৰা হয়। হোমিওপেথিয়েই ইয়াক প্ৰথমে বায়'মেডিকেল ৰূপে কামত লগাইছিল।

## সূত্ৰ

হোমিওপেথি ঘাইকৈ দুটা সূত্ৰৰ ওপৰত প্ৰতিস্থিতি। প্ৰথম সূত্ৰটো হ'ল একেধৰণৰ কাৰ্য কৰা ঔষধ — যাক কোৱা হয় "Simliasimilibuscurentur"। ইয়াৰ অৰ্থ হ'ল ৰোগৰ প্ৰতি কাম কৰা একেধৰণৰ ঔষধ যি এটা বেমাৰৰ বিৰুদ্ধে শৰীৰটোৰে নিজাববীয়াকৈ সঁহাৰি জনাবলৈ উজ্জীৱিত কৰি তোলে। ইয়াৰ পৰা এই সম্ভেদ পোৱা যায় যে ঔষধটোৱে নিৰাময়তাৰ কাম সম্পূৰ্ণ কৰাৰ আৱশ্যক আছে। আন এটা সূত্ৰৰেও ই পৰিচালিত হয়। সেয়া হ'ল শৰীৰৰ নিজা অন্তৰ্নিহিত নিৰাময় প্ৰদান শক্তি। ইয়াৰ অৰ্থ হ'ল — শৰীৰটোৱে কি কৰিব লাগে তাক জানে আৰু সেয়ে অঙ্গ-প্ৰত্যঙ্গৰ ভিতৰৰ পৰাই বেমাৰটো অতিক্ৰম কৰিবলৈ নিৰাময়জনক সঁহাৰি প্ৰদান কৰিবলৈ আৰম্ভ কৰে।

তৃতীয় সূত্ৰটো হ'ল কেৱল 'ন্যূনতম খোৰাক'হে দিয়া উচিত। উপলব্ধিৰ ওপৰত ই আধাৰিত ঔষধে


**ডা° মানচন্দা ভাৰত চৰকাৰৰ চি চি আৰ এইছৰ সঞ্চালক প্ৰধান আৰু ডা° কৌৰ জ্যেষ্ঠ ৰিচাৰ্চ ফেলো তথা ভূতপূৰ্ব কমিউনিকেচন কনচাল্টেন্ট।**

ক্ৰিয়া কৰাটো (উজ্জীৱিতকৰণ) প্ৰয়োজন আৰু এটা খোৰাকেই শক্তিদানৰ কাম আৰম্ভ কৰিবলৈ যথেষ্ট হয় বুলি কৰা উপলব্ধিৰ ওপৰত ই আধাৰিত। সেইবাবেই হোমিওপেথিক ঔষধপাতি সাধাৰণতে ন্যুনতম খোৰাকতেই দিয়া হয়। শৰীৰত ই নিৰাময়তাৰ সঁহাৰি জাগ্ৰত কৰে আৰু কোনো ভীষণ ধৰণৰ পাৰ্শ্বক্ৰিয়াৰ উদ্ভৱ নকৰে। আন ধৰণৰ চিকিৎসা পদ্ধতিত প্ৰায়ে তেনে পৰিলক্ষিত হয়।

ইয়াৰ বাহিৰেও আন সূত্ৰাৱলীও আছে যিবোৰ হোমিওপেথি ভাৱধাৰাৰ ওপৰতে প্ৰতিস্থিত। ইয়াৰ ভিতৰত এটা হ'ল সৰলতা আইন যিটোৱে সৰল আৰু একক ঔষধ প্ৰদান কৰাৰ পোষকতা কৰে। আনটো হ'ল ভীষণ ধৰণৰ ৰোগ সংক্ৰান্তীয় আইন (ল' অব ক্ৰনিক ডিজিজ)। ই তেনে ৰোগৰ প্ৰতি দৃষ্টিভঙ্গী গ্ৰহণৰ বিষয়টোকে সূচায় আৰু এটা হ'ল ঔষধৰ গতিশীলতাৰ মতবিশেষ — যিটোৱে ঔষধ তৈয়াৰ কৰা কালত ঔষধীয় পদাৰ্থসমূহক কেনেদৰে হোমিওপেথিক পদাৰ্থ বিশেষলৈ ৰূপান্তৰিত কৰে আৰু শেহৰটো হ'ল ঔষধৰ প্ৰমাণিকৃত মতবাদ। স্বাস্থ্যবান মানৱ দেহৰ ওপৰত হোমিওপেথিক ঔষধৰ প্ৰয়োজন সাপেক্ষে কৰা ক্ৰিয়াৰ প্ৰতি সচেষ্ট থাকে।

সঠিক আৰু ব্যক্তিগত চিকিৎসাৰ সুবিধা আগবঢ়ায়। এক শেহতীয়া প্ৰকাশনৰ মতে এইটো স্পষ্টকৈ পৰিলক্ষিত হয় যে হোমিওপেথি চিকিৎসা কৰা তথা সেই পদ্ধতি ব্যৱহাৰ কৰা লোকৰ সংখ্যা খৰতকীয়াকৈ বহু দেশত বৃদ্ধি পাইছে। তেনে দেশবোৰৰ ভিতৰত উল্লেযোগ্য হিচাপে আমেৰিকা, ব্ৰাজিল, দক্ষিণ আফ্ৰিকা আৰু ইউৰোপীয় দেশসমূহৰ ভিতৰত ব্ৰিটেইন, ফ্ৰান্স, জাৰ্মানী, নৰওৱে, অষ্ট্ৰিয়া আৰু ছুইজাৰলেণ্ডৰ নাম ল'ব পাৰি। এই তালিকাত ভাৰত শীৰ্ষ স্থানত আছে। সৰ্বাধিক চিকিৎসক (২.৫ লাখৰো অধিক) আৰু বিপুল সংখ্যক এনে চিকিৎসা গ্ৰহণ কৰোতা লোক। ১ নং চিত্ৰখনত বিশ্বৰ বিভিন্ন ঠাইত হোমিওপেথিৰ উপস্থিতি সমন্ধে দেখুওৱা হৈছে।

প্ৰশিক্ষণ দিয়া হয়। হোমিওপেথিত উচ্চ শিক্ষা অধ্যয়নৰ ক্ষেত্ৰত আছে স্নাতকোত্তৰ পৰ্যায়ত এম.ডি আৰু ডক্টৰেট পৰ্যায়ত পি এইচ ডি। ভাৰতত হোমিওপেথিকত স্বাস্থ্য ৰক্ষাৰ সেৱা ২১৫ খন হাস্পাতাল আৰু ৬৮১২ খন ডিচপেনচেৰীৰদ্বাৰা আগবঢ়োৱা হয়। ৰাজ্য চৰকাৰ তথা পৌৰ সংস্থাবোৰে ইয়াক পৰিচালনা কৰে। কেন্দ্ৰীয় চৰকাৰৰ স্বাস্থ্য আঁচনিৰ অন্তৰ্গত ৩৫ খন ডিচপেনচেৰী, শ্ৰম মন্ত্ৰালয়ৰ ৩৯ খন আৰু ৰে'ল মন্ত্ৰালয়ৰ ১২ ৯ খন ডিচপেনচেৰীয়ে এই সেৱা প্ৰদান কৰে। ৰাজহুৱা খণ্ডৰ সংগঠনবোৰেও হোমিওপেথিক চিকিৎসাৰ সুবিধা আগবঢ়ায়। তেনে সংগঠনবোৰৰ ভিতৰত উল্লেখযোগ্য হ'ল— তাপ বিদ্যুৎ নিগম, নেশ্ব'নেল এলুমিনিয়াম কৰ্পোৰেচন, কেন্দ্ৰীয় সংৰক্ষিত আৰক্ষীবাহিনী, সীমান্ত



বিশ্ব হোমিওপেথিৰ বিস্তৃতি

১ নং ছবি

○ হোমিওপেথিৰ উপস্থিতি
□ ৰাষ্ট্ৰীয় স্বাস্থ্য ৰক্ষা ব্যৱস্থাত হোমিওপেথিকো সামৰি লোৱা হয়
✶ প্ৰচলিত ঔষধৰ সমান

**হোমিওপেথিক পদ্ধতিৰ স্থিতি**

হোমিওপেথিক পদ্ধতিৰ চিকিৎসা বহু চিকিৎসকে বিশ্বব্যাপী কৰে। সাম্প্ৰতিক কালত ইয়াৰ জনপ্ৰিয়তা বহু বৃদ্ধি পাইছে। তাৰ কাৰণ হ'ল ইয়াৰ অন্তৰ্নিহিত ভাল গুণবোৰ তথা সাক্ষ্য প্ৰমাণৰ ভিত্তিত কৰা গৱেষণাসমূহৰ সফলতাৰ দিশবোৰ। থেৰাপি নিৰ্বাচনৰ ক্ষেত্ৰত জনগণৰ পছন্দৰ বিষয়টো জড়িত থকা দেখা যায়। উপযুক্ত মানৱ বায়'মেডিচিনৰ পৰা অন্যান্য পদ্ধতিকো তেওঁলোকে গ্ৰহণ কৰিব বিচাৰে— যি এটা হোমিওপেথিৰ বৃদ্ধি পোৱা বিপুল চাহিদালৈ চাই ভাৰত চৰকাৰে হোমিওপেথিৰ সফল প্ৰতিস্থানগত স্থিতি লাভ কৰিবৰ কাৰণে শক্তিশালী আন্তঃগাঁথনিমূলক তথা কাৰিকৰী সমৰ্থন আগবঢ়াইছে। ইয়াৰ ফলস্বৰূপে ভাৰতত প্ৰায় ১৮৭ খন স্নাতক আৰু ৪২ খন স্নাতকোত্তৰ হোমিওপেথিক চিকিৎসা মহাবিদ্যালয় আছে। ইয়াৰ অৰ্হতা লাভ কৰা চিকিৎসকলক হোমিওপেথিকত ডিগ্ৰী (বি. এইছ. এম. এছ) লাভ কৰাৰ আগতে ৫ বছৰ ৬ মাহ কালৰ বাবে চিকিৎসা বিষয়ত সুৰক্ষা বাহিনী ইত্যাদি। পিছে ভাৰতত সৰহভাগ হোমিওপেথিক চিকিৎসা. ব্যক্তিগত ক্লিনিকসমূহে আগবঢ়ায়। এইবোৰত প্ৰাপ্ত সা-সুবিধা, পৰামৰ্শ মাচুল আৰু চিকিৎসা খৰচ ভিন ভিন ধৰণৰ । কিছুমান এলোপেথিক চিকিৎসালয় প্ৰতিস্থানতো হোমিওপেথিক চিকিৎসা ব্যৱস্থা আছে। ব্যক্তিগত খণ্ডত কাম কৰা হোমিওপেথিক চিকিৎসকৰ জৰিয়তে এই সুবিধা আগবঢ়োৱা হয় আৰু চৰকাৰী খণ্ডত থকা সা-সুবিধাৰ জৰিয়তে তেনে সেৱা লাভ কৰিব পাৰি। তদুপৰি আমাৰ

দেশত হোমিওপেথিক চিকিৎসালয়ৰ সুবিধা শিক্ষা প্ৰতিষ্ঠানৰ জৰিয়তে আগবঢ়োৱা হয় আৰু স্বতন্তৰীয়া-ভাবেও তেনেবোৰ ব্যৱস্থাৰ দিহা কৰা হয়। এনেবোৰ ব্যৱস্থাত বহিঃ বিভাগ আৰু সেইবোৰত ৰেডিঅ'লজী তথা পেথ'লজী সম্বন্ধীয় চিকিৎসাৰ সা-সুবিধাও থাকে। ২ নং চিত্ৰত ভাৰতৰ হোমিওপেথিক প্ৰতিষ্ঠানৰ পদ্ধতিগত পৰিচয় ডাঙি ধৰা হৈছে।

**পৰিসৰ আৰু সুবিধা**


ব্যৱহাৰ কৰোতাসকলে হোমিওপেথিৰ অন্তৰ্নিহিত গুণাৱলীৰ বাবে আকৰ্ষিত হয়। কোনো পাৰ্শ্বক্ৰিয়া নোহোৱাকৈ তেওঁলোকে ইয়াৰ চিকিৎসা গ্ৰহণ কৰিব পাৰে। ঔষধপাতিসমূহ সহজ প্ৰক্ৰিয়াৰ, সহজতে ব্যৱহাৰ কৰিব পাৰি, অধিক দামৰ নহয় আৰু সেয়ে একেবাৰে দুখীয়াতকৈয়ো দুখীয়া লোকে ইয়াক লাভ কৰিব পাৰে।

মুঠ ৰোগীৰ অন্তঃ স্ৰোত

একেবাৰে কেঁচুৱাৰ পৰা অধিক বৃদ্ধ লোকক খাবলৈ দিব পাৰি। তদুপৰি সকলো হোমিওপেথিক ঔষধ প্ৰমাণিত অথবা মানৱ দেহত ব্যৱহাৰ কৰি সত্যাসত্য নিৰূপণ কৰা ঔষধ প্ৰয়োগ কৰাৰ আগতেই তেনে কাৰ্য সমাপন কৰা ; আৰু সেয়ে ই ক্লিনিকেল দিশৰ পিনৰ পৰা নিৰাপদ। প্ৰায়ভাগ হোমিওপেথিক ঔষধপাতি পেটেন্ট কৰা নহয়, কিয়নো সেইবোৰ গুৰিতেই সংৰক্ষিত কৰা হৈছে।


দিল্লী চৰকাৰৰ হোমিওপেথিক গোটলৈ পঠিওৱা ৰোগী বিষয়ক প্ৰতিবেদনৰ ওপৰত কৰা এটা অধ্যয়নত বেচ মন কৰিবলগীয়া বিষয় প্ৰতিফলিত

অধ্যয়নত প্ৰকাশ পায় যে হোমিওপেথি ঘাইকৈ শ্বাস-প্ৰশ্বাস, চৰ্ম, সংক্ৰমণ, হজম শক্তিৰ ব্যাঘাত আদিত সমস্যাত ভোগ সকলৰ মাজত জনপ্ৰিয় । মহিলাসকলো ব্যতিক্ৰম নহয়। এনে ধৰণৰ ৰোগীক অতি সঘনেই চিকিৎসাৰ বাবে হোমিওপেথিক ক্লিনিকলৈ অনা হয়। আন এটা মন কৰিব লগা বিষয় হ'ল মহিলা আৰু ল'ৰা-ছোৱালীয়ে হোমিওপেথি ঔষধ সাধাৰণতে ব্যৱহাৰ কৰে (৪ নং চিত্ৰত দৃষ্টব্য) ।





৩ নং চিত্ৰ

**ৰাজ্য সমূহত হোমিওপেথিক প্ৰতিষ্ঠান**




২ নং চিত্ৰ

এটা অধ্যয়নৰ পৰা এইটো প্ৰাপ্ত কৰা হয় যে এখন হোমিওপেথিক ক্লিনিকত এজন ৰোগীৰ খৰচ হয় বায়'মেডিচিন প্ৰতিস্থানত হোৱা খৰচৰ ১/৫ অংশ। হোমিওপেথিক ঔষধ সহজে জিভাই গ্ৰহণ কৰিব পাৰে কাৰণে সকলো বয়সৰ ৰোগী — হয়। সেই প্ৰতিবেদনৰ তথ্যসমূহ আছিল দশকজোৰা (২০০১-২০১১)। বিশ্লেষণত হোমিওপেথিৰ জনপ্ৰিয়তা ক্ৰমান্বয়ে বৃদ্ধি পোৱাটো পৰিলক্ষিত হৈছে। এটা দশকত ৰোগীৰ অন্তঃস্ৰোত হ'ল ৫৮ শতাংশ (৩ নং চিত্ৰত দ্ৰষ্টব্য)।




আন এটা অধ্যায়নৰ পৰা জনা যায় যে প্ৰায়ভাগ হোমিওপেথিক ৰোগী ২৫-৪৪ বছৰ বয়সৰ আৰু গড় হিচাপে তেওঁলোকৰ উপাৰ্জন বুজন বিধৰ, অধিক শিক্ষিত আৰু সেয়ে তেওঁলোকে চিকিৎসাৰ উপায় ৰূপে হোমিওপেথিক চিকিৎসাকেই বাছি লোৱাৰ সামৰ্থ্য আছে।

সি যি কি নহওক, সকলো ঔষধ পদ্ধতিৰেই কিছু সীমাবদ্ধতা আছে। হোমিওপেথিও তাৰ ব্যতিক্ৰম নহয়।

জৰুৰীকালীন অৱস্থাত ইয়াৰ পৰিসৰ সীমাবদ্ধ। তেনেদৰে সীমাবদ্ধতা আছে জৈৱিক বিষয়ৰ পৰিবৰ্ত্তনৰ চূড়ান্ত অৱস্থাত, ঔষধৰ অপপ্ৰয়োগৰ কাৰণে সৃষ্টি হোৱা কৃত্ৰিম ক্ৰনিক ৰোগ, এজন ৰোগীৰ এটা গুৰুত্বপূৰ্ণ অঙ্গৰ অভাৱ হোৱাৰ ক্ষেত্ৰত কিম্বা তেনে অঙ্গৰ কাম-কাজ নিষ্ক্ৰিয় হৈ পৰিলে আৰু শল্য চিকিৎসা নকৰিলে নহয় তেনে অৱস্থাত। ইয়াৰ বাদেও এজন ব্যক্তিৰ প্ৰতিৰোধক পদ্ধতি অৰ্থাৎ নিজকে ৰক্ষা কৰা শক্তিয়ে কাম কৰিবলৈ এৰি দিলে আৰু সেইটো পুনৰুদ্ধাৰ কৰাৰ ক্ষমতা দেহত নেথাকিলে হোমিওপেথিৰ নিয়ন্ত্ৰণ কৰিব পৰা পৰিসৰ সীমাবদ্ধ। তেনে ৰোগ হ'ল — এইচ আই ভি, কৰ্কট ইত্যাদি।

ইয়াৰ উপৰি ওপৰা-উপৰিকৈ খোৱা ঔষধৰ ক্ষেত্ৰত নিশ্চিত সুফল পোৱাৰ অনিশ্চয়তা থাকে। এজন চিকিৎসকে নিজ পদ্ধতিৰ ঔষধৰ পৰিবৰ্ত্তে অথবা তাৰ ওপৰঞ্চি অন্য চিকিৎসা পদ্ধতিৰ ঔষধ খাবলৈ অনুমোদন জনালে ইয়াৰ পৰা ইতিবাচক কিম্বা নেতিবাচক ফল পোৱাৰ সম্ভাৱনা থাকে। আনহাতে যদি ষ্টেণ্ডাৰ্ড বায়'মেডিচিনৰ এজন চিকিৎসকে হোমিওপেথিক ঔষধ খাবলৈ অনুমোদন জনায় তেনেহলে ই হোমিওপেথিক পদ্ধতিৰ ঔষধকহে উৎসাহিত কৰে আৰু তাৰ ফলত সেই পদ্ধতিৰ প্ৰতি কিছু স্তৰৰ বৈশিষ্ট্য প্ৰদান কৰে। পিছে আনহাতে সেই ৰোগীৰ কাৰণে উপযুক্ত ঔষধ খাবলৈ অনুমোদন জনোৱাৰ সুবিধা কাঢ়ি লয় ; কিয়নো এজন প্ৰশিক্ষিত হোমিওপেথিক চিকিৎসকে বিষয়টোৰ ওপৰত থকা দক্ষতাৰ ভিত্তিত তেনে কৰিব পাৰিলেহেতেঁন। গতিকে দেখা যায় যে সচৰাচৰ চিকিৎসা কৰি থকা চিকিৎসকে নিজ বৃত্তি অতিক্ৰম কৰি এনেধৰণৰ (ওপৰ-উপৰি) প্ৰেছক্ৰাইব অৰ্থাৎ ঔষধ খাবলৈ অনুমোদন জনোৱাটো অস্বাভাৱিক ঘটনা নহয়। কিন্তু ইয়াৰ বিপৰীতে তেনে অতিক্ৰম কৰা অভ্যাস হোমিওপেথিক চিকিৎসকসকলৰ নথকা নহয়। তেওঁলোকে সচৰাচৰ প্ৰচলিত ঔষধ চৰম পৰ্যায়ৰ ক্ষেত্ৰত অথবা জৰুৰীকালীন অৱস্থাত খাবলৈ অনুমোদন জনায়। এনেবোৰ ক্ষেত্ৰত অনুপযুক্ততাৰ বিষয়টো একে ধৰণৰ হৈ থাকে আৰু ইয়াক সেয়ে যিমান দূৰ সম্ভৱ এৰাই চলা উচিত।

**হোমিওপেথিক গৱেষণা**

গৱেষণা হ'ল চিকিৎসা পদ্ধতিৰ এটা অনবদ্য অঙ্গ। তাৰ কাৰণ হ'ল এনে গৱেষণা কাৰ্যই পদ্ধতিটোৰ বিভিন্ন দিশ উন্মোচন কৰে আৰু বিজ্ঞানৰ ন ন বিষয়বোৰ বুজি উঠাত সহায় কৰে। নেন'টেকন'লজিৰ আগমণৰ লগে লগে তথা প্ৰয়োগশালাৰ গৱেষণা শৈলীকো অতিক্ৰম কৰিহোমিওপেথিক ঔষধপাতিৰ ইতিবাচক প্ৰভাৱক প্ৰমাণিত কৰিবৰ বাবে ই সম্ভৱ কৰি তুলিছে। মূল বিষয়, প্ৰি-ক্লিনিকেল আৰু ক্লিনিকেল পদ্ধতিৰ বিভিন্ন ক্ষেত্ৰক জানি উঠাটো সহায় কৰিছে।

কেইবছমানৰ আগতে হোমিওপেথি সন্দৰ্ভত গৱেষণা কৰা হয়। ইয়াৰ উদ্দেশ্য আছিল বিভিন্ন উপায়েৰে গ্ৰহণ কৰা চিকিৎসা যতন ব্যৱস্থাত হোমিওপেথিৰ নিৰ্ভৰযোগ্যতা কিমান। তাৰ ভিতৰত প্ৰধান বিষয়টো আছিল ক্লিনিকেল গবেষণা। সেই অনুযায়ী ১৯৭৫ চনৰ পৰা ২০০২ চনৰ ভিতৰত যুগুতোৱা প্ৰতিবেদনৰ ওপৰত ক্লিনিকেল পৰীক্ষাৰ যি পৰ্যালোচনা কৰা হৈছিল তাত প্লেচবো' বা অন্যান্য চিকিৎসাৰ স'তে হোমিও-পেথিক তুলনা কৰি ৯৩ টা অধ্যয়ন কৰা হৈছিল। এই অধ্যয়নৰ ভিতৰত ৫০ টাত হোমিওপেথিৰ ইতিবাচক প্ৰভাৱ পোৱা যায়। Randomised Control Trials ৰ সাক্ষ্যত পোৱা যায় যে বিভিন্ন ক্লিনিকেল পৰিস্থিতিত (ক্লিনিকেল কন্দিচন) হোমিওপেথিক চিকিৎসাই কাম কৰে। সেয়া বিভিন্ন চৰ্ম তথা শ্বাস-প্ৰশ্বাসজনিত এলাৰ্জীৰ পৰা বহু মহিলা আৰু ল'ৰা- ছোৱালীৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ফলদায়ক।


তথাপি নিয়ন্ত্ৰিত পৰীক্ষাৰ পৰা প্ৰাপ্ত তথ্যসমূহে হোমিওপেথিক ঔষধৰ কাৰ্যকাৰিতাৰ প্ৰকৃত ছবিখন প্ৰতিফলিত কৰা নাই যেন লাগে। সচৰাচৰ অধ্যয়নৰ বাবে বহুলভাবে এই আকাৰক সন্মান জনালেও নীতি নিয়ম ৰহিত নিয়ন্ত্ৰিত পৰীক্ষাই নিশ্চয়কৈ ফলাফল প্ৰদান কৰা হোমিওপেথি চিকিৎসাক সামৰি লোৱা নাই। এই ফলাফল উৎসাহজনকেই নহয়, লক্ষণীয়ভাৱে গুৰুত্বপূৰ্ণ আৰু এনে চিকিৎসা ৰোগীৰ নিৰাময়ৰ ক্ষেত্ৰত অধিক উন্মেষ সাধন কাৰক। হোমিওপেথি এটা নিভাঁজ ঔষধ হোৱা হেতুকে ই স্বয়ং বিধিবদ্ধ কৰা প্ৰক্ৰিয়াৰ ওপৰত নিৰ্ভৰ কৰে আৰু এই প্ৰক্ৰিয়া হ'ল কেৱল মাত্ৰ এজন ব্যক্তিৰ ক্ষেত্ৰত প্ৰতিৰক্ষামূলক ব্যৱস্থা — যি ৰোগ দূৰ কাৰিবৰ কাৰণে প্ৰয়োজনীয় শক্তিক উজ্জীৱিত কৰি তোলে।

ক্লিনিকেল ফলাফলৰ হোমিওপেথিক অস্তিত্ব বা বিশেষত্বক ধৰি ৰখাৰ 'নীতি-নিয়ম ৰহিত নিয়ন্ত্ৰিত পৰীক্ষা' তথা অন্যান্য পথ সেই বাবেই পোষণ কৰিবলৈ লোৱা হৈছে আৰু ইয়াৰ প্ৰাৰম্ভিক ফল বেছ উৎসাহমূলক । এনে এটা আৰ্হি হ'ল পূৰ্বলক্ষণ গৱেষণা। ই প্ৰভাৱিত সংস্কাৰ সাধন গতিক অধ্যয়ন কৰে অৰ্থাৎ যি বিভিন্ন ফলাফল উদ্ৰেক হয় তাক চিকিৎসাৰ বাবে প্ৰভাৱ বিস্তাৰ কৰিবলৈ লয়। প্ৰচলিত চিকিৎসাৰ দৰেই পূৰ্বলক্ষণ গৱেষণা অধিক গুৰুত্বপূৰ্ণ বিষয় হৈ পৰিছে। ফাৰ্মাক'জিন'মিক্ছৰ আৰ্বিভাৱৰ লগে লগে এই ধৰণৰ গৱেষণা ঔষধপাতিৰ ক্ষেত্ৰত বৰ্দ্ধিতভাৱে গুৰুত্বপূৰ্ণ হৈছে। ঔষধ কেৱল ইঙ্গিতৰ ক্ষেত্ৰতেই ৰজিতা খোৱা হ'ব নেলাগে,তাৰ উপৰি ই ব্যক্তিগৰাকীৰ ক্ষেত্ৰতো ৰোগ নিৰাময়ৰ

বাবে খাপ খাই পৰিব লাগে। ব্যক্তিগত দিশ সামৰি লোৱা ঔষধৰ এই সূত্ৰ হোমিওপেথিক চিকিৎসা দৰ্শনৰ মূল বিষয় হৈ আছে। পূৰ্বলক্ষণ গৱেষণা ৰোগ চিনাক্ত কৰণ গৱেষণাৰ লগত মিলে; বহু লক্ষণ আৰু ব্যক্তিগত বৈশিষ্ট্য এটা নিৰ্দিষ্ট ঔষধে যে কাম কৰিব সেই সম্ভাৱনীয়তাক বৃদ্ধি কিম্বা হ্ৰাস কৰে। এটা নিৰ্দিষ্ট ৰূপত তাৰ কাৰ্যকাৰিতাৰ দিশটো প্ৰকট নহ'বও পাৰে। সেয়ে এটা লক্ষণ বা বৈশিষ্ট্যতকৈ অধিক বিশ্লেষণৰ ওপৰত ই বিশ্বাসী আৰু তাৰদ্বাৰাই এই পদ্ধতিটোৰে সফলকাম হ'বলৈ বিচাৰে । বায়েছ থিয়'ৰিৰ দৰে ভাৱধাৰাৰ প্ৰয়োগত ই আগ্ৰহী।

আন এটা শ্ৰেণীৰ গৱেষণা হ'ল মূল গৱেষণা — যি হোমিওপেথিৰ বহু জটিল প্ৰশ্নৰ ক্ষেত্ৰত অনুসন্ধান কৰে। উদাহৰণ স্বৰূপে হোমিওপেথিক ঔষধপাতিৰ মূল পদাৰ্থৰাজিৰ নিৰাময় ক্ষমতা কিমান তাক ঠাৱৰ কৰিবলৈ চায়— লাগিলে সেয়া মানৱৰ ক্ষেত্ৰতেই হওক, কিম্বা জন্তুৰ ক্ষেত্ৰতেই হওক অথবা বৃক্ষৰ সন্দৰ্ভতেই হওক। যিবোৰ উত্তৰ পোৱা যায় তাৰ যুক্তিযুক্ততা কিমান আৰু যুক্তিৰ উৰ্দ্ধত নিৰূপণ কৰা সিদ্ধান্তহে গ্ৰহণযোগ্য হয়। এটা সফল মূল গৱেষণাৰ ধৰণ-কৰণৰ বাবে এটা মান প্ৰদান কৰিবলৈ সমৰ্থবান হয়। মুঠৰ ওপৰত ঘাই বা মূল গৱেষণাই অন্যান্য গৱেষণাৰ বাবে লক্ষ্য নিৰূপণ কৰিব পাৰে। সেই কাৰণে এনেবোৰ গৱেষণা নিৰ্ভুল হ'ব লাগিব আৰু ইয়াৰ নিৰূপিত দিশবোৰো পোনপটীয়া হ'ব লাগিব।

''হোমিওপেথি'' আলোচনী খনত ২০০৯ আৰু ২০১০ চনৰ দুটা বিশেষ সংখ্যাত হোমিওপেথি বিষয়ক “বায়'ল'জিকেল মডেল” প্ৰকাশ পাইছিল আৰু সামৰণিত এইদৰে কোৱা হৈছিল — “ মুঠৰ ওপৰত এই ক্ষেত্ৰখন উত্তেজক আৰু গতিশীল । হোমিওপেথিৰ প্ৰাসঙ্গিকতাৰ বহুল পৰিসৰ আছে। গুণগত দিশ তথা ইতিবাচক দিশসমূহ উৎসাহজনক।”




**৫ নং চিত্ৰ**

আন এটা উল্লেখনীয় বিষয় হ'ল পৰিসংখ্যা বিষয়ক বিস্তৃত নথি '' হমব্ৰেক্স''ত বিশ্বব্যাপী হাতত লোৱা হোমিওপেথিৰ মূল গৱেষণাৰ হিচাপ ৰখা হৈছে আৰু সেইফালৰ পৰা ভাৰত হ'ল মূল গৱেষণাৰ ক্ষেত্ৰত তৃতীয় সৰ্বাধিক অৰিহণা যোগাওঁতা দেশ। ভাৰতে এই ক্ষেত্ৰত ২৩৭ টা প্ৰকাশনৰ গুৰি ধৰে। বিগত দহ বছৰত ৮০ খন অধ্যয়ন পত্ৰ ইয়াত অন্তৰ্ভুক্ত হৈছে।

হোমিওপেথিৰ ক্ষেত্ৰত বৈশিষ্ট্যপূৰ্ণ গৱেষণা কাৰ্যৰ প্ৰতি দায়বদ্ধ 'চেন্ট্ৰেল কাউন্সিল ফৰ ৰিছাৰ্চ ইন হোমিওপেথি' প্ৰতিস্থানে হোমিওপেথিৰ বিষয়ে বৈজ্ঞানিক গৱেষণা আৰু বিকাশৰ কাম হাতত লৈছে। এই প্ৰতিস্থানটো হ'ল ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰালয়ৰ অধীনস্থ এটা স্বায়ত্তশাসিত সংগঠন। ১৯৭৮ চনত ইয়াক প্ৰতিস্থা কৰা হয়। আৰম্ভণিৰ পৰাই পৰিষদে গৱেষণাৰ কাম-কাজৰ শ্ৰেষ্ঠখিনি উদ্ভাৱন কৰিবলৈ ন্যস্ত হৈ আছে। দেশত ইয়াৰ ২৯ টা গোটৰ শক্তিশালী নেটৱৰ্ক আছে। এই পৰিষদৰ প্ৰধান কাৰ্যলয় নতুন দিল্লীত আছে।

**কাউন্সিলৰ নেটৱৰ্ক**



**কাউন্সিলৰ প্ৰধান কাৰ্যালয়**

চেন্ট্ৰেল ৰিচাৰ্চ ই'নষ্টিটিউট নইডা, উত্তৰ প্ৰদেশ আৰু কোট্টায়ম, কেৰালা

**আন কাৰ্যালয়**

—ৰিজিয়নেল ৰিছাৰ্চ ইনষ্টিটিউট
— হোমিওপেথিক ড্ৰাগ ৰিচাৰ্চইনষ্টিটিউট
— ক্লিনিকেল ৰিচাৰ্চইউনিট (০১)
— ড্ৰাগ ষ্টেণ্ডাৰ্ডৰ দাইজেশ্বন ইউনিট (০১)
— ক্লিনিকেল ভেৰিফিকেশ্বন ইউনিট (০১)
— ছাৰ্ভে অব মেডিছিনেল প্লেন্টছ এণ্ড কলেকচন ইউনিট (০১)

পৰিষদৰ ঘাই গুৰুত্ব পূৰ্ণ ক্ষেত্ৰৰ বিষয় হ'ল — জৰীপ, সংগ্ৰহ আৰু ঔষধজাতীয় বৃক্ষৰ খেতি, ড্ৰাগ ষ্টেণ্ডাৰ্ডদাইজেচন , ড্ৰাগ প্ৰভিং ,

ক্লিনিকেল ভেৰিফিকেশ্বন, ক্লিনিকেল ৰিছাৰ্চ, এ'পিডেমিক মেনেজমেন্ট, কলাবৰেটিভ এণ্ড ফাণ্ডামেন্টেল ৰিছাৰ্চ, এক্সট্ৰামুৰেল ৰিছাৰ্চ, ডকুমেন্টেছন এণ্ড ডিছেমিনচন। পৰিষদৰ কাম-কাজ বিভিন্ন আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় আলোচনী-বোৰত প্ৰকাশ পায়। সেই আলোচনীবোৰ বিখ্যাত আৰু জনপ্ৰিয়। পৰিষদৰ বিভিন্ন গৱেষণামূলক প্ৰচেষ্টাৰ কাম-কাজ ইয়াৰ চৰকাৰী ৱেবছাইট অন্‌লাইনত পোৱা যায়। ৱেবছাইট হ'ল — www.ccrhindia.org এক্সপ্ৰেছন অব ইনটাৰেষ্ট স্কীমৰ অধীনত পৰিষদে সহযোগাত্মক গৱেষণাৰ প্ৰস্তাৱো আহ্বান কৰে। ইয়াৰ বাহিৰেও পৰিষদে নিজাববীয়া গৱেষণা আলোচনী প্ৰকাশ কৰে। এই আলোচনীখন পাব পাৰে এই ৱেবচাইটত www.ijrh.org। ভাৰতত হোমিওপেথিকৰ গৱেষণাৰ বিষয়ে বিতং তথ্য আয়ুস মন্ত্ৰালয়ে এটা ড'ছিয়াৰত সন্নিৱিষ্ট কৰে। এয়া অনলাইন যোগে পোৱা যায়— http.// www.corhindia.org/Dossier/ index.html

অনেক ক্লিনিকেল অধ্যয়নৰ বহু উপৰিও পৰিষদে কলকাতাৰ বোস্ ইনষ্টিটিউটৰ সহযোগত উচ্চ খাপৰ গৱেষণাৰ কামো পৰিচালনা কৰে। কৰ্কটৰ বিষয়ে হোমিওপেথিকৰ প্ৰভাৱ সম্বন্ধে মনোনিবেশ কৰিছে। জাপানীজ এনকেচেলাইটিচৰ বিষয়েও কলকাতাৰ স্কুল অব ট্ৰপিকেল মেডিছিন আৰু আন কেবাটাও বিষয়ত বিভিন্ন প্ৰতিষ্ঠানৰ সতে গৱেষণাৰ কামত ব্যস্ত আছে। তেনে প্ৰতিস্থানৰ ভিতৰত উল্লেখযোগ্য হ'ল— মাদ্ৰাজৰ এ এল এম পোষ্ট গ্ৰেজুৱেট ইনষ্টিটিউট অব বেচিক মেডিকেল ছায়েন্সেছ, ইণ্ডিয়ান ইনষ্টিটিউট অব টেকন'ল'জী, দিল্লী।

গৱেষণাৰ ক্ষেত্ৰত বহু অগ্ৰগতি সাধন কৰিলেও হোমিওপেথিক গৱেষণা সন্দৰ্ভত বহু প্ৰত্যহ্বানৰ বিষয় আছে। ঔষধৰ নিৰাপত্তাৰ পৰা চাইক'-কেমিকেল পৰীক্ষা আৰু প্ৰি-ক্লিনিকেল স্তৰত ঔষধৰ স্থিতিক কেনেদৰে ৰাখিব লাগে সেই বিষয়ত অধ্যয়নৰ প্ৰয়োজন আছে। ব্যক্তিগত আৰু দলগত প্ৰয়োজন জৰিয়তে উত্তৰ প্ৰাপ্ত নোহোৱা বহু গৱেষণাৰ প্ৰশ্নবোৰ সঠিক সমাধানৰ বাবে সকলো ধৰণৰ প্ৰয়াস অব্যাহত আছে - যাতে হোমিওপেথিৰ গুৰুত্ব উপযুক্তভাবে নিৰ্ণিত ক্লিনিকেল মূল্যৰাজিৰ সমান হয়।

**সামৰণি**

মুঠৰ ওপৰত ক'বলৈ গ'লে হোমিওপেথিয়ে বিশ্বব্যাপী জনপ্ৰিয়তা লাভ কৰিবলৈ ধৰিছে আৰু বিশ্বৰ বিভিন্ন ভাগত ইয়াৰ স্থিতি পৰিবৰ্ত্তন হৈছে। বহু লোকে অৰ্হতাপূৰ্ণ হোমিওপেথিক চিকিৎসকৰ বাবে আশাৰে চায় - যাতে তেওঁলোকে জটিল ৰোগ আৰোগ্য কৰিব পাৰে। বড়িসমূহৰ আকাৰ যিমানেই সৰু হওক তাতকোনো কথা নাই। কথা হ'ল এইবোৰ বড়িয়ে আপোনাৰ দৈহিক পদ্ধতিত ইতিবাচক দিশৰ সূচনা কৰে। হোমিওপেথিক ঔষধে মানৱজাতিৰ প্ৰভূতভাবে উপকাৰ সাধি থাকিব আৰু নিৰাপদ তথা স্থায়ীভাবে স্বাস্থ্য অটুট ৰখাত নিশ্চয়তা প্ৰদান কৰিব।

সেয়েহে আপুনি যদি এতিয়াও ইয়াৰ সোৱাদ লাভ কৰিবলৈ বাকী আছে তেনেহ'লে তাৰ প্ৰতি ধাবমান হওক। এটা সু-সিদ্ধান্ত ল'বৰ কাৰণে বয়সৰ কোনো সীমা নাই। আপোনাৰ বয়স কিমান সেইটো প্ৰশ্নৰ বিষয় নহয় নতুবা অতীতৰ চিকিৎসা তথ্য কেনে সেইটোও বিবেচনাৰ বিষয় নহয়। প্ৰত্যেক ৰুগ্ন ব্যক্তিলৈকে হোমিওপেথিয়ে কিবা এটা উপহাৰ দিয়াৰ ক্ষমতা আছে। আজিয়েই আপুনি ওচৰতেথকা অহতাপূৰ্ণ হোমিওপেথিক চিকিৎসকৰ ওচৰলৈ যাওক আৰু তাৰ পাছত আপুনি সোনকালেই সেই সমাজৰ এটা অংশ হৈ পৰিব যি হোমিওপেথিকৰ কৃপাত হৃষ্ট-পুষ্ট হৈ আছে। কিম্বা আন কথাত ক'বলৈ স্বাভাৱিকভাবে নিৰোগী হৈ আছে।

**পয়োভৰা ৰাইজৰ আলোচনী—**

*নিজে পঢ়ক, আনকো পঢ়ুৱাওক—*

*দেশ গঢ়াত নিজৰ মতামত আগবঢ়াওক—*

# বিনিয়োগ আৰু বিকাশৰ বাবে সংস্কাৰ সাধনৰ প্ৰতি গুৰুত্ব

*** প্ৰভাকৰ চাহু**
*** অভিৰূপ ভুণিয়া**

২০১৪ চনৰ সাধাৰণ নিৰ্বাচনৰ আগে আগে বিগত কেইটামান বছৰত দেশত দেখা দিয়া অত্যধিক হাৰৰ মুদ্ৰাস্ফীতি, ক্ৰমাৎ হ্ৰাস পাই অহা উন্নয়নৰ গতি , বিনিয়োগকাৰীৰ আস্থাৰ অভাৱ আৰু বিভিন্ন খণ্ডত গ্ৰহণ কৰা আঁচনিৰ ক্ষেত্ৰত পৰিলক্ষিত হোৱা বিফলতাসমূহৰ বাবেই নতুন চৰকাৰখনৰ পৰা ভাৰতীয় উদ্যোগ খণ্ড , বিনিয়োগকাৰী আৰু সৰ্বসাধাৰণ নাগৰিকৰ আশাৰ পৰিমাণ বৃদ্ধি পাইছে। সকলো ক্ষেত্ৰৰ প্ৰতিজন লোকেই তেওঁলোকৰ নিজ নিজ কষ্টৰ উপশমৰ বাবে আৰু দেশৰ অৰ্থনীতিক সুপথে পৰিচালিত কৰাৰ বাবে নতুন চৰকাৰখনৰ ভূমিকালৈ আশাৰে বাট চাইছে। উৎপাদন খণ্ডৰ 'মেইক ইন ইণ্ডিয়া' প্ৰয়াসক সফল হৈ উঠাৰ বাবে সমৰ্থ কৰি তুলিব পৰাকৈ দেশলৈ বিনিয়োগক পুনৰুজ্জীৱিত কৰা, ব্যৱসায় বাণিজ্য সহজতৰ হৈ উঠাটো নিশ্চিত কৰা আৰু বিদেশী বিনিয়োগকাৰী সকলক আকৰ্ষণ কৰাৰ বাবে এই চৰকাৰে ভালেমান গুৰুত্বপূৰ্ণ পদক্ষেপ ইতিমধ্যে গ্ৰহণ কৰিছে। পাৰ হৈ যোৱা বছৰটো নিঃসন্দেহে সুশাসন আৰু বিকাশৰ এটা বছৰ হিচাপে বিবেচিত হোৱাৰ লগতে এই সময়খিনিত সাধন হোৱা উন্নয়নৰ ধাৰাও বহু পৰিমাণে গুৰুত্বপূৰ্ণ। পিচে শত কোটি লোকৰ সপোনে দিঠকৰ ৰূপ পাবলৈ এতিয়াও বহুখিনি বাকী আছে। নতুন চৰকাৰখনে বিগত এটা বছৰত লক্ষ্য হিচাপে নিৰ্ধাৰণ কৰা বিভিন্ন খণ্ডৰ নীতি আৰু এনেবোৰ বিষয়ত লাভ কৰা সফলতাৰ বিষয়ে ইয়াত উল্লেখ কৰা হ'ল।

**ব্যৱসায় -বাণিজ্যক সহজতৰ কৰি তোলা**

ভাৰতত ব্যৱসায় কৰাটো পূৰ্বতকৈ সহজ কৰি তোলাৰ বাবে চৰকাৰে কেইবাটাও পদক্ষেপ গ্ৰহণ কৰিছে। দেশ শাসন কৰাৰ বাবে বিজেপিয়ে বৃহৎ সংখ্যাগৰিষ্ঠতাৰে নিৰ্বাচনত জয়লাভ কৰাৰ সময়ত দেশত প্ৰায় ১৬ লাখ কোটি টকাৰ বিনিয়োগ একপ্ৰকাৰ স্তব্ধ হৈ পৰিছিল। পূৰ্বৰ বছৰবোৰত নীতি নিৰ্ধাৰণৰ ক্ষেত্ৰত দেখা দিয়া স্থবিৰতা আৰু প্ৰতিকূল কৰ আৰোপৰ নীতিয়ে বিনিয়োগকাৰী সকলক নিৰুৎসাহিত কৰিছিল। বৰ্তমানৰ চৰকাৰখনে নতুন আইন প্ৰণয়নৰ লগতেপুৰণি আইন কিছুমানৰ পৰিবৰ্তন সাধন কৰি, নতুন নিৰ্দেশনাৰ জৰিয়তে আৰু বাজেটত কিছুমান নতুন দিশ সামৰি লৈ এনেবোৰ সমস্যাৰ বেছিভাগকেই সমাধান কৰিলে। চৰকাৰী হিচাপ অনুসৰি ২০১৪-১৫ বিত্তীয় বছৰটোত মূলধন জমাৰ হাৰ ৪.১ শতাংশ বৃদ্ধি পালেও এই কথা দাবী কৰিব নোৱাৰি যে বিনিয়োগৰ ক্ষেত্ৰখনত কোনো নাটকীয় ধৰণৰ উৰ্ধমুখী গতি পৰিলক্ষিত হৈছে। ব্যৱসায়-বাণিজ্যক সহজতৰ কৰি তোলাৰ হকে গ্ৰহণ কৰা নিৰ্দিষ্ট নীতিসমূহৰ ভিতৰত আছে 'ভোডাফোন ইণ্ডিয়া'ৰ সৈতে চলি থকা কৰ বিষয়ক বিবাদটোৰ অৱসান ঘটোৱা (চাহু , ২০১৪ চি) আৰু ২০১৪ বৰ্ষৰ অন্তৰ্বৰ্তীকালীন বাজেটত অতীত দৰ্শনমূলক কৰ ব্যৱস্থাৰ সমাপ্তি ঘোষণা কৰা।

ভাৰতত ব্যৱসায় কৰাটো বৰ সহজ কৰা নহয় আৰু ২০১৪ বৰ্ষৰ গোলকীয় প্ৰতিযোগিতামূলক সূচাংকত মুঠ ১৬০ খন দেশৰ ভিতৰত ভাৰতৰ স্থান ১৪২ সংখ্যক হোৱাটোৱেই এই কথা প্ৰতিফলিত কৰে। ২০১৫-১৬ বৰ্ষৰ বাজেটত ভাৰতবৰ্ষত ব্যৱসায় কৰাটোক সহজসাধ্য কৰি তুলিব পৰাকৈ ভালেমান ব্যৱস্থাৰ প্ৰস্তাৱ কৰা হৈছে (চাহু, ২০১৪ এ; ২০১৪ বি)। সেইবোৰৰ ভিতৰত কেইটামান হ'ল ভিন ভিন ক্ষেত্ৰৰ পৰা আগতীয়া অনুমতি ল'বলগীয়া ব্যৱস্থাৰ অৱসান ঘটোৱাৰ উপায় উদ্ভাৱনৰ বাবে এখন বিশেষজ্ঞ সমিতি গঠন কৰা, সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি ) ৰ প্ৰতি দায়বদ্ধতা, সম্পত্তি কৰ ব্যৱস্থা প্ৰত্যাহাৰ, পৰৱৰ্তী চাৰি বছৰৰ ভিতৰত কৰ্প'ৰেট কৰৰ হাৰ বৰ্তমানৰ ৩০ শতাংশৰ পৰা ২৫ শতাংশলৈ হ্ৰাস কৰা, মুঠ ১৪ বিধ নিয়ামক অনুমতি প্ৰদানৰ ব্যৱস্থাক একে ঠাইত সামৰিব পৰাকৈ এটা 'ই-বিজনেছ প'ৰ্টেল' ৰ প্ৰৱৰ্তন , বিনিয়োগকাৰীৰ পক্ষে প্ৰত্যাৱৰ্তন সহজতৰ কৰি তুলিব পৰাকৈ দেউলীয়া আইন প্ৰৱৰ্তনৰ প্ৰস্তাৱ, বাণিজ্যিক বিবাদসমূহ শীঘ্ৰে নিষ্পত্তি কৰিব পৰাকৈ প্ৰতিখন আদালতত আচুতীয়া শাখা গঠন — যিবোৰ ব্যৱস্থাৰ জৰিয়তে দেশত ব্যৱসায় বাণিজ্যৰ পৰিৱেশ পূৰ্বতকৈ উন্নত কৰিবলৈ বিচৰা হৈছে। ২০১৬ চনৰ

* প্ৰভাকৰ চাহু ইনষ্টিটিউট অব ইকনমিক গ্ৰ'থ (আই ই জি) ,দিল্লী ৰ এগৰাকী সহযোগী অধ্যাপক আৰু অভিৰূপ ভুণিয়া 'ক'ণ এডভাইজৰী', দিল্লীৰ এগৰাকী নীতি বিশ্লেষক।

১ এপ্রিলৰ পৰা সামগ্রী আৰু সেৱা কৰ ব্যৱস্থা প্ৰৱৰ্ত্তন তথা সততে বিবাদৰ সৃষ্টি কৰি অহা কৰ্প'ৰেট সমূহলৈ আগবঢ়োৱা কৰ ৰেহাই ব্যৱস্থা প্রত্যাহাৰৰ প্রতিশ্রুতিয়ে অধিক স্বচ্ছ আৰু যুক্তিসংগত কৰ গাঁথনিৰ সম্ভাৱনা বহন কৰিছে। তদুপৰি প্রত্যক্ষ বিদেশী বিনিয়োগ আৰু বিদেশী দলিল বিনিয়োগৰ মাজৰ বৈষম্যৰ পৰা পৰিত্ৰাণ পোৱাৰ লগতে বজাৰ নিয়ামক ব্যৱস্থাৰ স্বাৰ্থত 'ফৰৱাৰ্ড মাৰ্কেট কমিছন'ৰ সৈতে 'ছিকিউৰিটি এণ্ড এক্সচেইন্‌জ ব'ৰ্ড অব ইণ্ডিয়া'ৰ একত্ৰিকৰণ কৰাৰ পদক্ষেপ ব্যৱসায় বাণিজ্যৰ বিষয়ত স্বচ্ছতাৰ সৃষ্টি আৰু প্ৰশাসন তথা নিয়ামক ব্যৱস্থাৰ জটিলতা হ্ৰাস কৰাৰ উদ্দেশ্যে গ্ৰহণ কৰা হৈছে (চাহু , ২০১৫ এ)। এনে প্রতিটো ব্যৱস্থাৰ অন্তৰ্নিহিত মূল উদ্দেশ্য হ'ল ৰঙা ফিটাৰ মেৰপেচ আৰু পদ্ধতিগত বিলম্ব হ্ৰাস কৰাৰ লগতে চুক্তি তথা চৰ্তসমূহ কাৰ্যকৰী কৰাটো বাধ্যতামূলক কৰাৰ প্ৰক্ৰিয়া উন্নত কৰা আৰু যি কোনো ধৰণৰ বিবাদ শীঘ্ৰে নিষ্পত্তি কৰাৰ পথ প্ৰশস্ত কৰা।

বাণিজ্যৰ অনুকূল সংস্কাৰৰ দিশত এটা মাইলৰ খুঁটি হিচাপে বিবেচিত হোৱা সামগ্ৰী আৰু সেৱা কৰ (জি এছ টি) কাৰ্যকাৰী কৰাৰ প্ৰতিশ্ৰুতিও কেন্দ্ৰীয় বিত্ত মন্ত্ৰীগৰাকীয়ে পুনৰ উল্লেখ কৰে। জি এছ টি ৰূপায়ণৰ বাবে সংসদৰ উভয় সদনৰ লগতে গৰিষ্ঠ সংখ্যক ৰাজ্য বিধানসভাৰো সমৰ্থন আদায়ৰ জৰিয়তে সংবিধান সংশোধন কৰাটো আৱশ্যকীয় হ'ব। কেন্দ্ৰীয় চৰকাৰে সময়ে সময়ে ৰাজ্যসমূহৰ উদ্বেগৰ বিষয়বোৰৰ প্ৰতি গুৰুত্ব আৰোপ কৰাৰ লগতে বিৰোধী দলসমূহলৈ শান্তিৰ প্ৰস্তাৱ আগবঢ়াই আৰু ৰাজ্য চৰকাৰ তথা বিৰোধী দলসমূহক ভিন ভিন সময়ত পৰিষদ আদিত অন্তৰ্ভুক্ত কৰি বিষয়টোৰ প্ৰতি নিজৰ দায়বদ্ধতা প্ৰকাশ কৰি আহিছে। লোকসভাই চলিত বৰ্ষৰ ৬ মে'ত কিছু সংশোধনেৰে সামগ্ৰী আৰু সেৱা কৰ বিধেয়কখনত অনুমোদন জনায়। এই সামগ্ৰী আৰু সেৱা কৰ বিধেয়কে সামগ্ৰী আৰু সেৱাসমূহৰ ক্ষেত্ৰত নিৰ্মাণ , বিক্ৰী আৰু উপভোগৰ বিষয়ত সমহাৰৰ তথা সৰ্বাত্মক কৰৰ ব্যৱস্থা প্ৰৱৰ্তনৰ পোষকতা কৰে। সামগ্ৰী আৰু সেৱা কৰে কেন্দ্ৰ আৰু ৰাজ্য উভয় পৰ্যায়তে সম্প্ৰতি কাৰ্যকৰী হৈ থকা কিছুমান পৰোক্ষ কৰক শ্ৰেণীভুক্ত কৰিব। এনেবোৰ বিষয়ৰ ভিতৰত থাকিব সীমা শুল্ক , সেৱা কৰ, বিক্ৰী কৰ, মূল্য সংযোজিত কৰ, প্ৰৱেশ কৰ, বিলাস আৰু বিনোদন কৰ তথা বিভিন্ন চেছ আৰু সামগ্ৰী তথা সেৱাৰ সৈতে যুক্ত উপ কৰসমূহ সামগ্ৰী আৰু সেৱা কৰে কৰ সংগ্ৰহৰ প্ৰক্ৰিয়াক পূৰ্বতকৈ উন্নত কৰাৰ লগতে ইয়াৰ ভেটি তথা পৰিসৰ বঢ়োৱাৰ বিষয়তো অৰিহণা আগবঢ়াব পাৰিব। আনহাতে কৰ আৰোপৰ জটিল তথা বহুমুখী ব্যৱস্থাৰ ফলত দেখা দিয়া অনাকাংক্ষিত বিবাদ আৰু গোচৰসমূহৰ পথ প্ৰশস্ত কৰিব পৰা সুৰুঙাবোৰ নাইকীয়া কৰাৰ বিষয়তো এই সহায় কৰিব পাৰিব। সামগ্ৰী আৰু সেৱা কৰ ব্যৱস্থা আৰোপ কৰাৰ ফলত দেশৰ মুঠ ঘৰুৱা উৎপাদনৰ হাৰ ১ ৰ পৰা ২ শতাংশ পৰ্যন্ত বৃদ্ধি পাব বুলিও চৰকাৰে ধাৰণা কৰিছে। সম্প্ৰতি গৃহীত সংশোধনী সমূহৰ ভিতৰত আছে - ৰাজ্যসমূহলৈ পাঁচ বছৰৰ বাবে ক্ষতি পূৰণ আগবঢ়োৱা ব্যৱস্থা, আন্তঃৰাজ্যিক পৰ্যায়ত সামগ্ৰী পৰিবহনৰ ক্ষেত্ৰত অতিৰিক্ত ১ শতাংশ কৰ আৰোপ আৰু পেট্ৰ'লিয়ামজাত সামগ্ৰীসমূহক সাময়িকভাৱে সামগ্ৰী আৰু সেৱা কৰৰ আওতাৰ পৰা বাহিৰত ৰখাৰ লগতে সুৰাক ইয়াৰ আওতাৰ বাহিৰত ৰখাৰ লগতে সুৰাক ইয়াৰ আওতাৰ বাহিৰত ৰখা।

ভাৰতবৰ্ষত ব্যৱসায়-বাণিজ্যৰ ক্ষেত্ৰত সততে পৰিলক্ষিত হৈ অহা পদ্ধতিগত আৰু প্ৰশাসনিক বাধাসমূহৰ অধিকাংশই হয় ইতিমধ্যে আঁতৰ কৰা হৈছে অথবা আঁতৰ কৰাৰ প্ৰয়াস চলাই থকা হৈছে (চাহু , ২০১৪ বি)। ভাৰতত এই ক্ষেত্ৰত সাধাৰণতে ৰঙা ফিটাৰ মেৰ-পেচৰ প্ৰধান কাৰণ হিচাপে পৰিগণিত হৈ অহা নথিপত্ৰৰ সৈতে জৰিত জটিলতাসমূতো এনে বিষয়ৰ অন্তৰ্ভুক্ত হৈছে। ই-বিজ পোৰ্টেলটোৰ আৰম্ভণি হ'ল ই-প্ৰশাসসনৰ প্ৰয়াসৰ অন্তৰ্গত উন্নত মানৰ প্ৰযুক্তি। এই ই-বিজ পোৰ্টেলৰ জৰিয়তে ভাৰতবৰ্ষত ব্যৱসায় গঢ়ি তোলা আৰু চোৱা -চিতা কৰাৰ বাবে প্ৰয়োজনীয় তথ্যপাতি সম্পৰ্কীয় আনুষ্ঠানিকতাখিনি সম্পন্ন কৰাৰ বাবে সংশ্লিষ্ট প্ৰতিষ্ঠানসমূহক একক খিৰিকী ব্যৱস্থাৰ জৰিয়তে সহায় আগবঢ়াব পৰা যাব বুলি আশা কৰা হৈছে। সম্প্ৰতি অনলাইনত জি২ বি ই-বিজ পোৰ্টেলৰ জৰিয়তে এঘাৰ বিধ সেৱা সকলো সময়তে লাভ কৰিব পৰা হৈ আছে। কেন্দ্ৰীয় চৰকাৰৰ অধীনস্থ মুঠ ৯ টা বিভাগৰ ২৬ বিধ সেৱাক একেখন মঞ্চত সাঙুৰি লোৱাৰ বাবে চৰকাৰে লক্ষ্য নিৰ্ধাৰণ কৰিছে। ভাৰতবৰ্ষলৈ সামগ্ৰীৰ আমদানি - ৰপ্তানিৰ বাবে প্ৰয়োজন হোৱা নথি পত্ৰৰ সংখ্যা পূৰ্বৰ ১০ খনৰ পৰা সম্প্ৰতি তিনিখনলৈ হ্ৰাস কৰা হৈছে আৰু ইয়াৰ জৰিয়তে এই দেশত ব্যৱসায়ৰ ক্ষেত্ৰত অন্যতম অন্তৰায় হিচাপে চিহ্নিত হৈ অহা লেন-দেনৰ খৰছৰ পৰিমাণো উল্লেখনীয়-ভাৱে হ্ৰাস পাইছে। বৈদেশিক বিনিয়োগৰ অগ্ৰগতিৰ বিষয়টো চোৱা -চিতাৰ বাবে দায়িত্বপ্ৰাপ্ত পৰিষদখনৰ অনুমতি লাভৰ বাবে বিনিয়োজনৰ প্ৰস্তাৱৰ ক্ষেত্ৰত প্ৰয়োজন হোৱা পূৰ্বৰ ৯০ দিনৰ ঠাইত এতিয়া এই কাম ৩০ দিনতেই সম্পন্ন কৰিব পৰা যাব। ৰাজ্য চৰকাসমূহেও এই বিষয়ত নিজাববীয়াকৈ ব্যৱস্থা গ্ৰহণৰ পোষকতা কৰিছে। উদাহৰণ স্বৰূপে মহাৰাষ্ট্ৰত নতুন বিদ্যুৎ সংযোগৰ বাবে প্ৰয়োজন হোৱা সময় পূৰ্বৰ ৬৭ দিনৰ পৰা সম্প্ৰতি ২১ দিনলৈ হ্ৰাস কৰা হৈছে। একেদৰে এই কামৰ বাবে প্ৰয়োজন হোৱা আনুষ্ঠানিক

নথিৰ সংখ্যা বৰ্তমানৰ ৭ খনৰ পৰা ৩ খনলৈ হ্ৰাস পাইছে।

প্ৰশাসনৰ পৰিসৰ বৃদ্ধি কৰাৰ লগতে কামসমূহৰ জটিলতাৰ অৱসান ঘটোৱাৰ উদ্দেশ্যে চৰকাৰে নিয়ামক কৰ্তৃপক্ষ তথা কাৰ্য ৰূপায়ণকাৰী সংস্থা সমূহক একত্ৰিকৰণ তথা সৰলীকৰণ কৰাৰ প্ৰয়াসো আৰম্ভ কৰিছে। ফৰৱাৰ্ড মাৰ্কেটছ কমিছন ( এফ এম চি) আৰু ভাৰতীয় নিৰাপত্তা আৰু বিনিময় পৰিষদত একত্ৰিকৰণ কৰা তথা জটিল আৰু শ্ৰম আইনৰ সৈতে জড়িত ৪৪ খন ভিন ভিন আইনৰ জটিল দফাসমূহ ৫ টা কোডত অন্তৰ্ভুক্ত কৰাৰ প্ৰস্তাৱৰ নিচিনাকৈ পৰস্পৰৰ কাম-কাজৰ পৰিসৰক বাধাগ্ৰস্ত কৰা ভিন ভিন আইনক একেলগ কৰি সৰল কৰি তোলাৰ ব্যৱস্থাও এই প্ৰয়াসৰ অন্তৰ্ভুক্ত হৈছে। দেশত ব্যৱসায় বাণিজ্যৰ বিষয়টো সহজতৰ কৰি তোলাৰ ক্ষেত্ৰত উল্লেখনীয় বৰঙণি আগবঢ়োৱাৰ লগতে এই ব্যৱস্থাই সামগ্ৰিক বিষয়টোৰ ক্ষেত্ৰত উন্নতি সাধন কৰিব বুলি আশা কৰা হৈছে। ভাৰতবৰ্ষত সমূহীয়া নিৰ্মাণ খণ্ডৰ বাবে প্ৰয়োজনীয় বহু প্ৰত্যাশিত শ্ৰম আইন সংশোধনৰ বিষয়সমূহ অৱশেষত যোৱা বছৰ আৰম্ভ হ'ল। কেন্দ্ৰ আৰু ৰাজ্য উভয় পৰ্যায়তে প্ৰায় ২৫০ টা সুকীয়া বিষয়েৰে ব্যাপ্ত হৈ থকা শ্ৰমিক নীতিসমূহক সংশোধনৰ জৰিয়তে সৰল কৰি তোলাৰ যিকোনো প্ৰয়াসেই উদ্যোগ খণ্ডৰ বাবে অতিশয় আদৰণীয়। সংস্কাৰৰ দিশত ঘোষণা কৰা দুটা প্ৰধান ক্ষেত্ৰৰ নাম হ'ল সংহত শ্ৰম আৰু ঔদ্যোগিক পোৰ্টেল আৰু শ্ৰম পৰিদৰ্শন আঁচনি। ইয়াৰ বাবে প্ৰয়োজনীয় যোগ্যতা আৰু শ্ৰম পৰিদৰ্শনৰ স্বচ্ছ পদ্ধতিয়ে উদ্যোগসমূহৰ বাবে সঁকাহৰ সৃষ্টি কৰিব। শ্ৰমিক পৰিচয় সংখ্যা (এল আই এন) ব্যৱস্থাৰ প্ৰৱৰ্তন আৰু পৰিদৰ্শনৰ ব্যৱস্থাক এটা একীভূত পোৰ্টেলৰ অন্তৰ্গত কৰাৰ প্ৰক্ৰিয়াই শ্ৰম নীতি ৰূপায়ণৰ ক্ষেত্ৰখনলৈ স্বচ্ছতা অনাৰ বাবে বিশেষভাৱে বৰঙণি আগবঢ়াব পাৰিব বুলি আশা কৰা হৈছে। ন্যুনতম মজুৰিৰ পৰিমাণৰ চিলিঙৰ পৰিমাণ ৬৫০০ টকাৰ পৰা ১৫০০০ টকালৈ বৃদ্ধি কৰা আৰু প্ৰয়োজন থকা গোটসমূহলৈ কৰ্মচাৰী ভৱিষ্যনিধি আৰু পেঞ্চনৰ ব্যৱস্থাৰ সুবিধা আগবঢ়োৱাৰ বাবে প্ৰধানমন্ত্ৰীয়ে কৰা প্ৰয়াসো একোটা আদৰণীয় পদক্ষেপ।

ভাৰতৰ শ্ৰমৰ বজাৰখনত চলি থকা অসুবিধাসমূহ আঁতৰ কৰাৰ উদ্দেশ্যে দেশৰ শ্ৰমৰ বজাৰখনত সামগ্ৰিকভাৱে নিয়ন্ত্ৰণ কৰি ৰখা তিনিখন আইনৰ ক্ষেত্ৰত শেহতীয়াকৈ কিছুমান সংশোধনীৰ ব্যৱস্থা কৰা হৈছে। এই আইন কেইখন হ'ল ফেক্টৰী আইন (১৯৪৮), শ্ৰম নীতি আইন (১৯৮৮) আৰু শিক্ষা নবিচ আইন (১৯৬১)।এই কেউখন আইনৰে কিছুমান নিৰ্দিষ্ট দফাৰ সংশোধনৰ বিষয়ত ইতিমধ্যে কেন্দ্ৰীয় মন্ত্ৰী সভাই অনুমোদন জনাইছে আৰু এনে সংশোধনীসমূহ সংসদত উত্থাপনৰ বাবে সাজু হৈ উঠিছে। সংশ্লিষ্ট বিভিন্ন প্ৰতিষ্ঠানৰ প্ৰবন্ধক আৰু কৰ্মচাৰীসকলক ফেক্টৰী আইনৰ ৰূপায়ণৰ ক্ষেত্ৰত সুচলতা আগবঢ়াোৱাৰ বিষয়সমূহৰ ভিতৰত ৰাজহুৱা স্বাৰ্থ জৰিত কাম-কাজৰ ক্ষেত্ৰত অতিৰিক্ত শ্ৰমৰ সীমা কিছুমান ক্ষেত্ৰত বৰ্তমান ৫০ ঘন্টাৰ পৰা ১০০ ঘন্টালৈ আৰু আন কিছুমান ক্ষেত্ৰত ৭৫ ঘন্টাৰ পৰা ১২৫ ঘন্টালৈ বৃদ্ধি কৰাৰ প্ৰস্তাৱ আগবঢ়োৱা হৈছে। শ্ৰমিকসকলৰ নিৰাপত্তা আৰু কল্যাণৰ ব্যৱস্থা নৰখাকৈ এনেদৰে কামৰ সময় বৃদ্ধি কৰাৰ পৰিপ্ৰেক্ষিতত এই বিষয়টোক কোনো কোনো পক্ষই শ্ৰমিকৰ স্বাৰ্থ বিৰোধী বুলি অভিহিত কৰিছে। ইপিনে শ্ৰমিকক শোষণ কৰাটো প্ৰতিহত কৰিব পৰাকৈ আইন উলংঘনৰ ক্ষেত্ৰত জৰিমনাৰ পৰিমাণো পূৰ্বতকৈ বৃদ্ধি কৰা হৈছে। আনহাতে একোটা নিৰ্দিষ্ট কামৰ বাবে অধিক সময়ৰ প্ৰয়োজন হোৱা কম শ্ৰম উৎপাদনৰ ভাৰতীয় প্ৰেক্ষাপটত কামৰ সময় বৃদ্ধি কৰা বিষয়টোৱে বিশেষভাৱে প্ৰভাৱ পেলাব বুলিও প্ৰকাশ পাইছে। অৱশ্যে উন্নতমানৰ প্ৰত্যক্ষ বিনিয়োগ নিশ্চিত কৰাৰ বাবে উৎপাদনৰ আনুষংগিক বিষয়সমূহক গুৰুত্ব দিয়াৰ সমান্তৰালভাৱে শ্ৰমিকৰ শোধন প্ৰতিহত কৰাৰ স্বাৰ্থত কামৰ সৰ্বাধিক সময়ৰ সুৰক্ষা ব্যৱস্থা কঠোৰভাৱে মানি চলাটোও প্ৰয়োজনীয় হ'ব। অতিৰিক্ত ৰেহাই ব্যৱস্থাৰ অংশ হিচাপে নিৰ্দিষ্ট কিছুমান উদ্যোগৰ ক্ষেত্ৰত মহিলা শ্ৰমিকৰ অংশগ্ৰহণ বিষয়ত শিথিলতা আৰোপ কৰা হৈছে। (ভাৰতৰ প্ৰেক্ষাপটত এইটো উপকাৰী হ'ব) এই ক্ষেত্ৰত আন এটা গুৰুত্বপূৰ্ণ বিষয় হ'ল একোগৰাকী শ্ৰমিক অথবা কৰ্মচাৰীয়ে দৰমহাসহ ছুটী লাভৰ দৰে সুবিধাসমূহ পাবৰ বাবে যোগ্য হৈ উঠাৰ ক্ষেত্ৰত প্ৰয়োজনীয় কাম কৰা দিনৰ সংখ্যা বৰ্তমানৰ ২৪০ ৰ পৰা ৯০ লৈ হ্ৰাস কৰা হৈছে, যিটো নিঃসন্দেহে এটা শ্ৰমিক অনুকূল পদক্ষেপ হিচাপে বিবেচিত হৈছে। চাহু ২০১৪ বি, ২০১৪ ডি)।

শ্ৰম আইন ১৯৮৮ -ৰ সংশোধনীয়ে কোম্পানীসমূহক পূৰ্বৰ শ্ৰম আইনৰ গধুৰ বোজা ব'ব নলগাকৈয়ে অধিক সংখ্যক কৰ্মচাৰীক কামত নিয়োগ কৰাৰ সুবিধা আগবঢ়াব। কিয়নো এই সংশোধনীত ১২ ৰ পৰা ৪০ জনকৈ কৰ্মচাৰী থকা প্ৰতিষ্ঠানসমূহক শ্ৰম আইনৰ অধীনত বাধ্যতামূলকভাৱে নথি পত্ৰৰ যোগান ধৰিবলগীয়া আনুষ্ঠানিকতাৰ পৰা বিভিন্ন দিশৰ জৰিয়তে ৰেহাইৰ সুবিধা আগবঢ়াব। অতিশয় গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে বিবেচিত হোৱা এই সুবিধাই অপ্ৰয়োজনীয় পদ্ধতিগত বিলম্বৰ অৱসান ঘটাই ভাৰতত ব্যৱসায় কৰাৰ অসুবিধাসমূহ বহু পৰিমাণে হ্ৰাস কৰিব পাৰিব।

**আন্তঃগাঁথনি, উৎপাদন আৰু বিনিয়োগঃ**

ভাৰতীয় অৰ্থনীতিৰ বাবে

উৎপাদন খণ্ডৰ অগ্ৰগতি অতিশয় গুৰুত্বপূৰ্ণ বিষয়। প্ৰতি মাহতেই দেশৰ শ্ৰমিক তথা কৰ্মী বাহিনীৰ গোটৰ ভিতৰত প্ৰায় দহ লাখ লোক অন্তৰ্ভুক্ত হৈ আছে আৰু ২০১৩ বৰ্ষৰ হিচাপ অনুসৰি নিবনুৱাৰ সংখ্যা প্ৰায় তিনি দশমিক সাত শতাংশ বৃদ্ধি পাইছে। একে সময়তে শৈক্ষিক মান আৰু সাধাৰণ ব্যুৎপত্তিৰ ক্ষেত্ৰত চাহিদা অনুসৰি যোগান সন্তৰপৰ হৈ উঠা নাই। ইয়াৰ ফলস্বৰূপে কম ব্যুৎপত্তিগত উৎপাদনমূলক সংস্থাপনৰ ক্ষেত্ৰসমূহত নিয়োগৰ চাহিদাও বৃদ্ধি পাইছে। অৱশ্যে উৎপাদনখণ্ডলৈ আগবঢ়োৱা বৰঙণিৰ পৰিমাণ বিগত কেইবাটাও বছৰ ধৰি মুঠ ঘৰুৱা উৎপাদনৰ ১৫ শতাংশত স্থিৰ হৈ আছে। এন ডি এ চৰকাৰে এই সমস্যাটোক যথাৰ্থভাৱেই চিহ্নিত কৰিছে আৰু উৎপাদনখণ্ডটোক বিশেষ অগ্ৰাধিকাৰৰ বিষয় হিচাপে গ্ৰহণ কৰি কৰ্মক্ষেত্ৰত আগবাঢ়িছে। চৰকাৰৰ "মেইক্ ইন ইণ্ডিয়া" শীৰ্ষক প্ৰয়াসে সমগ্ৰ বিশ্বৰ সন্মুখত এই কথা ঘোষণা কৰিছে যে বিনিয়োগৰ বাবে ভাৰতবৰ্ষ বৰ্তমান অধিক উপযুক্ত দেশ আৰু আন্তঃগাঁথনিৰ উন্নয়নৰ বাবে আগবাঢ়ি আহিব খোজাসকলৰ ক্ষেত্ৰত নিয়ম-নীতিবোৰ পূৰ্বতকৈ সহজ কৰি তোলাৰ লগতে কাম কৰাৰ পদ্ধতিসমূহ সৰল কৰাৰ বাবে চৰকাৰে পাৰ্যমানে চেষ্টা কৰিছে। গোলকীয় পৰ্যায়ৰ উৎপাদনকাৰী প্ৰতিষ্ঠানসমূহৰ ভিতৰত আৰু বাহিৰত বহুলভাৱে প্ৰচাৰ কৰাৰ ব্যৱস্থা গ্ৰহণ কৰিছে এই ক্ষেত্ৰত বিশেষভাৱে গুৰুত্ব লাভ কৰা খণ্ডসমূহৰ ভিতৰত আছে — খনি, দূৰসংযোগ, বস্ত্ৰ উদ্যোগ, অট' ম'বাইল, জৈৱ প্ৰযুক্তি, ৰাসায়নিক সামগ্ৰী, নিৰ্মাণ প্ৰতিৰক্ষা, খাদ্য সংসাধন, চামৰা, ঔষধ আৰু ৰে'ল পথ। উল্লেখযোগ্য যে যোৱা ফেব্ৰুৱাৰী মাহলৈকে চৰকাৰে ২১ হাজাৰ কোটি টকাৰ প্ৰকল্প প্ৰস্তাৱ লাভ কৰিছে আৰু ইয়াৰ মাজৰ ৬ হাজাৰ কোটি টকাৰ প্ৰকল্প প্ৰস্তাৱলৈ ইতিমধ্যে অনুমোদন জনোৱা হৈছে।

তদুপৰি ব্যৱসায়-বাণিজ্যক সহজতৰ কৰি তোলা তথা আন্তঃগাঁথনিৰ উন্নয়ন সাধনৰ প্ৰতি চৰকাৰে অধিক পৰিমাণে গুৰুত্ব আৰোপ কৰিছে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ পাছৰে পৰা চৰকাৰখনে বিশেষকৈ সংযোগ ব্যৱস্থাৰ প্ৰতি দৃষ্টি আৰোপৰ জৰিয়তে আন্তঃগাঁথনিৰ বিষয়ত ব্যয় কৰাৰ বাবে বিস্তৃত আঁচনি গ্ৰহণ কৰিছে। এনে প্ৰচেষ্টাৰ ফলস্বৰূপে প্ৰস্তাৱিত প্ৰকল্পসমূহলৈ পাৰিপাৰ্শ্বিকতা বিষয়ৰ সেউজ সংকেত সময়মতে প্ৰদান কৰাৰ বিষয়টোক চৰকাৰে গুৰুত্ব সহকাৰে গ্ৰহণ কৰিছে।

ধাৰণাগত পৰিৱৰ্তনৰ বিষয়ত চৰকাৰে ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডৰ সহযোগিতা (পিপিপি ) আৰ্হিৰ প্ৰসংগত বিশেষভাৱে দায়বদ্ধতা গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। বিশেষকৈ পূৰ্বৰ কিছুমান ৰাজহুৱা-ব্যক্তিগত সহযোগিতাৰ অন্তৰ্গত প্ৰকল্পৰ কাম-কাজ বিভিন্ন কাৰণত বাধাগ্ৰস্ত হোৱা তথা এনে প্ৰকল্প সমূহ সততেই উৎপাদনহীন প্ৰকল্পলৈ পৰ্যবসিত হোৱা বাবে এনে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। উল্লেখযোগ্য যে নীতিৰ প্ৰেক্ষাপটত আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত সন্মুখীন হোৱা অসুবিধাসমূহৰ ভাগ ব্যক্তিগত খণ্ডই ল'বলৈ সমৰ্থ হোৱা নাছিল। অৰ্থনৈতিক সমীক্ষাত প্ৰকাশ পোৱা মতে ২০১৪ বৰ্ষৰ ডিচেম্বৰ মাহৰ শেষলৈ এনেদৰে বন্ধ হৈ পৰা প্ৰকল্প সংখ্যা ৮.৮ ট্ৰিলিয়নলৈ বৃদ্ধি পাইছিল, যিটো পৰিমাণ মুঠ ঘৰুৱা উৎপাদনৰ ৭ শতাংশ ।

অন্তৰ্বৰ্তীকালীন বাজেটত আন্তঃগাঁথনি খণ্ডৰ বাবে চৰকাৰৰ আৱণ্টিত পুঁজিৰ পৰিমাণ ৮.৬ শতাংশ বৃদ্ধি কৰি ২০১৩-১৪ বৰ্ষৰ ১,৬৬,৭৫৬ কোটি টকাৰ ঠাইত ১,৮১,১৩৪ কোটি টকা নিৰ্দ্ধাৰণ কৰা হয়। এই প্ৰকল্পসমূহ শক্তি, কয়লা, পথ, অসামৰিক বিমান পৰিবহণ, বন্দৰ আৰু ৰেল পথ সমূহক সামৰি ল'ব। ২০১৪-১৫ বৰ্ষৰ বাজেটত আন্তঃগাঁথনিৰ উন্নয়ন (ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণৰ জৰিয়তে পথ/ ঘাইপথৰ নিৰ্মাণ , বন্দৰ, স্মাৰ্ট চিটি আৰু বিমান বন্দৰৰ নিৰ্মাণ তথা উন্নয়ন) , বিনিয়োগ ক্ষেত্ৰৰ বাবে প্ৰয়োজনীয় আন্তঃগাঁথনি বিনিয়োগ ন্যাস আদিলৈ কৰ ৰেহাইৰ সুবিধা আগবঢ়োৱাৰ জৰিয়তে আন্তঃগাঁথনি খণ্ডৰ বাবে প্ৰয়োজন হোৱা পুঁজিৰ যোগান সহজলভ্য কৰি তুলিবলৈ বিচৰা হৈছে।

২০১৪-১৫ বৰ্ষৰ অন্তৰ্বৰ্তীকালীন বাজেটত ৰাষ্ট্ৰীয় ঘাইপথৰ উন্নয়নৰ বাবে প্ৰায় ৩৮,০০০ কোটি টকা আবন্টন দিয়াৰ লগতে 'প্ৰধান মন্ত্ৰী চড়ক'ৰ অধীনত পথ উন্নয়নৰ বাবে অতিৰিক্তভাৱে ১৪,৩৮৯ কোটি টকা আবন্টন দিয়া হয়। এই পুঁজি আবন্টনৰ উদ্দেশ্য হ'ল নগৰ - মহানগৰসমূহক ইখনৰ সৈতে সিখনৰ সংযোগ সুচল কৰি তোলা আৰু ৰাষ্ট্ৰীয় ঘাইপথৰ ৮,৫০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ পথ গাঁথনি মানসম্পন্ন কৰি তোলা , যি পথ অংশ দেশৰ যাতায়াতৰ ক্ষেত্ৰত প্ৰধান পথ হিচাপে বিবেচিত হৈ আহিছে। এইবোৰৰ উপৰিও চৰকাৰী আৰু ব্যক্তিগত সহযোগিতাৰ মাধ্যমেৰে ১০০ খন স্মাৰ্ট চিটি আৰু নতুন বিমানবন্দৰৰ উন্নতি সাধনৰ নামত ৭,০৬০ কোটি টকা, ১৬ টা নতুন বন্দৰ গঢ়ি তোলাৰ বাবে ১১,০০০ কোটি টকা আৰু এলাহাবাদ আৰু হালদিয়াৰ মাজত সংযোগ সাধন কৰি গংগা নদীত ৰূপায়ণ কৰিবলগীয়া 'জল মাৰ্গ বিকাশ' প্ৰকল্পৰ বাবে ৪,২০০ কোটি টকা আবন্টন কৰাটো এই বাজেটৰ আন কেইটামান ইতিবাচক দিশ। একেদৰে, চৰকাৰী-ব্যক্তিগত খণ্ডৰ সহযোগিতাৰে ১৫,০০০ কিলোমিটাৰ দৈৰ্ঘ্যৰ গেছ পাইপ লাইন স্থাপনৰ ঘোষণা , সৌৰ প্ৰকল্প

স্থাপনৰ বাবে ৫০০ কোটি টকা, দিল্লী মেট্ৰ'ৰ লেখিয়াকৈ ৰাজহুৱা -ব্যক্তিগত খণ্ডৰ সহযোগিতাৰ মাধ্যমেৰে দেশৰ আন আন মহানগৰীতো মেট্ৰ' ৰে'লৰ উন্নয়ন সাধন আৰু গ্ৰাম্য আন্তঃগাঁথনিৰ উন্নয়ন সাধনৰ নামত কৃষি আৰু গ্ৰাম্য উন্নয়নৰ ৰাষ্ট্ৰীয় বেংক — 'নাবাৰ্ড'ৰ বাবে আন ৫,০০০ কোটি টকাৰ আবণ্টনো বাজেটখনৰ আন কেইটামান উল্লেখনীয় দিশ হিচাপে বিবেচিত হৈছে। তদুপৰি এই বাজেটে বেংকসমূহক নগদ জমা ধনৰ অনুপাত আৰু বিধিসন্মত নগদ ধন অনুপাতৰ প্ৰসংগ অবিহনেই আন্তঃগাঁথনিৰ বাবে দীৰ্ঘকালীন বণ্ডৰ ব্যৱস্থা আগবঢ়াবলৈ বিত্ত যোগানৰ বাবে বেংকিং খণ্ডক উৎসাহিত কৰাৰ দিশত উদ্ভাৱনী পদক্ষেপ হিচাপে বিবেচিত হৈছে। পৰৱৰ্তী বছৰটোত, ২০১৫-১৬ বৰ্ষৰ বাজেটত চৰকাৰে আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত ধাৰ্য কৰা ব্যয়ৰ পৰিমাণ আৰু ৭০,০০০ কোটি টকা বৃদ্ধি কৰে। আনহাতে আন্তঃগাঁথনি-মূলক প্ৰকল্পসমূহলৈ পুঁজিৰ যোগানৰ ব্যৱস্থা কৰাৰ বাবে চৰকাৰে ৰাষ্ট্ৰীয় বিনিয়োগ আৰু আন্তঃগাঁথনি পুঁজি গঠন কৰাৰ লগতে আন্তঃগাঁথনি বণ্ড ব্যৱস্থাৰ বিষয়েও ঘোষণা কৰে। এই দিশৰ পৰা বাজেটত স্থান পোৱা এটি উল্লেখনীয় পদক্ষেপ হ'ল আবন্টন আৰু নীতি নিৰ্ধাৰণ — উভয় দিশৰ পৰাই আন্তঃগাঁথনি উন্নয়নৰ বিষয়ত দৃষ্টি নিবদ্ধ কৰা । এই সকলো ব্যৱস্থাৰেই অন্তৰ্নিহিত মূল উদ্দেশ্য হ'ল প্ৰতিদ্বন্দ্বিতাৰ মনোভাৱ বৃদ্ধি কৰা আৰু বিনিয়োগৰ বাবে অনুকূল পৰিবেশৰ জৰিয়তে বিনিয়োগকৰীক আকৰ্ষণ কৰা।

অতি ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহেই হ'ল ভাৰতবৰ্ষৰ নিৰ্মাণ খণ্ডৰ মেৰুদণ্ডস্বৰূপ। এনে প্ৰতিষ্ঠানসমূহে দেশৰ মুঠ উৎপাদনৰ ক্ষেত্ৰত ৪০ শতাংশ আৰু ৰপ্তানিৰ ক্ষেত্ৰত ৪০ শতাংশ বৰঙণি আগবঢ়ায়। নিৰ্মাণ খণ্ডৰ কৰ্ম সংস্থাপনৰ ক্ষেত্ৰতো এনে প্ৰতিষ্ঠানে উচ্চ হাৰৰ বৰঙণি আগবঢ়াই আহিছে। সমীক্ষাৰ জৰিয়তে প্ৰকাশ পোৱা মতে এনে অতি ক্ষুদ্ৰ আৰু মজলীয়া প্ৰতিষ্ঠানসমূহৰ প্ৰায় ১০ শতাংশইহে প্ৰতিষ্ঠানগত বিত্ত যোগানৰ সুবিধা লাভ কৰে। এনেদৰেই বেংকিং খণ্ডটো ভাৰতীয় ৰিজাৰ্ভ বেংকৰ অগ্ৰাধিকাৰৰ খণ্ডৰ অন্তৰ্ভুক্ত হৈ থকাৰ পাছতো এই খণ্ডটো প্ৰয়োজনীয় দায়িত্ব পালনৰ বাবে সমৰ্থ হৈ নুঠাৰ পৰিপ্ৰেক্ষিতত বজাৰ ব্যৱস্থাৰ জৰিয়তে ঋণ যোগানৰ বিষয়টোত গুৰুত্ব আৰোপ কৰাৰ ধাৰণা যুক্তিসংগত হৈ দেখা দিয়ে। বিত্ত যোগানকাৰী অতি ক্ষুদ্ৰ গোটৰ উন্নয়ন সাধনৰ বাবে পুনৰ বিত্ত যোগানৰ প্ৰতিষ্ঠান 'মুদ্ৰা' বেংক গঠনৰ প্ৰস্তাৱৰ জৰিয়তে অতি ক্ষুদ্ৰ বিত্ত যোগানৰ উদ্যোগৰ অতি ক্ষুদ্ৰ বিত্ত যোগানৰ উদ্যোগৰ আৰ্থিক অৱস্থা টনকীয়াল কৰাৰ সমান্তৰালভাৱে ঋণ গ্ৰহণৰ ব্যৱস্থাকো বহনক্ষম কৰি তুলিব পৰা যাব। ২০,০০০ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজি আৰু ৩,০০০ কোটি টকা ঋণ নিশ্চয়তা পুঁজিৰ ব্যৱস্থা সংলগ্ন কৰি স্থাপন কৰিবলগীয়া মুদ্ৰা বেংকৰ জৰিয়তে অনুসূচিত জাতি আৰু অনুসূচিত জনজাতিৰ লোকসকলক ঋণ প্ৰদান কৰাটোক অগ্ৰাধিকাৰ দিবলৈকো পৰামৰ্শ আগবঢ়োৱা হৈছে।

তদুপৰি , 'মেইক্ ইন ইণ্ডিয়া' প্ৰয়াসত সফলতা লাভৰ উদ্দেশ্যে বৰ্তমানৰ চৰকাৰে বিশেষ অৰ্থনৈতিক মণ্ডল (এছ ই জেড) সমূহ পুনৰ সবল কৰি তোলা, প্ৰত্যক্ষ বিদেশী বিনিয়োগক আকৰ্ষণ কৰা আৰু প্ৰতিৰক্ষাৰ দৰে গুৰুত্বপূৰ্ণ খণ্ডসমূহত সংস্কাৰ সাধনৰ পোষকতা কৰাৰ উদ্দেশ্যে ভালেমান পদক্ষেপ গ্ৰহণ কৰিছে। ২০১৫-১৬ বৰ্ষৰ বাজেটত বিশেষ অৰ্থনৈতিক মণ্ডলসমূহ পুনৰ সৱল কৰি তোলাৰ হকে প্ৰকল্প আৰু যান্ত্ৰিক শাখাত ২৫ কোটি টকাতকৈ অধিক পৰিমাণৰ ধন বিনিয়োগ কৰা নিৰ্মাতা প্ৰতিষ্ঠান সমূহলৈ ১৫ শতাংশ হাৰত তিনি বছৰৰ বাবে বিনিয়োগ ভাট্টা আগবঢ়োৱাকে ধৰি কেইবাটাও কাৰ্যকৰী পদক্ষেপ গ্ৰহণ কৰা হৈছে। এনে পদক্ষেপ সমূহৰ ভিতৰত দেশৰ এশখন জিলাত মহিলাৰ বাবে বিশেষ অৰ্থনৈতিক মণ্ডল ঘোষণা কৰাটোও অন্যতম।

ভাৰতবৰ্ষক এখন ব্যুৎপত্তিসম্পন্ন ৰাষ্ট্ৰ হিচাপে গঢ়ি তোলা আৰু দেশৰ যুৱ প্ৰজন্মৰ বাবে কৰ্ম সংস্থাপনৰ পৰিৱেশ উন্নত কৰাৰ বাবে চৰকাৰে গ্ৰহণ কৰা কাৰ্যসূচীত ৫ খন নতুন আই আই টি আৰু আন ৫ খন নতুন আই আই এম স্থাপনকে ধৰি সমগ্ৰ দেশতে উচ্চ শিক্ষাৰ বাবে অধিক সংখ্যক প্ৰতিষ্ঠান স্থাপনৰ বাবে গ্ৰহণ কৰা পদক্ষেপ স্পষ্ট ৰূপত প্ৰতিফলিত কৰিছে। ঔদ্যোগিক 'টায়াৰ টু' আৰু 'টায়াৰ থ্ৰি' পৰ্য্যায়ৰ মহানগৰী গঢ়ি তোলাৰ লগতে কৰ্ম সংস্থাপন সৃষ্টি আৰু নিৰ্মাণ খণ্ডৰ উন্নয়ন সাধনৰ উদ্দেশ্যে সামৰ্থ্য বৃদ্ধিৰ প্ৰতি চৰকাৰে অধিক পৰিমাণে মনোনিবেশ কৰিছে। এইবোৰৰ উপৰিও নতুন ব্যৱসায়ৰ বাবে ১০,০০০ কোটি টকাৰ আৰম্ভণি পুঁজি, গাঁৱৰ জনসাধাৰণৰ বাবে গ্ৰাম্য ঔদ্যোগিক প্ৰতিষ্ঠানৰ নামত ১০০ কোটি টকাৰ প্ৰাৰম্ভিক পুঁজি, অনুসূচিত জাতিৰ উদ্যোগী সকলৰ বাবে ২০০ কোটি টকাৰ পুঁজি আৰু যুৱ নেতা কাৰ্য্যসূচীৰ নামত ১০০ কোটি টকা বিনিয়োগৰ পদক্ষেপ উৎসাহজনক হিচাপে বিবেচিত হৈছে।

বীমা আৰু প্ৰতিৰক্ষাৰ বাবে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ পৰিমাণ ৪৯ শতাংশ বৃদ্ধি, পূৰ্বৰ নিৰ্দিষ্ট সময়ৰ পৰা কাৰ্য্যকৰী কৰা কৰ ব্যৱস্থাৰ প্ৰায় বিলুপ্তি সাধন, ই-বাণিজ্য, বীমা, প্ৰতিৰক্ষা আৰু স্বাস্থ্য বীমাৰ ক্ষেত্ৰত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ সীমা পূৰ্বতকৈ বৃদ্ধি কৰা আদিয়েও এফ ডি আইৰ পৰিমাণ বৃদ্ধিৰ বাবে বিদেশী বিনিয়োগকাৰী সকলক আকৰ্ষণ কৰাৰ উদ্দেশ্যে চৰকাৰে গ্ৰহণ

কৰা সংস্কাৰমূলক পদক্ষেপৰ গুৰুত্বকেই প্ৰতিফলিত কৰিছে। বিশেষকৈ নিয়োগ সৃষ্টিৰ বাবে প্ৰয়োজনীয় নিৰ্মাণ খণ্ডৰ ওপৰত নিৰ্ভৰশীল বিকাশৰ দিশৰ পৰা এনে পদক্ষেপ সমূহ গুৰুত্বপূৰ্ণ হিচাপে বিবেচিত হৈছে। প্ৰতিৰক্ষা খণ্ডত, প্ৰতিৰক্ষা মন্ত্ৰালয়ৰ সৈতে আলোচনাৰ মাধ্যমেৰে বাণিজ্য আৰু উদ্যোগ মন্ত্ৰালয়ে ইতিমধ্যে অন্যান্য চৰকাৰী সংস্থাসমূহৰ পৰা মতামত আহ্বান কৰি এটা কেবিনেট টোকা জাৰি কৰিছে। প্ৰতিৰক্ষা খণ্ডত প্ৰযুক্তি পৰিবৰ্তনৰ বাবে প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ উচ্চ সীমা পৰ্যায়ক্ৰমে ৪৯ শতাংশ, ৭৪ শতাংশ আৰু ১০০ শতাংশলৈ বৃদ্ধি কৰাৰ বাবে গ্ৰহণ কৰা সিদ্ধান্তও এটি আদৰণীয় পদক্ষেপ। প্ৰযুক্তি পৰিৱৰ্তনৰ কোনো ব্যৱস্থা নথকা বিনিয়োগৰ ক্ষেত্ৰত প্ৰত্যক্ষ বিদেশী বিনিয়োগৰ হাৰ ৪৯ শতাংশত সীমাবদ্ধ ৰখাৰ বিপৰীতে প্ৰযুক্তি পৰিৱৰ্তনৰ সৈতে জড়িত বিষয়ত এই হাৰ ৭৪ শতাংশ নিৰ্ধাৰণ কৰা হৈছে। আনহাতে অত্যাধুনিক প্ৰযুক্তিৰ প্ৰয়োগৰ ক্ষেত্ৰত বিনিয়োগৰ কোনো সীমাবদ্ধতা ৰখা হোৱা নাই। এই ব্যৱস্থা ভাৰতীয় প্ৰতিৰক্ষা উদ্যোগৰ আভ্যন্তৰীণ সামৰ্থ্য বৃদ্ধিৰ বাবে জটিল প্ৰযুক্তিসমূহৰ বিকাশ সাধন কৰাৰ লগতে যৌথ প্ৰয়াসৰ ব্যৱস্থাৰ অধীনত দেশত কৰ্ম সংস্থাপন বৃদ্ধিৰ বাবেও সহায়ক হ'ব।

**বিত্তীয় বিকেন্দ্ৰীককৰণ আৰু সহযোগিতামূলক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাঃ**

নৰেন্দ্ৰ মোদীৰ নেতৃত্বত দেশৰ শাসনভাৰ গ্ৰহণ কৰা নতুন চৰকাৰখনে সহযোগিতামূলক তথা প্ৰতিদ্বন্দ্বিতামূলক যুক্তৰাষ্ট্ৰীয় শাসন ব্যৱস্থাৰ প্ৰতি দায়বদ্ধতা প্ৰকাশ কৰা সময়তে চতুৰ্দশ বিত্ত আয়োগৰ পৰামৰ্শাৱলী প্ৰকাশ পাইছে। বৰ্ত্তমানৰ এই চৰকাৰখনে চতুৰ্দশ বিত্ত আয়োগে আগবঢ়োৱা পৰামৰ্শসমূহ গ্ৰহণ কৰিছে আৰু দেশত বিত্তীয় যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ এটা নতুন যুগৰ সূচনা ঘোষণা কৰিছে। কৰ ৰাজহ আবণ্টনৰ সুচল ব্যৱস্থাৰ লগতে স্থানীয় গোট তথা সংস্থাসমূহলৈ অনুদান আবণ্টন, ১১ খন ৰাজ্যৰ বাবে ৰাজহ ঘাটি পূৰণৰ উদ্দেশ্যে বিত্তীয় অনুদান আৰু কয়লাৰ নিলামৰ ক্ষেত্ৰত ৰাজ্যসমূহৰ অংশ ঘোষণা কৰা কাৰ্য্যই এই কথাকেই সূচায় যে পৰৱৰ্তী পৰ্য্যায়ত বিভিন্ন ৰাজ্যলৈ বিত্ত হস্তান্তৰৰ পৰিমাণ পূৰ্বৰ তুলনাত ব্যাপক হাৰত বৃদ্ধি পাব। একে সময়তে ইয়াৰ ফলত কেন্দ্ৰীয় চৰকাৰৰ বিত্তীয় সামৰ্থ্যৰ পৰিমাণ হ্ৰাস পাব আৰু ইয়েই ৰাজ্যসমূহৰ আভ্যন্তৰীণ বিষয়ৰ সৈতে জড়িত হোৱাৰ পৰা কেন্দ্ৰক আঁতৰাই ৰাখিব। অপৰিশোধেয় সম্পদৰ পৰিমাণ ব্যাপক হাৰত বৃদ্ধি হোৱাৰ ফলত ৰাজ্যসমূহে তেওঁলোকৰ নিৰ্দিষ্ট পৰিৱেশ আৰু সামৰ্থ্য অনুসাৰে নিজাববীয়াকৈ উন্নয়নমূলক আঁচনি তথা কাৰ্য্য ব্যৱস্থা গ্ৰহণ কৰাৰ বাবে বিত্তীয় স্বাধীনতা লাভ কৰিব্বলৈ সমৰ্থ হ'ব। অৱশ্যে ৰাজ্যসমূহে ব্যয় কৰিবলগীয়া ধনৰ ক্ষেত্ৰত ভিন ভিন ৰাজ্য প্ৰশাসনৰ মান তথা সামৰ্থ্যৰ মাজত ব্যাপক পৰিমাণৰ পাৰ্থক্য থকাটো অৱশ্যম্ভৱী হোৱাৰ পৰিপ্ৰেক্ষিতত উন্নয়নমূলক আঁচনি ৰূপায়ণৰ সময়ত পুঁজিৰ অপব্যৱহাৰ হ'ব পাৰে বুলিও বিভিন্ন মহলৰ ধাৰণা প্ৰকাশ পাইছে।

দৰাচলতে ২০১৪-১৫ বৰ্ষৰ বাজেটতো গাঁথনি পৰিৱৰ্তনৰ জৰিয়তে ৰাজ্যসমূহলৈ বৰ্ধিত পৰিমাণৰ বিত্তীয় স্বাধীনতাৰ ব্যৱস্থা কৰা হৈছিল। ২০১৩-১৪ বিত্তীয় বৰ্ষত ৰাজ্যসমূহে পৰিকল্পনা শিতানত, ৪,৭৫,৫৩২ কোটি টকাৰ মাজৰ পৰা ১,১৯,০৩৯ কোটি টকাৰ আবণ্টন লাভ কৰিছিল। আনহাতে ২০১৪-১৫ বৰ্ষৰ বাজেটত মুঠ পৰিকল্পনা ব্যয় শিতানৰ ৫,৭৫,০০০ কোটি টকাৰ পৰা ৰাজ্যসমূহে লাভ কৰা আবণ্টনৰ পৰিমাণ আছিল ৩,৩৮,৪০৮ কোটি টকা আৰু এই পৰিমাণ কেন্দ্ৰৰ পৰা ৰাজ্যসমূহলৈ হস্তান্তৰ হোৱা অতিৰিক্ত সম্পদৰ মুঠ ঘৰুৱা উৎপাদনৰ প্ৰায় ১.৬ শতাংশ সমান হিচাপে বিবেচিত হৈছে। শ্ৰম আৰু ভূমি সম্পৰ্কীয় ভালেমান গুৰুত্বপূৰ্ণ আইন কাৰ্য্যকৰী কৰা-নকৰাৰ বিষয়টো ৰাজ্য চৰকাৰসমূহৰ নিজা বিষয় হিচাপে এৰি দিয়া কাৰ্য্যকো সহযোগিতা-মূলক তথা প্ৰতিদ্বন্দ্বিতামূলক যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ প্ৰতি কেন্দ্ৰৰ দায়বদ্ধতাৰ পৰিচায়ক হিচাপে গণ্য কৰিব পাৰি। এনে পৰিস্থিতিত পুঁজি আবণ্টনৰ বৰ্ধিত পৰিমাণৰ ফলস্বৰূপে উপযুক্ত প্ৰতিষ্ঠান তথা সংস্থাৰে সমৃদ্ধ আৰু নিৰ্দিষ্ট লক্ষ্য আগত ৰাখি আগবঢ়া সু-প্ৰশাসন তথা চৰকাৰৰ অধিকাৰী একোখন ৰাজ্যই উল্লেখনীয়-ভাৱে অগ্ৰগতি লাভ কৰাৰ পূৰ্ণ সম্ভাৱনা আছে।

মুঠৰ ওপৰত শাসনভাৰ গ্ৰহণৰ প্ৰথমটো বছৰত চৰকাৰৰ অৰ্থনৈতিক নীতিসমূহ — সংস্কাৰ, আন্তঃগাঁথনি, কৰ্ম সংস্থাপন বৃদ্ধিৰ লক্ষ্যৰে গ্ৰহণ কৰা নিৰ্মাণ খণ্ডৰ বিকাশ সাধনৰ স্বাৰ্থত বিনিয়োগ বৃদ্ধিৰ পৰিৱেশ সৃষ্টি কৰাৰ বাবে ব্যৱসায়-বাণিজ্যক সহজতৰ কৰি তোলা আৰু সামগ্ৰিকভাৱে জীৱন ধাৰণৰ মান উন্নত কৰাৰ প্ৰতি বিশেষভাৱে লক্ষ্য ৰাখি গ্ৰহণ কৰা পৰিলক্ষিত হৈছে। এই কথা সঁচা যে এনে নীতিসমূহৰ ফলাফলৰ বিষয়ে ধাৰণা কৰাৰ বাবে এতিয়াও উপযুক্ত সময় উপস্থিত হোৱা নাই ; সেয়া হ'লেও ভাৰতীয় অৰ্থনীতিৰ ভৱিষ্যৎ উজ্জ্বল বুলি নিশ্চিতভাৱে আশা কৰিব পাৰি।

# অন্য এটা স্তৰলৈ শক্তিখণ্ডৰ উত্তৰণ

*** কে আৰ সুধামন**

শক্তিখণ্ডৰ উন্নয়নৰ ক্ষেত্ৰত ভাৰতে ইতিমধ্যে সুদীৰ্ঘ পৰিক্ৰমা সম্পূৰ্ণ কৰিছে। ১৯৪৭ চনত স্বাধীনতা লাভ কৰাৰ সময়ত ১৩৬২ মেগাৱাট পৰিমাণৰ শক্তি উৎপাদন কৰা দেশখনে ২,৬২,০০০ মেগাৱাট শক্তি বিদ্যুৎশক্তি উৎপাদনৰ ক্ষমতা অৰ্জন কৰিবলৈ সক্ষম হৈছে। আজিৰ তাৰিখত যদিও দেশৰ ৬০ শতাংশ শক্তিৰ উৎপাদন তাপ বিদ্যুৎ প্ৰকল্প বিশেষকৈ কয়লা আৰু সীমিত পৰিসৰত গেছ ভিত্তিক প্ৰকল্প সমূহৰদ্বাৰাই কৰি থকা হৈছে, তথাপি শেহতীয়া ভাৱে নবীকৰণ যোগ্য শক্তি উৎপাদনত অধিক গুৰুত্ব প্ৰদানৰ এটা নতুন প্ৰৱণতাই গা-কৰি উঠা পৰিলক্ষিত হৈছে। ১,৪৮,০০০ মেগাৱাট পৰিমাণৰ দেশৰ জলবিদ্যুৎ সম্ভাৱনীতাৰ ৭০ শতাংশই অনুৎপাদিত হৈ আছে। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনতে ৫০,০০০ মেগাৱাট পৰিমাণৰ জলবিদ্যুৎ সম্ভাৱনীয়তা আজিও কাগজ-কলমতে সীমাবদ্ধ ৰৈছে। ইফালে পাৰমাণৱিক শক্তি প্ৰকল্পৰ বিশাল সম্ভাৱনীয়তা আছে যদিও খণ্ডটোৱে পৰিৱেশ-সম্পৰ্কীয় অনুমোদনৰ বাবে যুঁজি থাকিবলগীয়া হৈছে। অৱশ্যে ইয়াৰ মাজতো দেশত পাৰমাণিক শক্তি প্ৰকল্পৰ জৰিয়তে ৬০০০ মেগাৱাট পৰিমাণৰ বিদ্যু শক্তিৰ উৎপাদন কৰি থকা হৈছে আৰু ২০৩১ চনৰ ভিতৰত এই পৰিমাণ ৬৩,০০০ মেগাৱাটলৈ বৃদ্ধিৰ প্ৰস্তুতি গ্ৰহণ কৰা হৈছে। ২০০৯ চনত আমেৰিকা যুক্তৰাষ্ট্ৰৰ সৈতে স্বাক্ষৰিত অসামৰিক পৰিমাণৱিক চুক্তিৰ আধাৰত দেশত এতিয়া ১০০০ মেগাৱাতকৈয়ো অধিক পৰিমাণৰ শক্তি উৎপাদনক্ষম বৃহৎ প্ৰকল্প স্থাপনৰ পথ প্ৰশস্ত হৈছে। অতি সম্প্ৰতি দেশত বায়ু আৰু সৌৰশক্তি প্ৰকল্পৰ ক্ষেত্ৰত বিশেষকৈ সৌৰশক্তিৰ ক্ষেত্ৰত হোৱা উদ্ভাৱনে নতুন পথৰ সন্ধান দিছে। যি মুহূৰ্তত তামিলনাডু, মহাৰাষ্ট্ৰ, গুজৰাট, অন্ধ্ৰপ্ৰদেশ আৰু ৰাজস্থানৰ দৰে ৰাজ্যত স্থাপিত বায়ু শক্তি প্ৰকল্পসমূহৰ সুবাদত দেশত ২৫,০০০ মেগাৱাট পৰিমাণৰ বিদ্যুৎ শক্তিৰ উৎপাদন সম্ভৱ হৈছে সেই মুহূৰ্তত সৌৰশক্তি খণ্ডই আগন্তুক বছৰবোৰত বৈপ্লৱিক পৰিৱৰ্তনৰ সূচনা কৰিব বুলি আশা কৰা হৈছে। যি মুহূৰ্তত দেশৰ বায়ু শক্তি প্ৰকল্প সমূহৰ উৎপাদন সম্ভাৱনীয়তা ১.৫ লাখ মেগাৱাট বুলি ঠাৱৰ কৰা হৈছে। সেই মুহূৰ্তত সৌৰশক্তি খণ্ডৰ এই সম্ভাৱনীয়তা নিৰ্ধাৰিত কৰা হৈছে ৩,০০,০০০ মেগাৱাট বুলি। আজিৰ তাৰিখত ইয়াৰে মাত্ৰ ৩,৮০০ মেগাৱাটহে উৎপাদন কৰা হৈছে। সৌৰ শক্তি খণ্ডৰ উৎপাদনী ব্যয় হ্ৰাস পোৱাৰ পৰিপ্ৰেক্ষিতত আগন্তুক বছৰবোৰত খণ্ডটোৰ ব্যাপক বিস্তৃতি সম্ভৱ হ'ব বুলি ন-দি ক'ব পৰি। তদুপৰি বৰ্তমানৰ নৰেন্দ্ৰ মোডী চৰকাৰে দেশৰ সৌৰশক্তি খণ্ডৰ উৎপাদন পূৰ্বৰ ইউপি এ চৰকাৰে নিৰ্ধাৰণ কৰা ২০,০০০ মেগাৱাট পৰিৱৰ্তে ২০২২ চনৰ ভিতৰত ১ লাখ মেগাৱাটলৈ বৃদ্ধি কৰাৰ লক্ষ্য নিৰ্ধাৰণ কৰা কথায়ো আগন্তুক সময়ত খণ্ডটোৰ বিশাল বিস্তৃতিৰে ইংগিত বহন কৰিছে বুলি ক'ব পাৰি। সৌৰ শক্তি উৎপাদনৰ ক্ষেত্ৰত তামিলনাডু, হাৰিয়ানা, দিল্লী, পঞ্জাৱ , গুজৰাট, ৰাজস্থান আৰু অন্ধ্ৰপ্ৰদেশৰ দৰে ৰাজ্যত ঘৰৰ মুধচত সংস্থাপিত সৌৰপাট আঁচনিৰ শুভাৰম্ভৰ জৰিয়তে ইতিমধ্যেই নিৰৱ বিপ্লৱৰ সূচনা হৈছে। এই আঁচনিৰ জৰিয়তে উৎপাদিত শক্তি সংৰক্ষণৰ বাবে কোনো বেটাৰীৰ প্ৰয়োজন নহয় বাবে এনে দৰে উৎপাদিত শক্তিৰ উৎপাদন ব্যয় কমেও ২৫ শতাংশ কমিব।

শক্তি উৎপাদনৰ ক্ষেত্ৰত ১৯৯০ চনৰ পৰা ব্যাপক উত্তৰণ অভিযান চলোৱা হৈছে যদিও ভাৰতে আজিও শক্তিৰ নাটনি থকা দেশ হিচাপেই পৰিচয় বহন কৰি থাকিবলগীয়া হৈছে। এনে প্ৰেক্ষাপটত শক্তিখণ্ডৰ উন্নয়ন-উত্তৰণৰ বাবে বহু কৰণীয় আছে আৰু বৰ্তমানৰ এন ডি এ চৰকাৰে দেশত শক্তিৰ উৎপাদন বৃদ্ধিৰ বাবে ইতিমধ্যে বহুকেইখন আঁচনি ৰূপায়ণৰ দিহা কৰি উচিত পদক্ষেপ গ্ৰহণ কৰিছে। আজিৰ তাৰিখতো পৃথিৱীৰ ১.৪ বিলিয়ন মানুহে বিদ্যুৎ শক্তিৰ সেৱা উপভোগ কৰিব পৰা নাই। ভাৰতত এনে ব্যক্তিৰ সংখ্যা হ'ল ৩০০ নিযুত। আন্তঃৰাষ্ট্ৰীয় শক্তি অভিকৰণে যুগুতোৱা প্ৰাক্কলন অনুসৰি ভাৰতে ২০৫০ চনৰ ভিতৰত শক্তি প্ৰকল্প সমূহৰ উৎপাদনী সামৰ্থ্য ৬০০ গিগাৱাটৰ পৰা ১,২০০ গিগাৱাটলৈ বৃদ্ধি কৰিব লাগিব। ২০০৫ চনৰ তথ্য অনুসৰি সমগ্ৰ ইউৰোপীয় সংঘৰ সৰ্বমুঠ শক্তি উৎপাদনী

***কে আৰ সুধামনে বিগত ৪০ বছৰৰো অধিক কাল দেশৰ সাংবাদিকতাৰ ক্ষেত্ৰখনৰে জড়িত হৈ সেৱা আগবঢ়াই আহিছে। বিগত সময়ছোৱাত তেওঁ প্ৰেছ ট্ৰাষ্ট অৱ্ ইণ্ডিয়াৰ অৰ্থনৈতিক শাখাৰ সহযোগী সম্পাদক হিচাপে কাৰ্য নিৰ্বাহ কৰাৰ উপৰি সংস্থাটোৰ মুম্বাইস্থিত পশ্চিমাঞ্চলৰ আঞ্চলিক কাৰ্যালয়ৰ তত্বাৱধায়ক সম্পাদকৰ দায়িত্বও পালন কৰিছিল। ইয়াৰ পূৰ্বে তেওঁ পি টি আইৰ অৰ্থনীতি তথা বিজ্ঞানৰ সংবাদদাতা হিচাপে সেৱা আগবঢ়াইছিল।**

সামৰ্থ্য আছিল ৭৪০ গিগাৱাট আৰু ভাৰতে আগন্তুক সময়ছোৱাত ঘৰুৱা চাহিদা পূৰণ কৰিবলৈ এই পৰিমাণতকৈয়ো অধিক শক্তি উৎপাদন কৰাটো বাঞ্ছনীয় হ'ব। যিহেতু এই বিশাল পৰিমাণৰ শক্তি উৎপাদনৰ বাবে সঞ্চালিত প্ৰকল্প সমূহত ভাৰতে ব্যৱহাৰ কৰা প্ৰযুক্তি আৰু ইন্ধনে সামগ্ৰিক ভাৱে গোলকীয় সম্পদৰ ব্যৱহাৰ তথা পৰিৱেশিক সম্পৰ্কীয় সমস্যাৰ সূত্ৰপাত ঘটোৱাৰ আশংকালৈ লক্ষ্য ৰাখি চৰকাৰে নৱীকৰণযোগ্য শক্তিৰ সম্ভাৱনীয়তাক বাস্তৱ ৰূপ দিয়াত বিশেষ গুৰুত্ব আৰোপ কৰিছে।

৮০০ নিযুত ভাৰতীয়ই ভাত-ৰন্ধা কিম্বা অন্যান্য কাৰণত জ্বলোৱা জুইৰ বাবে পৰম্পৰাগত ইন্ধন— খৰি, ধান খেৰ, তুঁহৰ দৰে কৃষিজাত বাহ্যদ্ৰব্য তথা গোবৰৰে তৈয়াৰী পিঠা ব্যৱহাৰ কৰে। শক্তিৰ উৎস হিচাপে এনে ধৰণৰ পৰম্পৰাগত ইন্ধনৰ পৰ্যাপ্তত নাই। তদুপৰি এনে ইন্ধন পুৰিলে উচ্চ হাৰত ধোঁৱা নিৰ্গত হয়। বিশ্ব স্বাস্থ্য সংস্থাই দাবী কৰা মতে চৌকাত গোবৰৰ পিঠাৰ দৰে সামগ্ৰী পুৰি ৰন্ধা-মেলা কৰাৰ বাবে হোৱা প্ৰদূষণ আৰু কাৰ্বন মন'ক্সাইডৰ মাত্ৰা বৃদ্ধিয়ে সৃষ্টি কৰা বিষাক্ত বায়ু সেৱন কৰাৰ পৰিণতিতে অকাল মৃত্যু সাৰটিবলগীয়া হয়। ভাৰতৰ শক্তিখণ্ডত হোৱা দ্ৰুত বিকাশে পৰম্পৰাগত ইন্ধনৰ জাৰণ ৰোধৰ ক্ষেত্ৰত গ্ৰহণযোগ্য বিকল্পৰ সন্ধান দিছে বুলি উল্লেখ কৰিব পাৰি আৰু এই ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পৰাকৈ সম্ভাৱনা থকা নৱীকৰণযোগ্য শক্তি খণ্ডৰ বিকাশৰ বাবে বৰ্তমানৰ চৰকাৰে বিস্তৃত পৰিসৰত উদ্যোগ গ্ৰহণ কৰা কাৰ্য আক্ষৰিক অৰ্থতে উচিত পদক্ষেপ বুলি উল্লেখ কৰিব পাৰি। বায়ু প্ৰদূষণৰ উপৰি জল প্ৰদূষণ আৰু অন্যান্য পাৰিপাৰ্শ্বিক সমস্যাৱলীৰ সমাধান সূত্ৰ আৱিষ্কাৰ কৰিবলৈ হ'লে বিদ্যুৎশক্তিৰ বিশ্বাসযোগ্য উৎপাদন আৰু যোগান নিশ্চিত হ'ব লাগিব বুলি বিভিন্ন অধ্যয়নে প্ৰতীয়মান কৰিছে। তদুপৰি অৰ্থনীতিৰ নিৰৱচ্ছিন্ন বিকাশ, ৰপ্তানিৰ উৰ্ধমুখী গতি, আন্তঃগাঁথনিৰ উন্নয়ন তথা পৰিয়াল সমূহৰ বৰ্দ্ধিত আয়ে দেশত আগন্তুক সময়ত বিদ্যুৎ শক্তিৰ বিশাল প্ৰয়োজনীয়তাকে দোহাৰিছে।

আগন্তুক চাৰি-পাচঁটা বছৰৰ ভিতৰত দেশৰ প্ৰতিটো পৰিয়ালে ২৪X৭ বিদ্যুৎ শক্তি উপলব্ধ কৰিব পৰাকৈ বিশেষ পদক্ষেপ লোৱা বাবে মোডী চৰকাৰে তৎপৰতা প্ৰদৰ্শন কৰাটো নিশ্চয় আশাৰ খবৰ। চৰকাৰে গ্ৰহণ কৰা পদক্ষেপ সমূহৰ ভিতৰত যুগ যুগ ধৰি অব্যাহত থকা বিদ্যুৎ চুৰিৰ ঘটনা কঠোৰ হাতেৰে নিয়ন্ত্ৰণ কৰা, তাপ বিদ্যুৎ প্ৰকল্প সমূহলৈ কয়লাৰ নিয়মীয়া সৰবৰাহ নিশ্চিত কৰিব পৰাকৈ কয়লা খনিৰে প্ৰকল্প সমূহৰ মাজত সংযোগ স্থাপন কৰা, সংপ্ৰেৰণ আৰু বিতৰণ প্ৰক্ৰিয়াত হোৱা ক্ষতিৰ পৰিমাণ হ্ৰাস কৰাৰ বাবে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰা; বায়ু শক্তি, সৌৰশক্তি, জল বিদ্যুৎ প্ৰকল্প স্থাপন কৰি শক্তি উৎপাদন বৃদ্ধি কৰাৰ বাবে বিনিয়োগ বৃদ্ধিত গুৰুত্ব দিয়া আদি প্ৰয়াস বিশেষ ভাৱে উল্লেখযোগ্য। এনেবোৰ পদক্ষেপ গ্ৰহণৰ সুবাদত বিগত দিন দিয়েকতে দেশৰ মুঠ বিদ্যুৎ শক্তিৰ ৬০ শতাংশ উৎপাদন কৰা তাপ বিদ্যুৎ প্ৰকল্পৰ উৎপাদন ১৫.৮ শতাংশ হাৰত বৃদ্ধি পাইছে। দেশৰ শক্তি প্ৰকল্পসমূহৰ উৎপাদনী সামৰ্থ্য ৫০ শতাংশ হাৰত বৃদ্ধি কৰিব পৰাকৈ যুগুতোৱা এটা পৰিকল্পনা ৰূপায়ণৰ পদক্ষেপ গ্ৰহণ কৰা বৰ্তমানৰ চৰকাৰে আগন্তুক সময়ছোৱাত গ্ৰামঞ্চল আৰু চহৰঞ্চলৰ প্ৰতিটো পৰিয়াললৈ সপ্তাহৰ প্ৰতিটো দিনৰ ২৪ ঘন্টাই নিৰৱচ্ছিন্নভাৱে বিদ্যুতৰ যোগান ধৰিব পৰাকৈ আন্তঃগাঁথনি সম্পূৰ্ণ কৰাৰ বাবে। ১.১ লাখ কোটি টকাৰ কেন্দ্ৰীয় অনুদান আগবঢ়াইছে। ইফালে ২০২০ চনৰ ভিতৰত দেশত কয়লাৰ উৎপাদন বৰ্তমানৰ পৰিমাণৰ দুগুণলৈ বৃদ্ধি কৰাৰ বাবেও চৰকাৰে আন এটা পৰিকল্পনা যুগুতাই উলিয়াইছে। কয়লা খনিৰ শেহতীয়া নিলামৰ জৰিয়তে আৰম্ভ কৰা এই অভিযানৰ পাতনিতে ২ লাখ কোটি টকা ৰাজ ভঁৰাললৈ অহাৰ পথ প্ৰশস্ত হৈছে আৰু ইয়াৰে সিংহভাগ ধন খনি থকা ৰাজ্যসমূহৰ লগতে অৰ্থনৈতিক ভাৱে পিচপৰা ৰাজ্য সমূহৰ উন্নয়নত ব্যৱহাৰ কৰা হ'ব।

ইফালে ২০২২ চনৰ ভিতৰত দেশত সৌৰশক্তিৰ উৎপাদন এক লাখ মেগাৱাট আৰু বায়ুশক্তিৰ উৎপাদন ৬০,০০০ মেগাৱাটলৈ বৃদ্ধি কৰাৰ লোৱা লক্ষ্যত উপনীত হ'ব পৰাকৈ আন্তঃগাঁথনি গঢ়ি তোলাৰ বাবে অহা সাতোটা বছৰত নৱীকৰণযোগ্য শক্তিখণ্ডত ১০ লাখ কোটি টকাৰ পৰিমাণৰ বিনিয়োগ হ'ব বুলি আশা কৰা হৈছে। এই উদ্দেশ্যেই চৰকাৰে ইতিমধ্যে স্থবিৰ হৈ থকা জলবিদ্যুৎ প্ৰকল্প সমূহ অনতি বিলম্বে পুনৰাম্ভ কৰাৰ পদক্ষেপ গ্ৰহণ কৰাৰ উপৰি নৱীকৰণযোগ্য শক্তি খণ্ডৰ উন্নয়ন শিতানত পুঁজিৰ পৰিমাণ ৬৫.৮ শতাংশ পৰিমাণলৈ বৃদ্ধি কৰাৰ ব্যৱস্থা কৰিছে। তদুপৰি বায়ু আৰু সৌৰশক্তিৰ উত্তৰোত্তৰ উন্নয়ন সাধন কৰিব পৰাকৈ এটা বিস্তৃত নৱীকৰণযোগ্য শক্তি নীতি যুগুতাই উলিয়াবৰ বাবেও চৰকাৰে তৎপৰতা অব্যাহত ৰাখিছে।

ইফালে শক্তি-সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৰূপায়ণ কৰিব খোজা পৰিকল্পনাৰ অংশ হিচাপে দেশৰ এন ডি এ চৰকাৰে 'সেউজ-শক্তিৰ উৎস'ৰ উত্তৰণ সম্ভৱ কৰিব পৰাকৈ প্ৰতিটোতে ৫ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ ধনৰাশি থকা পাঁচোটা পুঁজিৰ প্ৰৱৰ্তন কৰাৰো প্ৰস্তুতি আৰম্ভ কৰিছে। সেই অনুসৰি নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ে পাৱাৰ ফাইনেন্স কৰ্পোৰেশ্বন লিমিটেড্(পি এফ

চি), ৰুৰেল ইলেক্টিফিকেশ্যন কৰ্পোৰেশ্বন লিমিটেড্ (আৰ ই চি), ইণ্ডিয়ান ৰিনিউৰেবল এনাৰ্জী ডেভেল'পমেন্ট এজেন্সি (আই আৰ ই ডি এ), আই এফ চি আই লিমিটেড, এছ বি আই কেপিটেল মাৰ্কেট লিমিটেড আৰু আই চি আই চি আই বেংকৰ দৰে চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিত্তীয় সংস্থাৰ সহযোগত ২৫ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ এটা একত্ৰিত পুঁজি গঠনৰ পৰিকল্পনা যুগুতাইছে। দৰাচলতে মাৰ্কিন যুক্তৰাষ্ট্ৰ আৰু চীনৰ মাজত শেহতীয়াভাৱে সম্পাদিত পৰিৱেশ পৰৱৰ্তিন সম্পৰ্কীয় চুক্তিখনৰ প্ৰতি লক্ষ্য ৰাখিয়েই ভাৰত চৰকাৰে সেউজ শক্তি উৎসৰ উন্নয়নৰ বাবে ব্যৱস্থা গ্ৰহণৰ তৎপৰতা প্ৰদৰ্শন কৰিছে। উল্লেখযোগ্য, উল্লিখিত চুক্তিখনৰ আধাৰত আমেৰিকা যুক্তৰাষ্ট্ৰই ২০২৫ চনৰ ভিতৰত প্ৰদূষণৰ পৰিমাণ ২০05 চনৰ হিচাপত ২৬ ৰ পৰা ২৮ শতাংশ পৰিমাণে হ্ৰাস কৰাৰ বিপৰীতে চীনে ২০৩০ চনৰ ভিতৰত কাৰ্বন ডাই অক্সাইড উদ্‌গীৰণৰ বিপজ্জনক সীমাত উপনীত হোৱাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

ঘৰুৱা সংস্থা -প্ৰতিষ্ঠানক অগ্ৰাধিকাৰ দি চৰকাৰে ঘোষণা কৰা নতুন পদক্ষেপসমূহৰ লগতে শেহতীয়া মাহ চেৰেকত এন চি পি চি ক'ল ইণ্ডিয়া, এনাৰ্জী এফিচিয়েসী ছাৰ্ভিছেজ, পাৱাৰ গ্ৰীড কৰ্পোৰেশ্বন আদিয়ে শক্তি খণ্ডৰ নামত দাখিল কৰা ১,০০,০০০ কোটি টকাৰ প্ৰস্তাৱে স্থানীয় উৎপাদন ক্ষেত্ৰখনক বাৰুকৈয়ে উপকৃত কৰাৰ উপৰি প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰম্ভ কৰা 'মেইক ইন ইণ্ডিয়া' অভিযানকো বিশেষ ভাৱে উৎসাহিত কৰিব বুলি আশা কৰা হৈছে। সেইদৰে বায়ু আৰু সৌৰ শক্তি খণ্ডৰ স্থানীয় উৎপাদক সকলৰ সামৰ্থ্য বৰ্দ্ধন আৰু বিশ্বমানৰ প্ৰযুক্তি উপলব্ধকৰণেৰে মূল্যৰ প্ৰতিযোগিতাত তিষ্ঠিব পৰাৰ দক্ষতা আহৰণ কৰিব পৰাকৈ বিস্তৃত পৰিসৰত উদ্যোগ গ্ৰহণৰ দিহা কৰা হৈছে। কেৱল ঘৰুৱা ভাৱে উৎপাদিত 'চেল আৰু ম'ডিউল'কেহে ব্যৱহাৰ কৰাতে বিশেষ গুৰুত্ব প্ৰদান কৰি চৰকাৰী প্ৰতিষ্ঠান সমূহে ১০০০ মেগাৱাট উৎপাদনক্ষম সৌৰ শক্তি প্ৰকল্প ক্ৰয় কৰিব। সেইদৰে প্ৰতিৰক্ষা বাহিনীয়েও ৩০০ মেগাৱাট উৎপাদনক্ষম সৌৰশক্তি প্ৰকল্প ক্ৰয়ৰ নিশ্চয়তা প্ৰদান কৰিছে। ইফালে সংৰক্ষণ অভিযানৰ জৰিয়তে চৰকাৰে ১০ শতাংশ পৰিমাণ বিদ্যুৎ শক্তি ৰাহি কৰাৰ পৰিকল্পনা কৰিছে। এইদৰে ১০,০০০ কোটি ইউনিট শক্তি ৰাহি কৰিব পৰা যাব আৰু এই শক্তিৰে ১১ কোটি মানুহৰ বাবে পোহৰৰ ব্যৱস্থা কৰিব পৰাৰ উপৰি ৪০,০০০ কোটি টকা ৰাহি কৰিব পৰা যাব।

নৱীকৰণযোগ্য শক্তিৰ উৎকৰ্ষ সাধনত গুৰুত্ব প্ৰদান কৰি চৰকাৰে দৰাচলতে যুগ ধৰি চলি অহা ইন্ধনৰ আমদানি ৰোধ কৰাৰো কৌশল ৰচনা কৰিছে বুলিব পাৰি। উল্লেখযোগ্য, আজিৰ তাৰিখত ভাৰতে ১৫০ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ ইন্ধন আমদানি কৰি আছে। ২০৩০ চনলৈ এই পৰিমাণ ৩০০ বিলিয়ন মাৰ্কিন ডলাৰ হ'বগৈ বুলিও পূৰ্বানুমান কৰা হৈছে। ভাৰতে ঘৰুৱা চাহিদা পূৰণ কৰিবলৈ প্ৰয়োজন হোৱা খাৰুৱা তেলৰ ৮০ শতাংশ আৰু প্ৰাকৃতিক গেছৰ ১৮ শতাংশ আমদানি কৰিব লাগে। ২০১৪ চনৰ এপ্ৰিল মাহ পৰ্যন্ত দেশত সংস্থাপিত তাপ বিদ্যুৎ প্ৰকল্প সমূহৰ উৎপাদন সামৰ্থ্য আছিল ১৬৮.৪ গিগাৱাট। সেইদৰে জলবিদ্যুৎ প্ৰকল্প আৰু নৱীকৰণযোগ্য শক্তি প্ৰকল্পৰ সামৰ্থ্য আছিল ক্ৰমে ৪০.৫ গিগাৱাট আৰু ৩১.৭ গিগাৱাট। যিহেতু প্ৰতিষ্ঠান সমূহে ৩০০০ মেগাৱাট উৎপাদনী সামৰ্থ্যযুক্ত প্ৰকল্প সংস্থাপনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে সেয়ে অহা বছৰৰ ভিতৰত ভাৰতৰ বায়ু শক্তি প্ৰকল্প সমূহত হোৱা বিনিয়োগৰ পৰিমাণ প্ৰায় ২০,০০০ কোটি (৩.১৬ বিলিয়ন মাৰ্কিন ডলাৰ) টকা হ'বগৈ বুলি আশা কৰা হৈছে। ইফালে আগন্তুক ৫-১০ টা বছৰত ২৯৩ টা আন্তঃৰাষ্ট্ৰীয় আৰু ঘৰুৱা প্ৰতিষ্ঠানে ভাৰতত ২৬৬ গিগাৱাট পৰিমাণৰ সৌৰশক্তি, বায়ুশক্তি, ক্ষুদ্ৰ-জলবিদ্যুৎ তথা জৈৱ-গেছ ভিত্তিক শক্তি প্ৰকল্প স্থাপনৰ প্ৰতিশ্ৰুতি প্ৰদান কৰিছে। এই উদ্যোগৰ সুবাদত ৩১০ ৰ পৰা ৩৫০ বিলিয়ন মাৰ্কিন ডলাৰ পৰিমাণৰ বিনিয়োগ হোৱাৰ সম্ভাৱনা আছে। ২০০০ চনৰ এপ্ৰিল মাহৰ পৰা ২০১৫ চনৰ ফেব্ৰুৱাৰী পৰ্যন্ত এই উদ্যোগত ৯,৫৪৮.৮২ নিযুত মাৰ্কিন ডলাৰৰ প্ৰত্যক্ষ বিদেশী বিনিয়োগ নিয়োজিত হৈছে। ভাৰত চৰকাৰৰ কয়লা, শক্তি তথা নৱীকৰণযোগ্য শক্তিত দপ্তৰৰ মন্ত্ৰী পিয়ুষ গোৱেলে দাঙি ধৰা তথ্য মতে আগন্তুক ৪-৫ টা বছৰত ভাৰতৰ শক্তি খণ্ড হ'বলগীয়া বিনিয়োগ সম্ভাৱনীয়তাৰ পৰিমাণ হৈছে ১৫ ট্ৰিলিয়ন টকা (২৩৭.৩৫) বিলিয়ন মাৰ্কিন ডলাৰ)। এই বিশাল পৰিমাণৰ বিনিয়োগে শক্তিৰ উৎপাদন , বিতৰণ সংপ্ৰেৰণ তথা সা-সৰঞ্জামৰ যোগানৰ বিপুল সম্ভাৱনীয়তাৰ সৃষ্টি কৰিব বুলি গোৱেলে আশা প্ৰকাশ কৰে। সদ্যহতে ভাৰত চৰকাৰে ২০১৯ চনৰ ভিৰতত দেশত দুই ট্ৰিলিয়ন ইউনিট (কিলোৱাট ঘন্টা) পৰিমাণৰ বিদ্যুৎ শক্তি উৎপাদন কৰাৰ বাবে লক্ষ্য নিৰ্ধাৰণ কৰিছে। চৰকাৰৰ এই পদক্ষেপে দেশত বিদ্যুতৰ উৎপাদন আগন্তুক সময়ছোৱাত বৰ্তমানৰ পৰিমাণৰ দুগুণলৈ বৃদ্ধি কৰিব আৰু ইয়াৰ জৰিয়তে দেশৰ পৰিয়াল সমূহৰ লগতে ঔদ্যোগিক, বাণিজ্যিক তথা কৃষিখণ্ডত প্ৰয়োজন হোৱা বিদ্যুতৰ চাহিদা ২৪X৭ হিচাপত পূৰণ কৰাৰ লক্ষ্যত উপনীত হোৱাৰ প্ৰয়াস কৰা হ'ব।

সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিবলৈ প্ৰায় ২.৪ হেক্টৰ (৬ একৰ) মাটি

(প্ৰতি মেগাৱাট উৎপাদন সামৰ্থ্য হিচাপত) প্ৰয়োজন হয়। কয়লা দহনেৰে সঞ্চালিত শক্তি প্ৰকল্পত যেনেকৈ কয়লা খনন, উৎপাদন কাৰ্যত ব্যৱহাৰ হোৱা পানী সংৰক্ষণৰ বাবে জল-ভাণ্ডাৰ তথা পোৰা কয়লাৰ ছাঁই আদি নিষ্কাষণৰ বাবে এলেকাকো সামৰা হয় অথবা জলবিদ্যুৎ প্ৰকল্পৰ ক্ষেত্ৰত জলভাণ্ডাৰৰ পানী জমা হৈ থকা এলেকাকো হিচাপত অন্তৰ্ভুক্ত কৰা হয় তেনেদৰে সৌৰ শক্তি প্ৰকল্পৰ ক্ষেত্ৰতো একে ধৰণেই চৌহদৰ এলেকাকো হিচাপত সামৰি লোৱা হয়। সেই হিচাপত ভাৰতৰ এক শতাংশ পৰিমাণৰ ভূমিত (৩২,০০০ বৰ্গ কিলোমিটাৰ) ১৩৩ নিযুত মেগাৱাট শক্তি উৎপাদনক্ষম সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিব পৰা যাব। শস্যাদিৰ বাবে অনুপযুক্ত অথবা জলাহৰ দৰে এলেকা সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে উপযুক্ত ঠাই হিচাপে বিবেচিত হৈ আহিছে। দেশৰ প্ৰায় সকলো অংশতে সিচঁৰতি হৈ থকা এনে মাটিৰ পৰিমান দেশৰ মুঠ মাটি কালিৰ ৮ শতাংশকৈয়ো অধিক বুলি সমীক্ষাই নিশ্চিত কৰিছে। ইয়াৰে এক শতাংশ (৩২,০০০ বৰ্গ কিলোমিটাৰ) মাটিত সৌৰশক্তি প্ৰকল্প স্থাপন কৰিলে ২০০ বিলিয়ন কিলোৱাট ঘন্টা পৰিমাণৰ বিদ্যুৎশক্তি (২০১৩-১৪ বৰ্ষত দেশত উৎপাদিত মুঠ বিদ্যুৎ শক্তিৰ দুগুণৰ সমান ) উৎপাদন কৰিব পৰা যাব আৰু ইয়াৰ জৰিয়তে প্ৰতি একৰ মাটিৰ বিপৰীতে ১.৫ নিযুত (৬ টকা যদি প্ৰতি কিলোৱাট ঘন্টা বিদ্যুতৰ মাচুল হয়) টকা আয় কৰিব পৰা যাব। আয়ৰ এই পৰিমাণ বহু ঔদ্যোগিক এলেকাৰ সমান অথবা বহু উত্তম জলসিঞ্চন এলেকাৰ কৃষি মাটিত উৎপাদন মূল্যতকৈ কেবা গুণে অধিক বুলি চিহ্নিত হ'ব। তদুপৰি এনে সৌৰ প্ৰকল্পৰ কোনো ধৰণৰ কেঁচা মালৰ যোগানৰ ওপৰত নিৰ্ভৰশীল নহয় ; বৰং এনে প্ৰকল্প স্বয়ংক্ৰিয় ভাবেই উৎপাদনশীল। যদি দেশৰ সকলোবোৰ অনুৰ্বৰ মাটিত সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিব পৰা যায় তেন্তে সকলো ধৰণৰ জীৱাশ্ম ইন্ধন তথা খাৰুৱা তেল)ৰ প্ৰয়োজনীয়তা নোহোৱা কৰিব পৰাকৈ পৰ্যাপ্ত পৰিমাণে সৌৰ শক্তিৰ উৎপাদন সম্ভৱ কৰিব পৰা যাব। আনকি ভাৰতৰ সৌৰশক্তি সম্ভাৱনীয়তাই আমেৰিকা যুক্তৰাষ্ট্ৰ কিম্বা জাপানৰ জনগাঁথনিগত পৰিৱৰ্তনে সৃষ্টি কৰা পৰিস্থিতিত হোৱা সৰ্বাধিক জনসংখ্যাৰ বাবে যি পৰিমাণৰ বিদ্যুৎ শক্তিৰ প্ৰয়োজন হয় সিমান পৰিমাণৰ বিদ্যুৎ শক্তি বছৰৰ সকলো সময়তে যোগান ধৰিব পাৰিব।

পিছে সৌৰ শক্তি প্ৰকল্প স্থাপনৰ বাবে প্ৰয়োজন হোৱা ভূমি অধিগ্ৰহণ কৰাটো ভাৰতত এটা প্ৰত্যাহ্বানমূলক কাৰ্য হিচাপে চিহ্নিত হৈ আহিছে। এনে পৰিস্থিতিৰে মোকাবিলা কৰাৰ বাবে কেতবোৰ ৰাজ্যই উদ্ভাৱনীমূলক পদক্ষেপ গ্ৰহণ কৰি আহিছে। উদাহৰণ স্বৰূপে এনে বহু ৰাজ্যই জলসিঞ্চনৰ বাবে ইতিমধ্যে নিৰ্মাণ কৰা নলাসমূহৰ ওপৰত বিস্তৃত ভাৱে সৌৰ পাট সংস্থাপনৰ দিহা কৰি তাৰ জৰিয়তে সৌৰ শক্তি উৎপাদনৰ উপৰি জলসিঞ্চিত পানীৰ বাষ্পীভৱনো বহু পৰিমাণে হ্ৰাস কৰিবলৈ সক্ষম হৈছে। এনে ধৰণে জলসিঞ্চন নলাৰ ওপৰত সৌৰ শক্তি প্ৰকল্প স্থাপন কৰি বিশেষ সাফল্য লাভ কৰা দেশৰ প্ৰথমখন ৰাজ্য হ'ল গুজৰাট। ৰাজ্যখনে নৰ্মদা নৈৰ জলসিঞ্চন প্ৰকল্পৰ ১৯,০০০ কিলোমিটাৰ (১২,০০০ মাইল) জোৱা নলা সমূহত সৌৰপাট সংস্থাপিত কৰি বিদ্যুৎ শক্তি উৎপাদনৰ অভিলাসী পদক্ষেপ গ্ৰহণ কৰিছিল। এনে প্ৰকল্পই পাৰিপাৰ্শ্বিকতাক ইতিবাচক ভাৱেও প্ৰভাৱিত কৰে। সৌৰশক্তিৰ ব্যাপক ব্যৱহাৰে বায়ুমণ্ডললৈ কাৰ্বন ডাই অক্সাইড গেছৰ নিৰ্গমনো ব্যাপক হাৰত ৰোধ কৰিব পাৰে। এটা সমীক্ষা অনুসৰি যদি সৌৰশক্তিৰ ব্যৱহাৰ সন্ধালনিকৈ কৰিব পৰা যায় তেন্তে ২০৫০ চনৰ ভিতৰত ৬ বিলিয়ন টনতকৈয়ো অধিক পৰিমাণৰ কাৰ্বন ডাই অক্সাইডৰ নিৰ্গমন ৰোধ কৰিব পৰা যাব। সমীক্ষাটোৰ মতে এই পৰিমাণ আজিৰ তাৰিখত মাৰ্কিন যুক্তৰাষ্ট্ৰত সকলো প্ৰকাৰৰ ইন্ধনৰ দহনৰ ফলত হোৱা co2 ৰ নিৰ্গমন অথবা সমগ্ৰ পৃথিৱীৰ যান-বাহন খণ্ডই নিৰ্গত কৰা কাৰ্বনৰ নিৰ্গমনৰ সমান। ইতিমধ্যে গ্ৰহণ কৰিব খোজা পদক্ষেপ সমূহৰ সফল ৰূপায়ণ সম্ভৱ হ'লে ভাৰতে ২০৫০ চনৰ ভিতৰত পৃথিৱীৰ আটাইতকৈ বেছি co2 গেছৰ অতিৰিক্ত নিৰ্গমন ৰোধ কৰা দেশ হিচাপে পৰিগণিত হোৱাৰ লগতে চীনৰ সৈতে লগ লাগি পৃথিৱী জুৰি হ'ব লগা কাৰ্বন ডাই অক্সাইড গেছৰ অতিৰিক্ত নিৰ্গমনৰ পৰিমাণ আধালৈ হ্ৰাস কৰিব পাৰিব বুলি আশা কৰা হৈছে। অনাগত সময়ত ভাৰতে সৌৰ শক্তিৰ পীঠ হিচাপে উজলি উঠাৰ সম্ভাৱনা বহন কৰাৰ পৰিপ্ৰেক্ষিততে বৰ্তমানৰ চৰকাৰে এই দিশত নীতি-নিৰ্দেশনাৰে উচিত পদক্ষেপ গ্ৰহণ কৰিছে। আজিৰ তাৰিখত আমাৰ দেশত সৌৰ শক্তি উৎপাদনৰ ক্ষমতা ৪০০০ মেগাৱাটতকৈ সামান্য কম হৈ আছে যদিও আগন্তুক ৫-৭ বছৰৰ ভিতৰত এই পৰিমাণ ৪০,০০০ মেগাৱাটলৈ বৃদ্ধি পাব বুলি আশা কৰা হৈছে। ৰাজস্থান আৰু তামিলনাডুত গ্ৰীণ ট্ৰেন্সমিছন কৰিড'ৰ স্থাপনৰ বাবে জাৰ্মান বিকাশ বেংক 'কে এফ ডব্লিউ'এ ইতিমধ্যে ১ বিলিয়ন ইউৰোৰ সহজ ঋণ আগবঢ়াইছে। বেংকটোকে অচিৰেই ঘৰৰ মুধচত সংস্থাপিত সৌৰ শক্তি প্ৰকল্প আঁচনি ৰূপায়নৰ বাবে আৰু এক বিলিয়ন ইউৰোৰ ঋণ আগবঢ়াব। এই ধনেৰে দেশৰ বিভিন্ন মহানগৰীত 'নেট মিটাৰিং 'ব্যৱস্থাৰ সূচনা কৰাৰ বাবে ভাৰত চৰকাৰে প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। এই পদ্ধতিৰ জৰিয়তে কেৱল দিল্লী মহানগৰীতে ২০০০ মেগাৱাট পৰিমাণৰ সৌৰ শক্তি উৎপাদন কৰিব পৰা যাব। এই

পৰিমাণ দিল্লীত ব্যৱহৃত মুঠ ৬০০০ মেগাৱাট বিদ্যুৎ শক্তিৰ এক তৃতীয়াংশৰ সমান। একেদৰে দেশৰ সকলো গুৰুত্বপূৰ্ণ মহানগৰীতে এই পদ্ধতিৰ সফল ৰূপায়ণৰ বিপুল সম্ভাৱনা আছে। তদুপৰি শক্তি উৎপাদক সকলৰ লগতে ব্যক্তিগত অট্টালিকা তথা ঘৰৰ গৰাকী সকলোৰে বাবেই এই পদ্ধতি লাভজনক হ'ব। কিয়নো এই পদ্ধতিৰে উৎপাদিত সৌৰ শক্তিয়ে সংশ্লিষ্ট সকলে ভৰিব লগা বিদ্যুৎ মাচুলৰ পৰিমাণ দুই তৃতীয়াংশ হাৰত হ্ৰাস কৰাৰ উপৰি বিশেষ আপদাল কৰাৰ প্ৰয়োজন নথকা, ২৫ বছৰ পৰ্যপ্ত টিকি থাকিব পৰা সৌৰপাটসমূহৰ বাবদ ব্যয় কৰা ধনো ৪-৫ বছৰত উচল কৰি ল'ব পাৰিব। নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰালয়ৰ তথ্য মতে ভাৰত চৰকাৰে গ্ৰহণ কৰা সৌৰ শক্তি অভিযানৰ স্বপ্ন সাফল্যমণ্ডিত কৰাৰ লক্ষ্যৰে আগন্তুক কেইটামান মাহৰ ভিতৰত সম্পন্ন কৰিব খোজা ঘৰৰ মুধচত সৌৰপাট সংস্থাপন আঁচনি ৰূপায়ণ কৰিব পৰাকৈ প্ৰকল্প ৰূপায়ণ কৰোঁতা সকলক সহজ ঋণ দিয়াৰ উদ্দেশ্যে ভাৰতীয় নৱীকৰণ যোগ্য শক্তি বিকাশ অভিকৰণ (আই আৰ ই ডি এ )এ কৰ মুক্ত বৰঙণি ২০০০ কোটি টকা পৰিমাণৰ এটা পুঁজি সংগ্ৰহৰ প্ৰস্তুতি গ্ৰহণ কৰিছে। মন্ত্ৰালয়টোৰ যুটীয়া সচিব তৰুণ কাপুৰে অলপতে অনুষ্ঠিত পি এ ই ডি চেম্বাৰ অব্ কমাৰ্ছ এণ্ড ইণ্ডাষ্ট্ৰীৰ শীৰ্ষ সন্মিলনত দিয়া ভাষণত তথ্য দাঙি ধৰি কয়, 'সৌৰ শক্তি অভিযান সফল কৰি তুলিব পৰা বিভিন্ন সংস্থাৰ জৰিয়তে কৰমুক্ত বৰঙণিৰ ৰূপত ৫০০০ কোটি টকাৰ পুঁজি সংগ্ৰহৰ প্ৰস্তাৱলৈ কেইদিনমান পূৰ্বে অনুমোদন জনোৱা হৈছে। ইয়াৰে ২০০০ কোটি টকাৰ দায়িত্ব লাভ কৰিছে 'আই আৰ ই ডি এ'ই। প্ৰসংগক্ৰমে শ্ৰী কাপুৰে কয়, 'চলিত বিত্তীয় বৰ্ষৰ ভিতৰত যদি ২০০০ ৰ পৰা ৩০০০ মেগাৱাট শক্তি উৎপাদনক্ষম সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিব পৰা যায় তেন্তে বৰ্তমানৰ চৰকাৰে আক্ষৰিক অৰ্থতে সন্তুষ্টি প্ৰকাশ কৰিব।' তেওঁ কয় যে ২০১৭ -১৮ বিত্তীয় বৰ্ষৰ পৰা দেশৰ সৌৰ প্ৰকল্পৰ উৎপাদন ক্ষমতা ১০,০০০ মেগাৱাটলৈ বৃদ্ধি কৰাৰ বাবে এয়া এটা সুন্দৰ প্ৰস্তুতি হ'ব। আগন্তুক কেইটামান বছৰৰ ভিতৰত এই সামৰ্থ্য, ১৫,০০০ মেগাৱাটলৈ বৃদ্ধি কৰিবলৈ হ'লে এই পৰ্যায়ৰ ধাৰাবাহিকতাৰ নিশ্চয় প্ৰয়োজন হ'ব বুলিও তেওঁ মন্তব্য কৰে। যুটীয়া সচিব গৰাকীয়ে তথ্য সদৰী কৰি কয় যে ঔদ্যোগিক আৰু বাণিজ্যিক উদ্দেশ্যত ব্যৱহাৰৰ বাবে শক্তি উৎপাদনৰ অপৰম্পৰাগত লক্ষ্যত উপনীত হ'ব পৰাকৈ চৰকাৰে ৰাজসাহায্য বাতিল কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। এতিয়াৰে পৰা হাস্পতাল, শিক্ষাকেন্দ্ৰ তথা অন্যান্য স্বাস্থ্য সম্পৰ্কীয় উদ্যোগৰ ক্ষেত্ৰতহে ৰাজসাহায্য প্ৰদানৰ ব্যৱস্থা অব্যাহত থাকিব বুলি তেওঁ কয়। সৌৰ শক্তিৰ উৎপাদন ব্যয় ৬-৭ টকা প্ৰতি ইউনিটলৈ হ্ৰাস পোৱাৰ পিছত আৰু এই পৰিমাণ পৰৱৰ্তী সময়ত ৪.৫ টকা প্ৰতি ইউনিটলৈ কমিব বুলি আশা কৰাৰ মুহূৰ্তত খণ্ডটোত ৰাজ সাহায্য প্ৰদানৰ প্ৰয়োজনীয়তা আক্ষৰিক অৰ্থতে কমি আহিছিল। ইয়াৰ বিপৰীতে কিন্তু তাপ বিদ্যুৎ ক্ষেত্ৰত এই পৰিমাণ উৰ্ধ্বমুখী হোৱাহে পৰিলক্ষিত হৈ আহিছে।

আগন্তুক পাঁচোটা বছৰত দেশত ৫০০ মেগাৱাটকৈ শক্তি উৎপাদন কৰিব অন্ততঃ ২৫ খন সৌৰ শক্তি উদ্যান বিকশিত কৰাৰ বাবে চৰকাৰে ইতিমধ্যে এখন আঁচনি ঘোষণা কৰিছে। এই উদ্দেশ্যে ৪০৫০ কোটি টকাৰ পুঁজিৰো আবন্টণ দিয়া হৈছে। বিনিয়োগকাৰী আৰু বিকাশ-সংস্থা সমূহক আকৰ্ষিত কৰিব পৰাকৈ এই উদ্যানসমূহত বিভিন্ন সা--সুবিধা প্ৰদানৰ ব্যৱস্থা কৰা হ'ব। এই উদ্যানসমূহে ব্যক্তিগত পৰ্যায়ৰ ক্ষুদ্ৰ প্ৰকল্প বিকাশ গোটসমূহে ইমান দিনে সন্মুখীন হৈ অহা সমস্যাৱলীৰ পৰা নিষ্কৃতি প্ৰদান কৰিব বুলি আশা কৰা হৈছে।

সৌৰ শক্তি প্ৰকল্প স্থাপনৰ ক্ষেত্ৰত দক্ষতা বিকাশৰ দিশটোত বিশেষ ভাৱে গুৰুত্ব দিয়াৰ প্ৰয়োজনীয়তা স্থাপন কৰিবলৈ প্ৰশিক্ষণপ্ৰাপ্ত মানুহৰ আকাল নাই যদিও ব্যাপক পৰিসৰত স্থাপন কৰিব খোজা সৌৰ শক্তি প্ৰকল্প স্থাপন কৰিব পৰাকৈ, বিশেষকৈ দ্ৰুতগতিত বৃদ্ধি পোৱা ঘৰৰ মুধচত সংস্থাপিত সৌৰ প্ৰকল্প তথা প্ৰত্যন্ত এলেকাসমূহত সংস্থাপন কৰিব খোজা প্ৰকল্পসমূহৰ বাবে বিশাল সংখ্যক প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিৰ প্ৰয়োজন হ'ব। এই চৰকাৰে ইতিমধ্যে পৰিকল্পনা গ্ৰহণ কৰিছে যদিও এই ক্ষেত্ৰত অধিক কৰণীয় নিশ্চয় থাকিব। এনে কামৰ বাবে দেশৰ বিভিন্ন প্ৰান্তৰ স্থানীয় যুৱক সকলক অধিক সুবিধা প্ৰদান কৰি আগবাঢ়িব পাৰিলে সুফল লাভ কৰি পৰা যাব।

কেন্দ্ৰীয় শক্তি দপ্তৰৰ মন্ত্ৰী পিয়ুষ গোৱেলে দিয়া সংকেত গ্ৰহণ কৰি প্ৰতি ইউনিট সৌৰ শক্তিৰ মূল্য বৰ্তমানৰ ৬-৭ টকাৰ পৰা ২৫-৩০ শতাংশ হাৰত কমি গৈ চলিত বৰ্ষৰ ডিছেম্বৰ মাহৰ ভিতৰত ৪.৫০ টকা হ'বগৈ বুলি আশা কৰা হৈছে। এই সন্দৰ্ভত মন্ত্ৰী গোৱেলৰ ভাষ্য হ'ল— সংশ্লিষ্ট পক্ষ সমূহৰ সমস্যা প্ৰশমিত কৰাৰ লগতে সৌৰ আৰু বায়ু শক্তিৰ ব্যয়ৰ পৰিমাণ হ্ৰাস কৰিব পৰাকৈ কেতবোৰ ইতিবাচক পদক্ষেপ লোৱাৰ বাবে আমি তৎপৰতা গ্ৰহণ কৰিছো'। ইফালে দেশত সৌৰ শক্তি উৎপাদনৰ পৰিমাণ বৃদ্ধি কৰিব পৰাকৈ পৰিকল্পনা যুগুতোৱাৰ ক্ষেত্ৰত 'প্ৰাইচ ৱাটাৰ হাউছ কুপাৰ'ৰ দৰে বিশ্ব মানৰ সংস্থাক পৰামৰ্শদাতা হিচাপে নিয়োগ কৰিবলৈও চৰকাৰে পদক্ষেপ গ্ৰহণ কৰিছে বুলি গোৱেলে জানিবলৈ দিয়ে।

দেশৰ সৰ্বসাধাৰণ নাগৰিকক শক্তি-সুৰক্ষা প্ৰদান কৰিবলৈকে চৰকাৰে নৱীকৰণযোগ্য শক্তিৰ উৎপাদন ব্যাপক

হাৰত বৃদ্ধি কৰাৰ বাবে পদক্ষেপ গ্ৰহণ কৰিছে। আগন্তুক এটা বা দুটা দশকত ভাৰতে ৮-৯ শতাংশ হাৰত বিকাশৰ গতি অব্যাহত ৰাখিবলৈ ওলোৱাৰ মুহূৰ্তত দেশত বিদ্যুৎ শক্তিৰ চাহিদা ব্যাপক হাৰত বৃদ্ধি পোৱাটো অৱশ্যাম্ভাৱী হৈ উঠিব। এনে প্ৰেক্ষাপটতে বিকাশৰ গতিৰ সৈতে সমতা স্থাপন কৰি আগবাঢ়িব পৰাকৈ চৰকাৰে শক্তি খণ্ডৰ উন্নয়নৰ ক্ষেত্ৰতো ইতিবাচক পদক্ষেপ গ্ৰহণ কৰিছে। বিদ্যুৎ শক্তি ব্যৱহাৰৰ ক্ষেত্ৰত নিম্ন জনমূৰি হাৰৰে শক্তিৰ নাটনি থকা দেশখনে আগন্তুক সময়ৰ চাহিদা পূৰণ কৰিব পৰাকৈ যাতে সামৰ্থ আহৰণ কৰিব পাৰে সেই উদ্দেশ্যে এই পদক্ষেপ গ্ৰহণৰ সিদ্ধান্তে লোৱা হৈছে। শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত এই প্ৰথমবাৰৰ বাবে চৰকাৰে তাপ বিদ্যুৎ, গেছ, জলবিদ্যুৎ পাৰমাণৱিক , বায়ু, সৌৰ আৰু জৈৱ গেছ ভিত্তিক প্ৰকল্পৰ সমূহীয়া প্ৰয়াসত মনোনিৱেশ কৰিছে। অৱশ্যে ভাৰতৰ তুলনাত চাৰিগুণ অধিক বিদ্যুৎ শক্তি উৎপাদন কৰা, সৌৰ আৰু জলবিদ্যুৎ প্ৰকল্পৰ ব্যাপক প্ৰসাৰৰে আগন্তুক সময়ত শক্তিখণ্ডৰ দ্ৰুত উন্নয়নৰ বাবে পদক্ষেপ গ্ৰহণ কৰা চীনৰ দৰে দেশৰ কাষ চাপিবলৈ ভাৰতৰ বাবে আৰু অধিক কৰণীয় নিশ্চিয় আছে। তেনেই পাতল, কম ব্যয়সাপেক্ষ লিথিয়াম বেটেৰীৰে সংৰক্ষণ কৰিব পৰা সৌৰশক্তি ডিজেল চালিত জেনেৰেটৰ ছেটৰ প্ৰয়োজনীয়তা নোহোৱা কৰাৰ বাবে অতিকে উপযোগী বুলি বিবেচিত হৈছে। আমাৰ দেশত ৩০,০০০ মেগাৱাটৰো অধিক বিদ্যুৎ শক্তি উৎপাদনৰ বাবে ডিজেল জেনেৰেটৰ ছেট ব্যৱহাৰ কৰি থকা হৈছে। ইয়াৰ ফলত ইন্ধনৰ নামতে বিশাল পৰিমাণৰ বিদেশী মুদ্ৰাৰ অপচয় কৰি থাকিবলগীয়া হৈছে।

## ৰে'লৱেৰ ভূমি অবৈধ বেদখলমুক্ত কৰাত কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যব্যৱস্থা

ৰে'ল বিভাগে ইয়াৰ অন্তৰ্গত ভূমি বেদখলৰ বিষয়ত নিয়মীয়াকৈ জৰীপ চলাই এনে বেদখল আঁতৰ কৰাৰ বাবে কাৰ্যব্যৱস্থা গ্ৰহণ কৰিছে। কেন্দ্ৰীয় ৰে'ল দপ্তৰৰ ৰাজ্যমন্ত্ৰী মনোজ সিন্‌হাই অলপতে ৰাজ্যসভাত এই বিষয়ে প্ৰকাশ কৰি কয় যে এনে অস্থায়ী প্ৰকৃতিৰ বেদখলৰ ক্ষেত্ৰত আলোচনা মাজেৰে আৰু ৰে'লৱে সুৰক্ষা বাহিনী আৰু স্থানীয় অসামৰিক কৰ্তৃপক্ষৰ সহযোগত বেদখলমুক্ত কৰা হয়। আনহাতে, পুৰণি বেদখলৰ ক্ষেত্ৰত বেদখলকাৰীয়ে ইয়াৰ মুক্তকৰণত সন্মত নহ'লে ৰাজহুৱা প্ৰাংগন (অকৰ্তৃত্বশীল বাসিন্দাৰ উচ্ছেদ) আইনৰ অধীনত কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হৈ আহিছে বুলি মন্ত্ৰীগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ কয় যে, যোৱা তিনিটা বছৰত ৭০.৩৮ হেক্টৰ বেদখলকৃত ভূমি মুকলি কৰা হৈছে। দেশৰ বিভিন্ন অংশত ৯৩০ হেক্টৰ ৰে'লৱেৰ ভূমি বেদখলাধীন হৈ আছে বুলি তেওঁ কয়। এই বেদখলৰ অধীনত থকা ভূমিৰ পৰিমাণ মুঠ ৰে'লভূমিৰ ২০ শতাংশ। ৰাজধানী চহৰ দিল্লী ৫৯.৮৮ হেক্টৰ ৰে'লভূমি বেদখলৰ কবলত আছে বুলি তেওঁ কয়।

# সহজ কাৰবাৰৰ জৰিয়তে পাব পৰা নিয়োগ বৃদ্ধিৰ সা-সুবিধা

*** দীপক ৰাজদান**

বহু দশকৰ পৰা চলি অহা কঠোৰ শ্ৰমিক নীতিকেই শ্ৰমিকৰ নিয়োগ বৃদ্ধিৰ ক্ষেত্ৰত মন্থৰ গতি বিৰাজ কৰি অহাৰ এটা ডাঙৰ কাৰণ ৰূপে চিহ্নিত কৰা হৈছে। অথচ ভাৰতত শ্ৰমিক শক্তিৰ ব্যাপকতাৰ অভাৱ নাই। ইয়াৰ তুলনাত তেনে এটা লেহেমীয়া গতিয়ে দেশখনত ঠাই পোৱাটো নিতান্তই চিন্তাৰ বিষয়। অৰ্থনৈতিক ক্ষেত্ৰত কাম কৰি অহা বিশ্লেষকসকলে বাৰম্বাৰ শ্ৰমিক সংস্কাৰ সাধনৰ ওপৰত জোৰ দি আহিছে আৰু তেওঁলোকে এই যুক্তি দাঙি ধৰিছে যে তেনে সংস্কাৰ কেৱল ঔদ্যোগিক বিকাশৰ কাৰণেই প্ৰয়োজন নহয়, তাৰ উপৰি পৰ্যাপ্ত সংখ্যাত নিয়োগৰ সা-সুবিধা উদ্ৰেক কৰাৰ বাবেও আৱশ্যেক। পিছে এই বিষয়টোত তেনেদৰে আগবঢ়া হোৱা নাই। তাৰ কাৰণ হ'ল সংশ্লিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠানৰ লোকসকলৰ মাজত ঐক্য মত গঢ়ি উঠা নাই। কিন্তু বিষয়টো এনেদৰে চলি থাকিবলৈ দিব নোৱাৰি। সৌভাগ্যক্ৰমে এইটো উপলব্ধি কৰা হয় যে যদি ভাৰতে এখন বিকশিত অৰ্থনৈতিক শক্তিৰ দেশ ৰূপে থিয় দিব লাগে তেনেহলে প্ৰগতিৰ গতি বৃদ্ধি কৰিব লাগিব।

সেই দিশৰ পৰা চাবলৈ গ'লে বৰ্তমান চৰকাৰে কাৰ্য ব্যৱস্থা গ্ৰহণৰ প্ৰথম বছৰত যি প্ৰয়াস কৰিছে তাৰ পৰা দেখা গৈছে যে " কাম-কাজ কৰাৰ সৰলতা" আৰু " শ্ৰমেৰ জয়তে" — এই দুয়োটা বিষয় একেলগে যাব পাৰে আৰু খৰতকীয়া তথা অধিক সৰ্বাত্মক বিকাশৰ অৰ্থে তাক সমন্বিত কৰি উপযুক্ত ব্যৱস্থাও হাতত ল'ব পাৰে। তাকেই সাৰোগত কৰি কেন্দ্ৰীয় চৰকাৰে এটা বহুমুখী কৌশল অৱলম্বন কৰিছে আৰু সেই অনুযায়ী যি ভিন ভিন আইন আছে তাক একত্ৰিত কৰিবলৈ পদক্ষেপ গ্ৰহণ কৰিছে; আৰু আনপিনে ৰাজ্যসমূহক শ্ৰমিক ব্যৱহাৰ সংশোধন সাধনৰ ক্ষেত্ৰত নিজৰ ৰবীয়াকৈ প্ৰচেষ্টা হাতত লৈ কামত আগবাঢ়িবলৈ উৎসাহিত কৰিছে। এই প্ৰয়াসত সফলতা তেতিয়াহে লাভ কৰা হ'ব— যেতিয়া কৰ্মীসকলে উপলব্ধি কৰিব পাৰিব যে তেওঁলোক অগ্ৰগতি সাধন প্ৰক্ৰিয়াৰ এটা অত্যাৱশ্যকীয় অংগ আৰু তেওঁলোক এক অনাৱশ্যক খৰচৰ বোজা নহয়।

আন এটা কথা হ'ল যথাযথ দৃষ্টিভঙ্গী অৱলম্বন কৰা বিষয়টো। এই ক্ষেত্ৰত নানা প্ৰতিবেদন আৰু নথিপত্ৰত এই কথা আঙুলিয়াই দিয়া হৈছে যে এনে দৃষ্টিভঙ্গী কোনো কামত নাহিব যদিহে ঔদ্যোগিক বিকাশক গতি সঞ্চাৰ কৰিব লাগে কিম্বা ভাৰতৰ বৰ্দ্ধিত তৰুণ চামৰ বাবে চাকৰি সৃষ্টি কৰিব লাগে। ২০১৪-১৫ বৰ্ষৰ মধ্যকালীন অৰ্থনৈতিক বিশ্লেষণত কোৱা হৈছে যে শ্ৰমিক আইনৰ সংশোধন আৰু কাৰবাৰ কৰাৰ ক্ষেত্ৰত হোৱা খৰচ হ্ৰাস কৰিবৰ কাৰণে কেন্দ্ৰ আৰু ৰাজ্যই যুটীয়াভাৱে প্ৰয়াস কৰিব লাগিব। চৰকাৰে সেই অনুসৰি কাম কৰাৰ আৱশ্যকতাক মানি লৈছে আৰু সংস্কাৰ সাধনৰ ক্ষেত্ৰতো আগবাঢ়িছে। তেনে প্ৰথম সংস্কাৰ সাধন হ'ল ৰাজস্থানত শ্ৰমিক ব্যৱহাৰ সংশোধনৰ বাবে ৰাষ্ট্ৰপতিৰ অনুমতি প্ৰদানক সুবিধা কৰি দিয়াৰ ক্ষেত্ৰত। ইয়াৰদ্বাৰাই ৰাজ্যসমূহে অধিক প্ৰচেষ্টা গ্ৰহণ কৰিবৰ অৰ্থে এটা দৃষ্টান্ত দাঙি ধৰা হ'ল কেন্দ্ৰৰ উদ্দেশ্য তথা কেন্দ্ৰ পৰ্যায়ত বিভিন্ন শ্ৰমিক আইনক সুদৃঢ় কৰি তোলাৰ লগে লগে স্বচ্ছতাও প্ৰদান কৰা।

২০১৪-১৫ বৰ্ষৰ অৰ্থনৈতিক সমীক্ষাত নিবনুৱাৰ ক্ষেত্ৰত সৃষ্টি হোৱা গভীৰ সমস্যাৰ বিষয়টো সম্পৰ্কে উল্লেখ কৰা হৈছে। তাত কোৱা হৈছে যে পৰিসংখ্যাৰ যি উৎসই ব্যৱহাৰ কৰা নহওক কিয়, এইটো স্পষ্ট যে নিয়োগ বৃদ্ধিৰ গতি শ্ৰমিক শক্তিৰ বৃদ্ধি গতিৰ পাছত আছে। উদাহৰণ স্বৰূপে ২০০১ আৰু ২০১১ বৰ্ষৰ মাজৰ লোকপিয়ল অনুসাৰে শ্ৰমিক শক্তিৰ বিকাশ গতি আছিল ২.২৩ শতাংশ। এয়া এই দশকটোত নিয়োগ বৃদ্ধিৰ যি গতি লাভ কৰে তাতকৈ বহু বেছি। এই গতি হ'ল ১.৪ শতাংশৰ ওচৰা-উচৰিহে। পিয়লত এইটোও কোৱা হৈছে যে নিয়োগৰ সা-সুবিধা অধিক ক্ষীপ্ৰতৰ কৰি তোলাটো দেখ দেখকৈ এটা ডাঙৰ প্ৰত্যাহ্বান।

বৰ্তমানে কেন্দ্ৰীয় চৰকাৰে প্ৰণয়ন কৰা ৪৪ খন শ্ৰমিক সম্বন্ধীয় আইন আছে। তেনেদৰে আছে ৰাজ্য চৰকাৰসমূহে প্ৰণয়ন কৰা ১০০ খন আইন। বৰ্তমানে শ্ৰমিক আইনবোৰে যি আকাৰ ধাৰণা কৰিছে তাত সমস্যাও সৃষ্টি নোহোৱাকৈ থকা নাই আৰু সেই দিশটোলৈকে চাই দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনায়ো এই সন্দৰ্ভত কিছু উল্লেখ কৰিছে। পৰিকল্পনাৰ

*** দীপক ৰাজদান দিল্লী ভিত্তিক জ্যেষ্ঠ সাংবাদিক আৰু তেওঁ শ্ৰম, গ্ৰাম্য উন্নয়ন আৰু অৰ্থনৈতিক পৰিকল্পনাৰ বিষয়ত ৪৩ বছৰৰো অধিক অভিজ্ঞতাপুষ্ট।**

সংশ্লিষ্ট দফাত (ভলিউমত, অধ্যায় ২২) কোৱা হৈছে যে কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহে পোষণ কৰা শ্ৰমিক আইনবোৰৰ ওপৰা-উপৰি প্ৰয়োগ কাৰখানা খণ্ডৰ উপযুক্ত বিকাশ সাধনৰ বাবে অনুকূল নহয়। উক্ত অধ্যায়টোত আৰু কোৱা হয় যে শ্ৰমিক খণ্ডৰ ৮৪ শতাংশ হ'ল অসংগঠিত খণ্ডৰ; আৰু সেয়ে ই শ্ৰমিক আইনৰ পৰিসৰৰ বাহিৰত। আনপিনে বাকী থকা ১৬ শতাংশ হ'ল সংগঠিত খণ্ডৰ। এই ভাগটো সকলো স্তৰতে নিয়ামক ব্যৱস্থাৰ হস্তক্ষেপৰ দ্বাৰা অধিক বোজাৰে ভাৰাক্ৰান্ত হৈ থাকে। শ্ৰমিক বিষয়টো এটা উমৈহতীয়া বিষয় হোৱা হেতুকে কেন্দ্ৰ আৰু ৰাজ্য উভয় স্তৰতে শ্ৰমিক আইনবোৰ সৰলীকৰণ কৰা আৱশ্যক হয় বুলিও পৰিকল্পনাৰ দফাটোত আঙুলিয়াই দিছে।

নিৰ্দিষ্টভাবে উল্লেখ কৰি দ্বাদশ পঞ্চ বাৰ্ষিক পৰিকল্পনাত আৰু কোৱা হয় যে সামগ্ৰিকভাৱে নিয়োগ উদ্ৰেক কৰিবৰ কাৰণে ভালেকেইটা ক্ষেত্ৰত কমেও শ্ৰমিক উন্মেষ নিৰ্মাণ উদ্যোগ প্ৰতিষ্ঠা কৰিবলৈ অনুমতি দিয়া প্ৰয়োজন। তেনে ক্ষেত্ৰৰ উদ্যোগ হ'ল — বস্ত্ৰ আৰু পোছাক উদ্যোগ, চামৰা আৰু জোতা উদ্যোগ, বাখৰ আৰু গহনা উদ্যোগ, খাদ্য সংসাধন উদ্যোগ ইত্যাদি। চাহিদা অনুযায়ী শ্ৰমিক শক্তিৰ তাল-মিল সৈতে সামঞ্জস্য ৰাখি কাম কৰিবলৈ এনে ব্যৱস্থা নিশচয়ে প্ৰয়োজন। শ্ৰমিকৰ বজাৰ শিথিল ৰূপত উপস্থাপন কৰাৰ ওপৰত আলোকপাত কৰাটোও উচিত।

বৰ্তমান চৰকাৰে এনে ব্যৱস্থা গ্ৰহণ কৰিবলৈ লওঁতে শ্ৰমিকৰ মৰ্যাদা, স্বচ্ছতা আৰু উত্তৰদায়িতা বিষয়কো শ্ৰমিক আইন বলবৎ কৰণত নিজৰ দায়বদ্ধতা ৰক্ষা কৰিবলৈ তৎপৰ হৈছে আৰু সু-প্ৰশাসনৰ জৰিয়তে কৰ্ম্মীসকলৰ কল্যাণ সাধনৰ প্ৰতি গুৰুত্ব দিবলৈ ঠিক কৰিছে। চৰকাৰৰ মন্ত্ৰ হ'ল "শ্ৰমেৰ জয়তে"।

ভাৰতীয় শ্ৰমিক আইন সহজে বুজি পোৱা কৰিবৰ কাৰণে শ্ৰম মন্ত্ৰালয়ে সমগ্ৰ শ্ৰমিক আইনবোৰক একে ধৰণৰ কৰিবৰ বাবে প্ৰক্ৰিয়া আৰম্ভ কৰিছে। তাৰ বাবে এইবোৰক পাঁচটা ক'ডত বিভাজিত কৰা হৈছে। সেয়া হ'ল— বেতন ক'ড, নিৰাপত্তা তথা কৰ্ম অৱস্থাৰ ক'ড, ঔদ্যোগিক সম্পৰ্ক বিষয়ক ক'ড, সামাজিক নিৰাপত্তা তথা কল্যাণ বিষয়ক ক'ড আৰু নিয়োগ, প্ৰশিক্ষণ আৰু মিশ্ৰণ বিষয়ক ক'ড। শ্ৰমিক বিষয়ৰ সৈতে জড়িত অনুষ্ঠান-প্ৰতিষ্ঠানে আগবঢ়োৱা পৰামৰ্শাৱলী বিবেচনা তথা ক'ড সমূহৰ খচৰা তৈয়াৰ কৰিবৰ কাৰণে এটা আন্তঃ মন্ত্ৰালয় গোট গঠন কৰা হয়। ত্ৰিপাক্ষিক ব্যৱস্থাৰ অংশ ৰূপে শ্ৰম মন্ত্ৰালয়ে প্ৰস্তাৱিত ক'ডসমূহৰ সন্দৰ্ভত অনুষ্ঠান-প্ৰতিষ্ঠানবোৰৰ স'তে বৈঠক অনুষ্ঠিত কৰিবলৈ আৰম্ভ কৰিছে।

ঔদ্যোগিক সম্পৰ্ক ৰক্ষা বিষয়ক শ্ৰমিক ক'ডৰ গুৰুত্বপূৰ্ণ খচৰাৰ বিষয়টো আলোচনা কৰিবৰ বাবে শ্ৰম আৰু নিয়োগ মন্ত্ৰীয়ে তিনিখন ত্ৰিপাক্ষিক বৈঠক অনুষ্ঠিত কৰে। তৃতীয় বৈঠকখন চলিত বৰ্ষৰ ৬ মে'ত অনুষ্ঠিত হৈ যায়। বৈঠকত অংশ গ্ৰহণ কৰে কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন, নিয়োগ সংগঠন আৰু ৰাজ্য তথা কেন্দ্ৰীয় চৰকাৰৰ শ্ৰম মন্ত্ৰালয় সমূহৰ প্ৰতিনিধি বৰ্গই।

ঔদ্যোগিক সম্পৰ্কৰক্ষী বিষয়ক প্ৰস্তাৱিত লেবাৰ ক'ডে তিনিখন আইনৰ প্ৰাসঙ্গিক বিষয়সমূহ একীকৰণ কৰি এটা নিৰ্দিষ্ট ৰূপ দিবলৈ বিচাৰিছে। উক্ত তিনিখন আইন হ'ল— ট্ৰেড ইউনিয়ন এক্ট, ১৯২৬, ইণ্ডাষ্ট্ৰিয়েল এমপ্লয়মেন্ট (ষ্টেণ্ডিং অৰ্ডাৰ্ছ) এক্ট ১৯৪৬ আৰু ঔদ্যোগিক বিবাদ আইন, ১৯৪৭। শ্ৰমিক আইনবোৰ শিথিল কৰিবৰ কাৰণে উদ্যোগবোৰে দীৰ্ঘদিনৰ পৰা দাবী জনাই আহিছে ; কিন্তু ট্ৰেড ইউনিয়নসমূহে বিষয়টো আনভাবে গ্ৰহণ কৰিছে। ইউনিয়নৰ বিবেচনা মতে তেনে পৰিবৰ্তনে কৰ্মীসকলৰ প্ৰতি চাকৰিৰ অনিশ্চয়তা আনিব আৰু ইউনিয়ন গঠন কৰিবলৈও টান হ'ব। এই ক্ষেত্ৰত ঐক্যমতত উপনীত হ'বৰ কাৰণে শ্ৰমিক বিধিত বিবেচিত বিষয়সমূহ সন্নিৱিষ্ট কৰিবৰ বাবে অংশগ্ৰহণকাৰী সকলৰ পৰা পৰামৰ্শ বিচাৰে। মন্ত্ৰীয়ে বৈঠকত এই আশ্বাস দিয়ে যে কৰ্মীসকলৰ অধিকাৰ যি কোনো প্ৰকাৰে ৰক্ষা কৰা হ'ব আৰু অংশগ্ৰহণকাৰীসকলৰ দৃষ্টিভঙ্গী ঔদ্যোগিক সম্পৰ্কৰক্ষী বিষয়ক লেবাৰ ক'ড চূড়ান্ত কৰোতে বিবেচনা কৰা হ'ব।

মজুৰি বিষয়ক শ্ৰমিক বিধি (লেবাৰ ক'ড অন ওৱেজেছ)ৰ খচৰা, সন্দৰ্ভত একে ধৰণৰ দুখন বৈঠক অনুষ্ঠিত হয়। দ্বিতীয় বৈঠকখন চলিত বৰ্ষৰ ১৩ এপ্ৰিলত অনুষ্ঠিত হয়। বৈঠকত অংশগ্ৰহণৰকাৰীসকলে নিম্নতম মজুৰি আইন ১৯৪৮ ৰ সংশ্লিষ্ট বিষয়সমূহ একেলগ কৰাৰ যি প্ৰস্তাৱ আছিল সেই সম্বন্ধে আলোচনা কৰে। এই আইনৰ উপৰিও আন আইন কেইখন হ'ল পে'মেন্ট অব ওৱেজেছ এক্ট ১৯৩৬, পে'মেন্ট অব বোনাছ এক্ট ১৯৬৫ আৰু দি ইকুৱেল ৰেমুনাৰেচন এক্ট ১৯৭৬। মন্ত্ৰীয়ে উপস্থিত থকা প্ৰতিনিধিসকলক প্ৰস্তাৱিত শ্ৰমিক বিধিৰ বিষয়ে চমুকৈ বুজাই দিয়ে আৰু তেওঁলোকৰ পৰা পৰামৰ্শ আগবঢ়াবলৈ আহ্বান জনায়। এই বৈঠকত কেন্দ্ৰীয় ট্ৰেড ইউনিয়ন, কৰ্ম্মচাৰী সংস্থা আৰু ৰাজ্য চৰকাৰসমূহৰ প্ৰতিনিধিসকল উপস্থিত আছিল।

উদ্যোগ পৰিচালনাক আকৰ্ষণীয় কৰিবৰ কাৰণে স্মল ফেক্টৰীজ (ৰেগুলেচন অব এমপ্লয়মেন্ট এণ্ড কণ্ডিচন অব চাৰ্ভিচেছ) বিধেয়ক ২০১৪ ৰ খচৰা সন্দৰ্ভত পৰামৰ্শদাতা বৈঠক অনুষ্ঠিত কৰিবলৈ লয়। এই খচৰাত ৪০ জনতকৈ কম কৰ্মী নিয়োগ কৰা কাৰখানাসমূহক

বিধিবদ্ধ কৰিবলৈ লোৱা হৈছে। ইয়াৰ উপৰি যোৱা বছৰ এপ্ৰেন্টিচ এক্ট, ১৯৬১ ক উদ্যোগ তথা তৰুণসকলৰ প্ৰতি অধিক উত্তৰদায়ী কৰি তুলিবলৈ সংশোধন কৰা হয়। ইয়াত নন-ইঞ্জিনিয়াৰিং স্নাতক তথা ডিপ্লোমাধাৰীসকলক অন্তৰ্ভুক্ত কৰা হয়। এই সন্দৰ্ভত গ্ৰহণ কৰিব লগা ব্যৱস্থা পোৰ্টেল-ভিত্তিক আৰু জৰিমনা আকাৰতহে কেৱল শাস্তি দিয়াৰ ব্যৱস্থা কৰা হৈছে।

ৰাজ্যসমূহে দ্বিতীয় প্ৰজন্মৰ অৰ্থনৈতিক সংস্কাৰ সাধনৰ নেতৃত্ব বহন কৰিব বুলি সংকেত জ্ঞাপন কৰি কেন্দ্ৰীয় চৰকাৰে ৰাজস্থান চৰকাৰক তিনিখন শ্ৰমিক আইন সংশোধনী বিধেয়কৰ বাবে ৰাষ্ট্ৰপতিৰ অনুমোদন লাভ কৰাত সহায় কৰে। সেই সংশোধনী বিধেয়ক কেইখন এই বিষয়ত সম্পৰ্কিত - ঔদ্যোগিক বিবাদ আইন, ১৯৪৭, ঠিকাভিত্তিক শ্ৰমিক আইন ১৯৭০ আৰু কাৰখানা আইন ১৯৪৭। এই ক্ষেত্ৰত কৰা ডাঙৰ পৰিবৰ্তনৰ ভিতৰত ঔদ্যোগিক বিবাদ আইন বিশেষকৈ উল্লেখযোগ্য। তাৰ পৰিবৰ্তন ক্ৰমে ৩০০ কৰ্মচাৰীলৈকে নিয়োগ কৰা কোম্পানী-বোৰে চৰকাৰৰ আগতীয়া অনুমোদন নোলোৱাকৈ কৰ্মচাৰীক প্ৰয়োজন হ'লে আঁতৰাব পাৰিব কিম্বা কাৰখানা বন্ধ কৰিব পাৰিব। পূৰ্বতে এনে ব্যৱস্থা আছিল ১০০ জন কৰ্মচাৰী পৰ্যন্ত। এই সংশোধনে সংগঠিত খণ্ডলৈ অধিক বিনিয়োগকাৰী আনিব বুলি আশা কৰিব পাৰি। ইয়াৰ আগলৈকে বিনিয়োগকাৰী সকলে ব্যৱসায় কৰিবলৈ অনিচ্ছুকতা প্ৰকাশ কৰে, কিয়নো তেওঁলোকে এটা সৰু কথাৰ বাবেই কৰ্তৃপক্ষৰ ওচৰ চাপিব লাগে - যদিহে তেওঁলোকে ১০০ তকৈ অধিক কৰ্ম্মী নিয়োগ কৰে। এই পৰিবৰ্তনৰদ্বাৰা সৰু উদ্যোগ বিশেষকৈ উপকৃত হ'ব।

ৰাজস্থানত আইনৰ ক্ষেত্ৰত অন্য পৰিবৰ্তনৰ ভিতৰত সংশোধিত ঔদ্যোগিক বিবাদ আইনে এতিয়া কোনা কৰ্মীক আঁতৰাব লাগিলে তেনে কৰ্মীয়ে তিনি মাহৰ ভিতৰত আপত্তি দৰ্শাব পাৰে। পূৰ্বতে তেনে কোনো সময় সীমা নাছিল।ট্ৰেড ইউনিয়ন গঠনৰ সন্দৰ্ভতো ৩০ শতাংশ কৰ্মীক সদস্য ৰূপে পালেহে তেনে কৰিব পাৰে। বৰ্ত্তমানে ইয়াৰ আৱশ্যকতা হ'ল ১৫ শতাংশ। কাৰখানা বিষয়ক আইনখন সেইবোৰ কাৰখানাত প্ৰযোজ্য হ'ব য'ত ৪০ জন কৰ্মীয়ে কাম কৰে আৰু য'ত বিদ্যুতৰ সুবিধা নাই। বিদ্যুতৰ সুবিধা থকা কাৰখানাৰ ক্ষেত্ৰত কৰ্মীৰ সংখ্যা হ'ল ২০। পূৰ্বৰ আৱশ্যকতা আছিল মাত্ৰ আধা ভাগ। ঠিকাভিত্তিক শ্ৰমিক আইন সেইবোৰ কোম্পানীৰ ক্ষেত্ৰত প্ৰযোজ্য, য'ত পূৰ্বৰ ২০ ৰ সলনি ৫০ তকৈও অধিক কৰ্মী নিয়োগ কৰা হয়। উদ্যোগবোৰে অধিক অস্থায়ী কৰ্মী আনিব পাৰিব আৰু তাৰ কাৰণে ঠিকাভিত্তিত কাম কৰা কৰ্মীসকলে যিবোৰ লাভৰ গৰাকী হয় তেনে লাভ সেই অস্থায়ী কৰ্মীক দিয়া নহ'ব। ৰাজস্থানত সাধন কৰা শ্ৰমিক সংস্কাৰ কাৰ্যক বিশিষ্ট অৰ্থনীতিবিদসকলে প্ৰশংসা কাৰিছে। বহু ৰাজ্যই ৰাজস্থানৰ প্ৰয়াসক অনুকৰণ কৰাৰ কথা ভাবিছে।

শ্ৰমিক সংশোধনী বাদ-বিবাদৰ প্ৰভাৱৰ বাহিৰত ৰখাকৈ চৰকাৰে ২০১৫-১৬ বৰ্ষৰ বাজেটত বিভিন্ন ব্যৱস্থা গ্ৰহণ কৰাৰ বিষয়ে ঘোষণা কৰে আৰু এই ব্যৱস্থাৱলীয়ে সময়ত সহস্ৰ চাকৰি সৃষ্টি কৰাৰ পথ প্ৰশস্ত কৰিব। বাজেটত কৰা কৰৰ প্ৰস্তাৱ ব্যৱসায়-বাণিজ্য কৰা দিশটোলৈ লক্ষ্য ৰাখি কৰা হৈছে; আৰু ই খৰতকীয়াকৈ চাকৰি সৃষ্টি কৰাৰ পথ মুকলি কৰিব। চৰকাৰে " মেক ইন ইণ্ডিয়া" অভিযান প্ৰচলন কৰিছে আৰু ইয়াত ভাৰতক এটা গোলকীয় নিৰ্মাণ স্নায়ুকেন্দ্ৰ (গ্লোবেল মেনুফেকচাৰিং হাব) কৰি তুলিবৰ বাবে এটা বিস্তৃত প্ৰক্ৰিয়া আৰু উজ্জীৱিত নাতিৰে সংযোজিত কৰা হৈছে - যাতে সহস্ৰ যুৱকৰ কাৰণে চাকৰিৰ সা-সুবিধা সৃষ্টি হ'ব পাৰে। ব্যৱসায় -বাণিজ্য ভাৰতলৈ আনিবৰ কাৰণে বিনিয়োগ নীতিতো উপযুক্তভাৱে ৰজিতা খোৱাকৈ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। মোডী চৰকাৰৰ প্ৰথম বৰ্ষটোৱে অতি প্ৰয়োজনীয় প্ৰতিশ্ৰুতি আৰু আশাৰ সঞ্চাৰ কৰিছে। এতিয়া কাম হ'ল প্ৰশাসনীয় গতিশীলতাৰ - যাৰদ্বাৰা সেই প্ৰতিশ্ৰুতি আৰু আশাসমূহ পূৰ্ণ হৈ উঠিব।

২০১৪ বৰ্ষৰ ১৬ অক্টোবৰত প্ৰধান মন্ত্ৰীয়ে উদ্বোধন কৰা সত্যমেৱ জয়তে কাৰ্যক্ৰমে চৰকাৰৰ সু-প্ৰশাসনৰ দিশটোকে উন্মোচন কৰে। ইয়াৰ পৰা এই বিশ্বাস কৰা হৈছে যে কাৰ্য সম্পাদনৰ সহজ-সৰল ব্যৱস্থাই দেশখনৰ যুৱকসকলৰ বাবে বিপুলভাৱে নিয়োগ সুবিধা সৃষ্টি কৰিব আৰু তাৰ ফলস্বৰূপে বৃহৎভাৱে আনুষ্ঠানিকতাৰ ক্ষেত্ৰত বিৰ্তন অনাত উৎসাহিত কৰিব।

এই উল্লিখিত পেকেজৰ অংশ ৰূপে ডিজিটেল ইণ্ডিয়াই তথ্য প্ৰযুক্তিৰ উপযুক্ত ব্যৱহাৰৰদ্বাৰা প্ৰশাসনৰ নতুন ৰাজক উপস্থাপন কৰিব। শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে ২০১৪ বৰ্ষৰ ১৬ অক্টোবৰত ৱেব পোৰ্টেল — "শ্ৰম সুবিধা পোৰ্টেল" প্ৰচলন কৰে। এই পোৰ্টেলে মন্ত্ৰালয়ৰ চাৰিটা প্ৰধান সংগঠনৰ কাম কৰিছে। সেই সংগঠন কেইটা হ'ল— মুখ্য শ্ৰম আয়ুক্ত কাৰ্যালয়, ডাইৰেক্টৰেট জেনেৰেল অব মাইনছ ছে'ফটি, কৰ্মচাৰী ভৱিষ্যনিধি সংগঠন আৰু কৰ্মচাৰী ৰাজ্যিক বীমা নিগম।

এই পোৰ্টেলৰ চাৰিটা প্ৰধান বৈশিষ্ট্য হ'ল— অনলাইন ৰেজিষ্ট্ৰেচন ব্যৱস্থাৰ বাবে ইউনিটসমূহক ইউনিক লেবাৰ আইডেন্টিফিকেচন নম্বৰ ( এল আইনন) প্ৰদান কৰা হয়; প্ৰতিষ্ঠানসমূহৰদ্বাৰা স্ব-প্ৰমাণিকৃত তথা সৰল ছিঙ্গল অনলাইন ৰিটাৰ্ণৰ সুবিধা ; ইউনিটবোৰে সুকীয়া

ৰিটাৰ্ণ দাখিল কৰাৰ পৰিবৰ্তে কেৱল একক মোটামুটি ৰিটাৰ্ণহে দাখিল কৰিব; কম্পিউটাৰকৃত পদ্ধতিৰে স্বচ্ছ শ্ৰমিক পৰিদৰ্শন আঁচনিৰ ব্যৱস্থা তথা শ্ৰম পৰিদৰ্শকৰদ্বাৰা ৭২ ঘন্টাৰ ভিতৰত পৰিদৰ্শন কৰা প্ৰতিবেদন আপলোড কৰাৰ ব্যৱস্থা আছে। পোৰ্টেলৰ সহায়ত সময়মতে ওজৰ আপত্তিসমূহ সমাধান কৰাৰ নিশ্চয়তা প্ৰদান কৰা হ'ব। ইউনিক লেবাৰ আইডেন্টিফিকেচন নম্বৰ ইতিমধ্যে ৯.৫ লাখতকৈও অধিক প্ৰতিষ্ঠানক প্ৰদান কৰা হৈছে। আঠখন শ্ৰমিক আইনৰ অধীনত 'কমন ৰিটাৰ্ণ' দাখিল কৰিবৰ কাৰণে ব্যৱস্থা অলপতে প্ৰচলন কৰা হয়(২৪ এপ্ৰিল, ২০১৫)। এই সেৱা প্ৰদান কাৰ্যই কাৰবাৰ কৰাৰ ক্ষেত্ৰত লেন-দেনৰ খৰচ হ্ৰাস কৰিব আৰু তেনেদৰে নিজৰ কাম-কাজ সম্পাদন কৰাটোও সহজ কৰি তুলিব। একেটা উৎসত ১৪ টা " ৰেগুলেটৰি পাৰমিছন"ক সমন্বিত কৰা " ই-বিজ" আৰম্ভ কৰা হৈছে।

চৰকাৰে এই কথাটো মানি লৈছে যে গ্ৰাম্য যুৱকক নিয়োগৰ উপযুক্ত কৰি তোলাটো হ'ল এটা অতি গুৰুত্বপূৰ্ণ বিষয় আৰু ইয়েই হ'ব ভাৰতৰ জনগাঁথনিত এখন সমাহিত ৰূপৰ প্ৰতিছবি দাঙি ধৰাৰ মূল চাবিকাঠী। কিয়নো গ্ৰাম্য জনসংখ্যাই এতিয়াও দেশখনৰ ৭০ শতাংশ জনসংখ্যাৰ ওচৰা-উচৰি অধিকাৰ কৰি আছে। এই কথাটোলৈকে লক্ষ্য কৰি দীনদয়াল উপাধ্যায় গ্ৰামীণ কৌশল যোজনা প্ৰচলন কৰা হয়। এই আঁচনিখনৰ কাৰণে ২০১৫-১৬ বৰ্ষৰ বাজেটত ১৫০০ কোটি টকা ৰখা হৈছে। ইয়াৰ বিতৰণ ডিজিটেল ভাউচাৰৰ জৰিয়তে পোনপটীয়া ভাৱে উপযুক্ত ছাত্ৰৰ বেংক একাউন্টত কৰা হ'ব।

কৰ্ম বাহিনীৰ ৯২ শতাংশ অধিকাৰ কৰা অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ বাবে চৰকাৰে আন অৰ্গেনাইজদ ৱৰ্কাৰছ ছ'চিয়েল এক্ট, ২০০৮ অনুযায়ী চিহ্নিত কৰা আৰু পঞ্জীকৰণৰ কাম আৰম্ভ কৰিবলৈ আশ্বাস দিছে। একক মঞ্চতেই অসংগঠিত খণ্ডৰ কৰ্মীসকলৰ বাবে সামাজিক নিৰাপত্তা আঁচনিৰ সুবিধাৰ অৰ্থে অসংগঠিত খণ্ডৰ কৰ্মচাৰীক আধাৰ নম্বৰ তথা বেংক একাউন্ট নম্বৰ সহ একোখন পৰিচয় পত্ৰ দিয়া হ'ব।

সংগঠিত খণ্ডত ই উনিভাৰ্ছেল একাউন্ট নম্বৰ ৪.৪৭ কোটিতকৈ অধিক কৰ্মীক প্ৰদান কৰা হয় - যাতে তেওঁলোকে কৰ্মচাৰী ভৱিষ্যনিধি পুঁজিৰ সম্পূৰ্ণ সুবিধা গ্ৰহণ কৰিব পাৰে। ইয়াত বৈদ্যুতিন ব্যৱস্থাৰে সদস্যসকললৈ ৯৯ শতাংশ ধন আদায় দিয়া হয়। মাহিলি বৰঙণি আৰু কিমান জমা হয় সেই বিষয়ে এছ এম এছ প্ৰেৰণ কৰি জনোৱা হয়। ঠিকাভিত্তিক আৰু নিৰ্মাণ কামত জড়িত কৰ্মীসকলক ইউনিভাৰ্ছেল একাউন্ট নম্বৰ ব্যৱস্থাত অন্তৰ্ভুক্ত কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে — যাৰদ্বাৰা তেওঁলোকক আনুষ্ঠানিক সামাজিক নিৰাপত্তা আবেষ্টনীৰ মাজলৈ আনিব পৰা যায়।

কৰ্মচাৰী পেঞ্চন আঁচনিত বৰঙণি যোগোৱা সকলৰ বাবে কমেও মাহিলি ১০০০ টকা পেঞ্চন মঞ্জুৰ কৰিবৰ কাৰণে চৰকাৰে ব্যৱস্থা কৰে। ২০১৪ চনৰ ছেপ্টেম্বৰত জাননীকৃত কৰা অধিকতৰ পেঞ্চনৰ বাবে স্থায়ী ৰূপত চলাই থাকিবৰ কাৰণে সম্প্ৰতি কেন্দ্ৰীয় কেবিনেটৰ অনুমোদন লাভ কৰিছে। এতিয়া পেঞ্চন প্ৰায় ৫০ লাখ পেঞ্চনভোগীলৈ প্ৰতিমাহে মাহটোৰ প্ৰথম কৰ্ম দিনতেই মজুত কৰি ৰাখিবলৈ লোৱা হৈছে। ইয়াৰ উপৰি ইপিএফ আঁচনিৰ অধীনত বেতনৰ চিলিং সীমা বৃদ্ধি কৰিবৰ বাবে এখন জাননী জাৰি কৰা হৈছে। তাৰ সীমা হ'ল ৬,৫০০ টকাৰ পৰা ১৫,০০০ টকা। পোন প্ৰথম বাৰৰ বাবে ১২২টা ইপি এফ কাৰ্যালয়ৰ ভিতৰত ১০৩টা কাৰ্যালয়ৰ ১৫.৫৪ কোটি সদস্যৰ একাউন্ট চলিত বৰ্ষৰ পহিলা এপ্ৰিলত আপডেট কৰা হয়; অৰ্থাৎ নতুন বিত্তীয় বৰ্ষৰ প্ৰথম দিনাই এই কাম সমাপন কৰা হয়।

৬৫ শতাংশতকৈ অধিক জনসংখ্যা তৰুণ আৰু তেওঁলোক কাম কৰিব পৰা বয়সৰ শ্ৰেণীৰ লোক। এই বিশেষত্বলৈ লক্ষ্য ৰাখি চৰকাৰে দক্ষ ভাৰতৰ এখন ছবিৰ প্ৰতি সহাৰি জনাইছে। উদ্দেশ্য হ'ল এই অভূতপূৰ্ব জনগাঁথনিৰ বাবদ পাব পৰা লাভাংশৰ সম্ভাৱনাক উপযুক্তভাৱে কামত লগোৱা। দক্ষতা বিকাশ বিষয়ক এটা সুকীয়া মন্ত্ৰালয় সৃষ্টি কৰা হৈছে। যোৱা এটা বছৰত যুৱকসকলৰ নিয়োগ উপযুক্ততা গঢ়ি তোলা আৰু নিয়োগ বৃদ্ধি কৰিবৰ কাৰণে ডিমাণ্ড ৰেছপনছিভ ভ'কেচনেল ট্ৰেইনিং এণ্ড কেৰিয়াৰ ছাৰ্ভিচেছক উৎসাহিত কৰিবৰ অৰ্থে ব্যৱস্থা গ্ৰহণ কৰা হৈছে। কৰ্ম বাহিনীৰ অন্য স্পৰ্শকাতৰ শ্ৰেণীৰ লোককো ইয়াত সামৰি লোৱা হৈছে। ২০১৪ বৰ্ষৰ ১৬ অক্টোবৰত এপ্ৰেন্টিচ প্ৰোৎসাহন যোজনা প্ৰচলন কৰা হয়। অতি ক্ষুদ্ৰ,ক্ষুদ্ৰ, মজলীয়া উদ্যোগৰ ওপৰত এই আঁচনিৰ আলোকপাতৰ বিষয়। ইয়াৰ দ্বাৰাই অহা আঢ়ৈ বছৰৰ ভিতৰত এক লাখ এপ্ৰেন্টিচ অৰ্থাৎ নবীচক সমৰ্থন প্ৰদান কৰাৰ লক্ষ্য আছে। তাৰ কাৰণে ৫০ শতাংশ জলপানিৰ ব্যৱস্থাৰ বোজা বহন কৰিব আৰু অহা কেইবছৰমানৰ ভিতৰত ২০ লাখতকৈ অধিক নবীচ সৃষ্টি কৰাৰ লক্ষ্য আছে। বৰ্ত্তমানে এনে সংখ্যা হ'ল ২.৯ লাখ। অৰ্দ্ধ দক্ষতা থকা কৰ্মীৰ ন্যুনতম মজুৰিলৈ চাই জলপানিৰ হাৰ ট্ৰেড এপ্ৰেন্টিচৰ বাবে বৃদ্ধি কৰাৰ বিষয়ে জাননী জাৰি কৰা হয়।

চৰকাৰে স্ব-নিয়োজন তথা মেধাসকলৰ সদ ব্যৱহাৰ সম্পৰ্কিত এটা ব্যৱস্থা গ্ৰহণ কৰিবলৈ লৈছে বুলি বাজেটত উল্লেখ কৰা হৈছে। সেই ব্যৱস্থাক 'ছেতু' ৰূপে জনা যায় ( ছেল্ফ-এমপ্লয়মেন্ট এণ্ড

টেলেন্ট ইউটিলাইজেচন)। এই হেতু কাৰিকৰী তথা বিত্তীয় ভাবাপন্ন যোজনা। ই কোনো এটা কাৰবাৰ আৰম্ভ কৰাৰ সকলো দিশকে সামৰি ল'বলৈ কাৰ্যসূচীৰ ব্যৱস্থা কৰে। অন্যান্য স্ব-নিয়োজনমূলক কাম-কাজকো সমৰ্থন জনায় -বিশেষকৈ প্ৰযুক্তিৰে পৰিচালিত ক্ষেত্ৰসমূহত। নিটি আয়োগত এই যোজনাৰ বাবে বাজেটত ১০০০ কোটি টকা ধাৰ্য কৰা হৈছে।

নিয়োগ সেৱাসমূহ আধুনিকীকৰণ কৰা হৈছে। নেচনেল কেৰিয়াৰ ছাৰ্ভিচেছৰ কাম ২০১৫ বৰ্ষৰ মাৰ্চৰ পৰা আৰম্ভ হৈছে। নিয়োগ উপযুক্ত দক্ষতা লাভৰ ক্ষেত্ৰত প্ৰশিক্ষণ প্ৰদানৰ বাবে এশ মডেল কেৰিয়াৰ চেন্টাৰৰ বিকাশ সাধন কৰা হ'ব। এনচিভিচি -এমআই এছ পোৰ্টেল সহ আন এটা সফলতা লাভ কৰা হয়। ২০১৪ চনৰ ডিচেম্বৰৰ পৰা এই সেৱা আগবঢ়োৱা হয়। নিৰ্মাণ খণ্ডৰ বাবে "ৰিকগনিচন অব প্ৰাইতাৰ লাৰ্নিং (আৰ পি এল) হ'ল আন এটা অনন্য প্ৰয়াস যাৰ দ্বাৰা অনানুষ্ঠানিকভাৱে নিৰ্মাণ কামত প্ৰশিক্ষণ লাভ কৰা সকলক দক্ষ শ্ৰমিকৰ পৰিসৰৰ ভিতৰলৈ অনা হ'ব। আই টি আই সমূহত প্ৰশিক্ষণৰ গুণগত দিশ উন্নত কৰিবৰ বাবে দূৰণিবটীয়া শিক্ষা প্ৰযুক্তিৰ জৰিয়তে আই টি আই ইনষ্ট্ৰাক্টৰসকলক প্ৰশিক্ষণ দিয়াৰ কাম আৰম্ভ কৰা হৈছে। চৰকাৰে ত্ৰিপাক্ষিকবাদক শ্ৰমিক নীতিৰ আলাপ-আলোচনাৰ এটা গুৰুত্বপূৰ্ণ বিষয় ৰূপে বিবেচনা কৰিছে; আৰু সেই মৰ্মে শ্ৰম আৰু নিয়োগ মন্ত্ৰালয়ে আহ্বান কৰা বৈঠকসমূহে ভাল তৰ্কৰ বিষয় উদ্ৰেক কৰিছে। ৰাজ্য চৰকাৰ, চেন্ট্ৰেল ট্ৰেড ইউনিয়ন আৰু কৰ্মচাৰী সংস্থাসমূহৰ স'তে হোৱা ত্ৰিপাক্ষিক বৈঠকত সভাপতিৰ আসন গ্ৰহণ কৰি চলিত বৰ্ষৰ ১৩ জানুৱাৰীত শ্ৰম আৰু নিয়োগ (স্বতন্ত্ৰ) মন্ত্ৰী বান্দাৰু দত্তত্ৰেয়ই কয় যে শ্ৰম বিষয়ক সকলো অৱস্থাতে সংশ্লিষ্ট অনুষ্ঠান-প্ৰতিষ্ঠানসমূহৰ সক্ৰিয় জড়িতকৰণৰ আৱশ্যক আছে। আলোচনা প্ৰক্ৰিয়াত আস্থা ৰাখি তেওঁ এইটোও কয় যে শ্ৰম মন্ত্ৰালয়ে সামাজিক আলাপ-আলোচনাৰ প্ৰবৃত্তিকে অনুসৰণ কৰিছে— যাতে তাৰ পৰা বিভিন্ন কৰণীয় কামৰ বিষয়ে বুজিব পাৰি।

নিয়োগকৰ্তাসকলেও একেলগে মানি লয় যে ঔদ্যোগিক বিকাশৰ লক্ষ্য কেৱল কৰ্মীসকলৰ সমিল-মিলৰ মাজেৰেহে আহৰণ কৰিব পাৰি। তেওঁলোকৰ স্বাৰ্থৰ স'তে কৰণীয় কামবোৰ অনুকূল হোৱা প্ৰয়োজন -যাতে তাৰ পৰা ইতিবাচক দিশৰ উন্মোচন হ'ব পাৰে। ২০১৫ চনৰ ৩১ মাৰ্চত প্ৰস্তাৱিত ই পি এফ আইনৰ সংশোধন সম্পৰ্কত দ্বিতীয়বাৰৰ বাবে ত্ৰিপাক্ষিক আলোচনা আলোচনা অনুষ্ঠিত হয়। মন্ত্ৰীয়ে প্ৰতিনিধিসকলক যিবোৰ ঘাই পৰিবৰ্তন সাধিবলৈ ভবা হৈছে সেই বিষয়ে জানিবলৈ দিয়ে। ই পি এফ কিম্বা ৰাষ্ট্ৰীয় পেঞ্চন আঁচনিত কৰ্মীসকলে যোগদান কৰিব নে নকৰে সেই সম্বন্ধে তেওঁলোকক বিচাৰ কৰিবলৈও প্ৰস্তাৱ কৰা হয়। অৱশ্যে ট্ৰেড ইউনিয়নসমূহে পূৰ্বতে দিয়া ১০ দফা দাবী দীৰ্ঘ দিনৰ বাবে বিচাৰ নোহোৱাকৈ পৰি থকা বিষয়টো বৈঠকত উত্থাপন কৰে আৰু চৰকাৰৰ স'তে অধিক আলোচনা কৰাৰ পক্ষপাতী বুলি জানিবলৈ দিয়ে। ইউনিয়নে দিল্লীত অনুষ্ঠিত হ'ব লগা ৰাষ্ট্ৰীয় বৈঠকৰ পাছতহে তেওঁলোকৰ দৃষ্টিভংগীৰ বিষয়ে জনোৱাটো ঠিক কৰে।

কৰ্মচাৰী ভৱিষ্য নিধি আইনত যি বহল পৰিসৰৰ কৰ্মচাৰী অনুকূল সংশোধন কৰিবলৈ প্ৰস্তাৱ কৰা হৈছে তাৰ ভিতৰত এইকেইটা বিষয় আছে- আইনখনৰ অধীনত কৰ্মচাৰীক সামৰি ল'বৰ কাৰণে আৱশ্যক হোৱা নিম্নতম সংখ্যা বৰ্তমানৰ ২০ পৰা ১০ কৰিবলৈ লোৱা হৈছে ; ক্ষুদ্ৰায়তন গোটবোৰৰ কাম-কাজক উৎসাহিত কৰিবৰ বাবে বিশেষ ব্যৱস্থা ; এপেলেট আথ'ৰিটি স্থিতকৰণৰ বাবে ব্যৱস্থা ; আৰু আইনখনৰ ৰূপায়ণৰ ক্ষেত্ৰত জটিলতাবোৰ আঁতৰ কৰা। সংশোধনাৱলীয়ে আইনখনৰ অধীনত থকা সংজ্ঞাবোৰৰ ক্ষেত্ৰত অধিক স্পষ্টতা নিশ্চিত কৰিব বিশেষকৈ মজুৰিৰ ক্ষেত্ৰত। ই অধিক স্বচ্ছতা প্ৰদান কৰিব আৰু পৰ্যবেক্ষণ কৰা কাৰ্যাৱলীয়ে আইনখন বলবৎ কৰাত দায়বদ্ধতা নিশ্চিত কৰিব।

ত্ৰিপাক্ষিক আলোচনাত এইটো পৰিলক্ষিত হয় যে প্ৰস্তাৱিত সংশোধনাৱলীৰ বাবে প্ৰয়োজনীয় বিষয়বোৰ মানি ল'বলৈ আটায়ে মান্তি হৈছে। প্ৰতিনিধিবৰ্গই ভাবে যে এন পি এছ ইপি এফ বাছনিৰ অৰ্থ হ'ব কৰ্মীৰ বাবে অধিক পছন্দৰ বিষয়। অৱশ্যে বৈঠকত এই দৃষ্টিভংগীও দাঙি ধৰা হয় যে কৰ্মচাৰী ভৱিষ্যনিধি পুঁজি সংগঠনে যি লাভৰ সুবিধা আগবঢ়াইছে সেইটো এন পি এছ-এ কৰিব নোৱাৰে আৰু সেই বাবে তাৰ লগত তুলনা কৰিব নোৱাৰি। প্ৰকাশ কৰা মতামতৰ পৰা এইটো স্পষ্ট যে সংশোধনাৱলীয়ে ভাৰতীয় উদ্যোগৰ প্ৰতিযোগিতামুখিতাক তীক্ষ্ণ কৰাত সহায় কৰিব আৰু তাৰদ্বাৰাই ভাৰতক নিৰ্মাণ কাৰ্যৰ এটা স্নায়ুকেন্দ্ৰ হোৱাৰ বাবে সমৰ্থবান কৰি তুলিব। ক্ষুদ্ৰায়তন উদ্যোগৰ প্ৰতি যি ৰেহাই ব্যৱস্থা মঞ্জুৰ কৰিবলৈ লোৱা হৈছে তাক অধিক উৎসাহিত কৰিব লাগে বুলি বৈঠকত মত দাঙি ধৰা হয়। সমূহ আলোচনাক সজীৱ কৰি ৰাখি চৰকাৰে সংশ্লিষ্ট অনুষ্ঠান প্ৰতিষ্ঠানৰ প্ৰতিনিধি বৰ্গৰ প্ৰতি এই সঁহাৰি জনায় যে আইনগতভাৱে সংশোধন কৰিবলৈ চূড়ান্ত ৰূপ দিয়াৰ সময়ত তেওঁলোকে আগবঢ়োৱা মতামত আৰু দিহা-পৰামৰ্শাৱলীৰ কথা মনত ৰখা হ'ব।

# ইউনানী ঃ স্বাস্থ্য আৰু নিৰাময় বিজ্ঞান

* অধ্যাপক ৰইছ - উৰ-ৰহমান

**আগকথা**

ইউনানী হ'ল এবিধ পৰম্পৰাগত চিকিৎসা পদ্ধতি। বহুযুগৰ আগতে এইবিধ চিকিৎসা পদ্ধতি বিকশিত হৈছিল বৰ্তমানৰ গ্ৰীচদেশত। দৰাচলতে এইবিধ চিকিৎসা পদ্ধতিক তদানীন্তন ইজিপ্ত, ছিৰিয়া, ইৰাক, ইৰাণ, চীন, ভাৰত অথবা সুদূৰ প্ৰাচ্যৰ পৰম্পৰাগত চিকিৎসা পদ্ধতিসমূহৰ সংশ্লেষিত ৰূপ বুলিও অভিহিত কৰিব পাৰি। ৰোগৰ প্ৰতিৰোধক, ৰোগ নিৰাময়ক অথবা ভগ্নস্বাস্থ্যৰ পুনৰ সংস্থাপক হিচাপে এইবিধ চিকিৎসা পদ্ধতিয়ে কল্যাণকাৰী ভূমিকা পালন কৰি আহিছে।

তাহানিৰ ইউনান,বৰ্তমানৰ গ্ৰীচ দেশত খ্ৰীষ্ট পূৰ্ব পঞ্চম-চতুৰ্থ শতিকাত হিপ'ক্ৰেটিছৰ পৃষ্ঠপোষকতাত এইবিধ চিকিৎসা পদ্ধতিয়ে স্থিতি লাভ কৰিবলৈ সক্ষম হৈছিল। পৰৱৰ্তী সময়ত আৰব আৰু পাৰস্যত ইউনানীয়ে বিশেষ প্ৰসাৰ লাভ কৰে। আৰবসকলৰ জৰিয়তেই এটা সহস্ৰাব্দৰ আগতে ভাৰতীয় উপমহাদেশত ইউনানীয়ে প্ৰৱেশ কৰেহি আৰু সহস্ৰ বছৰ জোৰা চৰ্চা -গৱেষণাৰ আধাৰত এইখন দেশত স্থায়ী ঘৰ সজা ইউনানীয়ে বহু সাফল্যৰ মুখ দেখিবলৈ সক্ষম হৈছে। ইতিমধ্যে ভাৰতীয় সমাজ জীৱনত জীন যোৰা এইবিধ চিকিৎসা পদ্ধতিক ভাৰত চৰকাৰে ভাৰতীয় চিকিৎসা পদ্ধতি হিচাপে স্বীকৃতি প্ৰদান কৰি আমাৰ ৰাষ্ট্ৰীয় স্বাস্থ্য সুৰক্ষা ব্যৱস্থাৰ অপৰিহাৰ্য্য অংগ হিচাপে গঢ়ি তোলাৰ ব্যৱস্থা কৰিছে। ইউনানীৰ বহুমুখী বিকাশ সম্ভৱ কৰিবৰ পৰাকৈ চৰকাৰে বৰ্দ্ধিত ৰূপত পুঁজি আবন্টনকে ধৰি যাৱতীয় পদক্ষেপ গ্ৰহণ কৰাৰ সুবাদত এতিয়া দেশৰ প্ৰান্তে প্ৰান্তে ইউনানী শিক্ষাৰ বহু প্ৰতিস্থান, গৱেষণা প্ৰতিষ্ঠান, ঔষধ প্ৰস্তুতকৰণ উদ্যোগ আৰু ৰাষ্ট্ৰীয় পৰ্যায়ত ৰোগীৰ চিকিৎসা দান কৰিব পৰাকৈ বহুসংখ্যক চিকিৎসালয় গঢ়ি উঠিছে। কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰসমূহৰ বিশেষ তৎপৰতাত গঢ়ি উঠা এইসমূহ চিকিৎসালয়ে দেশৰ প্ৰান্তে প্ৰান্তে চিকিৎসা সেৱা আগবঢ়াই জনসাধাৰণ উপকৃত কৰিবলৈ সক্ষম হৈছে।

গোলকীকৰণৰ আজিৰ প্ৰেক্ষাপটত ইউনানীয়েও ভাৰতৰ চাৰিসীমা অতিক্ৰমি আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাপটত ভূমুকি মৰাৰ এটা পৰিবেশ লাভ কৰিছে। এইক্ষেত্ৰত দেশৰ চৰকাৰৰ প্ৰয়াসৰ লগতে আন্তঃৰাষ্ট্ৰীয় সহযোগিতায়ো বিশেষ প্ৰেক্ষাপট সৃষ্টি কৰাত সহায়ৰ হাত আগবঢ়াইছে। ইতিমধ্যে দক্ষিণ আফ্ৰিকাৰ ৱেষ্টাৰ্ণ কেপ বিশ্ববিদ্যালয়ত ইউনানী চিকিৎসাৰ বাবে আচুতীয়া আসনৰ ব্যৱস্থা কৰাৰ লগতে আন কেবাখনো দেশেও তেওঁলোকৰ বিশ্ববিদ্যালয়ত এনে আসনৰ শুভাৰম্ভ কৰাৰ বাবে আগ্ৰহ প্ৰকাশ কৰাটো ইউনানী চিকিৎসাৰ বাবে আশাব্যঞ্জক কথা হিচাপে চিহ্নিত হৈছে।

ইউনানী চিকিৎসাপদ্ধতিক ত্ৰৈমাত্ৰিক স্বাস্থ্যসুৰক্ষা ব্যৱস্থা হিচাপে গঢ়ি তোলাৰ লগতে এইবিধ চিকিৎসা পদ্ধতিৰ বিশেষ গৱেষণা সম্ভৱ হোৱাকৈ উৎকৰ্ষতাৰ কেন্দ্ৰ স্থাপনৰ প্ৰয়োজনীয়তাৰ কথা দীৰ্ঘদিন ধৰি বিবেচনা কৰি অহা হৈছিল। শেহতীয়া ভাবে ইউনানী চিকিৎসাৰ গৱেষণা, বিকাশৰ লগতে স্নাতকোত্তৰ আৰু গৱেষণাৰ পৰ্যায়ত উচ্চ মানৰ শিক্ষণ আৰু প্ৰশিক্ষণ সম্ভৱ কৰিব পৰাকৈ 'অখিল ভাৰতীয় ইউনানী আয়ুৰ্বিজ্ঞান প্ৰতিষ্ঠান' স্থাপনৰ বাবে আয়ুস মন্ত্ৰালয়ে নীতিগত সিদ্ধন্ত গ্ৰহণ কৰিছে। ইফালে পৰিকল্পনা আয়োগেও এই প্ৰতিষ্ঠানৰ বাবে প্ৰায় ২৫০ কোটি টকাৰ পুঁজি আবন্টনৰ ব্যৱস্থা কৰিছে।

**ইউনানী চিকিৎসাৰ মূলাধাৰা ঃ**

প্ৰাচীন গ্ৰীচ বা ইউনানত বিকশিত হোৱা বাবেই এইবিধ চিকিৎসা পদ্ধতিৰ নাম ইউনানী বুলি প্ৰচলিত হৈ আহিছে। গভীৰ দৰ্শন আৰু বৈজ্ঞানিক সূত্ৰৰ আধাৰতে এইবিধ পদ্ধতিৰো বুনিয়াদ গঢ়ি উঠিছে। ইউনানী পদ্ধতিৰ আটাইতকৈ গুৰুত্বপূৰ্ণ আধাৰ হ'ল — মানুহৰ শৰীৰ 'উমৰ-ঈ তবাইয়া' অৰ্থাৎ সাতবিধ প্ৰাকৃতিক বা বুনিয়াদী উপাদানেৰে সৃষ্টি হয়। সেয়ে মানুহৰ স্বাস্থ্য প্ৰতিপালনৰ ক্ষেত্ৰতো এই কেইবিধ উপাদান বা 'উমৰ-ঈ- তবাইয়া' ই ভূমিকা পালন কৰে। এই সাতবিধ উপাদান হ'ল— পঞ্চভূত (আৰকান), মন (মিজাজ), পিত্ত বা ধাতু (আখ্‌লাট), ইন্দ্ৰিয় (আঝা), প্ৰাণ শক্তি (আৰৱা), দেহ- মনৰ শক্তি (কু'ৱা) আৰু কৰ্ম-কাণ্ড (অফাল)। ইফালে ইউনানী ঔষধ সম্বন্ধে হিপ'ক্ৰেটিছে আগবঢ়োৱা পিত্ত বা ধাতু সূত্ৰ অনুসৰি মানুহৰ শৰীৰ তিনি ধৰণৰ উপাদানেৰে নিৰ্মিত হয়। সেয়া হৈছে— গোটা পদাৰ্থ যাক 'অঝা' অৰ্থাৎ

* অধ্যাপক ৰইছ- উৰ -ৰহমান চি চি আৰ ইউ এমৰ তত্বাৱধায়ক সঞ্চালক প্ৰধান,তথা আয়ুস মন্ত্ৰালয়ৰ পৰামৰ্শদাতা (ইউনানী)।

অংগ বুলি অভিহিত কৰা হৈছে; জুলীয়া, যাক 'আখ্‌লটি' অৰ্থাৎ পিত্ত আৰু গেছীয়, যাক 'আৰৱী' অৰ্থাৎ প্ৰাণশক্তি বুলি অভিহিত কৰা হৈছে।

সেইদৰে 'মাৱালীড -ঈ-ছালছা' সূত্ৰৰ মতেও সমগ্ৰ বিশ্ব ব্ৰহ্মাণ্ড গোটা, জুলীয়া আৰু গেছীয় উপাদানেৰে সৃষ্টি হৈছে। ইউনানী চিকিৎসা পদ্ধতিত ৰোগীৰ 'নব্‌জা' অৰ্থাৎ নাড়ী বৌল ' অৰ্থাৎ প্ৰস্ৰাৱ আৰু 'বাৰাঝ' অৰ্থাৎ শৌচ পৰীক্ষণৰ জৰিয়তে ৰোগৰ বিশ্লেষণ কৰা হয়। এই পদ্ধতিয়ে 'বায়ু পানী, অগ্নি আৰু পৃথিৱী এই চাৰি উপাদানৰ লগতে তেজ, শ্লেষ্মা, হালধীয়া আৰু ক'লা পিত পানীৰ চাৰি তৰলৰ সূত্ৰক বিশ্বাস কৰে। এই চাৰি বিধ তৰলৰ যিকোনো ধৰণৰ বিসংগতিয়ে শৰীৰত ৰোগৰ প্ৰাদুৰ্ভাৱ ঘটায় আৰু ইয়াৰ সমতুলতাই মানুহক সুস্থ জীৱন উপভোগৰ অৱকাশ দিয়ে বুলি ভবা হয়। ইউনানী চিকিৎসা পদ্ধতিত মানুহৰ মানসিক অৱস্থাৰ ওপৰত বিশেষ গুৰুত্ব প্ৰদান কৰা হয়। সেইদৰে মানসিক অৱস্থাক আশাবাদ, আবেগবিহীনতা, খিংখিঙীয়া স্বভাৱ আৰু হতাশাই নিয়ন্ত্ৰণ কৰে বুলি ভবা হয়। সেয়ে এই পদ্ধতিৰে ৰোগ নিৰাময়ৰ বাবে মানুহৰ মানসিক অৱস্থাৰ সমতুলতা বৰ্তাই ৰখাৰ বাবে বিপৰীত ধৰ্মী মানসিক অৱস্থা সৃষ্টি কৰিব পৰা ঔষধ আদিৰে চিকিৎসাৰ ব্যৱস্থা কৰা হয়। ইউনানী চিকিৎসা মূলতঃ চাৰি ধৰণে প্ৰদান কৰা হয়। সেয়া হৈছে পথ্য-চিকিৎসা, পথ্যাপথ্য নিৰ্ধাৰণৰে সংহত চিকিৎসা, ঔষধ দানৰে চিকিৎসা আৰু অস্ত্ৰোপচাৰ।

**মহত্ব ঃ**

কল্যাণকাৰী প্ৰয়াস,মনন-ভিত্তিক পৰামৰ্শ তথা শুশ্ৰূষা দান আৰু স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা 'আচবাব-ঈ-ছিট্টা ঝৰুৰীয়া' অৰ্থাৎ জীৱনৰ অতিকে প্ৰয়োজনীয় ৬ বিধ কাৰকৰ বিশ্লেষণেৰে চিকিৎসাৰ দিহা কৰা কথাই ইউনানী চিকিৎসা পদ্ধতিক মহত্ব প্ৰদান কৰিছে। শৰীৰৰ অংগ -প্ৰতংগৰ লগতে ৰোগ প্ৰতিৰোধ ক্ষমতাক পুনৰুজ্জীৱিতকৰণত দেখুওৱা কৃতিত্বই য়ুনানী চিকিৎসা পদ্ধতিক অনন্যতা প্ৰদান কৰিছে। পেশী-হাড়ৰ বিসংগতি,শ্বাস-প্ৰশ্বাস, চৰ্মৰোগ, যকৃতৰ বিসংগতি, স্নায়ৱিক বিসংগতিকে ধৰি আন বহুবোৰ ক্ষণিক তথা দীৰ্ঘম্যাদী ৰোগ নিৰাময়ত এই চিকিৎসা পদ্ধতিয়ে লক্ষণীয় সাফল্য প্ৰদৰ্শন কৰি আহিছে।

সংহত চিকিৎসা বিধিৰে জীৱনৰ অতিকে প্ৰয়োজনীয় ৬ কাৰকৰ সংশোধন কৰি আৰোগ্য দানৰ ব্যৱস্থা কৰাটো ইউনানী চিকিৎসা পদ্ধতিৰ উল্লেখনীয় বৈশিষ্ট্য। সংহত চিকিৎসা বিধিত পথ্য চিকিৎসা, শিঙাৰে তেজ উলিয়াই কৰা চিকিৎসা (হিজামা, জোকৰদ্বাৰা তেজ উলিয়াই) কৰা চিকিৎসা। সিৰ কাটি তেজ উলিয়াই কৰা চিকিৎসা (তালকি), (ফাচ্‌ড) আদি অন্তৰ্ভূক্ত হৈ থাকে। এইবোৰৰ লগত ঔষধ প্ৰদানৰো ব্যৱস্থা কৰি দেহৰ পৰা ৰোগ নিৰাময়ৰ দিহা কৰা হয়। বেদনা উপশম আৰু ছালৰ বিভিন্ন ৰোগো অতি কম ঔষধ ব্যৱহাৰ কৰি সংহত চিকিৎসা বিধিৰে নিৰাময় কৰিব পাৰি। দ্ৰুত আৰু প্ৰভাৱশালী ৰূপত আৰোগ্য লাভ কৰিব পৰাটো এই বিধ চিকিৎসা বিধিৰ উল্লেখনীয় বৈশিষ্ট্য। এইবিধ চিকিৎসা পদ্ধতিত মানুহৰ দেহত থকা ৰোগ প্ৰতিৰোধক ক্ষমতাৰ সমতুলতা বৰ্তাই ৰাখিব পৰা 'খামীৰা মাৰৱাৰীড', 'জৱাহৰ মহ্‌ৰা'ৰ দৰে ব্যৱস্থাও থকা বাবে ইয়াৰ জৰিয়তে ৰোগীৰ দেহৰ ৰোগ প্ৰতিৰোধী ক্ষমতা বৰ্দ্ধনৰো দিহা কৰিব পাৰি। সেইদৰে এইডছ্‌, যক্ষ্মা, কেন্সাৰৰ দৰে দীৰ্ঘদিন ঔষধ সেৱন কৰিবলগীয়া হোৱা ৰোগৰ ক্ষেত্ৰত ৰোগীয়ে ইউনানী চিকিৎসাৰ ঔষধ ব্যৱহাৰ কৰি ঔষধৰ পৰা হ'ব পৰা পাৰ্শ্বক্ৰিয়াৰ পৰিমাণ বহু পৰিমাণে কমোৱাৰ লগতে ৰোগ প্ৰতিৰোধী ক্ষমতা বৰ্দ্ধন কৰি জীৱন ধাৰণৰ সামগ্ৰিক মান উন্নত কৰিব পাৰে।

ইউনানী চিকিৎসাৰ জৰিয়তে বিভিন্ন ধৰণৰ ৰোগৰ নিৰাময় কৰিব পাৰি। বিশেষকৈ দীৰ্ঘদিনীয়া অসুখ যেনে ঃ জি আই টিৰ বিসংগতি, গেষ্ট্ৰাইটিছ, পেপ্‌টিক আলছাৰ, আই বি এছ, আলছাৰেটিভ কলাইটিছৰ দৰে ৰোগ; হাওঁফাওঁ জনিত ৰোগ — বংকিয়েল এজমা, ক্ৰনিক বংকাইটিছ; পেশী অথবা হাড়জনিত ৰোগ — আৰ্থ্ৰাইটিছ, অষ্টিঅ'পৰ'ছিছ; স্নায়বিক বিসংগতি — ছেনাইল ডিমেন্‌চিয়া, পেৰাছিছ, পেৰালাইছিছ; হৃদপিণ্ডৰ বিসংগতিজনিত ৰোগ — আই এইচ ডি, হাই পাৰটেনশ্যন জীৱনধাৰাজনিত ৰোগ— ডায়েবেটিছ, অবেচিটী, হাইপাৰলিপিডেমিয়া, বাতবিষ; যৌন বিসংগতিমূলক — ইৰেক্‌টাইল ডিছফাংশ্যন, শীঘ্ৰ পতন, কামশক্তিহীনতা আদিৰ নিৰাময় ক্ষেত্ৰত এই চিকিৎসা পদ্ধতি ফলপ্ৰসূ হিচাপে চিহ্নিত হৈ আহিছে।

**ভাৰতত ইউনানীৰ শিক্ষা ঃ**

ইউনানী চিকিৎসা পদ্ধতিৰ শিক্ষণ আৰু ব্যৱহাৰিক অধ্যয়নৰ সমুদায় প্ৰক্ৰিয়া নিৰীক্ষণৰ দায়িত্ব বহন কৰে 'ভাৰতীয় চিকিৎসা সম্পৰ্কীয় কেন্দ্ৰীয় পৰিষদ' (চি চি আই এম) এ। ১৯৭০ চনৰ 'ভাৰতীয় চিকিৎসা পৰষিদ আইন'ৰ আধাৰত এই পৰিষদৰ কাম-কাজ, পৰিচালিত হয়। ১৯৯৫ চনৰ 'ভাৰতীয় চিকিৎসা সম্পৰ্কীয় কেন্দ্ৰীয় পৰিষদ' বিধিৰ অধীনত পৰিচালিত ইউনানীৰ চাৰে পাঁচ বছৰীয়া, স্নাতক পাঠ্যক্ৰমৰ অন্তত 'বি ইউ এম এছ' ডিগ্ৰী প্ৰদান কৰা হয়। সেইদৰে ২০০৭ চনৰ 'চি চি আই এম' বিধিৰ অধীনত পৰিচালিত তিনিবছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰ অন্তত এম ডি (ডক্টৰ

অব্ মেডিচিন) অথবা (মাষ্টাৰ অব্ ছাৰ্জাৰী) এম এছ ডিগ্ৰী প্ৰদানৰ ব্যৱস্থা আছে। আজিৰ তাৰিখত দেশৰ বিভিন্ন প্ৰান্তত থকা ৪২ খন শিক্ষা প্ৰতিষ্ঠানত ইউনানী চিকিৎসা পদ্ধতিত স্নাতক পৰ্যায়ৰ শিক্ষা দান কৰা হয়। ইয়াৰে ৮ খনত স্নাতকোত্তৰ পাঠ্যক্ৰমৰো ব্যৱস্থা আছে। বেংগালুৰুত থকা 'ৰাষ্ট্ৰীয় ইউনানী চিকিৎসা প্ৰতিষ্ঠান'ত স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শিক্ষাদান কৰাৰ লগতে গৱেষণাৰো সুবিধা আগবঢ়োৱা হয়। উল্লিখিত প্ৰতিষ্ঠানসমূহত স্নাতক পৰ্যায়ৰ পাঠ্যক্ৰমৰ বাবে মুঠ ১৮৫১ খন আসনৰ ব্যৱস্থা থকাৰ বিপৰীতে স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বাবে আসন আছে ১৩৫ খন। শেহতীয়া ভাৱে বেংগালুৰুত থকা 'ৰাজীৱ গান্ধী স্বাস্থ্য বিজ্ঞান বিশ্ববিদ্যালয়'ৰ অধীনত 'ৰাষ্ট্ৰীয় ইউনানী চিকিৎসা প্ৰতিষ্ঠান' আৰু হায়দৰাবাদৰ বিজয়ৱাড়া বিশ্ববিদ্যালয়ৰ অধীনত 'নিজামী টিব্বি চৰকাৰী মহাবিদ্যালয়'ত পি এইচ ডি কাৰ্যক্ৰমৰ শুভাৰম্ভ কৰা হৈছে।

**স্বাস্থ্য খণ্ডত ভূমিকা ঃ**

দেশৰ বিভিন্ন প্ৰান্তৰ প্ৰত্যন্ত অঞ্চলসমূহত ৫০,৪৭৫ গৰাকী পঞ্জীয়ন ভূক্ত ইউনানী চিকিৎসকে স্বাস্থ্যসেৱা আগবঢ়াই আছে। আজিৰ তাৰিখত দেশৰ বিভিন্ন ৰাজ্যত থকা ২৫৯খন ইউনানী চিকিৎসালয়ত ৰোগীক চিকিৎসা দান কৰা হয়। এই চিকিৎসালয়সমূহত ৩৭৪৪ খন বিচনাৰো ব্যৱস্থা আছে। সেইদৰে দেশৰ বিভিন্ন প্ৰান্তত ইউনানী চিকিৎসাৰ ১৪৮৩ খন দাতব্য চিকিৎসালয়ে সেৱা অব্যাহত ৰাখিছে। ২০০২ চনৰ পৰা বলবৎ হোৱা 'ভাৰতীয় চিকিৎসা আৰু হোমিপেথ সম্পৰ্কীয় ৰাষ্ট্ৰীয় নীতি'ৰ আধাৰত ইউনানী চিকিৎসা পদ্ধতিক 'আয়ুস স্বাস্থ্য সুৰক্ষা সেৱা ব্যৱস্থাৰ অন্তৰ্ভূক্ত কৰি প্ৰাথমিক স্বাস্থ্যৰক্ষাৰ সমল হিচাপে প্ৰবৰ্তনৰ ব্যৱস্থা কৰা হৈছে। এই উদ্দেশ্যে ৰাষ্ট্ৰীয় গ্ৰামীণ স্বাস্থ্য অভিযানৰ অধীনত প্ৰাথমিক আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰসমূহত সেৱা আগবঢ়াব পৰাকৈ দেশত ইউনানীকে ধৰি ১১,৬৫০ গৰাকী আয়ুস চিকিৎসকক ঠিকাভিত্তিক নিযুক্তি প্ৰদান কৰা হৈছে। ইউনানীকে ধৰি এই সকল চিকিৎসক পুনৰোত্থাৰ কাৰ্যক্ৰমৰ লগতে শিশু স্বাস্থ্য তথা বিদ্যালয় স্বাস্থ্য শিক্ষা কাৰ্যক্ৰমৰ লগত জড়িত হৈ আছে।

**গৱেষণা আৰু বিকাশৰ দিশে অগ্ৰগতি ঃ**

ইউনানী চিকিৎসা পদ্ধতিৰ গৱেষণা আৰু বিকাশ কাৰ্যক্ৰম পৰিচালনাৰ দায়িত্ব কম-বেছি পৰিমাণে 'কেন্দ্ৰীয় ইউনানী চিকিৎসা গৱেষণা পৰিষদ'ৰ হাতত ন্যস্ত কৰা হৈছে। বিগত চাৰে তিনিটা দশকতএই পৰিষদে লক্ষ্যণীয় ভাবে বৈজ্ঞানিক সাফল্য আহৰণ কৰিবলৈ সক্ষম হোৱাটো সুখৰ বতৰা। ১৯৭৯ চনৰ ১০ জানুৱাৰীত এই পৰিষদৰ শুভাৰম্ভ ঘোষণা কৰা হৈছিল। ইউনানী চিকিৎসা পদ্ধতিৰ বিকাশ আৰু গৱেষণা কাৰ্যক্ৰমেৰে জড়িত এই পৰিষদৰ মুখ্য কাৰ্যালয় নতুন দিল্লীত থকাৰ বিপৰীতে দেশৰ বিভিন্ন প্ৰান্তত ২৩টা কেন্দ্ৰই কাৰ্যনিৰ্বাহ কৰি আছে।

পৰিষদৰ অন্তৰ্গত শিক্ষা প্ৰতিষ্ঠানসমূহৰ ভিতৰত দুখন 'কেন্দ্ৰীয় ইউনানী ঔষধ গৱেষণা প্ৰতিষ্ঠান' আছে ক্ৰমে হায়দৰাবাদ আৰু লক্ষ্ণৌত। ৮ খন 'আঞ্চলিক ইউনানী ঔষধ গৱেষণা প্ৰতিষ্ঠান' আছে ক্ৰমে চেন্নাই, ভদ্ৰক, পাটনা, নতুন দিল্লী , মুম্বাই, কলকাতা, আলীগড় আৰু শ্ৰীনগৰত। সেইদৰে ইউনানী ঔষধৰ সাহিত্য সম্পৰ্কীয় এখন গৱেষণা প্ৰতিষ্ঠান আছে নতুন দিল্লীত। ঔষধৰ গুণমান নিৰ্ধাৰণ প্ৰতিষ্ঠান আছে গাজিয়াবাদত। এলাহাবাদ আৰু শিলচৰত এটাকৈ ইউনানী ঔষধৰ আঞ্চলিক গৱেষণা কেন্দ্ৰ ; ভূপাল, বুৰহানপুৰ, মীৰাট, বেংগালুৰু, কাৰনাল আৰু ইদাথালাত ৬ টা শয্যাগত ৰোগীৰ ৰোগ সম্পৰ্কীয় গৱেষণা গোট ; নতুন দিল্লীত ঔষধৰ গুণমান নিৰ্ধাৰণ সম্পৰ্কীয় এটা গৱেষণা গোট ; আলীগড়ত এটা ৰাসায়নিক গৱেষণা গোট ; মণিপুৰৰ ইম্ফলত এটা শয্যাগত ৰোগীৰ ৰোগ সম্পৰ্কীয় গৱেষণাৰ পৰীক্ষামূলক গোট আৰু নতুন দিল্লীৰ অগ্ৰণী এলোপেথিক হস্পাতালত বিনামূলীয়াকৈ ইউনানী চিকিৎসা আগবঢ়োৱাৰ বাবে দুটা কেন্দ্ৰ স্থাপনৰ ব্যৱস্থা কৰা হৈছে। — ড° ৰাম মনোহৰ লোহিয়া হাস্পাতাল আৰু দীনদয়াল উপাধ্যায় হস্পিতালত ইউনানী চিকিৎসাৰ বাবে এই দুটা কেন্দ্ৰ স্থাপন কৰা হৈছে। ইফালে 'চি চি আৰ ইউ এম' ৰ অধীনত ৩০ টা ৰোগৰ নিৰাময়ৰ বাবে যুগুতাই উলিওৱা ১৩০ বিধ একক উপাদানযুক্ত ঔষধ আৰু ১২০ বিধ সূত্ৰবদ্ধ ঔষধৰ কাৰ্যকাৰিতা আৰু সংৰক্ষণ সম্পৰ্কীয় অধ্যয়নৰো ব্যৱস্থা আছে।

বিভিন্ন ঋতুকালীন ৰোগৰ নিৰাময়ৰ বাবে উপযোগী হোৱাকৈ চি চি আৰ ইউ এম ইউনানী ঔষধৰ এটা একত্ৰ টোপোলা (কিট) যুগুতাই উলিয়াছে। সেইদৰে বৃদ্ধাৱস্থাত সুস্থ হৈ থকাৰ বাবে জ্যেষ্ঠ নাগাৰিকসকলক সেৱা আগবঢ়াব পৰাকৈ চি চি আৰ ইউ এম এলানি অধ্যয়ন অব্যাহত ৰাখিছে। ইউনানী ঔষধেৰে চৰ্মৰোগ নিৰাময়ৰ বাবেও পৰিষদে এলানি পৰীক্ষামূলক অধ্যয়ন সম্পূৰ্ণ কৰিছে।

**যৌথ গৱেষণা ঃ**

কেন্দ্ৰীয় ইউনানী ঔষধ গৱেষণা পৰিষদে দেশৰ অগ্ৰণী চিকিৎসা মহাবিদ্যালয় তথা অন্যান্য বহুকেইটা বৈজ্ঞানিক সংস্থাৰ সৈতে একেলগে গৱেষণা আৰু অধ্যয়ন কাৰ্যসূচী ৰূপায়ণৰো দিহা কৰিছে। এইবোৰৰ ভিতৰত অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান

প্ৰতিষ্ঠান (চি এছ আই আৰ ), ভাৰতীয় চিকিৎসা গৱেষণা প্ৰতিষ্ঠান (আই চি এম আৰ ) আদি উল্লেখযোগ্য।

পৰম্পৰাগত ভাৰতীয় চিকিৎসা পদ্ধতিৰ উত্তৰণ আৰু প্ৰসাৰৰ উদ্দেশ্যে ভাৰত চৰকাৰে বিভিন্ন দেশৰ সৈতে এলানি সহযোগিতামূলক কাৰ্যক্ৰম ৰূপায়ণৰ ব্যৱস্থা কৰিছে। গোলকীয় প্ৰেক্ষাপটত ৰূপায়িত এই লানি কাৰ্যক্ৰমত ইউনানী চিকিৎসা পদ্ধতিকো অন্তৰ্ভুক্ত কৰা হৈছে। এই কাৰ্যক্ৰমৰ অংশ হিচাপেই ২০০৯ চনত 'আয়ুস মন্ত্ৰ্যালয়ে আমেৰিকাৰ মিচিচিপি বিশ্ববিদ্যালয়ত স্থাপন কৰিছে ভাৰতীয় চিকিৎসা পদ্ধতিৰ ভাৰত-মাৰ্কিন গৱেষণা কেন্দ্ৰ (চি আৰ আই-এছএম)। ভাৰতীয় পদ্ধতিৰ ঔষধৰ সুৰক্ষা, ফলপ্ৰসূতা আৰু মান সম্পৰ্কত গোলকীয় প্ৰেক্ষাপটত বৃদ্ধি পোৱা আগ্ৰহ প্ৰশমিত কৰাৰ লগতে লগতে বিশ্বমানৰ গৱেষণা সম্পন্ন কৰি পৃথিৱীজোৰা গ্ৰহণযোগ্যতা সৃষ্টিৰ মানসেৰেই এই কেন্দ্ৰ স্থাপন কৰা হৈছে।

ইফালে আয়ুস মন্ত্ৰ্যালয়ে ঔষধি গছৰ ৰোপণ, সংৰক্ষণ বিপণন তথা সমন্বয়ৰ ক্ষেত্ৰত সহযোগিতা আগবঢ়াব পৰাকৈ 'ৰাষ্ট্ৰীয় বনৌষধি বোৰ্ড' স্থাপন কৰিছে। সেইদৰে ভাৰত চৰকাৰৰ 'ইণ্ডিয়ান মেডিচিনছ ফাৰ্মাছিউটিকেল্‌ছ লিমিটেড্‌ (আই এম পি চি এল) 'মোহন' (উত্তৰাখণ্ড)ৰ উপৰি ইউনানী ঔষধৰ অনুজ্ঞাপত্ৰ প্ৰাপ্ত বহুসংখ্যক ব্যক্তিগত ঔষধ প্ৰতিষ্ঠানেও আমাৰ দেশত সেৱা আগবঢ়াই আহিছে।

**ঔষধৰ গুণমান নিৰ্ধাৰণ আৰু পেটেন্ট ব্যৱস্থা ঃ**

'চি চি আৰ ইউ এম'এ ইউনানী ঔষধ প্ৰস্তুতকাৰী সমিতি (ইউনানী ফাৰ্মাকোপিয়া কমিটি)ৰ কাৰিকৰী নিৰ্দেশনাৰে ২৯৮বিধ একক আৰু ১০০বিধ যৌগিক ঔষধৰ গুণমান নিৰ্ধাৰণৰ ব্যৱস্থা কৰা হৈছে। তদুপৰি ২৭৭ বিধ একক (পাঁচোটা খণ্ড) আৰু ৩৮৫ বিধ যৌগিক ঔষধৰ ভৌত ৰাসায়নিক গুণমান (চাৰিটা খণ্ডত) সম্পৰ্কীয় তথ্য প্ৰকাশ কৰি উলিয়াছে। ইফালে ইউনানী ফাৰ্মাকোপিয়া অব্‌ ইণ্ডিয়াই ২৯৮ বিধ একক ঔষধ আৰু ১০০ বিধ যৌগিক ঔষধৰ মনোগ্ৰাফ (ক্ৰমে ৬ টা আৰু ২ টা খণ্ডত ) যুগুতাই উলিয়াইছে।' চি চি আৰ ইউ এম' য়ে ইতিমধ্যে ভাৰতীয় পেটেন্ট কাৰ্যালয়ৰ পৰা ৮ টা পেটেন্টৰ অনুজ্ঞা লাভ কৰিবলৈ সক্ষম হৈছে। আজিৰ তাৰিখত ভাৰতীয় পেটেন্ট কাৰ্যালয়ত ৪৬খন আবেদন চূড়ান্ত সিদ্ধান্তৰ অপেক্ষাত আছে।

পৰিষদে ইতিমধ্যে 'ফিজিকো-কেমিকেল ষ্টেণ্ডাৰ্ডছ অব্‌ ইউনানী ফৰ্মুলেশ্যন্‌ছ' আৰু 'ষ্টেণ্ডাৰ্ডাজেশ্যন অব্‌ ছিংগল ড্ৰাগছ অব্‌ ইউনানী মেডিছিন' শীৰ্ষক দুখন গ্ৰন্থ প্ৰকাশ কৰি উলিয়াইছে। পৰিষদৰ আৰু এক গুৰুত্বপূৰ্ণ প্ৰকাশন হ'ল — 'কেমিষ্ট্ৰী অব্‌ ইউনানী মেডিছিনেল প্লেন্টছ এণ্ড কেমিকেল ইন্‌ভেষ্টিগেশ্যন অব্‌ ছাম কমন ইউনানী মেডিচিনেল প্লেন্টছ'। ইফালে পৰিষদে ১৯৭৮ চনৰ পৰা দেশৰ বিভিন্ন ৰাজ্যত, বিশেষকৈ জনজাতি আৰু বিভিন্ন খিলঞ্জীয়া জাতি জনগোষ্ঠীয়ে বসবাস কৰা প্ৰত্যন্ত এলেকা আৰু বনাঞ্চল সমূহত এলানি লোক-উদ্ভিদ সমীক্ষাও চলাই আহিছে। তদুপৰি ঔষধ প্ৰস্তুতকৰণ আৰু গৱেষণাৰ বাবে যোগান ধৰিব পৰাকৈ ঔষধি উদ্ভিদ উপলব্ধ হোৱা বনাঞ্চলৰ সমীক্ষা কৰাৰ লগতে পৰীক্ষামূলক ভাবে এনে উদ্ভিদ ৰোপণৰো ব্যৱস্থা কৰি আহিছে পৰিষদে। এনেবোৰ উদ্ভিদৰ ভিতৰত অত্ৰিলাল (আম্মী মাজুছ লিন) , গুলনাৰ ফাৰ্চি (পুনিকা গ্ৰানাটাম লিন — সফল নোহোৱা প্ৰজাতিৰ),কছ্‌নী (চিক'ৰিয়াম ইন্টিবাছ লিন) , বাব্‌চি (ছ'ৰালীয়া কৰিলিফলিয়া লিন), সুড়াব (ৰুটা গ্ৰেভেঅ'লেঞ্চ লিন), অভাল (জুনিপেৰাছ কমুনিছ লিন), অজৰাইন খুৰাছানি (হায়োছিয়ামাচ নিগাৰ লিন), অশ্বগন্ধ (উইথানিয়া ছম্‌নিফেৰা ডুনাল), অতীছ (এক'নিটাম হেটেৰাফাইলাম ৰয়েল), বাচ (একোৰাছ কেলামাছলিন), কঁচ (মুকুনা প্ৰুৰিটা হুক), মুচকদানা (এবেলমছকাছ মছ্‌কাটাছ মেডিক), সতাৱাৰ (আছপাৰাগছ ৰেছম'ছাছ উইল্ড), চ'ন্‌ফ (ফয়েনিকুলাম ভালগেয়ৰ মিল ), গুৰমাৰবুটি (জিম্নেমা ছিলভেষ্টৰ আৰ বি আৰ), খৎমি (এলথীয়া অফিচিনেলিছ লিন ) ইত্যাদি। এনেবোৰ ঔষধি গছৰ ব্যৱহাৰ সম্পৰ্কত বহু সংখ্যক ইউনানী শাস্ত্ৰীয় গ্ৰন্থ আছে। পিছে দুৰ্ভাগ্যৰ কথা যে কিছুমান অবিবেচকী কৰ্ম -কাণ্ডৰ পৰিণতিত এনেবোৰ বহু প্ৰজাতিৰ উদ্ভিদৰ অস্তিত্ব বিপন্ন হ'বলৈ ধৰিছে। নক'লেও হ'ব যে ঔষধৰ ফলপ্ৰসূতা অক্ষুণ্ণ ৰখাৰ বাবে প্ৰকৃত কেঁচামালৰ প্ৰৰ্যাপ্ততা অতিকে জৰুৰী। ইফালে বহু সময়ত প্ৰয়োজনীয় ঔষধি গছৰ চিনাক্তকৰণৰ ক্ষেত্ৰতো বিতৰ্কৰ সূচনা হোৱা দেখা যায়। এনেবোৰ পৰিস্থিতিৰ পৰিপ্ৰেক্ষিততে হায়দৰাবাদত থকা কেন্দ্ৰীয় ইউনানী ঔষধ গৱেষণা প্ৰতিষ্ঠানৰ চৌহদত প্ৰায় ১০০ বিধ ইউনানী বনৌষধিৰ বাগিছা স্থাপন কৰা হৈছে। এই আৰ্হিতে চি চি আৰ ইউ এম এ ইয়াৰ আলীগড় , হায়দৰাবাদ, চেন্নাই আৰু শ্ৰীনগৰ কেন্দ্ৰৰ চৌহদত ইউনানী ঔষধৰ এশ প্ৰজাতিৰ উদ্ভিদৰ একোখন বাগিছা স্থাপনৰ পদক্ষেপ গ্ৰহণ কৰিছে। ইফালে য়ুনানী ঔষধৰ বাবে প্ৰয়োজনীয় উদ্ভিদ সংগ্ৰহ কৰিব পৰাকৈ দেশৰ বনাঞ্চল সমৃদ্ধ এলেকাসমূহত এলানি লোক উদ্ভিদ সমীক্ষা (মেডিছিনেল প্লেন্টছ ইন ফ'কলোৰছ অব্‌ নৰ্ডাৰ্ণ ইণ্ডিয়া, ছাউদাৰ্ণ ইণ্ডিয়া, কাশ্মীৰ হিমালয়জ, নৰ্ডাৰ্ণ ইণ্ডিয়া — পাৰ্ট-২, ওড়িশআ -২, ছাউদাৰ্ণ ইণ্ডিয়া-২, সম্পন্ন কৰা হৈছে।

**পাৰম্পৰিক জ্ঞানৰ সাংখ্যিক গ্ৰন্থাগাৰ (টিকেভি এল) ঃ**

জৈৱিক-চুৰি আৰু ধ্ৰুপদী ইউনানী সূত্ৰৰ অনাকাংক্ষিত ব্যৱহাৰ ৰোধ কৰাৰ উদ্দেশ্যে ভাৰত চৰকাৰে পাৰম্পৰিক জ্ঞানৰ সাংখ্যিক গ্ৰন্থাগাৰ স্থাপনৰ সিদ্ধান্ত গ্ৰহণ কৰে। আয়ুস মন্ত্ৰালয়, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা প্ৰতিষ্ঠানৰ যৌথ উদ্যোগত আৰম্ভ হোৱা এই গ্ৰন্থাগাৰ বাস্তৱায়নৰ কাম ৰাষ্ট্ৰীয় বিজ্ঞান যোগাযোগ আৰু তথ্য সমল প্ৰতিষ্ঠান (এন আই এছ চি এ আই আৰ), বিজ্ঞান আৰু প্ৰযুক্তি মন্ত্ৰালয়ৰ জৰিয়তে সম্পন্ন কৰে বিজ্ঞান আৰু ঔদ্যোগিক গৱেষণা প্ৰতিষ্ঠানে। এই গ্ৰন্থাগাৰত ইউনানী ঔষধ সম্পৰ্কীয় ১,৫৪,০১৫ টা সূত্ৰৰ বিৱৰণ ডিজিটেল ৰূপত সংৰক্ষিত কৰি ৰখা হৈছে।

**গোলকীয় প্ৰেক্ষাপট ঃ**

পৃথিৱীৰ বিভিন্ন প্ৰান্তত ভিন্ন নামেৰে ইউনানী চিকিৎসা পদ্ধতিৰ জনপ্ৰিয়তা বিৰাজমান হৈ অহা দেখা যায়। সেয়া হৈছে—

* ভাৰত, বাংলাদেশ, শ্ৰীলংকা আৰু দক্ষিণ আফ্ৰিকাত ঃ ইউনানী ঔষধ অথবা ইউনানী টিব্ব
* ইৰাণ ঃ টিব্ব-ঈ-চুন্নটি (পাৰম্পৰিক ঔষধ)
* পাকিস্তান ঃ প্ৰাচ্য ঔষধ
* চীন ঃ য়ুইঘুৰ ঔষধ
* সংযুক্ত আৰব আমিৰী ঃ পাৰম্পৰিক পৰিপূৰক আৰু বিকল্প ঔষধ (টি চি এ এম
* কুৱেইট ঃ ইছলামীয় ঔষধ।

**সামৰণি ঃ**

ইউনানী চিকিৎসা পদ্ধতি প্ৰকৃতিগত ভাবেই এটা কল্যাণকাৰী প্ৰয়াস। এই চিকিৎসা পদ্ধতিয়ে কেৱল ৰোগ নিৰাময়তে চিকিৎসা কেন্দ্ৰীভূত কৰাৰ পৰিবৰ্তে সামগ্ৰিকভাৱে ৰোগীৰ ব্যক্তিত্বৰ শুশ্ৰূষা কৰাতো গুৰুত্ব প্ৰদান কৰে। ইউনানী এটা মহান আৰোগ্য কলা। দৰাচলতে ই এটা বিজ্ঞান; মানুহৰ প্ৰকৃতি, মননৰ এটা দৰ্শন যিয়ে মানুহৰ স্বাস্থ্য সুস্থ কৰি ৰখাৰ বাবে উপযুক্ত নিদানৰ সন্ধান দিব পাৰে।

ভাৰত জৈৱ বৈচিত্ৰ্যৰে ভৰা এখন মহান দেশ। ভাৰতৰ স্বাস্থ্য সুৰক্ষা পদ্ধতিয়েও এই বৈচিত্ৰ্যতাকে প্ৰতীয়মান কৰি আহিছে। ভাৰতত 'আয়ুস পদ্ধতি'ৰ অন্তৰ্গত বিভিন্ন ধাৰাৰ পৰম্পৰাগত চিকিৎসা পদ্ধতিৰ লগতে ইউনানী চিকিৎসা পদ্ধতিয়েও সুন্দৰভাৱে সহাৱস্থান কৰি জন-গণৰ কল্যাণ সাধনত ব্ৰতী হৈ আহিছে। ইউনানী চিকিৎসা পদ্ধতি এটা বিস্তৃত পৰিসৰৰ চিকিৎসা পদ্ধতি যিয়ে মানৱ দেহৰ বিভিন্ন ৰোগৰ নিৰাময় সম্ভৱ কৰি আহিছে। ইউনানীৰ জনক হিপ'ক্ৰেটিছৰ মহান শিকনি অন্ধ বিশ্বাসৰ নাগপাশত আবদ্ধ হোৱাৰ পৰা ৰক্ষা কৰি আধুনিক চিকিৎসাশৈলী হিচাপে প্ৰতিষ্ঠা কৰাৰ প্ৰয়াসৰ সুবাদতে ১৬ টা শতিকাৰ পাছতো এই চিকিৎসা পদ্ধতিৰ গৰিমা সুৰক্ষিত হৈ আছে। আৰৱ আৰু পাৰস্যবাসীয়ে ইউনানীৰ বুনিয়াদ সুদৃঢ় কৰিছিল যদিও ভাৰতীয় মনীষীৰ বিশেষ উদ্যোগতহে এই পদ্ধতিৰ ব্যৱহাৰিক প্ৰয়োগে বিশাল পৰিসৰত প্ৰসাৰ লাভ কৰি অপ্ৰতিদ্বন্দ্বী স্বৰূপ ধাৰণ কৰিবলৈ সক্ষম হৈছে। দৰাচলতে ভাৰতত ইউনানী আৰু আয়ুৰ্বেদৰ মাজত জ্ঞানৰ আদান প্ৰদানে দুয়োবিধ চিকিৎসা পদ্ধতিকে বিশেষ ভাবে উপকৃত কৰি আহিছে। বহুসময়ত এই দুইবিধ চিকিৎসা পদ্ধতি যেন এবিধ আনবিধৰে একাকাৰ হৈ পৰিছে। ভাৰতত ইউনানীয়ে লাভ কৰা অভূতপূৰ্ব বিস্তৃতিৰ কথা হাকিম আজম খানৰ 'ইউনানী বিশ্বকোষ' আৰু হাকিম আজমল খানৰ গৱেষণাৰ কথাই প্ৰতীয়মান কৰে। যুগে যুগে এনে প্ৰয়াসৰ পৰিণতিতে আজি ইউনানীয়ে ভাৰতত এটা পৰম্পৰাৰ ৰূপ ধাৰণ কৰিবলৈ সক্ষম হৈছে। ইউনানী চিকিৎসা পদ্ধতিৰ ব্যৱহাৰিক প্ৰয়োগ, শিক্ষা -গৱেষণা, ঔষধ প্ৰস্তুতকৰণকে ধৰি প্ৰয়োজনীয় সকলো ক্ষেত্ৰত বিশাল আন্তঃগাঁথনিৰে সমৃদ্ধ ভাৰত আজি প্ৰকৃতাৰ্থতে পৃথিৱীৰ নেতৃস্থানীয় দেশ।

২০১৩ **চনৰ জানুৱাৰী মাহৰ প্ৰথম সপ্তাহৰ পৰা ৰোজগাৰ সমাচাৰ (উৰ্দু) ই-সংস্কৰণ আমাৰ হিন্দীৰ ৱেবচাইট www.rojgarsamachar.gov.in যোগে উপলব্ধ হৈছে। বৰঙণি দাতা/পাঠকসকলে ৱেবচাইট ই-সংস্কৰণ (উৰ্দু)ত click কৰি এই সংস্কৰণ পঢ়িব পাৰিব।**

# স্বাস্থ্য ৰক্ষাৰ সমস্যা সমাধানৰ অৰ্থে প্ৰাকৃতিক চিকিৎসা এটি বিকল্প চিকিৎসা পদ্ধতি

*** আৰ এম নায়াৰ**

**ভাৰতৰ স্বাস্থ্য ৰক্ষাৰ আন্তঃগাঁথনি**

এখন দেশৰ স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা আৰু তাৰ কাম-কাজ বুজি পাবৰ কাৰণে স্বাস্থ্য আন্তঃগাঁথনি হ'ল এটা গুৰুত্বপূৰ্ণ নিৰ্ণায়ক বিষয়। সু-সমন্বিত ব্যৱস্থা নিশ্চিত কৰাৰ লগে লগে উচ্চ গুণৰ স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত এটা সমৰ্থিত স্বাস্থ্য পদ্ধতিৰ আন্তঃগাঁথনিৰ ব্যৱস্থা কৰাৰ প্ৰয়োজন আছে।

**ৰাষ্ট্ৰীয় জনগাঁথনি**

২০১১ বৰ্ষৰ লোকপিয়ল অনুসাৰে ভাৰতৰ মুঠ জনসংখ্যা হ'ল ১২১০১.৯ লাখ (৬২৩৭ পুৰুষ আৰু ৫৮৬৪ মহিলা)। ইয়াৰ ভিতৰত ৬০ বছৰ ওপৰৰ বৃদ্ধৰ সংখ্যা ৭.৪ শতাংশৰ ওপৰত। এই বয়সীয়া লোকৰ ভাগটো অতি স্পৰ্শকাতৰ— যাৰ বাবে প্ৰয়োজন অধিক মন দিয়াৰ। প্ৰাকৃতিক চিকিৎসা এওঁলোকৰ কাৰণে আৱশ্যক। ইয়াৰ সুবিধা সহজে লাভ কৰিব পৰা যায়। স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত ই গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। তদুপৰি দৰিদ্ৰতা সীমাৰেখাৰ তলত থকা সমগ্ৰ দেশখনতে জনসংখ্যাৰ হাৰ গ্ৰাম্য এলেকাত হ'ল ৩৩.৮ শতাংশ আৰু চহৰত ২০.৯ শতাংশ। অৰ্থাৎ দৰিদ্ৰতা সীমাৰেখাৰ তলৰ জনসংখ্যা হ'ল ৩৫.৪৬ কোটি। এই সকল লোকো স্পৰ্শকাতৰ শ্ৰেণীৰ যাৰ বাবে বহনক্ষম স্বাস্থ্যৰক্ষাৰ ব্যৱস্থাৰ প্ৰয়োজন।

সমগ্ৰ দেশখনত ৰাষ্ট্ৰীয় স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা হিচাপে ক'বলৈ গ'লে ১৯,৮১৭ খন হস্পিতেল আছে। ইয়াৰ ভিতৰত ১৫,৩৯৮ খন হস্পিতেল গ্ৰামাঞ্চলত আৰু ৪,৪১৯ খন চহৰাঞ্চলত আছে। ইয়াৰ উপৰি উপ-কেন্দ্ৰ আছে ১,৫১,৬৮৪ টা প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ ২৪,৪৪৮ টা আৰু সমূহীয়া স্বাস্থ্য কেন্দ্ৰ ৫,১৮৭ টা। ইয়াৰ বাহিৰেও 'আয়ুস'ৰ দ্বাৰা পৰিচালিত চিকিৎসা যতন ব্যৱস্থাৰ সংখ্যা হ'ল (অৰ্থাৎ ডিচপেনচেৰি আৰু হস্পিতেল) যথাক্ৰমে ২৬,১০৭ আৰু ৩,১৬৭।

প্ৰাপ্ত তথ্য মতে প্ৰাকৃতিক চিকিৎসা হস্পিতেল তথা ডিচপেনচেৰী আদিৰ স্থিতি হ'ল এনে ধৰণৰ—

| ক্ৰ. সংখ্যা | সুবিধা | প্ৰাকৃতিক চিকিৎসা |
|---|---|---|
| ১ | হস্পিতেল | ১০৭ |
| ২ | ডিচপেনচেৰি | ৯৭ |
| ৩ | পঞ্জীয়ভুক্ত চিকিৎসক | ১৪০১ |
| ৪ | ডিগ্ৰী কলেজ | ১৭ |

উপৰোক্ত আন্তঃগাঁথনি সত্বেও প্ৰতি জন চিকিৎসক, নাৰ্ছ, অন্যান্য পেৰা মেডিকেল কৰ্মীয়ে সেৱা আগবঢ়োৱা অনুযায়ী জনসংখ্যাৰ অনুপাতলৈ চাই এতিয়াও বহুখিনি প্ৰভেদ আছে। এই কথা ইয়াত উল্লেখ কৰা পৰিসংখ্যাৰ পৰা স্পষ্ট।

**প্ৰাকৃতিক চিকিৎসা**

প্ৰাকৃতিক চিকিৎসা হ'ল এনে এটা পদ্ধতি যি শাৰীৰিক,মানসিক, নৈতিক আৰু আধ্যাত্মিক ভাবৰ সূত্ৰৰ সতে ৰজিতা খোৱাকৈ সমগ্ৰ মানৱ দেহটোক গঢ়ি তোলে। প্ৰাকৃতিক চিকিৎসা, নেচাৰ কিঅ'ৰ (প্ৰাকৃতিক ভাৱে আৰোগ্য) আৰু নেচাৰো থেৰাপি হ'ল চিকিৎসা পদ্ধতিত দিয়া নাম আৰু ইয়াত এজন ৰোগীৰ স্বাস্থ্যক পুনৰস্থিত কৰিবৰ কাৰণে ব্যৱহাৰ কৰা এটা শক্তি বা পদাৰ্থ আছে সেয়া হ'ল — এবিধ ইথাৰ (আকাশ), বায়ু, সূৰ্য/অগ্নি, জল, ধৰিত্ৰী, আহাৰ আৰু ৰাম নাম।

এই সাতটা শক্তিৰদ্বাৰা কৰা চিকিৎসা বৰ্তমানে প্ৰচলিত আন পদ্ধতিৰ পৰা সম্পূৰ্ণ সুকীয়া। যি সকলে প্ৰাকৃতিক চিকিৎসাক ৰোগ নিৰাময় কৰা পদ্ধতি ৰূপেহে কেৱল ভাবে তেওঁলোকে ভুল কৰে। বাস্তৱতে প্ৰাকৃতিক নিৰাময়তা হ'ল জীয়াই থকাৰ সঠিক পথ। এয়া হ'ল দীৰ্ঘ কাল লাভ কৰা স্বাস্থ্যবান জীৱনৰ এটা আৰ্ট বা কলা।

প্ৰাকৃতিক চিকিৎসায়ে বিশ্বাস কৰে যে শৰীৰত কিছুমান নাশক পদাৰ্থ অথবা টক্সিন জমা হোৱাৰ ফলতেই ই সকলো ৰোগৰ কাৰণ হৈ পৰে। ব্যক্তি এজনে ত্ৰুটীপূৰ্ণ ভাৱে খালে আৰু জীৱন নিৰ্বাহৰ অভ্যাসক গ্ৰহণ কৰিলেই এনে হয়। প্ৰাকৃতিক চিকিৎসা এই সূত্ৰৰ ওপৰত প্ৰতিষ্ঠিত যে প্ৰকৃতি নিজেই এজন চিকিৎসক। ই কেৱল স্বাভাৱিক পদাৰ্থ অথবা খাদ্য ব্যৱহাৰ কৰে যাৰদ্বাৰা টক্সিনজাতীয় বস্তুক উৎখাত কৰি স্বাস্থ্যক পুনৰ স্বাভাৱিক অৱস্থালৈ ঘূৰাই আনিব

* আৰ এম নায়াৰৰ প্ৰাকৃতিক চিকিৎসা আৰু যোগৰ ৩২ বছৰৰ অভিজ্ঞতাৰে চিকিৎসা আগবঢ়াই আছে

পাৰে।

জাতিৰ পিতা মহাত্মা গান্ধীয়ে তেওঁৰ জীৱন কালত দঢ়াই দঢ়াই কৈছিল

**জনসংখ্যা অনুপাতে চিকিৎসক, নাৰ্ছ আৰু চিকিৎসকৰ্মীয়ে আগবঢ়োৱা সেৱাৰ পৰিসংখ্যা**

| ক্র. সংখ্যা | ৰাষ্ট্ৰীয় পৰিষদৰ পঞ্জীয়নভুক্ত | চিকিৎসক/ দন্ত চিকিৎসক/ আয়ুছ/নাৰ্ছ/ ফাৰ্মাচিষ্ট অনুযায়ী সেৱা আগবঢ়োৱা জনসংখ্যা |
|---|---|---|
| ১ | প্ৰত্যক এলোপেথিক আৰু আয়ুষ চিকিৎসক অনুযায়ী | ১২১৭.৮৪ |
| ২ | এলোপেথিক চিকিৎসক | ১৩৮৪.৪৩ |
| ৩ | আয়ুষ চিকিৎসক | ১৭৮৩.২১ |
| ৪ | দন্ত চিকিৎসক | ১০১২০.৮৫ |
| ৫ | নাৰ্ছ | ৫৩১.৭৯ |
| ৬ | ফাৰ্মাচিষ্ট | ১৯৮৬.৯৪ |

যে ভাল স্বাস্থ্যৰ অধিকাৰী হ'বলৈ হলে এজন ব্যক্তিয়ে নিশ্চয়কৈ প্ৰকৃতিৰ স'তে খাপ খাই থাকিব লাগিব। কোনোবা এজন বেমাৰত পৰিলে প্ৰাকৃতিক ভাৱে নিয়ম পালন কৰাৰ তেওঁ পোষকতা কৰিছিল। তেওঁৰ ওচৰলৈ যি সকল লোক আহিছিল তেওঁলোকক প্ৰাকৃতিক চিকিৎসাৰ জৰিয়তে আৰোগ্য হোৱাৰ যুক্তি দৰ্শাইছিল। সেয়া তেওঁৰ জীৱনৰ দীৰ্ঘদিনীয়া অভিজ্ঞতা আছিল আৰু তাৰ বাবে তেওঁৰ অনুসন্ধিৎসু মন ক্ষান্ত থকা নাছিল। প্ৰাকৃতিক চিকিৎসা পদ্ধতি ইমানেই সহজ আৰু সৰল যে এবাৰ যেতিয়া এজন ব্যক্তিয়ে এই পদ্ধতিৰ আশ্ৰয় লয় তেতিয়া তেওঁ গোটেই জীৱনটোৰ বাবে তাৰ উপাসক হৈ পৰে। আন চিকিৎসা পদ্ধতিৰ তুলনাত প্ৰাকৃতিক চিকিৎসা হ'ল তেনেই সুলভ। সেইদেখি আমাৰ দৰে দুখীয়া দেশ এখনত ই অতি উপকাৰী হ'ব পাৰে। আমাৰ গ্ৰাম্য জনগণে ইয়াক সহজেই অৱলম্বন কৰিব পাৰে আৰু ডাক্তৰ তথা ঔষধপাতি ব্যৱহাৰ নকৰাকৈ স্বাস্থ্যবান হৈ থাকিব পাৰে।

প্ৰাকৃতিক চিকিৎসাৰ ঘাই শক্তি কেৱল প্ৰতিৰোধমূলকেইনহয়, ই উদ্দীপক আৰু নিৰাময়মূলক সেৱাও আগবঢ়ায়। দীৰ্ঘ দিনৰ পৰা জুৰুলা কৰা ৰোগৰ চিকিৎসাৰ ক্ষেত্ৰত — বিশেষকৈ ৬০ বছৰ বয়সৰ ওপৰৰ বৃদ্ধ লোকসকলৰ বাবে ই অতি উপযুক্ত।

**ইয়াৰ পৰা লাভ কি ?**

ইয়াৰ পৰা এইটোৱে লাভ যে প্ৰাকৃতিক চিকিৎসায়ে ৰোগ যিদৰে নিয়ন্ত্ৰণ কৰিব পাৰে সেয়া এলোপেথিক চিকিৎসাৰ দ্বাৰা সম্পূৰ্ণৰূপে সম্ভৱ নহয়। প্ৰাকৃতিক চিকিৎসা চিকিৎসাত ৰোগীৰ সমগ্ৰ শৰীৰটোৰ ওপৰত আলোকপাত কৰে, কেৱল কোনো এটা বিশেষ অংশতেই নকৰে। এজন প্ৰাকৃতিক চিকিৎসা ৰোগীক স্বাভাৱিক খাদ্যৰ বৈশিষ্ট্যৰ বিষয়ে কয় আৰু তেনে খাদ্যকে খাবলৈ পৰামৰ্শ আগবঢ়ায়। এনে আহাৰ পৌষ্টিক গুণ সমৃদ্ধ। তেনে প্ৰকৃতিবিদে এটা স্বাস্থ্যকৰ জীৱন ধাৰা অটুট ৰাখিবলৈও পৰামৰ্শ দিয়ে।

স্বাভাৱিক খাদ্য উৎসৰ উপৰিও প্ৰাকৃতিক চিকিৎসায়ে বহু থেৰাপেথিক অভ্যাস আৰু নিয়ম অৱলম্বন কৰিবলৈও দিহা দিয়ে আৰু এইবোৰে সমগ্ৰ বিশ্বৰ লাখ লাখ লোকক উপকৃত কৰিছে।

**কিছুমান দৰকাৰী প্ৰাকৃতিক চিকিৎসা থেৰাপি হ'ল—**

**জল চিকিৎসা**- জল চিকিৎস হ'ল- এটা জনাজাত আৰু প্ৰাচীন থেৰাপি। এনে থেৰাপিত বিভিন্ন তাপমাত্ৰাৰ পানী ব্যৱহাৰ কৰা হয়। গৰম পানীত গা ধোৱা, ঠাণ্ডা পানীত গা ধোৱা, ভাপযুক্ত পানীত গা ধোৱা আদি কামবোৰ আছে। সহিব পৰা তাপমাত্ৰাৰ ভাপ শৰীৰত প্ৰদান কৰি কিম্বা গৰম কাপোৰ গাত বান্ধিও এনে কাৰ্য সাধন কৰা হয়। পানীত ডুব যোৱাকৈ গা ধোৱা কাৰ্যক ইয়াত সামৰি লোৱা হয়। ইয়াৰদ্বাৰাই জলৰাশিৰ তাপমাত্ৰা, সময় কাল আৰু বিভিন্ন ৰোগৰ কাৰণে প্ৰয়োগ কৰা শৰীৰৰ ক্ষেত্ৰ আদিৰ ওপৰত নিৰ্ভৰ কৰি ফিজিঅ'লজিকেল প্ৰভাৱ উৎপন্ন কৰিবলৈ যত্ন কৰা হয়।

**বোকা চিকিৎসা**- বোকাই টক্সিন শুহি লয়। টক্সিনৰ লগত মিলি যায় আৰু মূৰকত সেই পদাৰ্থ সমূহক উৎখাত কৰি পেলায়। বোকা সানি আৰু বোকাৰে গা ধুই এনে কাৰ্য কৰা হয়। ই ছালৰ বেয়া অৱস্থাকো নিৰাময় কৰাত কাম কৰে। তাৰ ভিতৰত এই কেইটা ছালৰ বিসঙ্গতিৰ নাম ল'ব পাৰি- খৰ, ফোঁহা, ঘামচি আৰু ঠাই বিশেষত দাগ পৰা। হাইপাৰটেনচন, মধুমেহ, গাঁঠিৰ বিষ, শৌচ কাঠিন্য, গেছ, গেষ্টিক আলচাৰ, মহিলাৰ মাহেকীয়া ঋতুৰ অনিয়মতাৰ ক্ষেত্ৰতো ই প্ৰযোজ্য।

**মালিচ চিকিৎসা**- গাৰ মালিচ সাধাৰণতে শক্তি প্ৰদান (টনিক স্বৰূপ), উজ্জীৱিত- কৰণ আৰু উত্তেজক প্ৰভাৱ শক্তিৰ বাবে কৰা হয়। ৰক্ত সঞ্চালন আৰু ভাগৰ দূৰ কৰিবৰ বাবে এই চিকিৎসা উপকাৰী। ই ছালৰ ভিতৰত গোট খাই থকা গভীৰ অংশক মুকলি কৰি দিয়ে। শৰীৰৰ পৰা ঘাম উলিয়াই অনিষ্টকাৰক টক্সিনবোৰক বাহিৰ কৰি উলিওৱাৰ ক্ষেত্ৰত প্ৰয়োজনীয় কাম কৰে। কিছুমান ৰোগৰ ক্ৰণিক অৱস্থাত এই চিকিৎসা বৰ উপকাৰী হয়। তেনেবোৰ ৰোগৰ ভিতৰত উল্লেখনীয় হ'ল- বাতজাতীয় আৰথ্ৰাইটিছ, ডিস্কৰ বিজুতি ঘটিলে, ষ্ট্ৰোক ইত্যাদি। অন্য

গেছট্ৰোইনটেষ্টাইনেল অৱস্থাতো ই উপকাৰী। তেনে ৰোগবোৰ হ'ল শৌচ কঠিনতা, ডিপেপছিয়া, মেটাবলিক অসূয়া, হৰম'নৰ অসূয়া আৰু স্নায়বিক বিসঙ্গতি আদি।

**ৰং চিকিৎসা**-সূৰ্যৰ ৰশ্মিৰ সাতটা ৰং আছে। সেয়া হ'ল- বেঙুনীয়া, ঘন নীলা, নীলা,সেউজীয়া, হালধীয়া, সুমথিৰা আৰু ৰঙা। এই ৰংবোৰ দেহৰ ওপৰত তাপ বিকিৰণৰ জৰিয়তে সাধন কৰা হয় অথবা সূৰ্যৰ তাপত গৰম হৈ পৰা পানী আৰু তেলৰদ্বাৰা চিকিৎসা কৰা হয়। এইবিধ থেৰাপিত সাধাৰণতে সূৰ্য স্নান, থাৰ্মোলিয়াম ছান বাথ আৰু মুকলি আকাশৰ তলত সূৰ্য স্নান। এই চিকিৎসা বাতসদৃশ গাঁঠি বিষ, খৰ, দেহৰ ওপৰ ভাগৰ শ্বাস-প্ৰশ্বাসৰ সমস্যা, এনিমিয়া (ৰক্তালধতা), পেৰেলিছিছ, হাইপাৰটেনছন আৰু হজমৰ ক্ষেত্ৰত হোৱা বিসঙ্গতি আদি।

**মেগনেট' চিকিৎসা** -চুম্বকে স্বাস্থ্যত প্ৰভাৱ পেলায়। ভিন্ন শক্তি আৰু আকাৰৰ দক্ষিণ তথা উত্তৰ মেৰুক এই চিকিৎসাত নিয়োগ কৰা হয়। শৰীৰৰ বিভিন্ন অংশত পোনপটীয়াভাৱে প্ৰয়োগ কৰি অথবা উজ্জীৱিত পানী কিম্বা তেলৰ জৰিয়তে চিকিৎসা সাধন কৰা হয়।

প্ৰাকৃতিক চিকিৎসা ওপৰত উল্লেখ কৰা চিকিৎসাৰ উপৰিও যোগাসন, আহাৰ, ব্ৰত, আকুপাংচাৰ, মুদ্ৰা অভ্যাস আদি বেচ জনপ্ৰিয়। নাৰ্ভাছ প্ৰক্ৰিয়াৰ ভাৰসাম্য হেৰুৱালে এই চিকিৎসা ফলদায়ক। তেনে বিসঙ্গতিৰ ভিতৰত উল্লেখযোগ্য হ'ল- শৰীৰত চাপ, চিন্তা-ভাৱনা, মূৰ কামোৰণি, হতাশা আৰু ক্লান্ত অৱস্থা। মাহেকীয়া ঋতুৰ অনিয়মতা উৰ্বৰহীনতা, প্ৰাক্ মাহেকীয়া সমস্যা আদিৰ ক্ষেত্ৰতো চিকিৎসা কৰিব পাৰি। হজমৰ বিসঙ্গতি, শৌচ কঠিনতা, এলাৰ্জি, ওজন হানি, কাঁহ, ফ্লু, টোপনিৰ অভাৱ, অধিক কলেষ্টেৰেল সমস্যাৰ ক্ষেত্ৰতো এই চিকিৎসা কামত আহে।

## কম খৰচী আৰু উপযুক্ত চিকিৎসা

সাক্ষ্য প্ৰমাণৰ পৰা দেখা গৈছে যে এখন ৰাষ্ট্ৰই স্বাস্থ্য ৰক্ষাৰ ক্ষেত্ৰত হোৱা অধিক ব্যয় ৰাহি কৰিব পাৰে যদিহে উপযুক্ত বিকল্প ঔষধ বিস্তাৰিত ভাৱে কামত লগোৱা হয়। প্ৰচলিত ঔষধতকৈ প্ৰাকৃতিক চিকিৎসাৰ যতন ব্যৱস্থা কম খৰচী আৰু এনে স্বাস্থ্য ৰক্ষা উপায় সমূহক অধিক লোকৰ ক্ষেত্ৰত নিয়োগ কৰিব পাৰি। যি সকল লোকে অন্য চিকিৎসা কৰিব নোৱাৰে তেওঁলোকৰ কাৰণে এয়া প্ৰকৃততেই সহজে উপলব্ধ। উপযুক্ত স্বাস্থ্য ৰক্ষা পদ্ধতি অৱলম্বন আৰু কামত প্ৰয়োগ কৰি চিকিৎসাৰ খৰচখিনি চম্ভালি ল'বলৈ সহজ উপায় আৰু স্বাস্থ্য ৰক্ষাৰ গুণগত দিশৰো উন্নতি সাধন কৰা ভাল হ'ব।

## ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি

ৰাষ্ট্ৰীয় স্বাস্থ্য নীতি, ২০১৫-এ স্বাস্থ্য ব্যৱস্থাৰ ক্ষেত্ৰত যি সফলতা লাভ কৰা হৈছে তাক স্বীকৃতি দিলেও অসমতাৰ দিশটোৰ প্ৰতি মন নিদিয়াকৈ থকা নাই। উক্ত নীতিত সেই অসমতাৰ বিৰদ্ধে যুঁজিবলৈ গুৰুত্ব আৰোপ কৰা হৈছে আৰু স্বাস্থ্য ৰক্ষাৰ বাবে জনগণৰ সুচল প্ৰৱেশ ঘটোৱাৰ ওপৰত জোৰ দিয়া হৈছে। যিবোৰ তথ্যপাতি সংগ্ৰহ কৰা হৈছে তাৰ পৰা এইটো পৰিলক্ষিত হৈছে যে স্পৰ্শকাতৰ গোটসমূহৰ কাৰণে এনেবোৰ সা-সুবিধা এতিয়াও আশানুৰূপ নহয়। তেনে অসমতা চহৰ আৰু গাঁৱৰ মাজত সুস্পষ্ট আৰু ৰাজ্যসমূহতো তেনে অসমতা বিৰাজমান। বহু জিলা আৰু বহু জনজাজতীয় এলেকাত স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থা নিঃকিন ধৰণৰ - যদিও গড় হিচাপে সামগ্ৰিক স্থিতি উন্নত হৈছে। নিৰ্ণায়ক প্ৰতিবেদনৰ পৰা স্পষ্ট যে সীমিত অৱস্থাত বসবাস কৰা লোকসকলৰ মাজত স্বাস্থ্য ৰক্ষাৰ ব্যৱস্থাসমূহে সঠিক ভাৱে সেৱা আগবঢ়োৱাৰ সফলতা লাভ কৰিব পৰা নাই। বৰঞ্চ এনে সেৱা শোচনীয় ধৰণৰ হৈয়েই আছে। সেই দিশটোৰ প্ৰতি ধ্যান দিয়াৰ ওপৰত ৰাষ্ট্ৰীয় নীতি গুৰুত্ব আৰোপ কৰিছে।

ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিয়ে 'আয়ুস' সেৱাৰ সম্ভাৱনীয়তাখিনিক উপলব্ধ কৰাৰ ওপৰতো গুৰুত্ব আৰোপ কৰিছে। তাৰ দ্বাৰাইহে ৰাজহুৱা খণ্ডত আয়ুসনেটৰৰ্কৰ সামগ্ৰিক ব্যৱস্থা শক্তিশালী হ'ব। আন্তঃগাঁথনিমূলক সা-সুবিধাৰ বিকাশ, কাৰ্য ক্ষমতাৰ গড়-গঠন আৰু সমূহীয়া ভিত্তিক প্ৰতিৰোধমূলক তথা উন্নতি সাধনৰ ব্যৱস্থা গ্ৰহণৰ প্ৰয়োজন আছে । বৃহৎ ব্যক্তিগত খণ্ডৰ বৰঙণিকো নীতিয়ে স্বীকৃতি দিছে আৰু লগতে আয়ুস সেৱা যোগান ধৰাৰ ক্ষেত্ৰত সংগঠনৰ দিশৰ পৰা লাভৰ কথাটো পৰিহাৰ কৰিবলৈ পৰামৰ্শ দিছে।

## বাপু নেচাৰ কিঅ'ৰ হস্পিতেল তথা যোগাশ্ৰমত আমি কি কৰো ?

বাপু নেচাৰ কিঅ'ৰ হস্পিতেল তথা যোগাশ্ৰম হ'ল দেশৰ আগশাৰীৰ নেচাৰ কিঅ'ৰ হস্পিতেলসমূহৰ ভিতৰত অন্যতম। ই নিয়মীয়াকৈ ৰোগী, ছাত্ৰ-ছাত্ৰী আৰু চিকিৎসা কৰিবলৈ অহা লোকক যথেষ্ট সহায় কৰিছে। "নেচাৰ কিঅ'ৰ এণ্ড যোগ ট্ৰাষ্ট"ৰ তত্বাৱধানত কাম কৰা এই প্ৰতিষ্ঠানটোৱে প্ৰাকৃতিক চিকিৎসা আৰু যোগৰ সুবিধা গ্ৰহণ কৰিবলৈ আটাইকে উৎসাহিত কৰে আৰু ভাল স্বাস্থ্যৰ বাবে ড্ৰাগহীন নিৰাময়তাৰ প্ৰতিও গুৰুত্ব দিয়ে আৰু তেনেদৰে কাৰ্য ব্যৱস্থা গ্ৰহণ কৰে।

আমি প্ৰাকৃতিক চিকিৎসা, আয়ুৰ্বেদ, যোগ আৰু ফিজিঅ'থেৰাপিৰ স্বাস্থ্য ৰক্ষাৰ সেৱা নিৰন্তৰভাৱে সকলো বয়সৰ লোকক বহনযোগ্য মূল্যত আগবঢ়াওঁ। প্ৰতিষ্ঠানটোৱে গান্ধীজীৰ দৰ্শনক অনুসৰণ কৰে আৰু নিজৰ লক্ষ্য

গান্ধীজীৰ দৰেই মিলাই লৈছে। প্ৰাকৃতিক চিকিৎসা আৰু যোগক এটা সুন্দৰ, জঞ্জালমুক্ত স্বাস্থ্য ৰক্ষাৰ উপায় ৰূপে স্বীকৃতি দিছে। অধিক মূল্যৰ ঔষধ বহন কৰিব নোৱাৰা সমাজৰ নিঃকিন অৱস্থাৰ লোকসকলৰ কাৰণে এয়া উত্তম সেৱা ৰূপে প্ৰতিষ্ঠানটোৱে গণ্য কৰিছে।

এই বাপু নেচাৰ কিঅ'ৰ হস্পিতেলখন পূৰ্ণ পৰ্যায়ৰ। ই দিল্লীত অৱস্থিত। আধুনিক সা-সুবিধাৰে ই সজ্জিত।১৯৮৪ চনত প্ৰতিষ্ঠা কৰা এই হস্পিতেলখন ২ একৰ ভূমিত তৈয়াৰ কৰা হৈছে। সেউজ পৰিৱেশৰ মাজত অৱস্থিত চিকিৎসালয়খন প্ৰাকৃতিক চিকিৎসাৰ বাবে বেচ অনুকূল। ইয়াৰ বৰ্হিবিভাগ আৰু অন্তঃবিভাগ উভয়তে সকলোধৰণৰ প্ৰয়োজনীয় সা-সুবিধা আছে।

ইয়াৰ বিশেষ বৈশিষ্ট্য হ'ল অৰ্হতাপ্ৰাপ্ত প্ৰাকৃতিক চিকিৎসা, আয়ুৰ্বেদিক আৰু ফিজিঅ' চিকিৎসাৰ ডাক্তৰ আছে। ৫০ খন ইনডোৰ বিছনা আৰু ২০০ আউটডোৰ ৰোগী চিকিৎসা কৰাৰ সুবিধা আছে। তেনেদৰে আছে যোগাভ্যাস কৰা হল, সৰু খাদ্য গ্ৰহণৰ স্থান ইত্যাদি।

ইয়াৰ বাহিৰেও বাপু নেচাৰ কিঅ'ৰ হস্পিতেলে কৰ্মশালা, ছেমিনাৰ আদিও চিকিৎসালয় প্ৰাঙ্গনত আয়োজন কৰে। ইয়াৰ কৰ্মচাৰীসকলৰ লাভৰ বাবে বিভিন্ন চৰকাৰী, অনা-চৰকাৰী কাৰ্যালয় আৰু প্ৰতিষ্ঠানত আলোচনাচক্ৰ আদিৰ দিহা কৰে- যাতে কৰ্মচাৰীসকলে তাৰ পৰা শিকি-বুজি তাৰৈ অহা ৰোগীক উপযুক্তভাৱে সেৱা আগবঢ়াব পাৰে। হস্পিতেল চৌহদত নিয়মীয়াকৈ সজাগতা শিবিৰো দিহা কৰা হয়।

এই হস্পিতেলখনক ভাৰত চৰকাৰ, দিল্লী চৰকাৰ আৰু বিভিন্ন চৰকাৰী প্ৰতিষ্ঠান তথা ৰাজহুৱা খণ্ডৰ সংগঠনে কৰ্মচাৰীৰ বাবে স্বাস্থ্য ৰক্ষা সেৱা প্ৰদান কৰাৰ কাৰণে তালিকাভুক্ত চিকিৎসালয় ৰূপে স্বীকৃতি দিছে।

বাপু নেচাৰ কিঅ'ৰ হস্পিতেলৰ আন এটা ভূমিকা হ'ল হ্ৰস্বকালীন দক্ষতা বিকাশ প্ৰশিক্ষণ পাঠ্যক্ৰমৰ দিহা কৰাটো— বিশেষকৈ প্ৰাকৃতিক চিকিৎসা, আয়ুৰ্বেদ আৰু যোগ চিকিৎসাৰ ক্ষেত্ৰত। ইয়াৰ হিতাধিকাৰী সকল হ'ল ঘাইকৈ যুৱ সম্প্ৰদায়ৰ। তাৰ মাজত উত্তৰ পূৰ্বাঞ্চলৰ বহু সংখ্যক যুৱতীও আছে। এওঁলোকে প্ৰশিক্ষণ সম্পূৰ্ণ কৰাৰ পিছত বিভিন্ন প্ৰতিষ্ঠানত নিয়োগৰ সুবিধা পায়।

**হস্পিতেলখনৰ গৱেষণা ব্যৱস্থা**

বাপু নেচাৰ কিঅ'ৰ হস্পিতেল খনৰ গৱেষণা আৰু বিকাশ বিভাগ হ'ল আন এটা ক্ষেত্ৰ - য'ত কিছু ক্ৰণিক ৰোগৰ সন্দৰ্ভত ক্লিনিকেল গৱেষণা কাৰ্য সম্পাদন কৰা হয়। ইয়াত ইণ্ডিয়ান কাউন্সিল অব মেডিকেল ৰিছাৰ্চকে ধৰি বিজ্ঞান আৰু প্ৰযুক্তি বিভাগ তথা আয়ুষ মন্ত্ৰালয়ে সমৰ্থন আগবঢ়াইছে। কেইটামান প্ৰকল্পও হাতত ল'বলৈ ঠিক কৰা হৈছে। তাৰ ভিতৰত আছে আয়ুস মন্ত্ৰালয়ৰ সমৰ্থনত হাইপোথাইৰোডিজম বিষয়ৰ প্ৰকল্প আৰু আনটো বয়োজ্যেষ্ঠ লোক সকলৰ ক্ষেত্ৰত বিষ ব্যৱস্থাপনা প্ৰকল্প। শেহৰটোত পৰিষদৰ সমৰ্থন আছে। অ' পি ডি আৰু আই পি ডি সেৱা গ্ৰহণ কৰিবলৈ অহা ৰোগীৰ ওপৰত আধাৰ কৰি হস্পিতেলখনে উমৈহতীয়াকৈ বিভিন্ন ৰোগৰ গৱেষণাৰ কাম-কাজ হাতত লয়।

যিবোৰ প্ৰকল্প চূড়ান্ত অথবা ৰূপায়িত অৱস্থাত আছে তাৰ ফলাফল এনে ধৰণৰ—

* " ৰিউমেটয়ড আৰথ্ৰাইটিছ"ৰ ওপৰত যুক্ততোৰ প্ৰকল্প প্ৰতিবেদনত এই বুলি উল্লেখ কৰা হৈছে যে যোগ আৰু নেচাৰোপেথিক আধুনিক ঔষধপাতি লগত সংযোজিত কৰিলে ৰোগীৰ বাবে অতিৰিক্ত কায়িক তথা মনোবৈজ্ঞানিক স্বাস্থ্যৰ সুফল পোৱাত সহায় কৰে। যোগ আৰু প্ৰাকৃতিক চিকিৎসা উপযুক্তভাৱে ব্যৱহাৰ কৰিব পাৰি, কাৰণ বাতজাতীয় ৰোগ ৰোধ কৰণত ই যথেষ্ট প্ৰভাৱ পেলায়।

* আঁঠুৰ ৰোগ অষ্টেৰোথ্ৰাইটিছৰ সন্দৰ্ভত আন এটা প্ৰকল্প সম্পূৰ্ণ হোৱাৰ পথত আছে। এয়া হ'ল ৬০ বছৰ আৰু ততোধিক বয়সৰ আঁঠুৰ বিকাৰত ভোগা ৰোগীৰ ওপৰত ক্লিনিকেল পৰীক্ষা কৰিবৰ বাবে লোৱা এটি ব্যৱস্থা। এই প্ৰকল্পৰ অধীনতো ৰোগীক যোগ আৰু প্ৰাকৃতিক চিকিৎসাৰে চিকিৎসা কৰা হয় আৰু তাত সমৰ্থন জনায় ফিজিঅ' থেৰাপি তথা খাদ্য নিয়ন্ত্ৰণৰ জৰিয়তে। এনে চিকিৎসাৰ পৰা ৰোগীৰ কৰ্মক্ষম স্থিতি যথেষ্ট উন্নীত হোৱাটো পৰিলক্ষিত হয়।

**সামৰণি**

প্ৰাকৃতিক চিকিৎসাৰ ইতিবাচক দিশটোলৈ চাই ভাৰত চৰকাৰে এটা বিকল্প ঔষধ পদ্ধতিৰ ব্যৱস্থা ৰূপে নীতি আয়োগৰ জৰিয়তে এই নিৰাময়জনক পদ্ধতিক বৃহৎ পৰিমাণে উৎসাহিত কৰিব পাৰে - যাতে একেবাৰে দূৰ-দূৰণিৰ ঠাইবোৰত বসবাস কৰা লোকসকলেও তাৰ সুবিধা লাভ কৰিব পাৰে। ৰাজ্য চৰকাৰ, থলুৱা সংস্থা, পঞ্চায়ত, স্বেচ্ছাসেৱী সংগঠন' তথা অন্যান্য খণ্ডৰ জৰিয়তে সংগঠিত ভাৱে তাক সাধন কৰিব পাৰে। ৰাষ্ট্ৰীয় স্বাস্থ্য নীতিত খোদিত লক্ষ্য সাধনৰ দৰে কাম হাতত ল'ব পাৰে। এই সকলো বিষয়লৈ চাই বাপু নেচাৰ কিঅ'ৰ হস্পিতেলে নিজৰ সু-প্ৰতিষ্ঠিত আন্তঃগাঁথনি আৰু দক্ষতাৰে পৰিকল্পনা, বিকাশ আৰু আঁচনি ৰূপায়ণৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে- যাৰ দ্বাৰা দেশখনৰ স্বাস্থ্য আন্তঃগাঁথনি তথা সেৱা প্ৰদান ব্যৱস্থাক শক্তিশালী কৰিব পৰা যায়।

# সিদ্ধ চিকিৎসা পদ্ধতি

* কৃষ্ণমাচাৰী

**আগকথা ঃ**

সিদ্ধ— এবিধ প্ৰাচীন চিকিৎসা পদ্ধতি। দক্ষিণ ভাৰতৰ কন্যাকুমাৰীৰ সমীপৱৰ্তী এটা অঞ্চলত এইবিধ চিকিৎসা পদ্ধতি পোনতে বিকশিত হৈছিল ‘সিদ্ধ’ শব্দৰ অৰ্থ হ’ল ‘সাফল্য’। যি সকলে চিকিৎসা সেৱাত কুশলতা প্ৰদৰ্শনৰ সাফল্য লাভ কৰে তেওঁলোক হ’ল ‘সিদ্ধৰ’। ১৮ গৰাকী ‘সিদ্ধৰ’ৰ নিৰলস প্ৰয়াসতে সিদ্ধ চিকিৎসা পদ্ধতিয়ে পূৰ্ণ বিকাশ লাভ কৰিছিল বুলি প্ৰবাদ আছে। চিকিৎসা বিদ্যা সন্দৰ্ভত এইসকল সিদ্ধৰৰ বহুমূলীয়া অভিজ্ঞতাৱলীক তামিল ভাষাত লিপিবদ্ধ কৰা হৈছিল।

সিদ্ধ চিকিৎসা পদ্ধতিত কোনো ৰোগীক চিকিৎসাদানৰ ক্ষেত্ৰত ৰোগী গৰাকীৰ পাৰিপাৰ্শ্বিক পৰিৱেশ, বয়স, লিংগ, বংশ, অভ্যাস,মানসিক অৱস্থা, স্বাভাৱিক খাদ্যাভ্যাস, খোৱাৰ আগ্ৰহ, দৈহিক অৱস্থা, ৰোগৰ দেহতাত্বিক বিশ্লষণক গুৰুত্ব প্ৰদান কৰা হয়। সেয়ে এই পদ্ধতিৰ চিকিৎসা ব্যক্তিকেন্দ্ৰি হোৱা দেখা যায়। সেইদৰে ৰোগ নিৰ্ধাৰণৰ বাবে নাড়ী পৰীক্ষা কৰা, প্ৰস্ৰাৱ, চকু, মাত ধৰণ, গাৰ ৰং, জিভাৰ ৰং, পাচন শক্তিৰ স্থিতি আদিৰ পুংখানুপুংখ বিশ্লেষণত গুৰুত্ব দিয়া হয়। এইবিধ চিকিৎসা পদ্ধতিত ধাতু আৰু খনিজ পদাৰ্থৰে ঔষধ প্ৰস্তুত কৰি পাৰ্শ্বক্ৰিয়া নোহোৱাকৈ বহু সোঁচৰা ৰোগৰো চিকিৎসাৰ বিধান দিয়া হয়। ৰঙা চকলা-চকলকৈ হোৱা ছালৰ ৰোগ, বাত, যকৃৎ, প্ৰ’ষ্টেটৰ বিসংগতি, কেঁচুমূৰীয়াৰ উপৰি অন্যান্য বহু চৰ্মৰোগৰ পৰা নিৰাময় কৰাত সিদ্ধ পদ্ধতিয়ে প্ৰভাৱশালী চিকিৎসা আগবঢ়াব পাৰে। ৰৰ্মন (হাতেৰে ছাপ সৃষ্টি কৰি কৰা চিকিৎসা )ঃ শৰীৰৰ নিৰ্দিষ্ট বিন্দুত হাতেৰে চাপ সৃষ্টি কৰি, বিষ নিৰাময় কৰা বিশেষ চিকিৎসাক সিদ্ধ পদ্ধতিত ৰৰ্মন বোলা হয়।

**থোক্কানম ঃ** উখহা ঠাই অথবা বিষ হোৱা স্থানত বিশেষ তেলেৰে মালিচ কৰিও সিদ্ধ পদ্ধতিত চিকিৎসা প্ৰদানৰ ব্যৱস্থা আছে। এই চিকিৎসাৰে হাড়, পেশী, তথা স্নায়ৱিক বিষৰ নিৰাময় কৰা হয়।

তামিলনাডুত এইবিধ চিকিৎসা পদ্ধতিৰ বিশেষ জনপ্ৰিয়তা আছে। সেয়ে ৰাজ্যখনৰ প্ৰায় সকলো প্ৰাথমিক আৰু চৰকাৰী চিকিৎসালয়ত এই বিধ চিকিৎসা পদ্ধতিৰ একোটা গোট খোলা হৈছে। চিকিৎসা পদ্ধতিবিধৰ কৰ্ম-কুশলতাৰ প্ৰতি লক্ষ্য ৰাখি এইবিধ চিকিৎসা পদ্ধতিৰ সেৱা অন্য প্ৰান্ততো উপলব্ধ হ’ব পৰাকৈ দেশৰ সকলো চিকিৎসালয়তে মুকলি কৰাৰ প্ৰস্তুতি সম্পূৰ্ণ কৰা হৈছে।

বিগত ছটা দশকত এইবিধ চিকিৎসা পদ্ধতিৰ উত্তৰোত্তৰ বিকাশৰ বাবে নিৰহনিপানীকৈ পদক্ষেপ গ্ৰহণ কৰি অহাৰ সুপৰিণতিত আজি দেশত এখন ৰাষ্ট্ৰীয় সিদ্ধ প্ৰতিষ্ঠানৰ লগতে ছ খন বিশেষ সেৱা সম্বলিত স্নাতকোত্তৰ শিক্ষা প্ৰতিষ্ঠান গঢ়ি উঠিছে। চেন্নাইত থকা ৰাষ্ট্ৰীয় সিদ্ধ প্ৰতিষ্ঠানৰ অধীনস্থ এই প্ৰতিষ্ঠান কেইখনৰ জৰিয়তে সিদ্ধ চিকিৎসাশৈলীৰ ডক্টৰ অব্ মেডিচিন (এম ডি এছ) ডিগ্ৰী প্ৰদান কৰা হয়। প্ৰতিষ্ঠান কেইখন হৈছে— মৰুথুৰম (জেনেৰেল মেডিচিন), ছিৰাপ্পু মৰুথুৰম (বিশেষ মেডিচিন), কুজানথাই মৰুথুৰম (পেডিয়াট্ৰিক্ছ), গুণাপাদম (ফাৰ্মাকোলজী), নয় নাডাল (পেথ’লজী) আৰু নাজুনুল তথা মৰুথুৰম নীথিনুল (টক্সিকোলজী)।

সিদ্ধ পদ্ধতিৰ বিকাশ সাধনৰ উদ্দেশ্যে স্বতন্ত্ৰ ভাৱে যাৱতীয় পদক্ষেপ গ্ৰহণ কৰিব পৰাকৈ ভাৰত চৰকাৰে ‘আয়ুষ মন্ত্ৰ্যালয়’ৰ অধীনত ‘কেন্দ্ৰীয় সিদ্ধ গৱেষণা পৰিষদ’ গঠন কৰিছে।

**শিক্ষা ঃ**

অন্যান্য পাৰম্পৰিক চিকিৎসা পদ্ধতিৰ দৰেই সিদ্ধ পদ্ধতিয়েও ৩০০ বছৰ মানৰ আগৰে পৰাই জৈৱদৰৰ প্ৰদানৰ প্ৰথা এৰিবলৈ ধৰিছিল। কুৰি শতিকাৰ মাজভাগমানৰ পৰাহে চিকিৎসা পদ্ধতি বিধৰ পুনৰুত্থান ঘটে আৰু আনুষ্ঠানিক শিক্ষা প্ৰদানৰ পৰম্পৰা এটাই ঠন্ ধৰি উঠে। এই শিক্ষাৰে শিক্ষিতসকলক মাদ্ৰাজ প্ৰেচিডেন্সীৰ পৰা ডিপ্ল’মা প্ৰদান কৰাৰ উপৰি বংশানুক্ৰমিক ভাৱে প্ৰশিক্ষণ প্ৰাপ্তসকলক পঞ্জীয়নৰ সুযোগ প্ৰদান কৰা হয়।

১৯৬০ চন পৰ্যন্ত এলোপেথিক প্ৰশিক্ষণ সহ এটা সংস্থাত পাঠ্যক্ৰম গ্ৰহণ কৰাটো পৰম্পৰা আছিল। ১৯৬৪ চনত তামিলনাডুৰ তিৰুনেলৱেলি জিলাৰ পালায়ামকোট্টাইত এখন মহাবিদ্যালয় স্থাপন কৰা হয়। মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ অধীনস্থ এই মহাবিদ্যালয়খনত চাৰে পাচঁবছৰীয়া পাঠ্যক্ৰমৰ শিক্ষাদানৰ অন্তত ভাৰতীয় চিকিৎসা পদ্ধতিৰ স্নাতক ডিগ্ৰী (বি আই এম সিদ্ধ) প্ৰদান কৰা হৈছিল।

---

* কৃষ্ণমাচাৰী ভাৰত চৰকাৰৰ আয়ুস মন্ত্ৰ্যালয়ৰ যুটীয়া পৰামৰ্শদাতা

সম্প্ৰতি এইখন মহাবিদ্যালয়ত ৫ টা শাখাৰ ৩ বছৰীয়া স্নাতকোত্তৰ পাঠ্যক্ৰমৰো শিক্ষাদান কৰা হয়। ইফালে চেন্নাইত থকা আন এখন মহাবিদ্যালয়তো সিদ্ধ চিকিৎসাৰ স্নাতক আৰু স্নাতকোত্তৰ পাঠ্যক্ৰমৰ শিক্ষা দান কৰি স্নাতক ডিগ্ৰী (মেডিচিন আৰু ছাৰ্জাৰী) দান কৰাৰ লগতে ডক্টৰতো প্ৰদান কৰে। আনহাতে ড° এম জি আৰ চিকিৎসা বিজ্ঞান বিশ্ববিদ্যালয়ৰ অধীনস্থ দুখন মহাবিদ্যালয় তামিলনাডু চৰকাৰে পৰিচালনা কৰে। তদুপৰি তামিলনাডু আৰু কেৰালাত ৫ খন ব্যক্তিগত খণ্ডৰ সিদ্ধ চিকিৎসা মহাবিদ্যালয় আছে। ৰাষ্ট্ৰীয় সিদ্ধ চিকিৎসা প্ৰতিষ্ঠানে স্নাতকোত্তৰ প্ৰশিক্ষণৰো দিহা কৰি আহিছে। প্ৰতিষ্ঠানটোৰ পৰা প্ৰতি বছৰে প্ৰায় ৩০০ ছাত্ৰ-ছাত্ৰীয়ে স্নাতক আৰু ১০০ ছাত্ৰ-ছাত্ৰীয়ে স্নাতকোত্তৰ উপাধি লাভ কৰি আহিছে।

ৰৰ্মন (ছিৰাপ্পু মৰুথুৰম), পেথ'লজী (নয় নাডাল), টক্সিকোল'জী (নান্জু মৰুথুৰম), পেডিয়াট্ৰিক্‌ছ (কুঝান্থাই মৰুথুৰম) ৰ লগতে বহিঃ চিকিৎসাৰ দৰে অধিক বৈশিষ্ট্যপূৰ্ণ শাখাৰ স্নাতকোত্তৰ পাঠ্যক্ৰম প্ৰৱৰ্তন কৰা হৈছে। নতুন দিল্লীৰ কেন্দ্ৰীয় ভাৰতীয় চিকিৎসা পৰিষদৰ নিৰ্দেশনাৰ আধাৰত এই পাঠ্যক্ৰম যুগুতোৱা হৈছে। উল্লেখযোগ্য যে ১৯৭০ চনত যুগুতোৱা আইনৰ ভিত্তিত স্বতন্ত্ৰ ৰূপত এই পৰিষদ গঠন কৰা হৈছিল। প্ৰসংগতঃ প্ৰণিধানযোগ্য যে শ্ৰীলংকাৰ জাফনা বিশ্ববিদ্যালয়েও সিদ্ধ চিকিৎসা পদ্ধতিৰ স্নাতক প্ৰশিক্ষণ প্ৰদান কৰি আহিছে।

শিক্ষাৰ মান উন্নত কৰাৰ লক্ষ্যৰে ভাৰত চৰকাৰে নতুন মহাবিদ্যালয়ৰ যোগ্যতা নিৰূপণৰ ক্ষেত্ৰত কঠোৰ দৃষ্টিভংগী গ্ৰহণ কৰি অহাৰ উপৰি পাঠ্যক্ৰমৰ পৰিসৰ সম্প্ৰসাৰণৰ ক্ষেত্ৰতো বহল দৃষ্টিভংগী গ্ৰহণ কৰি আহিছে। এনে প্ৰেক্ষাপটতে সিদ্ধ চিকিৎসাৰ পাঠ্যক্ৰমত মাইক্ৰবায়'ল'জী, মেডিকেল বায়ো-কেমিষ্ট্ৰি, ফাৰ্মাকোলজী, টক্সিকোলজী আৰু মডাৰ্ণ মেডিচিনৰ দৰে আধুনিক বিজ্ঞানৰ বিষয় বস্তু সন্নিৱিষ্ট হৈছে। ভাৰতীয় শৈলী চিকিৎসা পদ্ধতিৰ সংহত পাঠ্যক্ৰমেৰে এটা ডিপ্ল'মা পাঠ্যক্ৰমৰ লগতে নাছিং পাঠ্যক্ৰমো প্ৰৱৰ্তন কৰা হৈছে। ইয়াৰ জৰিয়তে তামিলনাডুৰ চৰকাৰী আৰু বেচৰকাৰী উভয়খণ্ডৰ চিকিৎসা কেন্দ্ৰত দক্ষ চিকিৎসাকৰ্মীৰ সংখ্যা বঢ়োৱাৰ পদক্ষেপ লোৱা হৈছে। চৰকাৰে সদ্যহতে পাঠ্যক্ৰম শেষ কৰা প্ৰশিক্ষাৰ্থীসকলক ৰাজ্যখনৰ প্ৰাথমিক চিকিৎসালয় সমূহত আভ্যন্তৰীণ কৰ্মী হিচাপে নিয়োজিত কৰাৰ পদক্ষেপ লৈছে।

চিকিৎসা বিজ্ঞান শিক্ষা কাৰ্যক্ৰমত অংশ গ্ৰহণ কৰা শিক্ষকসকলৰ উপৰি চৰকাৰী চিকিৎসক হিচাপে কাৰ্য নিৰ্বাহ কৰা চিকিৎসকলৈ বিত্তীয় সহযোগিতা আগবঢ়ায় আয়ুস মন্ত্ৰালয়ে। ইফালে যুৱ-চিকিৎসক সকলে গুৰু-শিষ্য কাৰ্যক্ৰমৰ অধীনত প্ৰশিক্ষণ গ্ৰহণত সুযোগ লাভ কৰে। সিদ্ধ চিকিৎসা মহাবিদ্যালয় নথকা অঞ্চলত এনে মহাবিদ্যালয় স্থাপনৰ বাবে আয়ুস মন্ত্ৰালয়ে অনুমোদন জনোৱাৰ লগতে মহাবিদ্যালয়ৰ ভৱন নিৰ্মাণৰ বাবে ১০ কোটি টকাৰ অনুদান আগবঢ়ায়। চৰকাৰী ভাৱে আগবঢ়োৱা এই সুযোগ গ্ৰহণ কৰি সেয়ে শেহতীয়া ভাৱে বহু বেচৰকাৰী সমিতি তথা ৰাজ্য চৰকাৰে নতুনকৈ সিদ্ধ চিকিৎসা মহাবিদ্যালয় স্থাপনৰ হকে উদ্যোগ গ্ৰহণ কৰিবলৈ লৈছে।

**গৱেষণা ঃ**

সিদ্ধ চিকিৎসাৰ গৱেষণাৰ ক্ষেত্ৰত চূড়ান্ত সিদ্ধান্ত ল'ব পৰাকৈ শেহতীয়াভাৱে 'কেন্দ্ৰীয় সিদ্ধ গৱেষণা পৰিষদ' গঠন কৰা হৈছে। পোনতে এই দায়িত্ব কেন্দ্ৰীয় সিদ্ধ গৱেষণা আৰু বিশ্লেষণ পৰিষদৰ ওপৰত ন্যস্ত আছিল। স্বতন্ত্ৰ ভাৱে পৰিচালিত এই পৰিষদৰ অধীনত এটা কেন্দ্ৰীয় গৱেষণা প্ৰতিষ্ঠান আৰু দুটা আঞ্চলিক গৱেষণা প্ৰতিষ্ঠান থকাৰ লগতে ঔষধি উদ্ভিদৰ সমীক্ষা আৰু শয্যাগত ৰোগীৰ গৱেষণাৰ বাবে দুটাকৈ গোটে কাৰ্যানিৰ্বাহ কৰি আছে।

সামগ্ৰিক ভাৱে এই গৱেষণাৰ আওতাত শয্যাগত ৰোগীৰ গৱেষণা, সিদ্ধ চিকিৎসাৰ সাহিত্য সম্পৰ্কীয় গৱেষণা, ঔষধৰ বিকাশ তথা গুণমান নিৰ্ধাৰণৰ উপৰি বুনিয়াদী গৱেষণাৰ দৰে প্ৰসংগসমূহ অন্তৰ্ভুক্ত হৈ আছে। কেন্দ্ৰীয় পৰিষদৰ উপৰি ৰাজ্যিক চিকিংসা সেৱা বিভাগেও এইডছ্‌, কৰ্কট, মধুমে'হ, এজমা, অনুৰ্বৰতাৰ দৰে ৰোগৰ গৱেষণাৰ বাবে গৱেষণা কেন্দ্ৰ স্থাপন কৰিছে। সিদ্ধ চিকিৎসাৰ জৰিয়তে প্ৰাক-প্ৰসৱ, প্ৰসৱোত্তৰ সমস্যাৱলী নিৰসনৰ লগতে এনিমিয়া, এইচ আই ভি, ডায়েবেটিছ, আৰ্থাইটিছ ছৰিয়াছিছ, কৰ্কট, গৰ্ভাশয়ৰ বিভিন্ন ৰোগ, চৰ্ম ৰোগ, স্নায়ৱিক আৰু অস্থি সমস্যাৰ পৰা পৰিত্ৰাণৰ ব্যৱস্থা কৰিব পৰাৰ কথা ইতিমধ্যে গৱেষণাত প্ৰতীয়মান হৈছে।

সিদ্ধ গৱেষণাৰে জড়িত সংস্থা সমূহে শেহতীয়া ভাৱে নৱজাতকৰ মৃত্যুৰ হাৰ নিম্নগামী কৰা, খনিজ-বনস্পতি ঔষধৰ সুৰক্ষা দক্ষতা, ঔষধৰ গুণমান নিৰ্ধাৰণ, লুপ্তপ্ৰায় সিদ্ধ বনস্পতিৰ সৰক্ষণ আৰু সংবৰ্দ্ধন, সাহিত্যিক গৱেষণা আৰু পাৰম্পৰিক জ্ঞানৰ সমীক্ষা আৰু তথ্য সংৰক্ষণৰ দৰে প্ৰসংগসমূহৰ প্ৰতি মনোনিৱেশ কৰা দেখিবলৈ পোৱা গৈছে। কেন্দ্ৰীয় সিদ্ধ গৱেষণা প্ৰতিষ্ঠানৰ লগতে চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ বিশ্ববিদ্যালয় সমূহে কৰা সিদ্ধ সম্পৰ্কীয় গৱেষণাৱলী সম্পন্ন হৈছে আয়ুষ মন্ত্ৰালয়, জৈৱ-প্ৰযুক্তি বিভাগ আৰু বিজ্ঞান আৰু প্ৰযুক্তি বিভাগৰ আৰ্থিক অনুদানেৰে। দেশৰ বিভিন্ন প্ৰান্তৰ

বহু সংখ্যক স্বেচ্ছাসেৱী সংস্থা, বিশ্ববিদ্যালয় আৰু ৰাজ্যিক জনস্বাস্থ্য বিভাগসমূহতো ক্ষেত্ৰভিত্তিক গৱেষণা অব্যাহত থকা দেখা যায়।

**উৎপাদন ঃ**

সিদ্ধ শৈলীৰ চিকিৎসাৰ বাবে প্ৰস্তুত কৰা ঔষধৰ উৎপাদন কাৰ্যৰে দেশত আজিৰ তাৰিখত প্ৰায় ৬০০টা গোট জড়িত হৈ আছে। অৱশ্যে এই গোটসমূহৰ আকাৰ ক্ষুদ্ৰ আৰু অতিকৈ ক্ষুদ্ৰ বুলি উল্লেখ কৰিবই লাগিব। তামিলনাডু চৰকাৰে পৰিচালনা কৰা চিকিৎসালয়সমূহৰ বাবে চেন্নাই আৰু তিৰুনেলৱেলিত থকা চৰকাৰী ফাৰ্মাচীসমূহে এই ঔষধ প্ৰস্তুত কৰে। তামিলনাডুত থকা গুৰুত্বপূৰ্ণ সিদ্ধ উদ্যোগ সমূহ হ'ল— ইণ্ডিয়ান মেডিকেল প্ৰেক্টিচনাৰ্ছ কো-অ'পাৰেটিভ ফাৰ্মাচী এণ্ড ষ্টোৰ্ছ (আই এম পি চি অ' পি এছ), এছ কে এম সিদ্ধ এণ্ড সিদ্ধ ফাৰ্মাচিকেলছ্ লক্ষ্মী সেৱা সংঘ আৰু তামিলনাডু মেডিচিনেল প্লেন্টছ কৰ্পোৰেচন লিমিটেড (টেম্প্‌ক'ল)। এই বোৰ প্ৰতিষ্ঠানে তামিলনাডু চৰকাৰলৈ লভ্যাংশ আগবঢ়াই আহিছে। উল্লিখিত প্ৰতিষ্ঠান সমূহে ঔষধ উৎপাদনৰ হাৰ বৃদ্ধিৰ লগতে পেকেজিং দক্ষতা বৃদ্ধিৰ বাবেও পদক্ষেপ গ্ৰহণ কৰি আহিছে। লক্ষ্যণীয় ভাৱে ইয়াৰে সৰহ সংখ্যকেই ধ্ৰুপদীসূত্ৰৰ আধাৰত ঔষধ প্ৰস্তুত কৰা প্ৰতিষ্ঠান আৰু এওঁলোকে নিজাববীয়াকৈ বিপণী মুকলি কৰি বিপণনৰ ব্যৱস্থা কৰি আহিছে। অৱশ্যে ২০০২ চনত 'মঙ্গলজনক উৎপাদন পৰম্পৰা' (জি এম পি) বিধি বলবৎ কৰি আয়ুষৰ অধীনস্থ সকলো উৎপাদন গোটৰ ক্ষেত্ৰতে এই বিধি বাধ্যতামূলক কৰা হয়। বিভিন্ন প্ৰতিষ্ঠানে আধুনিক সা-সঁজুলি সম্বলিত পৰীক্ষাগাৰ স্থাপনৰো ব্যৱস্থা কৰিছে। আজিৰ তাৰিখত সিদ্ধ চিকিৎসাৰ ক্ষেত্ৰত বিশেষ দক্ষতা থকা তৃতীয় পক্ষই স্থাপন কৰা চাৰিটা উন্নত মানৰ স্বনিৰ্ভৰশীল পৰীক্ষাগাৰে দেশত সেৱা আগবঢ়াই আহিছে। প্ৰণিধানযোগ্য যে ১৯৪০ চনৰ ঔষধ আৰু প্ৰসাধন সামগ্ৰী আইনখন কেতবোৰ সংশোধনীৰে সিদ্ধ ঔষধৰ ক্ষেত্ৰতো প্ৰযোজ্য কৰা হৈছে।

**গোলকীয় প্ৰেক্ষাপটত সিদ্ধ ঃ**

সিদ্ধ পদ্ধতিৰ চিকিৎসা সেৱাক জনপ্ৰিয়কৰণৰ বাবে ব্যাপক পৰিসৰত পদক্ষেপ গ্ৰহণ কৰা হৈছে। বিশেষকৈ তামিল ভাষী লোক বসবাস কৰা শ্ৰীলংকা, ছিংগাপুৰ, মালয়ছিয়া, মৰিচাছ, আৰু ইণ্ডোনেচিয়াৰ কেতবোৰ অঞ্চলত এই পদক্ষেপক অভিযানৰ ৰূপ দান কৰা হৈছে। ইন্টাৰনেট, সামাজিক প্ৰচাৰ মাধ্যম সমূহৰ উপৰি বৈদ্যুতিন মাধ্যম বিশেষকৈ তামিলভাষী টেলিভিছন চেনেল সমূহৰ জৰিয়তে প্ৰচাৰ চলাই পৃথিৱীৰ প্ৰান্তে প্ৰান্তে সিচঁৰতি হৈ থকা তামিল ভাষীসকলৰ মাজত সিদ্ধ জনপ্ৰিয়কৰণৰ প্ৰচেষ্টা চলোৱা হৈছে। খাদ্যক পথ্য হিচাপে গণ্য কৰা সিদ্ধ শৈলীৰ চিকিৎসা সেৱাক পৃথিৱীৰ অন্য প্ৰান্তৰ লোকেও আদৰিব বুলি আশা কৰিব পাৰি। কিয়নো ৰোগীৰ খাদ্যাভ্যাস, দেহৰ ধৰণ, স্বাস্থ্যৰ স্থিতি বিশ্লেষণেৰে ব্যক্তিকেন্দ্ৰিক ভাবে আগবঢ়োৱা নিদানে আক্ষৰিক অৰ্থতে সকলোকে আকৰ্ষণ কৰিব বুলি ভবাৰ থল আছে। আনকি বহু সময়ত ৰান্ধনী ঘৰত ব্যৱহৃত বহু মছলাকো ঔষধ হিচাপে ব্যৱহাৰ কৰাৰ কথা এই চিকিৎসা পদ্ধতিৰ জনপ্ৰিয়তাৰ ক্ষেত্ৰত ইতিবাচক দিশ হ'ব পাৰে বুলি ধাৰণা কৰা হয়। এই পদ্ধতিয়ে দৈনন্দিন জীৱনৰ কেতবোৰ কথা-বতৰাকে পদ্ধতিগত ভাৱে অভ্যাসনৰ পৰামৰ্শ দান কৰে। যেনে শ্বাস-প্ৰশ্বাসৰ অনুশীলন কৰা, ধ্যান কৰা, দেহ আৰু মগজুৰ সমন্বয় সাধনৰ বাবে উপযুক্ত অনুশীলনীৰ পৰামৰ্শ প্ৰদান কৰে এই পদ্ধতিয়ে।

**মিতব্যয়িতা ঃ**

এই পদ্ধতিৰ চিকিৎসা ব্যয়, ঔষধ আদিৰ মূল্য কম হোৱা বাবে উন্নয়ন শীল দেশ সমূহৰ নাগৰিক সকলে সহজে এই শৈলীৰ চিকিৎসা গ্ৰহণ কৰিব পাৰে। বিশেষকৈ স্বাস্থ্য -বীমাৰ পৰ্যাপ্ততা নথকা দেশ সমূহৰ ক্ষেত্ৰত এই বিধ চিকিৎসা শৈলীৰ উপযোগিতা বাৰুকৈয়ে উপলব্ধি কৰিব পাৰি। সেইদৰে ধমনীৰ স্পন্দন বিশ্লেষণ কৰিয়ে এই বিধ চিকিৎসা পদ্ধতিত নিদানৰ ব্যৱস্থা কৰা হয়। এইক্ষেত্ৰত চিকিৎসক সকলৰ দেহতাত্বিক পাৰদৰ্শিতা জৰুৰী হয় যদিও এনে বিশ্লেষণৰ বাবে পৰীক্ষাগাৰ বা ব্যয়বহুল সা-সৰঞ্জামৰ প্ৰয়োজন নোহোৱাত এনে বিশ্লেষণ যিকোনো সময়তে যিকোনো স্থানতে সম্পন্ন কৰাৰ সুবিধা আছে। তদুপৰি সৰহ সংখ্যক ঔষধ-পাতিয়েই খাদ্য-দ্ৰব্য, মছলা, অথবা বনস্পতিৰে প্ৰস্তুত কৰা হয় বাবে এনেবোৰ ঔষধ শৰীৰৰ বাবে নিৰাপদ হোৱাটো নিশ্চিত হয়। প্ৰবাল, কড়ি, শংখ আদিৰ খোলা, কিম্বা তাম, দস্তাৰ দৰে অজৈৱ দ্ৰব্যৰ সংসাধন কৰা দ্ৰব্যৰ ব্যৱহাৰেৰে প্ৰস্তুত কৰা ঔষধো শৰীৰৰ বাবে নিৰাপদ হয়, কিয়নো এনেবোৰ ঔষধত এনে দ্ৰব্যৰ ব্যৱহাৰ তেনেই সামান্য পৰিমাণে কৰা হয়।

**পদ্ধতিৰ পেটেন্টঃ**

সিদ্ধ চিকিৎসা পদ্ধতিত ৰ্মনৰ দৰে কেতবোৰ অন্যান্য বহিঃচিকিৎসা বিধি আছে , যিবোৰে শেহতীয়াভাৱে ৰাষ্ট্ৰীয় প্ৰেক্ষাপটত জনপ্ৰিয়তা আদায় কৰিবলৈ সক্ষম হৈছে। পিছে এনে বিধিৰ ব্যৱহাৰ পেটেন্ট কৰাবলৈ হ'লে এইবোৰৰ মূল্যায়ন, গুণ-মান নিৰ্ধাৰণ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰাৰ প্ৰয়োজনীয়তা থাকিব। যোগৰ কেতবোৰ আসনৰ যেনেকৈ পেটেন্ট কৰা হৈছে একে আৰ্হিতে এনেবোৰ চিকিৎসাবিধিৰো পেটেন্ট কৰাব পৰা যাব বুলি নিশ্চয় আশা কৰিব পাৰি।

**শৈলী অতিক্ৰমণঃ প্ৰসংগ আৰু প্ৰত্যাহ্বান ঃ**

পৰিস্থিতিগত কাৰণত বহু সময়ত সিদ্ধ চিকিৎসাৰ অনুশীলন কৰা চিকিৎসসকলে জৈৱিক ঔষধ প্ৰদান কৰিবলগীয়া পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হয়। বিশেষকৈ প্ৰত্যন্ত এলেকাসমূহৰ চিকিৎসালয় অথবা চিকিৎসা কেন্দ্ৰত নিয়োজিত অথবা বহু সময়ত চহৰাঞ্চলৰ চিকিৎসালয় সমূহত নিয়োজিত সিদ্ধ চিকিৎসকলো এনে পৰিস্থিতিৰ সন্মুখীন হ'ব লগীয়া হয়। এনেবোৰ পৰিস্থিতিত প্ৰায়েই চিকিৎসক অথবা ৰোগীসকল এক ধৰণৰ দ্বিধাৰ সন্মুখীন হোৱা দেখা যায়। সিদ্ধ শিক্ষাৰ পাঠ্যক্ৰমত মানৱৰ শৰীৰতন্ত্ৰ, দেহতত্ব, জৈৱ-ৰসায়ন, মাইক্ৰ'বায়োলজী তথা ফাৰ্মাকোলজী আদি বিষয়ৰ শিক্ষাও অন্তৰ্ভুক্ত কৰা হয় যদিও আজিৰ প্ৰেক্ষাপটত এনে দ্বিধাৰ অৱকাশ থাকি যোৱাটো তেনেই স্বাভাৱিক। সেয়ে সকলো পক্ষৰ মংগলৰ বাবেই এনে পৰিস্থিতিৰ অৱসানঘটাব পৰাকৈ সিদ্ধ আৰু এলোপেথিক চিকিৎসা মাজত সেঁতুবন্ধন পাঠ্যক্ৰম প্ৰৱৰ্তনৰ নিশ্চয় প্ৰাসংগিকতা থাকিব।

**চৰকাৰী প্ৰয়াসঃ**

সিদ্ধ চিকিৎসা পদ্ধতিক মূলসুঁতিৰ চিকিৎসা পদ্ধতিৰ সমকক্ষ কৰি তোলাৰ বাবে ভাৰত চৰকাৰৰ লগতে তামিলনাডু চৰকাৰেও নীতিগত ভাৱে পদক্ষেপ গ্ৰহণ কৰি আহিছে। এইবিধ চিকিৎসা পদ্ধতিৰ উত্তৰোত্তৰ বিকাশ সম্ভৱ কৰিব পৰাকৈ ইতিমধ্যে বহু শিক্ষা প্ৰতিষ্ঠান স্থাপন কৰাৰ উপৰি উন্নত মানৰ স্বাস্থ্যসেৱা সম্ভৱ কৰিব পৰাকৈ বিধি-নিয়ম যুগুতাই ৰূপায়ণৰ দিহা কৰা হৈছে। ইফালে বিশ্ব স্বাস্থ্য সংস্থায়ো এইবিধ চিকিৎসা শৈলীৰ বিভিন্ন উপাদানৰ শক্তি বৰ্দ্ধনৰ বাবে নিজাববীয়া উদ্যোগ গ্ৰহণ কৰিছে। সেইদৰে ভাৰত চৰকাৰৰ, আয়ুষ মন্ত্ৰালয়ে কেন্দ্ৰীয় পৃষ্ঠপোষকতাৰে ৰূপায়িত বিভিন্ন আঁচনিৰ জৰিয়তে সমগ্ৰ দেশতে সম্পন্ন হোৱাকৈ সিদ্ধ প্ৰকল্প ৰূপায়ণত গুৰুত্ব দিয়া পৰিলক্ষিত হয়।

কেন্দ্ৰীয় চৰকাৰে নিয়োজিত কৰা সিদ্ধ চিকিৎসক সকলক কেন্দ্ৰীয় লোক সেৱা আয়োগে বাছনি কৰে আৰু এওঁলোকক কেন্দ্ৰীয় চৰকাৰৰ চিকিৎসালয় তথা দেশ জুৰি থকা সুস্থাতা কেন্দ্ৰ সমূহত নিয়োজিত কৰা হয়।

**বিদেশত জনপ্ৰিয়তা বৃদ্ধি ঃ**

শ্ৰীলংকা, মালয়ছিয়া, ছিংগাপুৰ, থাইলেণ্ড আদিৰ দৰে দেশত সিদ্ধ চিকিৎসাৰ বিশেষ জনপ্ৰিয়তা আছে। শ্ৰীলংকাত সিদ্ধ শৈলীৰ চিকিৎসা মহাবিদ্যালয় আৰু চিকিৎসালয় থকাৰ বিপৰীতে আনকেইখন দেশত আনুষ্ঠানিক শিক্ষাৰে শিক্ষিত সিদ্ধ চিকিৎসকৰ উপৰি বিশাল সংখ্যক বংশানুক্ৰমিক ভাৱে এই বিদ্যা অনুশীলন কৰোতাই সিদ্ধ চিকিৎসা সেৱা আগবঢ়াই অহাটো প্ৰসংগতে প্ৰণিধান যোগ্য।

এনে প্ৰেক্ষাপটতে মানৱজাতিৰ কল্যাণৰ স্বাৰ্থত সিদ্ধ চিকিৎসা পদ্ধতিৰ সদ্ব্যৱহাৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় পৰ্যায়ত সম্ভৱ কৰি তোলাটো সংশ্লিষ্ট সকলো পক্ষৰ কৰ্তব্য হোৱা উচিত।

***'পয়োভৰা'ত প্ৰকাশিত প্ৰবন্ধপাতিৰ ওপৰত পাঠকৰ কিবা মন্তব্য থাকিলে অথবা প্ৰকাশিত তথ্যৰ উপৰি পঢ়ুৱৈ সমাজক অধিক তথ্য জনাব বিচাৰিলে, সেই বিষয়ে আমালৈ লিখি পঠিয়াই যেন। উপযুক্ত বিবেচিত হ'লে 'পয়োভৰা'ত প্ৰকাশ কৰা হ'ব।***

# মানৱ জীৱনত যোগৰ ভূমিকা

*যোগাচাৰ্য দণ্ড প্ৰতাপ শৰ্মা

আমাৰ দেশৰ ঋষি-মনীষী সকলে প্ৰণয়ন কৰা বিভিন্ন শাস্ত্ৰৰ লগতে যোগশাস্ত্ৰ হৈছে মানৱ কল্যাণ সাধনৰ অন্যতম শাস্ত্ৰ। এই যোগ শাস্ত্ৰতে লিপিবদ্ধ কৰা হৈছে মানুহৰ শাৰীৰিক, মানসিক, বৌদ্ধিক আৰু আধ্যাত্মিক উন্নতি সাধনৰ বিভিন্ন পন্থা। 'যোগ' শব্দৰ প্ৰকৃত অৰ্থ যোগ বা মিলন। ভগৱানৰ লগত, পৰমাত্মাৰ লগত সংযুক্ত হোৱাৰ নামেই যোগ। যোগৰ সহায়ত শৰীৰৰ ৰোগ-ব্যাধি দূৰ কৰিব পাৰি, মনৰ উৎকৰ্ষ সাধন কৰিব পাৰি, উদাৰ আৰু উন্নত মনৰ অধিকাৰী হ'ব পাৰি। শৰীৰত ৰোগ-ব্যাধি নহ'লে অকাল মৃত্যু প্ৰতিৰোধ হয় আৰু মানুহে দীৰ্ঘায়ু জীৱন লাভ কৰে। উদাৰ আৰু উন্নত মনৰ অধিকাৰী হলে মানুহৰ মন সামাজিক ভেদ-বিৰোধ, ধৰ্মীয় ভেদ-বিৰোধ আদিৰ পৰা মুক্ত হয়। প্ৰকৃত যোগাভ্যাসৰদ্বাৰা সংশোধিত দেহ-মনত নীচতা, ক্ষুদ্ৰতা আৰু স্বাৰ্থপৰতাই কেতিয়াও স্থান নাপায়। যোগ-ক্ৰিয়া অনুশীলন আৰু নিৰ্দোষ খাদ্য গ্ৰহণৰদ্বাৰা যেতিয়া আমাৰ মনত আত্মা স্বৰূপভাৰ উদয় হ'ব, তেতিয়া ব্যৱহাৰিক জীৱনৰ নীতি হ'ব অহিংসা। ব্যৱহাৰিক জীৱনত খাদ্যৰ লগত এই অহিংসা নীতিৰ বিশেষ সম্বন্ধ আছে।

সকলো জীৱৰ ভিতৰত মানুহেই শ্ৰেষ্ঠ। এই মানৱৰ মাজতেই মহাপুৰুষ, কবি, সাহিত্যিক, দাৰ্শনিক, বিজ্ঞানী, নেতা, শিল্পী আদিৰ আৱিৰ্ভাৱ ঘটিছে। কিন্তু জীৱশ্ৰেষ্ঠ মানুহৰ মাজত এই চুৰি, ডকাইতি, হত্যা, লুণ্ঠন, অপহৰণ আদিৰ দৰে লোমহৰ্ষক ঘটনা সংঘটিত হোৱাৰ কাৰণ কি? যি সকল লোকৰদ্বাৰা বৰ্ত্তমান সমাজত এইবোৰ ঘটনা সংঘটিত হৈছে ভাৰতীয় যোগ-দৰ্শন অনুসৰি ইয়াৰ বিশেষ কাৰণ থকা পৰিলক্ষিত হয়। সেই সকল প্ৰকৃততে দোষী নহয়। নিৰ্দোষীলোকৰ দৰে এওঁলোকো চিন্তা আৰু বিবেক বিবেচনাৰদ্বাৰা নিয়ন্ত্ৰিত। কোনো কাৰণবশতঃ যদি দেহ আৰু মন পৰিচালনাৰ প্ৰধান কৰ্ণ কেন্দ্ৰ গ্ৰন্থি সমূহৰ স্বাভাৱিক কাৰ্য্যত ব্যাঘাত সৃষ্টি হয় তেতিয়া মানুহৰ স্বভাৱ চৰিত্ৰৰ ৰূপান্তৰ ঘটে। বিভিন্ন ৰাগিয়াল বা নিচাযুক্ত দ্ৰব্য সেৱন আৰু আহাৰ-বিহাৰৰ ত্ৰুটিৰ বাবে দেহ-মন পৰিচালনাৰ বাহক গ্ৰন্থিসমূহৰ স্বাভাৱিক ক্ৰিয়াত বিশৃঙ্খলতা ঘটা দেখা যায়। উদাহৰণ স্বৰূপে-যকৃত (Liver)ৰ ক্ৰিয়া স্বাভাৱিক নাথাকিলে মানুহৰ মেজাজ খিটখিটীয়া হয় আৰু ব্যৱহাৰত কৰ্কশ আৰু ৰুক্ষতা প্ৰকাশ পায়। পিতৃ-গ্ৰন্থি (Sex Gland) স্বাভাৱিক নাথাকিলে মানুহ অত্যধিক কামুক আৰু স্বাৰ্থপৰ হয়। মঙ্গলগ্ৰন্থি (Thymus gland) দোষযুক্ত হ'লে মানুহ চোৰ, ডকাইত আৰু নৰঘাতক হয়। শিৰসতী গ্ৰন্থি (Pituitary gland)ৰ ক্ৰিয়াত বিশৃঙ্খলতা ঘটিলে পৰছিদ্ৰান্বেষী, নিৰ্দয় আৰু খাদ্য ভেজালকাৰী হয়। গতিকে পৰ্য্যালোচনা কৰি দেখা যায় মানুহে যে কোনো অসামাজিক কাম নাইবা লোমহৰ্ষক ঘটনা সংঘটিত কৰিবলৈ হ'লে গ্ৰন্থি সমূহৰ স্বাভাৱিক ক্ৰিয়াৰ বিশৃঙ্খলতা নঘটাকৈ এনে ধৰণৰ কোনো কাম সংঘটিত কৰিব নোৱাৰে। ইয়াৰ বাহিৰেও আৰু কিছুমান গ্ৰন্থি আছে যিবোৰে দেহ আৰু মন পৰিচালনাত সহায় কৰে। উল্লিখিত গ্ৰন্থি সমূহৰ পৰা অন্তৰ্মুখী ৰস নিঃসৰণ হৈ তেজৰ লগত মিহলি হৈ শৰীৰ নিৰোগী আৰু সুস্থ-সবল কৰি ৰখাৰ উপৰিও মগজুৰ স্নায়ু তন্ত্ৰৰ ক্ৰিয়া স্বাভাৱিক ৰাখি সুস্থ মন, সৎ-চিন্তা আৰু বুদ্ধি বিকাশত সহায় কৰে। গ্ৰন্থি সমূহৰ ক্ৰিয়াত বিশৃঙ্খলতা ঘটিলে শৰীৰ আৰু মনৰ বিকাশ বিশৃঙ্খল হয় আৰু ইয়াৰ লগে লগে স্বভাৱ-চৰিত্ৰত ৰূপান্তৰ ঘটে। অকল এয়াই নহয়, গ্ৰন্থি সমূহৰ ক্ৰিয়াৰ বিশৃঙ্খলও হেতু শৰীৰ বিভিন্ন ৰোগৰদ্বাৰা আক্ৰান্ত হয়।

ঋষি-মনীষীসকলে সমগ্ৰ মানৱ জাতিৰ কল্যাণৰ কাৰণে বিভিন্ন যৌগিক ক্ৰিয়া আসন, মুদ্ৰা, প্ৰাণায়াম, ধৌতি আদি অনুশীলনৰ লগতে আদৰ্শ পথ্য গ্ৰহণ আৰু বিভিন্ন ৰাগিয়াল দ্ৰব্য বৰ্জনৰ ওপৰত গুৰুত্ব আৰোপ কৰি গৈছে। উল্লিখিত যৌগিক ক্ৰিয়া অনুশীলনৰদ্বাৰা শৰীৰ আৰু মন পৰিচালক গ্ৰন্থিসমূহৰ ক্ৰিয়া স্বাভাৱিক অৱস্থাত থাকে আৰু ইয়াৰ ফলত মানুহৰ জীৱনত কোনো অসৎ কৰ্মই ৰেখাপাত কৰিব নোৱাৰে। তদুপৰি ব্যৱহাৰিক জীৱনত খাদ্যৰ লগত শৰীৰ আৰু মন গঠনৰ বিশেষ সম্বন্ধ আছে। খাদ্যৰ স্থূল অংশৰদ্বাৰা দেহ গঠিত হয় আৰু ইয়াৰ সূক্ষ্ম অংশৰ দ্বাৰা মন গঠিত হয়। খাদ্যৰ গুণ

* দণ্ডপ্ৰতাপ শৰ্মা পশ্চিম মঙলদৈ যৌগিক হস্পিতেল,কলেজ আৰু গৱেষণা কেন্দ্ৰৰ অধ্যক্ষ

অনুসৰি ঋষি-মনীষীসকলে খাদ্য সমূহক- সাত্ত্বিক, ৰাজসিক আৰু তামসিক এই তিনি ভাগত বিভক্ত কৰি গৈছে। সকলো ধৰণৰ নিৰামিষ আহাৰক সাত্ত্বিক, আমিষ আৰু কৃত্রিম আহাৰক ৰাজসিক আৰু বাহি, গেলা-পচা, অত্যাধিক জল-মছলাযুক্ত আৰু মাত্রাধিক আহাৰক তামসিক আহাৰ আখ্যা দিয়া হৈছে ।ব্রহ্মচর্য, সন্ন্যাস আৰু সংসাৰ ধৰ্ম গ্ৰহণকাৰীৰ বাবে সাত্ত্বিক আহাৰৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে। সাত্ত্বিক আহাৰ গ্ৰহণৰ দ্বাৰা মানুহৰ মন পবিত্র, উদাৰ আৰু উন্নত হয়। এই সকল ব্যক্তি কেতিয়াও কোনো অসামাজিক কামত লিপ্ত হ'ব নোৱাৰে। এওঁলোকৰ শৰীৰ নিৰোগী হয় আৰু দীৰ্ঘায়ু জীৱন লাভ কৰে। পৰিমিত আমিষ আহাৰে শাৰীৰিক বা মানসিক স্বাস্থ্যৰ বিশেষ ক্ষতি সাধন নকৰে যদিও ইয়াৰ মাত্রা অধিক হলে বিভিন্ন ৰোগৰদ্বাৰা দেহ আক্রান্ত হয় আৰু মানসিক স্বাস্থ্যৰো ক্ষতি সাধন কৰে। তামসিক আহাৰ গ্ৰহণৰ ফলত শাৰীৰিক ক্ষতিৰ লগতে মানসিক স্বাস্থ্যৰো অপূৰণীয় ক্ষতি সাধন হয়, যাৰ ফলত প্ৰধান প্ৰধান গ্ৰন্থি সমূহৰ স্বাভাৱিক ক্রিয়াত বিশৃঙ্খলতা ঘটে।

পথ্যৰ দৰে আগতে উল্লেখ কৰি অহা মতে শাৰীৰিক আৰু মানসিক স্বাস্থ্যৰ অৱনতিৰ অন্য এটা প্ৰধান কাৰণ হৈছে- বিভিন্ন ৰাগিয়াল বা নিচাযুক্ত দ্রব্য সেৱনৰ প্ৰৱণতা। ৰাগিয়াল বা নিচাযুক্ত দ্রব্য বুলিলে মদ,ভাং, বিড়ি, চিগাৰেট,ধঁপাত, কানি, হেৰোইন, আফিং, ড্রাগছ, গুটখা জাতীয় দ্রব্য আদিক বুজায়। এনে দ্রব্য সেৱন কৰিলে মানুহে শাৰীৰিক আৰু মানসিক ভাৰসাম্য হেৰুৱায়। ইয়াৰ মাত্রা অধিক হলে মগজুৰ স্নায়ুতন্ত্ৰত ব্যাঘাত সৃষ্টি হয়, ধাৰণা আৰু চিন্তা শক্তি লোপ পায় আৰু শৰীৰৰ পিটুইটাৰী আৰু থাইমাচ আদিৰ দৰে প্ৰধান গ্ৰন্থিসমূহৰ ক্রিয়াত বিশৃঙ্খলতা ঘটে।

বৰ্তমান সমাজত যিটো হাৰত ৰাগিয়াল বা নিচাযুক্ত দ্রব্য সেৱনৰ প্ৰৱণতা বৃদ্ধি পাই আহিছে সেই অনুপাতে চুৰি,ডকাইতি, হত্যা,লুণ্ঠন, নাৰীহত্যা, শিশুহত্যা, অপহৰণ,ধৰ্ষণ আদি ঘটনাও বৃদ্ধি পাব ধৰিছে। গতিকে পৰ্যালোচনা কৰি চালে দেখা যায় যে প্রাচীন ভাৰতীয় যোগ দৰ্শন অনুসৰি শৰীৰৰ বিশৃঙ্খলতাই মনৰো বিশৃঙ্খলতা ঘটায়বোলা কথাষাৰ সঁচা। আগতে আলোচনা কৰা মতে পথ্যৰ ত্রুটি আৰু বিভিন্ন ৰাগিয়াল বা নিচাযুক্ত দ্রব্য সেৱনৰ ফলত শৰীৰৰ প্ৰধান প্ৰধান গ্ৰন্থিৰ স্বাভাৱিক ক্রিয়াত বিশৃঙ্খলতা সৃষ্টি হোৱা বাবে সমাজত উল্লিখিত ঘটনা সমূহ সংঘটিত হৈছে। সঘনে সংঘটিত হৈ থকা এই ঘটনা প্ৰতিৰোধ কৰাত নিয়মিত যোগাভ্যাস, আদৰ্শ পথ্য-নীতি পালন আৰু সকলো ধৰণৰ ৰাগিয়াল দ্রব্য বৰ্জনে বিশেষভাৱে সহায় কৰাৰ বিষয়ে অনুমান কৰিব পাৰি। ইয়াৰ বাবে প্ৰতিগৰাকী সচেতন নাগৰিক, অভিভাৱক আৰু শিক্ষক-শিক্ষয়িত্রীসকলে ক্রমে - যুৱ সমাজ, নিজৰ ল'ৰা-ছোৱালী আৰু ছাত্র-ছাত্রীসকলক ভাৰতীয় আদৰ্শ পথ্যৰ প্রয়োজনীয়তা আৰু প্রচলিত বিভিন্ন ৰাগিয়াল বা নিচাযুক্ত দ্রব্য সেৱনৰ অপকাৰিতাৰ বিষয় জ্ঞান প্ৰদান আৰু কঠোৰ স্থিতি অৱলম্বন কৰা প্রয়োজন। মাতৃসকলে শিশু বয়সৰ পৰা ল'ৰা-ছোৱালীক কৃত্রিম আহাৰ আৰু আমিষ খাদ্য বৰ্জন কৰাই স্বাভাৱিক খাদ্য ফল-মূল, গাখীৰ,শাক-পাচলি আদি খোৱাত বিশেষ গুৰুত্ব আৰোপ কৰা উচিত। যুৱক-যুৱতীসকলে যুৱ বয়সৰ পৰা আমিষ আহাৰৰ তুলনাত নিৰামিষ আহাৰ অধিক মাত্ৰাত গ্ৰহণ কৰা আৱশ্যক আৰু প্রচলিত কৃত্রিম আহাৰ আৰু সকলো ধৰণৰ ৰাগিয়াল বা নিচাযুক্ত দ্রব্য বৰ্জন কৰা উচিত। নিয়মিত যোগাভ্যাসে দেহ-মনৰ উৎকৰ্ষ সাধন কৰে। হঠযোগৰ আসন, মুদ্রা, প্রাণায়াম,ধৌতি আদি ক্রিয়া ক্রম অনুসৰি নিৰ্ভুল ভাৱে নিয়মিত অনুশীলন কৰা যুৱক-যুৱতীসকলৰ বাবে বিশেষ প্রয়োজন। প্রাচীন ভাৰতীয় আদৰ্শ নীতিৰে মানৱ সম্পদ গঢ়াৰ বাবে বৰ্তমান চৰকাৰে বিদ্যালয় সমূহত প্রাথমিক পৰ্য্যায়ৰ পৰা নীতি-শিক্ষা, মহাপুৰুষৰ জীৱনী আৰু বাণী, প্রাচীন ভাৰতীয় হঠযোগ শাস্ত্রত উল্লিখিত ছাত্র-ছাত্রীৰ প্রয়োজনীয় যোগ শিক্ষা ব্যৱস্থা, আদৰ্শ পথ্য নীতি আৰু সকলো ধৰণৰ ৰাগিয়াল দ্রব্য সেৱনৰ অপকাৰিতাৰ বিষয় পাঠ্যপুথিৰ পাঠত নাইবা পৃথক ভাৱে পাঠ্যপুথি যুগুতাই বিদ্যালয়ৰ ছাত্র-ছাত্রীক শিক্ষা প্ৰদানত আত্মনিয়োগ কৰিব পাৰিলে আমাৰ সমাজত প্রচলিত এই ঘটনা সমূহ বহু পৰিমাণে প্ৰতিৰোধ কৰিব পৰা যাব।

# বিকল্প চিকিৎসা ঃ সংশয় আৰু আৱশ্যকতা

**ড° গৌৰাঙ্গ কুমাৰ শৰ্মা**

এখন দেশৰ শক্তি আৰু সমৃদ্ধিৰ বুনিয়াদ হ'ল দেশখনৰ নাগৰিকসকলৰ সুস্বাস্থ্য আৰু নিৰোগী শৰীৰ। বৰ্ত্তমান পৃথিৱীৰ আমেৰিকা যুক্তৰাষ্ট্ৰৰ নাগৰিক সকলৰ গড় আয়ু ৭৫ বছৰৰ ওপৰত। মধ্যপ্ৰাচ্যৰ সবাতোকৈ শক্তিশালী দেশ ইজৰাইল। ইজৰাইলৰ প্ৰাকৃতিক সম্পদ শূন্য বুলিব পাৰি। জনবলৰ বৌদ্ধিক শক্তিয়ে হ'ল দেশখনৰ শক্তি সামৰ্থ্যৰ উৎস ইজৰাইলী নাগৰিক সকলৰ গড় আয়ু ৭৮ বছৰৰ ওচৰা ওচৰি। ভাৰত স্বাধীন হোৱাৰ ৬৭ বছৰ হৈ যোৱা সত্ত্বেও দেশখন উন্নত হোৱা নাই। আজিও এইখন এখন উন্নয়নশীল দেশ। পোনতে চৰকাৰী উদ্যমৰ জৰিয়তে দেশখনৰ আৰ্থিক সমৃদ্ধিৰ বাবে যত্ন কৰা হৈছিল যদিও সেইয়া আশানুৰূপ নহল। ১৯৯১ চনৰ পৰা মুক্ত বজাৰ ব্যৱস্থাৰ ওপৰত নিৰ্ভৰ কৰি কিছু আশা দেখা গৈছে যদিও সি বৰ সন্তোষজনক নহয়। এতিয়াও দেশখনৰ এক তৃতীয়াংশ লোকে দাৰিদ্ৰ সীমা ৰেখাৰ তলত বাস কৰে। তেওঁলোকৰ উত্থানৰ বাবে চৰকাৰে যথেষ্টখিনি খৰচ কৰিব লাগে। তাৰ কাৰণে ধনৰ অভাৱ। পৃথিৱীৰ উন্নত দেশবিলাকে ৰপ্তানি আৰু উপনিবেশৰ-দ্বাৰা নিজৰ আৰ্থিক সমৃদ্ধি সম্ভৱ কৰিছিল। গণতান্ত্ৰিক দেশ হোৱা কাৰণে আৰু ঔদ্যোগিক ভাবে অনগ্ৰসৰ হোৱা হেতু ভাৰতৰ আৰ্থিক বিকাশ আভ্যন্তৰীণ উপভোগৰ ওপৰত নিৰ্ভৰ কৰি কৰিব খোজা হৈছে। ইয়াৰ সফলতা নিৰ্ভৰ কৰে ভাৰতীয় নাগৰিকৰ সু-স্বাস্থ্য আৰু সু-শিক্ষাৰ ওপৰত।

ৰাইজৰ সু-স্বাস্থ্যৰ বাবে দেশৰ চিকিৎসা সেৱা ব্যৱস্থা উন্নত, ফলপ্ৰসু, কম খৰচী আৰু সৰ্বজনস্পৰ্শী হ'ব লাগে। আধুনিক এলোপেথি চিকিৎসা ব্যৱস্থা নিৰ্ভৰযোগ্য যদিও ই ব্যয় বহুল। ভাৰতৰ ৰাজহুৱা চিকিৎসা ব্যৱস্থা ৰাজ্য চৰকাৰৰ অধীনস্থ। চোৰাচিতাৰ অভাৱ আৰু ৰাজ্য চৰকাৰসমূহৰ অনিচ্ছাৰ কাৰণে ৰাজহুৱা চিকিৎসালয়বোৰৰ দক্ষতা আৰু সেৱা প্ৰদান ক্ষমতা বিতৰ্কিত। সেই কাৰণে স্বাস্থ্য যতন ভাৰতৰ এটা ক্ৰমবৰ্দ্ধমান উদ্যোগ। কিন্তু ইয়াৰ সেৱামূল্য বেছি হোৱা হেতু সৰ্বসাধাৰণ ৰাইজে ব্যক্তিগত খণ্ডৰ চিকিৎসালয়বোৰলৈ যাব নোৱাৰে। সেই বাবে বিকল্প হিচাপে বিকল্প চিকিৎসাৰ কথা চিন্তা কৰা হৈছে।

ভাৰতত বিকল্প চিকিৎসা যথেষ্ট পুৰণি ব্যয়সাধ্য আৰু সুলভ। গোটেই পৃথিৱীত চলি অহা বিকল্প চিকিৎসা ব্যৱস্থাৰ পাঁচটা ভাৰতত ওপজা আৰু শ শ বছৰ চলি অহা। ইংৰাজৰ শাসন অহালৈকে ভাৰতৰ ৰজা আৰু প্ৰজা উভয়ে আয়ুৰ্বেদ আৰু আন স্থানীয় চিকিৎসা পদ্ধতি ব্যৱহাৰ কৰি ৰোগমুক্ত হৈছিল। আমাৰ দেশত আয়ুৰ্বেদ, যোগ, প্ৰাকৃতিক চিকিৎসা বা প্ৰাকৃতিক চিকিৎসা, ইউনানী, সিদ্ধ আৰু হোমিওপেথি চিকিৎসা পদ্ধতি বহুল প্ৰচলিত। তাৰে হোমিওপেথি ইউৰোপৰ পৰা অহা। ইউনানী চিকিৎসা পদ্ধতি মুছলমান সকলে ভাৰতলৈ আনিছিল। আৰবসকলে গ্ৰীকসকলৰ পৰা শিকিছিল কাৰণে নাম দিছিল ইউনানী। আচলতে গ্ৰীকসকলে ভাৰতৰ পৰা আয়ুৰ্বেদ শিকি তেওঁলোকৰ দেশত প্ৰয়োগ কৰিছিল আৰু কিছুমান পৰিবৰ্ত্তন আনিছিল। এই পৰিবৰ্ত্তিত আয়ুৰ্বেদেই ইউনানী নামলৈ আৰবৰ পৰা ভাৰতলৈ আহিছিল।

আজি সমগ্ৰ পৃথিৱীতে এলোপেথিক চিকিৎসা ব্যৱস্থাৰ জয় জয় ময় ময় অৱস্থা। বৈজ্ঞানিক পৰীক্ষা-নিৰীক্ষা আৰু যুক্তি তৰ্কৰ ওপৰত আধাৰিত এলোপেথিক চিকিৎসাই ৰোগ আৰোগ্য কৰাৰ লগতে দুৰাৰোগ্যতাৰ কাৰণ দৰ্শাব পাৰে। কিন্তু ই ব্যয় বহুল। কৰ্পোৰেট আৰু ইন্সুৰেন্সৰ প্ৰৱেশ হোৱা বাবে পশ্চিমত এলোপেথিক চিকিৎসা সেৱা এবিধ লাভৰ আশাত চলা উদ্যোগত পৰিণত হৈছে। ভাৰতত প্ৰশাসনৰ অনীহা আৰু ৰাজহুৱা ব্যয়ৰ স্বল্পতাৰ বাবে কৰ্পোৰেট স্বাস্থ্য খণ্ড প্ৰভাৱী হৈ উঠিছে। স্বাস্থ্য বীমাৰ প্ৰসাৰ নোহোৱা কাৰণে ভাৰতীয় মানুহে ব্যক্তিগত হস্পিতেলত চিকিৎসা কৰিবলৈ গৈ জেপৰ ধন হেৰুৱাবলগীয়া হয়।

ৰাইজক সকাহ দিবলৈ বিকল্প চিকিৎসা সেৱাৰ পৰীক্ষা কৰিবলৈ আৰু উন্নতি সাধিবলৈ ভাৰত চৰকাৰে ১৯৯৫ চনত স্বাস্থ্য মন্ত্ৰালয়ৰ অধীনত দি ডিপাৰ্টমেন্ট অব ইণ্ডিয়ান চিষ্টেম্চ অব মেডিচিন এণ্ড হোমিওপেথি নামৰ অনুষ্ঠান প্ৰতিষ্ঠা কৰিছিল। তাৰ পাছত ইয়াক আয়ুস

* ড° গৌৰাঙ্গ কুমাৰ শৰ্মা গুৱাহাটীৰ পশ্চিম বৰাগাওঁৰ অসম ইনষ্টিটিউট অব্ মেনেজমেন্ট ফেকাল্টি মেম্বৰ

(AYUSH) নাম দিয়া হৈছিল। আয়ুসৰ অৰ্থ হ'ল আয়ুৰ্বেদ,যোগ, ইউনানী, সিদ্ধ আৰু হোমিওপেথি। ইয়াত প্ৰাকৃতিক চিকিৎসাৰ উল্লেখ নাই যদিও প্ৰাকৃতিক চিকিৎসাৰ দায়িত্বও আয়ুস মন্ত্ৰালয়ৰ হাতত ন্যস্ত। ২০১৪ ৰ মে' মাহত শাসনাধিষ্ঠি মোডী চৰকাৰে আয়ুস শাখাক পূৰ্ণ পৰ্য্যায়ৰ মন্ত্ৰ্যালয়ৰ মৰ্য্যাদা দিছে।

এলোপেথিক চিকিৎসকসকলৰ লগতে আয়ুস পদ্ধতিৰ চিকিৎসকসকলে ৰোগপীড়িত ভাৰতীয়সকলৰ সেৱা কৰি আছে। ' চেন্ট্ৰেল বুৰ্য়ো অব হেল্থ ইন্টেলিজেন্স' নামৰ চৰকাৰী প্ৰতিষ্ঠানটোৱে সংকলন কৰা তথ্য অনুসৰি ২০১৩ চনত আমাৰ দেশত ৯,১৮,৩০৩ জন এলোপেথিক; ৩,৮৭,৮৭৯ জন আয়ুৰ্বেদিক; ২৩৮,৬৪৮ জন হোমিওপেথিক, ৫০,৪৭৫ জন ইউনানী ; ৭৬০০ সিদ্ধ আৰু ১,৬২০ জন প্ৰাকৃতিক চিকিৎসক আছিল। ভাৰতত ১৩৮৪জনৰ ৰোগীৰ বাবে এজন এলোপেথিক ডাক্তৰ আৰু ১৭৮৩ জন ৰোগীৰ বিপৰীতে এজন আয়ুস ডাক্তৰ আছে।

আধুনিক চিকিৎসাবিদ্যাৰ বিশেষজ্ঞ সকলে আয়ুস আৰু চীনদেশৰ পৰা অহা একুপাংচাৰ, জাপানৰ, ৰেইকি আদি বিকল্প চিকিৎসা অবৈজ্ঞানিক বুলি কয়। কিন্তু ৰোগীয়ে উপকাৰ পোৱা কাৰণে আমেৰিকা যুক্তৰাষ্ট্ৰ, ইংলেণ্ড, জাৰ্মানী আদি উন্নত দেশতো বিকল্প চিকিৎসা সেৱা জনপ্ৰিয় হৈ উঠিছে। মানসিক ৰোগ, স্নায়ুৰোগ, আৰু পানীলগা জ্বৰ আদিত যোগ, আয়ুৰ্বেদ, প্ৰাকৃতিক চিকিৎসা আদিয়ে সুফল দিয়ে বুলি প্ৰমাণ আছে। দ্বিতীয়তে বিকল্প চিকিৎসাৰ উপাচাৰ পদ্ধতি কমখৰচী বাবে দুখীয়া মানুহৰ পক্ষে হিতকৰ। কিন্তু এই কথাও ঠিক যে প্ৰশিক্ষণৰ ব্যৱস্থা ঠিক নোহোৱা কাৰণে বিকল্প চিকিৎসাৰ চিকিৎসকসকলৰ মাজত উপযুক্ত জ্ঞানী মানুহৰ সংখ্যা কম। এনে অনভিজ্ঞ চিকিৎসকৰ কবলত পৰিলে ৰোগীৰ বিপদ। সংস্কৃত ভাষাত কোৱা হয় যে "মুৰ্খ বৈদ্যঃ যমোপম" অৰ্থাৎ মুৰ্খ বা অজ্ঞানী চিকিৎসক যম ৰজাৰ লেখীয়া। আমেৰিকা যুক্তৰাষ্ট্ৰৰ আভ্যন্তৰীণ ৰাজহ সেৱা শাখাই চিকিৎসা ব্যয়ৰ সংজ্ঞা দি কৈছে যে ৰোগ চিনাক্তকৰণৰ ব্যয়, নিৰাময় হোৱাৰ খা-খৰচ, ঔষধ খোৱাৰ খৰচ, ঔষধ খাই পাৰ্শ্বক্ৰিয়াত ভুগিলে সেইয়া নিৰাময় কৰাৰ খৰচ, প্ৰতিযেধকৰ খৰচ চিকিৎসকে ভুল চিকিৎসা কৰি ৰোগীক বিপদত পেলালে ক্ষতি পূৰণ বিচাৰি আদালত আৰু উকীলৰ বাবে কৰা খৰচ আদি সকলো খৰচ চিকিৎসা ব্যয়ৰ অনিবাৰ্য অঙ্গীভূত ঘটক। সংজ্ঞা থাকক বা নাথাকক ভাৰততো এইবিলাক খৰচ ৰোগীয়ে বহন কৰিব লাগে। সেই বাবে কমখৰচী বিকল্প চিকিৎসা দুখীয়া ৰোগীৰ বাবে শতকৰা এশ ভাগ ব্যৱহাৰিক হ'বলৈ আমি সকলোৱে চেষ্টা কৰিব লাগিব।

## ৰে'ল বিভাগৰ কাম-কাজৰ উন্নীতকৰণ আৰু পাৰদৰ্শিতাৰ বিষয়ত ব্যৱস্থাৱলী

দেশৰ ঘাই ঘাই ৰে'লপথ প্ৰকল্পৰ সম্পদৰ গতিশীলতা আৰু ৰে'ল মন্ত্ৰালয় আৰু ৰে'লৰে বোৰ্ডৰ পুনৰগঠনৰ বিষয়ত ড° বিবেক দেৱৰয়ৰ নেতৃত্বত গঠিত কমিটীয়ে ইয়াৰ অন্তৰ্বৰ্ত্তী প্ৰতিবেদন দাখিল কৰিছে। কমিটীয়ে নীতি প্ৰস্তুতকৰণ, এটা ৰে'লৰে নিয়ামক কৰ্তৃপক্ষ স্থাপন, ৰে'ললাইন আৰু আন্তঃগাঁথনি নিৰ্মাণৰ বাবে দায়বদ্ধতা, ৰেল বাজেটক কেন্দ্ৰীয় সাধাৰণ বাজেটৰ সৈতে পৰ্যায়ক্ৰমে চামিলকৰণ, বিভিন্ন সংহত সেৱাৰ স্বীকৃতি আৰু ক্ষমতা বিকেন্দ্ৰীকৰণ আৰু ন্যস্তকৰণ আদি বিষয়সমূহত অনুমোদন জনায়। আনহাতে ড° ই শ্ৰীধৰণ কমিটীয়ে মহা-প্ৰবন্ধক আৰু আন কাৰ্যবাহী পৰ্যায়ৰ বাণিজ্যিক ক্ষমতা সম্পৰ্কীয় বিষয়ৰ চূড়ান্ত প্ৰতিবেদন ১১ মাৰ্চত প্ৰকাশ কৰিছে। এই কমিটীয়ে ব্যৱহাৰিক সম্ভাৱনাৰ ক্ষেত্ৰত ৰূপায়ণৰ আন্তঃগাঁথনি মূল্যাযণ আৰু অনুমোদনৰ বাবে এখন উপ-সমিতি গঠন কৰি দিছে।

# অসমৰ অৰ্থনৈতিক উন্নয়নত বনৌষধি উদ্যোগ

*** পাঞ্চালী বৈশ্য**

অসম প্ৰকৃতিৰ ৰম্যভূমি। প্ৰাকৃতিক সম্পদতো অসম অতি চহকী ৰাজ্য। গছ-লতা, তৰু-তৃণে অসমখন ভৰপূৰ হৈ আছে। অসমত ভালেমান ঔষধি গুণ সম্পন্ন গছ-লতা পোৱা যায়। তৎসত্ত্বেও, অসমত বনৌষধিৰ দিশটোৱে যেনে ধৰণে গুৰুত্ব লাভ কৰিব লাগিছিল, তেনে হোৱা নাই। বিশেষকৈ অসমত বনৌষধিৰ গৱেষণা আৰু সম্প্ৰসাৰণৰ দিশত উল্লেখযোগ্য পদক্ষেপ লোৱা হোৱা নাই। প্ৰসংগত উল্লেখযোগ্য যে ১৯ শতিকাতেই ইংলেণ্ডৰ হুকাৰ চাহাবৰ নেতৃত্বত এদল বিজ্ঞানীয়ে অসমলৈ আহি শতাধিক ঔষধি উদ্ভিদ সংগ্ৰহ কৰি নিজৰ দেশত যোগান ধৰিছিল। আচলতে বনৌষধিৰ প্ৰাচুৰ্য থকা অসমত বনৌষধি উদ্যোগ স্থাপনৰ যথেষ্ট সম্ভাৱনা আছে। অসমৰ অৰ্থনৈতিক উন্নয়নত এনে বনৌষধি উদ্যোগে প্ৰভূত বৰঙণি যোগাব।

এটা সমীক্ষাত প্ৰকাশ যে, অসমত পোন্ধৰশতকৈও অধিক প্ৰজাতিৰ ভেষজ উদ্ভিদ আছে। আনহাতে ভাৰতীয় উদ্ভিদ জৰীপ সংস্থাৰ মতে বিজ্ঞান আৰু প্ৰযুক্তি বিদ্যাৰ কৌশল অৱলম্বন কৰি এনে উদ্ভিদ সম্পদসমূহক সংৰক্ষণ কৰাটো সম্ভৱ। গতিকে অসমত উপলব্ধ ভেষজ উদ্ভিদৰদ্বাৰা বন দৰৱ উদ্যোগ স্থাপন কৰি ইয়াৰ এখন উন্নত বজাৰ গঢ়ি তুলিব পাৰি।

আনহাতে ভাৰতৰ ৰাষ্ট্ৰীয় ঔষধি উদ্ভিদ পৰিষদৰদ্বাৰা অগ্ৰাধিকাৰ পোৱা প্ৰায় আটাইবিলাক ভেষজ উদ্ভিদেই অসমৰ মাটি আৰু জলবায়ুৰ বাবে অনুকূল। আনহাতে বিশ্ব স্বাস্থ্য সংস্থাৰ এটা সমীক্ষা মতে বজাৰত প্ৰচলিত ঔষধ সমূহৰ প্ৰায় ৩৩ শতাংশ ভেষজ উদ্ভিদৰ পৰাই তৈয়াৰ কৰা হয়। আয়ুৰ্বেদিক ঔষধৰ বাহিৰেও এলোপেথিক দৰব উৎপাদনতো ভেষজ উদ্ভিদৰ প্ৰয়োগ ব্যাপক হাৰত হয়। গতিকে এনে এখন সম্ভাৱনাপূৰ্ণ ক্ষেত্ৰত অসমে বনৌষধি উদ্যোগ স্থাপনৰ যোগেদি আৰ্থিক উন্নয়নৰ বাট উলিয়াব পাৰে।

অৱশ্যে সম্প্ৰতি অসমত নেডফিয়ে ঔষধি আৰু সুগন্ধি উদ্ভিদৰ সংৰক্ষণৰ বাবে ব্যৱস্থা লৈছে আৰু তাৰ বজাৰতো মনোনিবেশ কৰিছে। অসমৰ বিশ্ববিদ্যালয় আৰু চিকিৎসা মহাবিদ্যালয়ৰ সহযোগত অসমতো বনৌষধি বাগিচা স্থাপনৰ সাধাৰণ প্ৰয়াস আৰম্ভ হৈছে। ব্যক্তিগত প্ৰচেষ্টাতো অসমত বন দৰবৰ সংৰক্ষণৰ পদক্ষেপ লোৱা হৈছে। বিশেষকৈ ভেষজবিদ গুণাৰাম খনিকৰে অসমত বন দৰবৰ প্ৰসাৰৰ বাবে উল্লেখযোগ্য বৰঙণি যোগাই আহিছে। তেওঁ গোলাঘাটৰ তেতেলীতলত অসমৰ পাৰম্পৰিক ঔষধৰ সংগ্ৰহালয় স্থাপন কৰিছে। তেওঁ তাত এখনি উন্নত মানৰ বনৌষধি বাগিচাও স্থাপন কৰিছে। দেশ বিদেশৰ পৰ্যটকে এই বনৌষধি বাগিচালৈ আহি বন দৰবৰ গৱেষণা কৰে। আনহাতে ৰাজ্যখনৰ জনসাধাৰণৰ মাজত 'হাৰ্বেল' জাতীয় সামগ্ৰীৰ ব্যৱহাৰ মানসিকতা বৃদ্ধি পোৱাত অসমৰ এচাম স্থানীয় উদ্যোগীয়ে বনৌষধি জাতীয় উদ্যোগ স্থাপনৰ প্ৰতি আগ্ৰহী হোৱা দেখা গৈছে। এতিয়া মানুহে ঔষধ, বিভিন্ন ক্ৰীম, তেল, ধূপ বা কীট-প্ৰতংগ মৰা ঔষধ আদি ভেষজ উদ্ভিদৰ পৰা তৈয়াৰী হ'লে, তেনে বস্তু কিনিবলৈ আগ্ৰহ কৰে। গতিকে এনেবোৰ ক্ষেত্ৰত বনৌষধি উদ্যোগ স্থাপন কৰি আৰ্থিকভাবে স্বাৱলম্বী হ'ব পাৰি।

আমাৰ ৰাজ্যখন জৈৱ বৈচিত্ৰ্যৰ 'হট স্পট' হিচাপে চিহ্নিত হৈছে। এনে কিছুমান বিশেষ ঔষধি গুণ সম্পন্ন গছ-গছনি আছে যিয়ে বনৌষধি উদ্যোগ স্থাপনত অধিক বৰঙণি যোগাব পাৰে। তাৰ ভিতৰত ব্ৰাহ্মী, পদিনা, দ্ৰোণ, জেতুকা, ভেদাইলতা, চিৰতা, মানিমুনি, মধুসোলেং, নৰসিংহ, বাবৰি, পচতীয়া, ধনীয়া জাৰ্মানী বন, কালজিৰা, তুলসী, সৰ্পগন্ধা, ধতুৰা, শিলিখা, ভোমোৰা, আমলখি, অৰ্জুন, আকন, অমৰা, নিম, চন্দন, বেল, জাইফল, থেকেৰা, গোলাপ, জবা, গুটিমালি, নয়নতৰা, শেৱালি, নাৰ্জী ফুল, চিত্ৰনলা আদি উল্লেখযোগ্য। এনেবোৰ গছ-লতাৰ বাগিচা স্থাপনৰ জৰিয়তে অসমত বহল ভিত্তিত বনৌষধি উদ্যোগৰ দিহা কৰিব পাৰি।

উল্লেখযোগ্য যে অসমত প্ৰচুৰ পৰিমাণে বনৌষধি উদ্ভিদ থকাৰ পিছতো পৰ্যাপ্ত বনৌষধি বাগিচা আৰু উদ্যোগ নথকাত ৰাজ্যৰ বাহিৰৰ ব্যৱসায়িক প্ৰতিষ্ঠানে লাভজনকভাৱে পানীৰ দামত বন দৰবৰ কেঁচামাল অসমৰ পৰা বাহিৰৰ ৰাজ্যলৈ নি আছে। এটা সমীক্ষা মতে

* পাঞ্চালী বৈশ্য পুণে বিশ্ববিদ্যালয়ৰ বিদায়ী ছাত্ৰী

অসমৰ পৰা বছৰি প্ৰায় ২০০ বিধমান ঔষধ গুণ থকা গছ লতা অসমৰ বাহিৰলৈ যায়। আনকি বিদেশলৈও অসমৰপৰা বনৌষধি উদ্ভিদ ৰপ্তানি হয়। বাহিৰৰ প্ৰতিষ্ঠানবোৰে অসমৰ কেঁচামালেৰে 'হাৰ্বেল প্ৰডাক্ট' উৎপাদন কৰি অধিক দামত বিক্ৰী কৰি আহিছে।

অসমত বনৌষধি উদ্যোগ স্থাপন কৰি অসমৰ ভয়াবহ নিবনুৱা সমস্যা সমাধানৰ বাট উলিয়াব পাৰি। বিশেষকৈ বনৌষধি উদ্ভিদৰদ্বাৰা প্ৰসাধন সামগ্ৰী প্ৰস্তুত উদ্যোগ, মচলা উদ্যোগ, বনৌষধি নিষ্কাষণ উদ্যোগ, বনৌষধি শুকোৱা উদ্যোগ অসমত গঢ়ি তুলিব পাৰি। এনে বনৌষধি উদ্যোগ স্থাপনত উদ্যোগী যুৱক যুৱতীৰ লগতে আত্মসহায়ক গোট , স্বেচ্ছাসেৱী অনুষ্ঠান আদিয়ে আগভাগ ল'ব পাৰে। এই ক্ষেত্ৰত চৰকাৰেও সহায়ৰ হাত আগবঢ়াব লাগিব। স্থানীয় উদ্যোগী যুৱক-যুৱতীসকলক চৰকাৰে উপযুক্ত প্ৰশিক্ষণ আৰু আৰ্থিক সাহায্য দিয়াৰ ব্যৱস্থা ল'ব লাগিব। বন সংৰক্ষণ বা উদ্ভিদ বাগিছা আদি স্থাপনৰ বাবে অসম চৰকাৰৰ বন বিভাগে অসমৰ টকলা পাহাৰবোৰত বন দৰবৰ বাগিছা স্থাপনৰ উদ্দেশ্যে স্বেচ্ছাসেৱী অনুষ্ঠান আদিক তেনে পাহাৰ 'লিজ'ত দিয়াৰ ব্যৱস্থা ল'ব পাৰে। স্থানীয় বেংক আদিয়েও এনে উদ্যোগ স্থাপনৰ বাবে ঋণ আগবঢ়োৱা উচিত। অসমত এনে ব্যৱস্থাৰে বনৌষধি উদ্যোগ স্থাপন কৰি অসমৰ আৰ্থিক উন্নয়নৰ সুগম পথ উলিয়াব পাৰি।

**পয়োভৰাৰ পৰৱৰ্তী সংখ্যাৰ**

## বিষয় সম্ভাৰ

**জুলাই, ২০১৫ — আন্তৰ্জাতিক সম্পৰ্কৰ নতুন দৃশ্যাৱলী**

উপৰোক্ত বিষয়সমূহৰ বাবে অভিজ্ঞ ব্যক্তিৰ পৰা প্ৰবন্ধ-পাতি বিচৰা হ'ল। বিষয়সমূহ উত্তৰ-পূৰ্বাঞ্চলৰ তথ্যপাতিৰে সমৃদ্ধ হ'ব লাগিব। উপযুক্ত বিবেচিত হ'লে যথা সংখ্যাত প্ৰকাশ কৰা হ'ব। লগতে বিভিন্ন পুথি, আলোচনী বিক্ৰেতা সকলকো তেওঁলোকৰ প্ৰয়োজনীয় কপিৰ বাবে আমাৰ কাৰ্যালয়ৰ লগত যোগাযোগ কৰিবলৈ অনুৰোধ কৰা হ'ল।

**সম্পাদক, পয়োভৰা**

কে.কে.বি. পথ, নিউ কলনি, গৃহ নং-৭

চেনিকুঠি, গুৱাহাটী-৭৮১০০৩

ফোন নং-২৬৬৫০৯০, ই-মেইল ঃ yojanaasomia@yahoo.co.in

# আপুনি জানেনে?

## ৰাষ্ট্ৰীয় বায়ু মানক সূচাংক

'ৰাষ্ট্ৰীয় বায়ু মানক সূচাংক' হ'ল সৰ্বসাধাৰণ মানুহে তেওঁলোকৰ দৃষ্টিসীমাৰ ভিতৰত থকা এডোখৰ অঞ্চলৰ বায়ুৰ, গুণমান নিৰ্দ্ধাৰণ কৰিব পৰা 'এটা নম্বৰ - এটা ৰং - এক ব্যাখ্যা' যুক্ত সূচক পদ্ধতি। স্বচ্ছ ভাৰত অভিযানৰ অধীনত চৰকাৰে সমগ্ৰ দেশ জুৰি ৰূপায়ণ কৰিব খোজা পৰিষ্কৰণ সংস্কৃতিৰ অংশ হিচাপেই এই সূচাংকৰ প্ৰচলন কৰিব খোজা হৈছে। বায়ুৰ গুণ মান সম্পৰ্কীয় তথ্যৰ প্ৰভাৱশালী প্ৰচাৰৰ বাবে এই সূচাংকক এটা উপযুক্ত সঁজুলি হিচাপে ব্যৱহাৰ কৰা হ'ব। প্ৰণিধান যোগ্য যে বায়ুৰ স্বচ্ছতা ৰক্ষাও স্বচ্ছতাৰ অভিযানৰ ৰূপত সম্পন্ন কৰাৰ বাবে চলোৱা গণ-জাগৰণৰে এটা অংশ হিচাপে গ্ৰহণ কৰা হৈছে। পৰিৱেশৰ সমতা ৰক্ষা, ইয়াৰ সংৰক্ষণ তথা উত্তৰণৰ লক্ষ্য লৈয়ে এনেবোৰ উদ্যোগ গ্ৰহণ কৰা হৈছে।

বায়ুৰ গুণ-মান সন্দৰ্ভত সদ্যহতে মাপকৰ ক্ষেত্ৰত আঠোটা স্তৰ নিৰ্দ্ধাৰণৰ ব্যৱস্থা কৰা হৈছে। বায়ু মানক সূচাংকৰ ছটা শ্ৰেণী হ'ল— ভাল, সন্তোষজনক, মধ্যমীয়া, বেয়া, অতি বেয়া তথা শোচনীয় ভাবে প্ৰদূষিত। হ্ৰস্বম্যাদী ( ২৪ ঘন্টা পৰ্যন্ত গড় সময়কাল) ৰাষ্ট্ৰীয় বায়ু মাত্ৰ মাপক নিৰ্দ্ধাৰণৰ বাবে প্ৰস্তাৱিত বায়ু মানক সূচকাংকই আঠোটা প্ৰদূষকক বিবেচনাৰ্থে গ্ৰহণ কৰিব। প্ৰদূষণ ঘনীভৱন , যাৱতীয় মান, আৰু স্বাস্থ্যৰ ওপৰত পৰিব পৰা প্ৰভাৱৰ ভিত্তিত প্ৰতিটো প্ৰদূষকৰ একোটা উপ-সূচাংকও নিৰ্দ্ধাৰণৰ দিহা কৰা হ'ব।

বায়ুপ্ৰদূষণ পৰিৱেশ সম্পৰ্কীয় প্ৰসংগসমূহৰ লগতে স্বাস্থ্য বিধিৰ বাবেও এটা উদ্বেগৰ কাৰণ ; বিশেষকৈ চহৰীয়া অঞ্চলৰ বাবে বিষয়টো আক্ষৰিক অৰ্থতে চিন্তাৰ বিষয়। এনে প্ৰেক্ষাপটতে কেন্দ্ৰীয় প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদে ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদ সমূহৰ সহযোগিতাৰে দেশৰ ২৪০ খন মহানগৰীত 'ৰাষ্ট্ৰীয় বায়ু নিৰীক্ষণ কাৰ্যক্ৰম ' সূচী ৰূপায়ণ কৰি আছে। সেয়ে সৰ্বসাধাৰণ ৰাইজে সহজে বুজিব পৰাকৈ থলুৱা ভাষাত বায়ুৰ গুণ-মান সম্পৰ্কীয় তথ্য অৱগত কৰাটো অতিকে গুৰুত্বপূৰ্ণ বুলি বিবেচনা কৰা হৈছে। স্বচ্ছতাৰ সংস্কৃতিক বিস্তৃত পৰিসৰত ৰূপায়ণৰ তাগিদাত এই সম্পৰ্কীয় সজাগতামূলক কাৰ্যসূচী বিদ্যালয়- মহাবিদ্যালয় আদিলৈ সম্প্ৰসাৰিত কৰাৰ লগতে পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰাৰো পদক্ষেপ গ্ৰহণ কৰা হৈছে।

## পহল আঁচনি

'পহল' শব্দৰ বিস্তৃত ৰূপটো হৈছে 'প্ৰত্যক্ষ হস্তান্তৰিত লাভ (Pratyaksh Hastantarit Labh)। মূলতঃ তৰলীকৃত ৰন্ধন গেছৰ গ্ৰাহক সকলক প্ৰত্যক্ষ ভাবে লাভ হস্তান্তৰ কৰিব পৰাকৈ ২০১৫ চনৰ পহিলা জানুৱাৰীত কেন্দ্ৰীয় চৰকাৰে এই আঁচনিখন সূচনা কৰিছিল । আঁচনিখনৰ অধীনত ৰন্ধন গেছৰ চিলিণ্ডাৰসমূহ 'কেচ ট্ৰেন্সফাৰ কম্প্লায়েন্ট (চি টি চি) পদ্ধতিৰে বজাৰ মূল্যত গ্ৰাহকক বিক্ৰীৰ দিহা কৰি ইয়াৰ বাবে লাভ কৰা ৰাজ সাহায্যৰ ধন গ্ৰাহকৰ বেংক একাউন্টত প্ৰত্যক্ষ ভাবে জমা দিয়াৰ ব্যৱস্থা কৰা হৈছে। এনেদৰে আদায় দিয়া ধন জমা দিয়াৰ বাবে দুটা পদ্ধতি ব্যৱহাৰ কৰা হৈছে।

সেয়া হ'লঃ

১) প্ৰাথমিক ঃ আধাৰ নম্বৰ গ্ৰহণ কৰা গ্ৰাহকসকলৰ বেংক একাউন্টৰ সৈতে এই নম্বৰ সংলগ্ন কৰি ৰাজসাহায্যৰ ধন প্ৰত্যক্ষভাবে হস্তান্তৰিত কৰা ;

২) দ্বিতীয় পদ্ধতিঃ আধাৰ নম্বৰ নথকা গ্ৰাহক সকলে তেওঁলোকৰ বেংক একাউন্টৰ সবিশেষ তথ্য (একাউন্ট নম্বৰ নাম,ঠিকনা আই এফ এছ চি কোড আদি) গেছৰ চিলিণ্ডাৰৰ বিতৰকৰ ওচৰত জমা দি ৰাজসাহায্যৰ ধন প্ৰত্যক্ষ ভাবে লাভৰ সুবিধা কৰিব পাৰে।

যিসকল গ্ৰাহকে বেংক একাউন্টৰ জৰিয়তে প্ৰত্যক্ষভাবে ৰাজ সাহায্যৰ ধন লাভ কৰে তেওঁলোকক 'কেচ টেন্সফাৰ কম্প্লায়েন্ট (চি টি চি) কনজুমা'ৰ বুলি অভিহিত কৰা হয়। যিসকল গ্ৰাহকে এই 'চি টি চি' ব্যৱস্থাৰে প্ৰত্যক্ষ লাভ হস্তান্তৰৰ সুবিধা লোৱা নাই তেওঁলোকক যাৱতীয় ব্যৱস্থাৱলী সম্পূৰ্ণ কৰাৰ বাবে তিনিমাহৰ সময় (আৰু তিনি মাহ অতিৰিক্ত সময়সহ) দিয়া হয়। অৱশ্যে এইছোৱা সময়ত 'চিটিচি'ৰ আওতালৈ নহা সাধাৰণ গ্ৰাহকক বজাৰ মূল্যত ৰন্ধন গেছৰ যোগান ধৰা হ'ব।

পহল আচনিত যোগদান কৰা প্ৰতিগৰাকী চিটিচি গ্ৰাহকক এটা এককালীন আগতীয়া সুবিধা আগবঢ়োৱা হয়। এই সুবিধাৰ বিষয়ে চৰকাৰে সময়ে সময়ে অধিসূচনাৰ জৰিয়তে অৱগত কৰি থাকিব আৰু সংশ্লিষ্ট বিত্তীয় বৰ্ষৰ বাবে সেয়া সুস্থিৰে থাকিব। ৰন্ধন গেছৰ সংযোগ কৰ্তন নকৰা পৰ্যন্ত গ্ৰাহকে এই সুবিধা ভোগ কৰি থাকিব পাৰিব।

প্ৰথম পৰ্যায়ত সংশোধিত আঁচনিখন দেশৰ ৫৪ খন জিলাত পুনৰ ৰূপায়ণৰ ব্যৱস্থা কৰা হৈছিল। চলিত বৰ্ষৰ ১ জানুৱাৰীৰ পৰা আঁচনিখন দেশৰ সকলো প্ৰান্ততে ৰূপায়ণৰ দিহা কৰা হয়।

# ভাৰত ২০১৫ সহায়িকা বাৰ্ষিকী ‘ডাউনলোড’ৰ সহজ সুবিধাৰে উপলব্ধ ‘ই-বুক’

দেশৰ বিষয়ে বিশ্বাসযোগ্য, স্বীকৃত তথা শেহতীয়া তথ্যৰ অন্বেষণ কৰোতাসকলৰ বাবে শুভ বাৰ্তাৰ সম্ভাৰ লৈ প্ৰকাশিত হৈছে ‘ইণ্ডিয়া তথা ভাৰত ২০১৫ ’ শীৰ্ষক এখন সন্মানীয় সহায়িকা বাৰ্ষিকী। ডাউনলোডৰ সহজ সুবিধাবিশিষ্ট দুটা সংস্কৰণৰ ‘ই-বুক’খন যুগুতাই উলিয়াইছে ভাৰত চৰকাৰৰ তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ে। ৰাষ্ট্ৰৰ বিকাশ তথা জন কল্যাণৰ বিভিন্ন দিশত আহোপুৰুষাৰ্থ কৰোতাসকলৰ বহুমুখী প্ৰতিভাৰ তথ্যাৱলী সমৃদ্ধ কৰা হৈছে ই-বুকখন। দেশৰ প্ৰতিযোগিতামূলক পৰীক্ষাসমূহত অৱতীৰ্ণ হ’ব খোজা সকলৰ বাবে এনে সহায়িকা বাৰ্ষিকীয়ে বিশেষ গুৰুত্ব বহন কৰি আহিছে যদিও শেহতীয়া ভাবে ডিজিটেল পদ্ধতিত উপলব্ধ হোৱা এই ই-বুকখনে ব্যৱহাৰ কৰোতাক অধিক বন্ধুত্বসুলভ ভাৱে সহযোগিতা আগবঢ়াব বুলি আশা কৰা হৈছে।

চলিত বছৰৰ যোৱা ৭ মে’ত নতুন দিল্লীত ‘ইণ্ডিয়া ২০১৫’ আৰু ‘ভাৰত ২০১৫’ শীৰ্ষক সহায়িকা বাৰ্ষিকীখন আনুষ্ঠানিকভাৱে উন্মোচন কৰি দিয়া ভাষণত তথ্য আৰু সম্প্ৰচাৰ দপ্তৰৰ মন্ত্ৰী  অৰুণ জেটলীয়ে কয় যে, ই-মোডত যুগুতোৱা এই লানি সহায়িকাই ডিজিটেল মাধ্যমৰ পঢ়ুৱৈসকলক ভাৰত সম্পৰ্কীয় তথ্যৰ বিশাল সম্ভাৰ অন্বেষণৰ অপূৰ্ব সুযোগ প্ৰদান কৰিব। আনহাতে এনেদৰে ‘ডিজিটেল মোড’ত সহায়িকা যুগুতাই উলিয়াই প্ৰকাশন বিভাগেও সম্প্ৰতিক সয়মত সাধিত হোৱা পৰিৱৰ্তনৰ ধাৰাত নিজকে চামিল কৰাৰ নিদৰ্শন দাঙি ধৰিলে বুলিও মন্ত্ৰীজনে অভিমত ব্যক্ত কৰে ।

ই -বুক খনে কাৰিকাৰী দিশত উত্তম আন্তঃৰাষ্ট্ৰীয় মানবিশিষ্টতা অৰ্জন কৰাৰ লগতে ছপা প্ৰকাশনৰ বিশ্বাসী প্ৰতিস্থাপক হিচাপে পৰিচয় দিবলৈ সক্ষম হৈছে। ই-ইণ্ডিয়া/ই-ভাৰত ২০১৫ ত পঢ়ুৱৈক সুবিধা দিব পৰাকৈ বিভিন্ন যতন - যেনে ঃ হাইপাৰলিংকছ, হাইলাইটিং, বুকমাৰ্কিং তথা ইন্টাৰেক্টিভিটীৰ দৰে-উন্নত যোগাযোগ ব্যৱস্থা সংযোজিত কৰা হৈছে। তদুপৰি অন্যান্য ছ’চিয়েল মিডিয়াৰ সৈতে সহজে তথ্যৰ আদান-প্ৰদান কৰিব পৰা ব্যৱস্থাও ইয়াত সন্নিৱিষ্ট কৰা হৈছে। পঢ়ুৱৈৰ সুবিধাৰ বাবে ই-বুক দুখনত সন্নিৱিষ্ট কৰা অন্যান্য ব্যৱস্থাবোৰ হ’ল ছাৰ্চেৱল কন্টেন্ট, ৰেফাৰেঞ্চিং, গুড ৰিডেবিলিটী,এচিউৰড্ বেক্ আপ আৰু ৰিট্ৰাইভেল। পৰীক্ষাৰ বাবে প্ৰস্তুতি চলাই থকা ছাত্ৰ-ছাত্ৰী,গৱেষক, বিশ্লেষকৰ দৰে ব্যস্তসকলৰ বাবে এই  ই-বুক এটা আশ্চৰ্যকৰ বিকল্প হিচাপে পৰিগণিত হ’ব বুলি আশা কৰা হৈছে।

২৬৩ টকা মূল্যৰ এই ই-বুক সমূহ সকলোবোৰ অগ্ৰণী ই-কমাৰ্চ প্লেটফৰ্ম, গুগুল প্লে বুকছ তথা ফিলিপকাৰ্ট আদিত উপলব্ধ হ’ব। সহজে ডাউনলোড কৰিব পৰা এই ই- বুকখন যি কোনো ই-ৰিটেইলাৰত গৈ ‘ইণ্ডিয়া -২০১৫’ ছাৰ্চ কৰিলেই উপলব্ধ কৰিব পৰা যায়। এয়া এটা তেনেই সহজ  অভিজ্ঞতা বুলি ইতিমধ্যেই চিহ্নিত হৈছে। এইখন সহায়িকা বাৰ্ষিকীৰ জৰিয়তে এতিয়াৰে পৰা ৰাইজে দেশৰ বিষয়ে, অথবা চৰকাৰৰ বিভিন্ন আঁচনি কাৰ্যক্ৰমৰ বিষয়ে শুদ্ধ তথ্য, স্বীকৃত উৎসৰ পৰা সহজে  খৰতকীয়াকৈ উপলব্ধ কৰা সুযোগ লাভ কৰিব। ছপা গ্ৰন্থৰ বাবে হাবাথুৰি খাবলগীয়া হোৱা দেশৰ প্ৰত্যন্ত অঞ্চলসমূহৰ বাবে এই ই-বুক-এ এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব বুলি আশা কৰিব পাৰি।

Published on 8th June 2015
Post on 9th to11th June 2015 June, 2015 ISSN-0971-8371




মুদ্ৰক আৰু প্ৰকাশক ঃ সাধনা ৰাউত, মুৰব্বী আৰু অতিৰিক্ত সঞ্চালক প্ৰধান, প্ৰকাশন বিভাগ
মুদ্ৰক ঃ আশী পাব্লিশ্বিং হাউছ (পেৰাডাইজৰ ওচৰত), গোস্বামী ছাৰ্ভিছ, বিবিধা কমপ্লেক্স এম আৰ
ডি ৰোড, গুৱাহাটী-৭৮১০০৩ ফোন/ম'বাইল - ০৩৬১-২৬৬০৬২৫/৯৮৬৪৩২৩৭৯১
প্ৰধান সম্পাদক ঃ দীপিকা কচ্চল, জ্যেষ্ঠ সম্পাদকঃ অনুপমা দাস